
# সন্ত যশামৃত

সাধু বুদৰাম, লক্ষ্মীকান্ত আৰু মাধৱ সত্ৰাধিকাৰ
ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ







সন্ত যশামৃত
সাধু বুদৰাম, লক্ষ্মীকান্ত আৰু মাধৱ সত্ৰাধিকাৰ, ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ

# সন্ত যশামৃত

## সাধু বুদৰাম, লক্ষ্মীকান্ত আৰু মাধৱ সত্ৰাধিকাৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ

*সম্পাদক*

**ড° দীপুল কুমাৰ দাস**

**প্ৰকাশক**

অধ্যয়ন চ'ৰা

শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়

**Santa Yashamrit : Sadhu Budram, Lakshmikanta and Madhab Satradhikar :** A collection of Assamese discourses on the lives and deeds of Budram Mahanta, Lakshmikanta Mahanta and Madhab Ch. Mahanta, Satradhikars of Ishwar Shri Shri Hati Sattra, Sualkuchi.

# সন্ত যশামৃত

| | | |
|---|---|---|
| প্ৰকাশক | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ হৈ মহাবিদ্যালয়ৰ 'অধ্যয়ন চ'ৰা' |
| গ্ৰন্থস্বত্ব | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় |
| প্ৰথম প্ৰকাশ | ঃ | ৯ নবেম্বৰ, সোণালী জয়ন্তী বৰ্ষ - ২০১৩ |
| বেটুপাত পৰিকল্পনা | ঃ | সম্পাদনা সমিতি, 'সন্ত যশামৃত' |
| বেটুপাত অলংকৰণ | ঃ | দিপাঙ্কৰ মেধি |
| অক্ষৰ বিন্যাস | ঃ | ৰুবুল দাস |
| অঙ্গসজ্জা | ঃ | দিপাঙ্কৰ মেধি |
| মূল্য | ঃ | ১৫০ টকা |
| মুদ্ৰণ | ঃ | ডিজিপ্ৰিণ্ট, কলেজৰোড, শুৱালকুছি<br>ফোন ঃ ৯৮৬৪১-৪২৩৪০ |

'সন্ত যশামৃত' গ্ৰন্থত সংকলিত প্ৰবন্ধসমূহৰ তথ্য-পাতিসমূহ সংশ্লিষ্ট লেখাৰ লেখক-লেখিকাসকলৰ নিজা। তাৰ বাবে সম্পাদক অথবা সম্পাদনা সমিতি দায়বদ্ধ নহয়।

## সত্ৰাধিকাৰৰ বাণী

**জয় গুৰু শঙ্কৰ**

সুবাসনা দুৰ্বাসনা দুই          বন্ধৰ মোক্ষৰ মুল হেতু
শুনা যেন মতে উপজয় পুৰুষত।
সন্তৰ কৃপাত সুবাসনা          সুখে পুৰুষক পাৰে জানা
হোৱে দুৰ্বাসনা সন্তৰ মন কোপত।।

অসমৰ অন্যতম ঐতিহ্যমণ্ডিত পুৰণি ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ। এই সত্ৰৰে অধিকাৰৰ আসন শোভিত কৰা সাধু বুদৰাম, লক্ষ্মীকান্ত আৰু মাধৱ সত্ৰাধিকাৰৰ পুণ্য স্মৃতি স্মৰণৰ যি প্ৰচেষ্টা, সেয়া সঁচাকৈয়ে আদৰণীয়। শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ 'অধ্যয়ন চ'ৰা'ৰ এই কৰ্মই শুৱালকুছিবাসী ৰাইজ তথা সত্ৰখনক বাৰুকৈয়ে উপকৃত কৰিব।

সমূহ ৰাইজে তাৰাসকলৰ প্ৰচেষ্টাক উৎসাহিত কৰাৰ আশাৰে -

ইতি
সেৱাৰে
শ্ৰীভগ্নেশ্বৰ মহন্ত
বুঢ়াসত্ৰীয়া
ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ, শুৱালকুছি

# সূচীপত্র


| | | |
|---|---|---|
| অধ্যক্ষৰ দুআষাৰ | | ৬ |
| সম্পাদকীয় | | ৭ |
| ◆ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ ঐতিহ্য আৰু ইতিবৃত্ত সম্পৰ্কে এটি আলোচনা | ৰাজীৱলোচন সন্ত | ১৩ |
| ◆ সাধু বুদৰাম মহন্ত ঃ জীৱন আৰু ব্যক্তিত্ব | দিপালী কলিতা | ২০ |
| ◆ শংকৰী কলা-কৃষ্টি-আদৰ্শৰ সংৰক্ষক আৰু সংবৰ্ধক হিচাপে সাধু বুদৰাম মহন্তৰ অৱদান | ড° পৰশমণি দাস | ২৯ |
| ◆ ভাৰতীয় আধ্যাত্মিক চিন্তা-চেতনা আৰু সাধু বুদৰাম সত্ৰাধিকাৰ | হেমচন্দ্ৰ ভৰালী | ৩৬ |
| ◆ শুৱালকুছিৰ সমাজ জীৱনলৈ সাধু বুদৰাম মহন্তৰ অৱদান | কুঞ্জমোহন ডেকা | ৪৪ |
| ◆ জীৱন আৰু ব্যক্তিত্ব ঃ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত | কনকলতা দাস | ৫৩ |
| ◆ শংকৰী কলা-কৃষ্টিৰ সংৰক্ষক আৰু সংবৰ্ধক হিচাপে সাধু লক্ষ্মীকান্ত সত্ৰাধিকাৰৰ অৱদান | উমেশ চন্দ্ৰ দাস | ৬২ |
| ◆ বৃহত্তৰ শুৱালকুছিৰ সমাজ জীৱনলৈ সাধু লক্ষ্মীকান্ত সত্ৰাধিকাৰৰ অৱদান | দেবীৰাম দাস | ৬৯ |
| ◆ মহান দাতা সত্ৰাধিকাৰ মাধৱ মহন্তদেৱ আৰু উচ্চ শিক্ষাৰ মন্দিৰ গঢ়া শুৱালকুছিৰ এচাম ৰাইজ | হৰেকৃষ্ণ শৰ্মা | ৭৪ |
| ◆ মাধৱ চন্দ্ৰ মহন্ত ঃ জীৱন আৰু ব্যক্তিত্ব | ড° মনালিছা বৰা | ৭৭ |
| ◆ শংকৰী কলা-কৃষ্টিৰ সংৰক্ষক আৰু সংবৰ্ধক হিচাপে সাধু মাধৱ সত্ৰাধিকাৰৰ অৱদান | তুৱা কটকী | ৮৭ |
| ◆ শুৱালকুছিৰ সমাজ জীৱনলৈ সাধু মাধৱ সত্ৰাধিকাৰৰ অৱদান | কুলধৰ চৌধুৰী | ৯৬ |
| ◆ কবি কৃষ্ণৰ কবিতাত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অৱদান | মাহিন্দ্ৰী দাস/ডাঃ বিকুল দাস | ১০০ |
| ◆ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ সম্পৰ্কীয় তিনিটা স্নেপ-শ্বট | মলিন কলিতা | ১১১ |
| ◆ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক আৰু বাহক হিচাপে সাধু বুদৰাম আৰু মাধৱ অধিকাৰ | বাসুদেৱ ভৰালী | ১১৬ |
| ◆ বিহঙ্গম দৃষ্টিত শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ চাৰুকলা | দিলীপ কুমাৰ শৰ্মা | ১১৯ |
| ◆ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ স্বকীয় ঐশ্বৰ্য ঃ স্থাপত্য আৰু ভাস্কৰ্য | ড° চিত্তৰঞ্জন দাস | ১২২ |
| লেখক পৰিচিতি | | ১২৬ |
| সম্পাদনা সমিতি | | ১২৮ |

# অধ্যক্ষৰ দুআষাৰ

শুৱালকুছিৰ অন্য এক পৰিচয় হ'ল — ধৰ্ম আৰু কৰ্ম সংস্কৃতিৰ মিলনভূমি। কৰ্মক্ষেত্ৰত শুৱালকুছিৰ পৰিচয় অসমহে নালাগে কিছু পৰিমাণে বহিঃৰাজ্যতো চিনাকী। কিন্তু ধৰ্ম নতুবা আধ্যাত্মিক পৰিসৰত শুৱালকুছিৰ সুকীয়া পৰিচয়নো কি? এনে প্ৰশ্ন অন্য ঠাইৰ লোকৰ মনত উদয় হোৱাতো তেনেই স্বাভাৱিক।

ঘন বসতিপূৰ্ণ এই গাঁওখনত চুবুৰীয়ে চুবুৰীয়ে (শুৱালকুছিৰ স্থানীয় পৰিভাষাত তোল বুলি জনাজাত) সত্ৰ-মন্দিৰ আৰু নামঘৰে নামঘৰে পুৱা-গধূলি এক আধ্যাত্মিক বাতাবৰণ বৰ্তাই ৰখা এই গাঁওখনৰ অন্যতম প্ৰসিদ্ধ সত্ৰখনেই হ'ল ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ। নামনি অসমৰ একমাত্ৰ উদাসীন সত্ৰ হিচাপে খ্যাত এই শ্ৰীশ্ৰীহাটীসত্ৰই ইয়াৰ শ্ৰদ্ধাস্পদ সত্ৰাধিকাৰসকলৰ উদাৰতা, বদান্যতাৰে শুৱালকুছিৰ সামাজিক জীৱন বিধৌত কৰি ৰাখিছে। আনহাতে তেওঁসকলৰ মাহাত্মপূৰ্ণ জীৱনেও ভকতসকলক আনুগত্যৰ এনাজৰীৰে সত্ৰখনৰ লগত একাত্ম কৰি ৰাখিছে। বিশেষকৈ বাকসিদ্ধ পুৰুষ হিচাপে খ্যাত সাধু বুদৰাম মহন্তৰ জীৱন জিজ্ঞাসাই অঞ্চলবাসীৰ মনত আজিও গভীৰভাৱে প্ৰভাৱিত কৰি ৰাখিছে। একেদৰে তেখেতৰ উত্তৰাধিকাৰী সাধু মাধৱ চন্দ্ৰ মহন্তদেৱৰ উদাৰনৈতিক জনহিতৈষী অনেক কথা অঞ্চলবাসীৰ মুখে মুখে।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ ভূমিদানেৰে শুৱালকুছিত ১৯৬৩ চনত প্ৰতিষ্ঠা কৰা কলেজখনে নিজৰ ঠিকনা বিচাৰি পালে। শুৱালকুছিৰ বস্ত্ৰ উদ্যানো এই সত্ৰৰ ভূমিতেই মূৰ দাঙি উঠিছে। সত্ৰ আৰু সত্ৰাধিকাৰসকলক কেন্দ্ৰ কৰি যতমানে তথ্য মুখে মুখে প্ৰচলিত, সেইবোৰক ভিন্ন জনৰ পৰা সংগ্ৰহ কৰি আপোনাসকলৰ হাতত তুলি দিয়াৰ প্ৰয়াসেৰে মহাবিদ্যালয় পৰিয়ালৰ এই নিৱেদন 'সন্ত যশামৃত'।

আমাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি এই সংকলনটি প্ৰস্তুত কৰি উলিওৱাত হাতে-কামে লাগি থকা সদৌটিলৈ আৰু সমূহ লিখকবৃন্দলৈ আমাৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো। পাঠক সমাজে ইয়াৰ পৰা উপকৃত হ'লে আমাৰ প্ৰয়াস সাৰ্থক হ'ব।

শেষত এই সংকলটিকে সাধু সত্ৰাধিকাৰবৃন্দলৈ আমাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ পুষ্পাঞ্জলী হিচাপে নিৱেদন কৰিলো।

ইতি —

ড° দীপেশ চন্দ্ৰ ভাগৱতী
*অধ্যক্ষ*
শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়

শুৱালকুছি
৩০/১০/২০১৩

# সম্পাদকীয়

বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰ ভিত্তিত অসমৰ বিভিন্ন স্থানত সত্ৰ আৰু নামঘৰসমূহ স্থাপন কৰা হৈছিল। এই সত্ৰসমূহে ইয়াৰ উদ্দেশ্য সুকলমে আৰু নিষ্ঠাৰে পালনৰ উপৰি অসমৰ জাতীয় জীৱনলৈ এক বিশেষ বৰঙণি আগবঢ়াই আহিছে। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱে যি সময়ত সত্ৰ আৰু নামঘৰসমূহ স্থাপন কৰিছিল সেই সময়ত অসমত আজিৰ নিচিনা আধুনিক আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ আৰম্ভ হোৱা নাছিল। সেই সময়ত শঙ্কৰদেৱৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিৰ নিচিনা কিছুমান পণ্ডিতলোকৰ প্ৰচেষ্টাত তথা ৰজা-মহাৰজাৰ বিশেষ উদ্যোগত আৰু ধৰ্মীয় অনুষ্ঠানসমূহৰ আলমত গঢ় লৈ উঠা শিক্ষাকেন্দ্ৰতহে শিক্ষা দিয়া হৈছিল। আজিৰ নিচিনা গাঁৱে-ভূঞে, নগৰে-চহৰে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ আৰম্ভণি তেতিয়া হোৱা নাছিল। সেইসময়ত শংকৰগুৰুৱে সাধাৰণ অসমীয়া মানুহে বুজিব পৰাকৈ সংস্কৃত ভাষাৰ পৰিৱৰ্তে সহজ-সৰল মাতৃভাষাৰ যোগেদি ধৰ্ম আৰু সংস্কৃতিৰ শিক্ষা দিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি সেই অনুসৰি কাম কৰিছিল। যাৰবাবে সত্ৰসমূহ তেওঁলোকৰ অতি আপোন হৈ পৰিছিল। গতিকে শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ অনবদ্য সৃষ্টি সত্ৰ আৰু নামঘৰসমূহে মানুহক কেৱল যে ধৰ্মৰ শিক্ষাই দিলে এনেকুৱা নহয়, বৰং অসমৰ মানুহৰ মাজত একতাৰ ভাব সুদৃঢ় কৰি তোলা, তেওঁলোকৰ মাজত জ্ঞানৰ পোহৰ বিলোৱা আৰু ভাষা সাহিত্য-সংস্কৃতি চৰ্চ্চাৰ ক্ষেত্ৰতো বিশেষ ভূমিকা পালন কৰি আহিছে।

যিহেতু শ্ৰীমন্ত শঙ্কৰদেৱ — "কুক্কুৰ, শৃগাল, গৰ্দভৰো আত্মাৰাম। জানিয়া সবাকো কৰিবা প্ৰণাম।।" ভাবৰ আদৰ্শেৰে উদ্বুদ্ধ আছিল গতিকে তেৰাই সম্প্ৰদায় পাহৰি, জাত পাহৰি, বৰ্ণ পাহৰি সকলোকে মিলি এক বৃহত্তৰ জাতি গঠনৰ কথা অসমীয়াক সোঁৱৰাই গৈছে। যাৰবাবে বিভিন্ন জাতি-উপজাতিৰ, ভাষা, ৰীতি-নীতিৰ, বৰ্ণ-সম্প্ৰদায়ৰ বিভিন্ন গোষ্ঠী লগ হৈ সুন্দৰ, বৰ্ণিল অসমীয়া জাতিসত্ত্বা গঢ়ি উঠিছে — অসমত। এই চিন্তাৰেই উদ্বুদ্ধ কৰি শ্ৰীমন্ত শঙ্কৰদেৱে অসমীয়াসকলক কৰি তুলিব পাৰিছিল — আধুনিক চিন্তাৰে চিন্তাশীল, সঁচা অৰ্থত শিক্ষিত লোক - যাৰ চৰ্চ্চা-প্ৰচাৰ-প্ৰসাৰৰ কাম এতিয়াও চলি আছে অসমৰ বহুতো নামঘৰ আৰু সত্ৰৰ যোগেদি। গতিকে ক'ব পাৰি যে অসমৰ সমাজ জীৱনত সত্ৰ স্থাপন এক বিশেষ উল্লেখযোগ্য ঘটনা।

বৃহত্তৰ অসমৰ সমাজ জীৱনত সত্ৰই যি স্থান গ্ৰহণ কৰিলে তাৰ পৰা ইতিহাস প্ৰসিদ্ধ, শুৱনি গাঁও শুৱালকুছি কিদৰে আঁতৰি থাকিব পাৰে? স্বাভাৱিকতে এই গাঁৱতো অনুৰণিত হ'ল মহান গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ মহান বৈষ্ণৱ ধৰ্মৰ অমিয়া বাণী — "বোলহুঁ ৰাম নামেসে/মুকুতি নিদানা/ভব বৈতৰণী-তৰণী সুখ সৰণী/ নাহি/নাহি নাম সমানা।......"

শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম বাণীৰ শুৱালকুছিত হোৱা সেই অনুৰণনৰেই এক বাস্তৱ ৰূপ হ'ল আমাৰ শ্ৰদ্ধাৰ আৰু মৰমৰ অনুষ্ঠান — 'ঈশ্বৰ শ্ৰীশ্ৰী হাটী সত্ৰ'। বিশাল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত, ধৰ্ম আৰু কৰ্মৰ মিলনভূমি, মহামানৱ মহাত্মা গান্ধীৰ নিচিনা মনীষীৰ পদধূলাৰে সমৃদ্ধ, বিতোপন গাঁও শুৱালকুছিৰ বুকুত ১৭০০ শতিকাৰ মাজভাগমানত স্থাপিত হ'ল এই মহান অনুষ্ঠান। শুৱালকুছিৰ বুকুত ঠাকুৰৰ বাহা অৰ্থাৎ ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ মহান প্ৰতিষ্ঠাপকগৰাকী হ'ল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাৰ ভাটি প্ৰদেশৰ প্ৰথমজনা শিষ্য নাৰায়ণ দাস ঠাকুৰ আতা পুৰুষৰ পৰিনাতি — কানু বুঢ়া ঠাকুৰ। নলনা নামৰ ঠাইৰ এইগৰাকী সাধু পুৰুষে বৰপেটা সত্ৰৰ পৰা আহি আমাৰ ইয়াত 'ভজনীয়া বাহা' পতাৰ উপৰি কেউলীয়া হাটীও পাতিছিল বাবে এই সত্ৰখন হাটীসত্ৰ ৰূপে পৰিচিত হৈ পৰে। কথাতে কয় বোলে — 'হাপাই খাইতি বুঢ়ীৰ এক টাৰ মাটি তাতে পাতিলা কেউলা হাটী'।

এই হাটীসত্ৰই প্ৰতিষ্ঠাকালৰে পৰা শুৱালকুছিকে কেন্দ্ৰ কৰি এক বৃহত্তৰ অঞ্চলত শ্ৰীমন্ত শঙ্কৰদেৱৰ নাম ধৰ্মৰ আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰৰ কামত নিয়োজিত হৈ আহিছে। এই ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ উপৰি শুৱালকুছিৰ সমাজ জীৱনত ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰই এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে — ইয়াৰ কৰ্মৰ যোগেদি। কাৰণ এই সত্ৰখনে কেৱল যে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ কামেই কৰিছে তেনেকুৱা নহয়, বৰঞ্চ এই মহান অনুষ্ঠানটোৱে শুৱালকুছিৰ ৰাইজৰ একতা, উন্নয়ন, শিক্ষা আদিৰ ক্ষেত্ৰটো প্ৰভূত বৰঙণি যোগাবলৈ সক্ষম হৈছে। বিশেষকৈ এই সত্ৰৰ মহান সত্ৰাধিকাৰসকলৰ জীৱন-গাঁথা অধ্যয়ন কৰিলে অথবা শুনিলে এই কথাৰ সত্যতা সহজেই অনুমান কৰিব পাৰি। সত্ৰখনত এতিয়ালৈকে একাদিক্ৰমে সত্ৰাধিকাৰৰ পদ অলংকৃত কৰা সেই মহান ব্যক্তিসকল হ'ল — প্ৰতিষ্ঠাপক কানু বুঢ়া ঠাকুৰৰ পিছত একাদিক্ৰমে মন্মথ আতৈ, গকুল আতৈ, নকুল আতৈ, কলা কানু ঠাকুৰ, ৰামনিধি মহন্ত, হৰিজয় মহন্ত, বুদৰাম মহন্ত, লক্ষ্মী কান্ত মহন্ত, মাধৱ চন্দ্ৰ মহন্ত আৰু শ্ৰীভগ্নেশ্বৰ মহন্ত।

বৃহত্তৰ শুৱালকুছি অঞ্চলৰ ৰাইজৰ উচ্চ শিক্ষা লাভৰ হেঁপাহক বাস্তৱ ৰূপ দান কৰাৰ ক্ষেত্ৰত এই ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ অৱদানৰ কথা শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত সোণালী আখৰেৰে লিখা আছে। এই সত্ৰৰ নৱমজনা সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্তদেৱৰ উদাৰতাৰ বাবেই সত্ৰৰ তেতিয়াৰ 'বাহাৰ বাৰী' খ্যাত ৪২ বিঘা ভূমিৰ এক বৃহৎ আৰু মহান দানৰ ওপৰত ১৯৬৩ চনত প্ৰতিষ্ঠিত হ'ল শুৱালকুছিৰ গুণী-জ্ঞানী ৰাইজৰ চিন্তাৰ ফল — সাধাৰণ ৰাইজৰ আশাৰ স্থলী — শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়। মহাবিদ্যালয় পৰিয়ালৰ সমূহ সদস্যই তেৰাসৱৰ এই মহান দানৰ কথা সদায় শ্ৰদ্ধাৰে সুঁৱৰি আহিছে।

ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ ওচৰত চিৰ ঋণী আমি সৱে আমাৰ মহাবিদ্যালয়ৰ 'অধ্যয়ন চ'ৰা'ৰ এখন সভাত এই প্ৰসঙ্গত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিলো যে



আমি এই মহান অনুষ্ঠানটিৰ বাবে কিবা বিশেষ কাৰ্য কৰা উচিত। বিশেষকৈ শুৱালকুছিৰ জনতাৰ মাজত সততে শ্ৰদ্ধাৰে উচ্চাৰিত নামসমূহৰ ভিতৰত সাধু বুদৰাম মহন্তৰ বাহিৰে সাধু লক্ষ্মীকান্ত আৰু মাধৱ সত্ৰাধিকাৰৰ জীৱন ভিত্তিক কোনো গ্ৰন্থ আজিলৈ প্ৰকাশিত হোৱা নাই। এই তিনিওজন সাধু পুৰুষৰ বদান্যতাৰ বাবেই সত্ৰৰ ভূমিত জ্ঞানৰ মন্দিৰ স্থাপিত হ'ল। গতিকে আমি তেখেতসকলৰ এক জীৱনী গ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰিলো আৰু কামত আগবাঢ়িলো। এই ক্ষেত্ৰত আমাৰ সন্মুখত দেখা দিয়া প্ৰধান অসুবিধাসমূহ আছিল — (১) সাধু বুদৰাম মহন্তৰ ওপৰত প্ৰয়াত হৰমোহন দাসদেৱে লিখা একমাত্ৰ গ্ৰন্থ 'সাধু বুদৰাম মহন্ত'ৰ বাহিৰে অন্য কোনো বিশেষ লেখা প্ৰকাশ পোৱা নাই। (২) অন্য দুগৰাকীৰ ক্ষেত্ৰত কোনো আধাৰ গ্ৰন্থ নাই। (৩) বৰ্তমান সময়ৰ প্ৰায়ভাগ মানুহে বাক্ সিদ্ধ সাধু বুদৰামদেৱক ল'গপোৱা নাই, বাকী দুজনক কিছুমানে পাইছে যদিও সেয়া তেওঁলোকৰ ল'ৰালিকালৰ সময়ছোৱাহে হ'ব। গতিকে এই তিনিগৰাকী সাধু পুৰুষৰ জীৱনৰ তথ্য আহৰণ কৰাটো এটা বৰ জটিল বিষয়। তথাপিও আমি অৰ্থাৎ আমাৰ সম্পাদনা সমিতিয়ে বিশেষকৈ ডেকা সত্ৰাধিকাৰ শ্ৰীযুত ৰাজীৱ লোচন সন্তদেৱৰ বিশেষ সহায় লৈ এই তিনিগৰাকী মহান পুৰুষৰ জীৱনৰ ওপৰত আলোকপাত কৰিব পৰা কিছু বিষয় আৰু সেইসমূহ লিখিব পৰা কিছু লেখক-লেখিকা উলিয়াই আমাৰ এই যাত্ৰা আৰম্ভ কৰিলো। অৱশ্যেই লগে লগে আমি সকলোকে মুকলি আহ্বানো জনালো — যদি কোনোবা সদাশয় লোকে তেৰাসৱৰ জীৱনভিত্তিক লেখা লিখিব খোজে লিখিব পাৰে বুলি। আমাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনায় ১৮ গৰাকী বিশিষ্ট লোকে তেখেতসকলৰ চিন্তাগধূৰ, তথ্যসমৃদ্ধ লেখাৰে এই তিনিওগৰাকী মহান লোকৰ প্ৰতি আগবঢ়াইছে গভীৰ শ্ৰদ্ধাঞ্জলি।

আমাৰ এই গ্ৰন্থখনিৰ প্ৰথম লেখাটি হ'ল — মহান অনুষ্ঠান ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ ঐতিহ্য আৰু ইতিবৃত্ত সম্পৰ্কীয় লেখা। এই লেখাটি বৰ যত্নেৰে লিখি উলিয়াইছে আমাৰ পৰম শ্ৰদ্ধেয় ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰীৰাজীৱ লোচন সন্তই। শ্ৰীসন্তৰ লেখাৰ যোগেদি আমি ইয়াত ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ জন্মৰ পৰা আজিৰ তাৰিখলৈ হোৱা প্ৰায় ৩৫০ বছৰ কালৰ এক দীঘলীয়া পৰিক্ৰমাৰ ইতিহাস থূল-মূলকৈ জানিব পাৰিম। বিশেষকৈ ইয়াত বৰ্ণিত হৈছে — হাটীসত্ৰৰ জন্ম, সত্ৰাধিকাৰসকলৰ চমু পৰিচয় আৰু কাৰ্যাৱলী, সত্ৰৰ নিৰ্মাণ কাৰ্য, চাৰুকলা আৰু কাৰুকলা, সত্ৰৰ আৰ্থিক দিশ, সত্ৰৰ নিত্য-নৈমিত্তিক কাৰ্য, সত্ৰৰ বিষয়বাব আৰু সত্ৰৰ স্থাৱৰ সম্পত্তিৰ তালিকা।

বাক সিদ্ধ পুৰুষ সাধু বুদৰাম মহন্ত আছিল এই সত্ৰৰ সপ্তম গৰাকী অধিকাৰ। ১৮০২ চনত জন্ম গ্ৰহণ কৰি ১৯১৯ চনত নিৰ্বাণ লাভ কৰা এইগৰাকী সাধু পুৰুষৰ মহান অলৌকিক গুণৰ কথা শুৱালকুছিৰ প্ৰতিজন মানুহৰ মুখে মুখে। শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পোন প্ৰথম বাৰৰ বাবে উদ্‌যাপন কৰি নিদৰ্শন দাঙি ধৰা এইগৰাকী মহান পুৰুষৰ জীৱনৰ ওপৰত আলোকপাত কৰিছে — শ্ৰীযুতা দিপালী কলিতা, ডং পৰশমণি দাস, শ্ৰীযুত হেমচন্দ্ৰ ভৰালী আৰু শ্ৰীযুত কুঞ্জমোহন

ডেকাই। আমাৰ এই লেখক-লেখিকাসকলৰ লেখাসমূহৰ মাজত আমি বাকসিদ্ধ পুৰুষ গৰাকীৰ বৰ্ণময় জীৱনৰ কথা বিস্তৃতভাৱে জানিব পাৰিম।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অষ্টমজনা সত্ৰাধিকাৰ আছিল সাধু লক্ষ্মীকান্ত মহন্ত। সত্ৰখনৰ বাবে লক্ষ্মীস্বৰূপা এইজনা সাধু পুৰুষৰ জন্ম হৈছিল ১৮৮৯ চনত আৰু তেখেতৰ বৈকুণ্ঠপ্ৰয়াণ হৈছিল ১৯৬০ চনত। সুশ্ৰী, ওখ-পাখ, দীঘল নাকেৰে সৈতে পিন্ধন-ওৰণত পৰিপাটি, সুমধুৰ কণ্ঠৰ অধিকাৰী এইজনা সাধুপুৰুষৰ জীৱন আৰু কৰ্মৰ ওপৰত আলোকপাত কৰিছে শ্ৰীযুতা কনকলতা দাস, শ্ৰীযুত উমেশ চন্দ্ৰ দাস আৰু শ্ৰীযুত দেৱীৰাম দাসে।

সাধু মাধৱ চন্দ্ৰ মহন্ত আছিল ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ নৱমজনা সত্ৰাধিকাৰ। তেখেতৰ জন্ম ১৮৯২ চনত আৰু ১৯৭৬ চনত তেখেতে ইহলীলা সম্বৰণ কৰে। এইগৰাকী সাধুপুৰুষ আছিল অসীম সাহসী, জেদী আৰু দৃঢ়মনা। উদাৰ মনৰ অধিকাৰী এইজনা সাধু মাধৱ চন্দ্ৰ মহন্তই শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় স্থাপনৰ বাবে সত্ৰৰ 'বাহাৰ বাৰী'ৰ ৪২ বিঘা ভূমি মুক্তহস্তে দান কৰি দানবীৰ হিচাপে খ্যাতি ৰাখি থৈ গৈছে। বাহুবলী, নিপুণ সাঁতোৰবিদ এইগৰাকী ব্যক্তিৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিছে — শ্ৰীযুত হৰেকৃষ্ণ শৰ্মা, প্ৰয়াত তুৰা কটকী, ডঃ মনালিছা বৰা আৰু শ্ৰীযুত কুলধৰ চৌধুৰীদেৱে। উল্লেখযোগ্য যে এই গ্ৰন্থত সন্নিৱিষ্ট 'শংকৰী কলা-কৃষ্টিৰ সংৰক্ষক আৰু সংবৰ্ধক হিচাপে সাধু মাধৱ সত্ৰাধিকাৰৰ অৱদান' শীৰ্ষক লেখাটি আমাৰ মহাবিদ্যালয়ৰ প্ৰয়াত উপাধ্যক্ষ তুৰা কটকীদেৱে তেখেতৰ মৃত্যুৰ মাত্ৰ কেইদিনমান আগতে আমাৰ হাতত অৰ্পণ কৰি গৈছিল। তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক — তাকেই কামনা কৰিলো।

আমাৰ এই গ্ৰন্থখনিত সাধু বুদৰাম-লক্ষ্মীকান্ত আৰু মাধৱ সত্ৰাধিকাৰৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা অন্য লেখকসকল হ'ল — শ্ৰীযুত বাসুদেৱ ভৰালী আৰু শ্ৰীযুত মলিন কলিতা। তেখেতসকলৰ এজনে দুজনাৰ আৰু অন্য এজনে একেলগে তিনিওজনাৰ জীৱনৰ বিভিন্ন দিশৰ কথা লেখাসমূহৰ যোগেদি উল্লেখ কৰিছে।

আমাৰ এই গ্ৰন্থখনিত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অন্য দুটা দিশ — ইয়াৰ চাৰুকলা আৰু স্থাপত্য ভাস্কৰ্যৰ ওপৰত সুন্দৰ বিৱৰণেৰে লেখা আগবঢ়াইছে শ্ৰীযুত দিলীপ কুমাৰ শৰ্মা আৰু ডঃ চিত্তৰঞ্জন দাসদেৱে। তেখেতসকলৰ লেখাত আমি হাটীসত্ৰত থকা বিভিন্ন শিল্প বৈভৱৰ বিষয়ে সাৱলীল বৰ্ণনা পঢ়িবলৈ পাম। ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ মূল প্ৰৱেশ দ্বাৰৰ পৰা মণিকূটৰ ভিতৰলৈ বিভিন্ন চিত্ৰ-ভাস্কৰ্যৰ মাজে মাজে আমাক লৈ গৈছে এই লেখা দুটাৰ যোগেদি।

এজন বিশিষ্ট অসমীয়া, শুৱালকুছিৰ সন্তান ডাঃ বিকুল দাস। এতিয়া সুদূৰ আমেৰিকাৰ কেলিফৰ্ণিয়া চহৰত থাকে। কিন্তু তাত থাকিও নিজৰ মাতৃভূমি, ভাষা-সংস্কৃতিৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰে। আমাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এই বিশিষ্ট চিকিৎসা বিজ্ঞানীজনে কেলিফৰ্ণিয়াৰ পৰা লিখি পঠিয়াইছে - 'কবি কৃষ্ণৰ



কবিতাত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অৱদান' শীৰ্ষক লেখাটি। ইয়াত বৰ্ণিত হৈছে — কেনেদৰে তেখেতে নিজৰ কবি, দেউতাক কৃষ্ণৰাম দাসৰ পৰা শিকিছিল — 'মানুহ হ'বলৈ হ'লে, হাবি কাটি উলিয়াব লাগে সূৰ্য অহাৰ পথ'। মাক শ্ৰীযুতা মাহিন্দ্ৰী দাসৰ সৈতে যুটীয়াভাৱে লিখা এই লেখাত আমি বিচাৰি পাম কেন্সাৰ ৰোগৰ বীজাণুৰ ওপৰত গৱেষণা কৰি বিশ্ববাসীৰ সমুখত উজ্বলি উঠা এই মহান অসমীয়াজনৰ সফলতাৰ আঁৰত থকা ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ সত্ৰাধিকাৰসকলৰ পৰোক্ষ অৱদানৰ কথা। তদুপৰি এই লেখাত উদ্ভাসিত হৈ উঠিছে — পিতা-পুত্ৰৰ মধুৰ আবেগিক সম্পৰ্কৰ এক বিৰল ছবি। উল্লেখযোগ্য যে এইগৰাকী অসম সন্তানৰ বিশেষ উদ্যোগত সম্প্ৰতি কেলিফৰ্ণিয়া চহৰত স্থাপন হৈছে অসমীয়া নামঘৰ আৰু পোন প্ৰথমবাৰৰ বাবে আমেৰিকাৰ এই চহৰত উদ্‌যাপিত হৈছে শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মোৎসৱ।

'সন্ত যশামৃত' হৈছে আমাৰ মহাবিদ্যালয়ৰ মহান ভূমিদাতা অনুষ্ঠান ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰ আৰু ইয়াৰ মহান সাধু-সন্তসকল বিশেষকৈ সাধু বুদৰাম মহন্ত, লক্ষ্মীকান্ত মহন্ত আৰু মাধৱ চন্দ্ৰ মহন্তদেৱলৈ আমাৰ গভীৰ শ্ৰদ্ধাৰ্ঘ। মহাবিদ্যালয় পৰিয়ালৰ এই উদ্যোগৰ প্ৰতি যিসকলে অকুণ্ঠচিত্তে সহায়ৰ হাত আগবঢ়ালে সেই সকলোৰে প্ৰতি আমি আমাৰ হিয়া ভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ। বিশেষকৈ এই গ্ৰন্থলৈ যিসকল লেখক-লেখিকাই চিন্তাগধূৰ, তথ্য-সমৃদ্ধ লেখা আগবঢ়াই 'সন্ত যশামৃত'ক সমৃদ্ধ কৰিলে তেখেতসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। 'সন্ত যশামৃত'ৰ পৰিকল্পনাৰ পৰা আৰম্ভ কৰি - বিষয় নিৰ্বাচন, লেখক-লেখিকা নিৰ্বাচন, প্ৰতিটো লেখাত চকু ফুৰোঁৱা, গ্ৰন্থৰ পুঁজি সংগ্ৰহৰ সকলো বুজ লোৱাকে আদি কৰি আমাৰ সৈতে যুক্ত হৈ আছিল - ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰীৰাজীৱ লোচন সন্তদেৱ। তেখেতৰ এই সহায়ৰ বাবে আমি চিৰঋণী হৈ থাকিলো। ইয়াৰ লগতে এই সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ শ্ৰীযুত ভগেশ্বৰ মহন্তদেৱলৈও জনাইছোঁ গভীৰ শ্ৰদ্ধা আৰু সত্ৰৰ উদাসীন ভকত উজ্বল মহন্তলৈ যাচিছোঁ মৰম। আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ দীপেশ চন্দ্ৰ ভাগৱতীদেৱে আমাৰ এই প্ৰচেষ্টাক সফল ৰূপ দিয়াৰ ক্ষেত্ৰত সকলো প্ৰকাৰে সহায় কৰা আৰু ভালেমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱা বাবে তেখেতলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমাৰ সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাই তেখেতসকলৰ সামৰ্থ অনুসৰি বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়াইছে। বিশেষকৈ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত দিলীপ কুমাৰ শৰ্মাদেৱৰ সহযোগ আছিল উল্লেখযোগ্য। তেখেতলৈ বিশেষ কৃতজ্ঞতা যাচিছোঁ। গ্ৰন্থখনৰ পৰিকল্পনাৰ সময়ৰ পৰাই আমাক উৎসাহ আৰু সমৰ্থন দি তথা বিভিন্ন ধৰণে বিশেষভাৱে সহায় কৰিছে ডঃ যোগেশ ডেকা, শ্ৰীযুতা মামণি দেৱী, শ্ৰীযুতা দিপালী কলিতা আৰু শ্ৰীযুত অতুল চন্দ্ৰ দাসদেৱে। সম্পাদনা সমিতিৰ অন্য দুগৰাকী সদস্য শ্ৰীযুত ডিম্বেশ্বৰ শইকীয়া আৰু শ্ৰীযুত ঋতুপৰ্ণ দাসদেৱেও বিভিন্ন ধৰণে সহায় আগবঢ়াইছে। সম্পাদনা সমিতিৰ সভাপতি ডঃচিত্তৰঞ্জন দাসদেৱৰ সু পৰামৰ্শ তথা

সহায় আছিল লেখত ল'বলগীয়া। তেখেতসকললৈ আমাৰ হিয়াভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলো। সম্পাদনা সমিতিৰ সদস্য নহ'লেও মোৰ বন্ধু, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ অধ্যাপক তথা কবি, লেখক ড° পৰশমণি দাসদেৱৰ সহায় আমাৰ বাবে উল্লেখযোগ্য আছিল। তেওঁলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু শুভেচ্ছা যাচিলো। প্ৰয়োজনীয় তথ্য সংগ্ৰহ তথা অন্যান্য দিশত সহায় কৰা বাবে আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীযুত ৰঞ্জিত টাকু, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° মনালিছা বৰা, ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীযুত তপন দাস আৰু কৰ্মচাৰী অৰূপ শৰ্মাকো ধন্যবাদ জনালো।

'সন্ত যশামৃত'ৰ প্ৰকাশৰ ক্ষেত্ৰত আৰ্থিকভাৱে সহায় আগবঢ়োৱা বাবে 'কবিকৃষ্ণ সমাজ'ৰ সঞ্চালক ডাঃ বিকুল দাস, সভাপতি ডাঃ যুগল দাস-আৰু সম্পাদক শ্ৰীযুত শৈলেন চৌধুৰীদেৱেলৈ আমাৰ বিশেষ কৃতজ্ঞতা যাচিলো। এই স্বেচ্ছাসেৱী অনুষ্ঠানৰ সমূহ সদস্য-সদস্যালৈও আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। শ্ৰীশৈলেন চৌধুৰীদেৱে তেখেতৰ ছপাশাল 'ডিজিপ্ৰিণ্ট'ৰ যোগেদি এই গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত যিধৰণে আমাক সহায় কৰিলে আৰু বৰ্তমান কেলিফৰ্ণিয়া নিবাসী ডাঃ বিকুল দাসৰ পৰা লেখা সংগ্ৰহ কৰিলে তাৰ বাবে তেখেতৰ শলাগ নলৈ নোৱাৰিলো। 'ডিজিপ্ৰিণ্ট'ৰ শ্ৰীদিপাংকৰ মেধিৰ কামক লৈ আমি সন্তুষ্ট। তেওঁ আৰু অক্ষৰ বিন্যাসত সহায় কৰা শ্ৰীমুনীন্দ্ৰ মেধি আৰু ৰুবুল দাস তথা এই ছপাশালৰ সমূহ কৰ্ম-কৰ্তালৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰৰ মহান সত্ৰাধিকাৰ সাধু বুদৰাম মহন্ত, লক্ষ্মীকান্ত মহন্ত আৰু মাধৱ চন্দ্ৰ মহন্তৰ বিষয়ে এখন জীৱনীমূলক গ্ৰন্থ সম্পাদনাৰ দায়িত্ব কিমান গধুৰ আৰু স্পৰ্শকাতৰ হ'ব পাৰে সেয়া সহজেই অনুমেয়। বিশেষকৈ এই মহান সাধু কেইগৰাকীৰ বিষয়ে বিতং তথ্য সংগ্ৰহ কৰাটো আৰু সেই তথ্যসমূহৰ সত্যাসত্য নিৰূপণ কৰাটো হ'ল এটা অতি জটিল বিষয়। 'সন্ত যশামৃত'ৰ দৰে এনে এখন মহৎ গ্ৰন্থ সম্পাদনাৰ বাবে যিধৰণৰ পাৰদৰ্শিতাৰ প্ৰয়োজন সেয়া আমাৰ নাই। কিন্তু তথাপিও আমাৰ সামৰ্থ অনুযায়ী এই গ্ৰন্থক সৰ্বাংগসুন্দৰভাৱে প্ৰকাশ কৰাৰ ক্ষেত্ৰত আমি যত্নৰ ত্ৰুটি কৰা নাই। ইমানৰ পিছতো গ্ৰন্থখন যে সম্পূৰ্ণ নিৰ্ভুল হৈছে সেই দাবী আমি কৰিব নোৱাৰো। মাত্ৰ আশা কৰিব পাৰো যে পঢ়ুৱৈ সমাজে আমাৰ এই অজ্ঞানতাক মাৰ্জনা কৰিব আৰু গ্ৰন্থখন মৰমেৰে আঁকোৱালি ল'ব। সেই আশা আৰু আস্থাৰে 'সন্ত যশামৃত'ক শ্ৰদ্ধেয় পাঠক সমাজৰ কৰ-কমলত তুলি দিলো।

(ড° দীপুল কুমাৰ দাস)
৯/১১/২০১৩

# ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ ঐতিহ্য আৰু ইতিবৃত্ত সম্পৰ্কে এটি আলোচনা

*ৰাজীৱলোচন সন্ত*

আজিৰ পৰা প্ৰায় ৩৫০ বছৰ পূৰ্বে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ ভাটি প্ৰদেশৰ প্ৰথমজনা শিষ্য নাৰায়ণ দাস ঠাকুৰ আতা পুৰুষৰ পৰিনাতি কানু বুঢ়া ঠাকুৰে 'ঠাকুৰৰ বাহা' অৰ্থাৎ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ প্ৰতিষ্ঠা কৰিছিল।

বুঢ়া কানু ঠাকুৰৰ পূৰ্ব পুৰুষৰ বংশাৱলী ঃ

(১) বহ্মা, কশ্যপ, কৰ্ণ, সূৰ্য্য, মিহিৰ, বৰাহ, নৰকাসুৰ, দেউদণ্ড, ভোও, সুপাচু, সুবায়ু, সুবাহু, যশধৰ, ৰূপধৰ, সাগৰ, ধৰ্ম —

নাৰায়ণ দাস ঠাকুৰ আতা

পৰ্বানন্দ ঠাকুৰ | জপ্তানন্দ ঠাকুৰ | শিবানন্দ ঠাকুৰ | ৰামানন্দ ঠাকুৰ

শিবানন্দ ঠাকুৰ → কৃষ্ণৰাম ঠাকুৰ → কানু বুঢ়া ঠাকুৰ

কানুবুঢ়া ঠাকুৰে নলনা নামৰ ঠাইৰ আছিল কাৰণে তেৰাক নলনাৰ কানুবুঢ়া ঠাকুৰ বুলিহে জনা যায়। তেৰাই বৰপেটা সত্ৰতে আছিল আৰু সত্ৰৰ আজ্ঞা মতে 'ভজন ধৰ্ম'ৰ আৰ্হি ঠায়ে ঠায়ে প্ৰকাশ কৰিছিল। ফলস্বৰূপে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে তেৰাই স্থাপন কৰা সত্ৰ পোৱা গৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৰ্থাৎশুৱালকুছিত ভজন ধৰ্মৰ আৰ্হি প্ৰকাশৰ নিমিত্তে 'ভজনীয়া বাহা' পতা কাৰণে আজিও কিছুলোকে সত্ৰখনক 'ঠাকুৰৰ বাহা' বুলিয়ে কোৱা শুনা যায়। ঠাকুৰে ভজনীয়া বাহাৰ লগতে কেউলীয়া হাটীয়ো এই ঠাইতে পাতিছিল কাৰণে কালক্ৰমত এই সত্ৰখনৰ নাম হাটীসত্ৰ নামেৰে নামকৰণ কৰা হয়।

কানু বুঢ়া ঠাকুৰৰ জন্মৰ সঠিক তাৰিখ এতিয়ালৈকে পোৱা নাই। কিন্তু বৰপেটা সত্ৰৰ তৃতীয়জনা সত্ৰীয়া প্ৰয়াত গোপাল মিশ্ৰৰ দিনতে কানু বুঢ়া ঠাকুৰ বৰপেটা সত্ৰত আছিল তাৰে প্ৰমাণ হিচাপে আজিও বৰপেটা সত্ৰৰ বৰবাহাৰ লগতে কানু বুঢ়া ঠাকুৰৰ বাহাখনে শোভা কৰি আছে। বৰপেটা সত্ৰ ১৫৮৩ খ্ৰীঃত প্ৰতিষ্ঠা

হৈছিল। ১৫৯৪ খ্ৰীঃত ভেলা থানত মাধৱদেৱ গুৰুজনাই বুঢ়া আতা পুৰুষক বৰপেটা সত্ৰ অৰ্থাৎ তিনিৰাজ্যৰ অধিকাৰ পাতিছিল। বুঢ়া আতা পুৰুষে ৪৭ বছৰ কাল অধিকাৰৰ আসন অলংকৃত কৰি সমূহৰ ওপৰত গাদীভাৰ অৰ্পণ কৰি ১৬৪১ খ্ৰীঃত মহানিৰ্বান লাভ কৰে। তাৰ পিছতে সমূহৰ আজ্ঞা মতে গোৱৰ্ধন আতৈয়ে সতৰীয়াৰ গাদীত উঠে যদিও কিছুদিনৰ পিছত শঙ্কৰদেৱ গুৰুজনাৰ নাতি চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞা মতে ৰাম ৰাম গুৰুৰ বংশধৰ গোপাল মিশ্ৰক সতৰীয়াৰ গাদীত বহুৱাই। গতিকে এই ঘটনা ১৬৪৫-৫০ খ্ৰীঃৰ ভিতৰত হোৱা বুলি অনুমান কৰিব পাৰি। গতিকে ১৬৫০-৬০ খ্ৰীঃৰ সময়ছোৱাত কানুঠাকুৰ বৰপেটা সত্ৰত জড়িত হৈ আছিল। যথাযোগ্য হিচাপে 'ভজন ধৰ্ম' আহিঁ ঠায়ে ঠায়ে প্ৰকাশ কৰাৰ কাৰণে আজ্ঞা লাভ কৰিছিল। ফলশ্ৰুতিত শুৱালকুছি গ্ৰামত 'ভজনীয়া বাহা ওৰফে ঠাকুৰৰ বাহা ওৰফে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ স্থাপন হৈছিল। ১৬৬০-১৬৭০ খ্ৰীঃৰ ভিতৰৰ সময়ছোৱাৰ কোনো এটি মাহেন্দ্ৰ ক্ষণকে সত্ৰখনৰ স্থাপন কাল সম্পৰ্কে ধাৰণা কৰিব পাৰি যদিও গৱেষণামূলক অধ্যয়নৰ প্ৰয়োজন সম্পৰ্কে অনুভৱ কৰা হ'ল।

শ্ৰুতিমতে কানুঠাকুৰে নাৱৰে আহি থাকোঁতে শুৱালকুছিৰ নদীঘাটত লোকচেৰেকৰ লগত কথোপকথন কৰে আৰু মহাপুৰুষীয়া ধৰ্মৰ আদৰ্শৰ সন্মান থকা লোকচেৰেকৰ আহ্বান ক্ৰমে ঘাটত নাও বান্ধি গাঁৱত উঠে লগতে 'ভজনীয়া বাহা' তথা 'ঠাকুৰৰ বাহা' তথা ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ প্ৰতিষ্ঠা কৰে। কথাতে কয় বোলে — "হাপাই খাইটী বুঢ়ীৰ একটাৰ মাটি তাতে পাতিলা কেউলা হাটী।" ঠাকুৰে বাহাখন প্ৰতিষ্ঠা কৰাৰ পিছত গাঁওৰে মন্মথ আতৈ নামৰ ব্যক্তি এজনে একেলগে বসবাস কৰিবলৈ ল'লে। পৰৱৰ্তী সময়ত কানু বুঢ়া ঠাকুৰে মন্মথ আতৈৰ ওপৰত বাহাখনৰ সমস্ত দায়িত্ব ন্যস্ত কৰি অৰ্থাৎ গাদীভাৰ অৰ্পণ কৰি সুন্দৰীত নিৰ্বান লাভ কৰে। মন্মথ আতৈয়ে গাদীভাৰ গ্ৰহণ কৰি বাহাখনক পূৰ্ণাঙ্গ সত্ৰৰ ৰূপ দিবলৈ মনোনিৱেশ কৰে। ফলস্বৰূপে কীৰ্তন ঘৰ, ভাজঘৰ, কেউলীয়া বাহা আদি ৰাইজৰ সহযোগে নিৰ্মাণ কৰে। এইখিনিতে সত্ৰৰ সতৰীয়াৰ লেখ উল্লেখ কৰা হ'ল —

| | | |
|---|---|---|
| কানুৰাম বুঢ়া ঠাকুৰ | — | প্ৰতিস্থাপক |
| মন্মথ আতৈ | — | প্ৰথম সতৰীয়া |
| গকুল আতৈ | — | দ্বিতীয় সতৰীয়া |
| নকুল আতৈ | — | তৃতীয় সতৰীয়া |
| কলা কানু ঠাকুৰ | — | চতুৰ্থ সতৰীয়া |
| ৰামনিধি মহন্ত | — | পঞ্চম সতৰীয়া |
| হৰিজয় মহন্ত | — | যষ্ঠ সতৰীয়া |



| | | |
|---|---|---|
| বুদৰাম মহন্ত | — | সপ্তম সতৰীয়া |
| লক্ষ্মীকান্ত মহন্ত | — | অষ্টম সতৰীয়া |
| মাধৱ চন্দ্ৰ মহন্ত | — | নৱম সতৰীয়া |
| শ্ৰীভগ্নেশ্বৰ মহন্ত | — | দশম সতৰীয়া (বৰ্তমান) |

ইয়াৰে ভিতৰত মন্মথ আতৈ শুৱালকুছি সৰুসত্ৰ অঞ্চলৰ আছিল বুলি প্ৰচলিত যদিও বংশ পৰম্পৰা জনা নাযায়। গকুল আতৈ শুৱালকুছিৰ স্বনামধন্য মাধৱচন্দ্ৰ ভাগৱতী বংশৰে লোক আছিল। নকুল আতৈ চৌধুৰী পৰিয়ালৰ লোক আছিল। কলা কানু ঠাকুৰ, ঠাকুৰ আতা পুৰুষৰ বংশধৰ। ৰামনিধি মহন্তৰ পৰা বৰ্তমানলৈ পঢ়িয়া আতৈৰ বংশৰ লোক সতৰীয়া হৈ আছে। এইখিনিতে ৰামনিধি মহন্তৰ পীড়িনামা উল্লেখ কৰা হ'ল —

পঢ়িয়া মাধৱ আতৈ

ভোলা    গোপাল    মুৰাৰী    ত্ৰিপুৰাৰি

(মুৰাৰী) পদ্ম    জয়হৰি

(জয়হৰি) ৰামহৰি

(ৰামহৰি) ৰামনিধি

মহেশ্বৰ নেওগ মহাশয়ৰ দ্বাৰা সম্পাদিত 'পঢ়িয়া মাধৱ আতাৰ চৰিত'ৰ আধাৰত বংশলতা উল্লেখ কৰা হ'ল। যি কি নহওক ওপৰোক্ত বংশলতা মতে ৰামনিধি মহন্ত পঢ়িয়া মাধৱ আতৈ বংশৰ পঞ্চম পুৰুষ আৰু একেদৰে হাটীসত্ৰৰো তেখেতজনা পঞ্চম সতৰীয়া। গতিকে গাণিতিক সূত্ৰমতে একোজন সতৰীয়াৰ ৩০ বছৰকৈ কাৰ্যকাল ধৰি ৰামনিধি মহন্তই গাদীভাৰ লোৱাৰ প্ৰায় ১২০ বছৰ আগতে সত্ৰখন প্ৰতিষ্ঠা হৈছিল বুলি ধাৰণা কৰিব পৰা থল থকাৰ লগতে পঢ়িয়া মাধৱ আতৈ ২য় পুৰুষ মুৰাৰী আতৈ আৰু কানুবুঢ়া ঠাকুৰ সমসাময়িক বুলিও ভৱাৰ যথেষ্ট থল আছে। অৱশ্যে গৱেষণামূলক অধ্যয়নহে প্ৰকৃত সত্যৰ সন্ধান উদ্ভাৱন কৰিব পাৰিব।

**সত্ৰৰ নিৰ্মাণ কাৰ্য ঃ** সত্ৰৰ প্ৰথমজনা সত্ৰীয়া মন্মথ আতৈয়ে সত্ৰৰ কীৰ্তনঘৰ, ভাজঘৰ, সত্ৰীয়া আৰু কেৱলীয়াসকলৰ বাহা ঘৰ, ভজনীয়া বাহা আদিৰ পৰিকল্পনা আৰু নিৰ্মাণ কৰে। তাৰ পিছত প্ৰতিজন সতৰীয়াই সেইবোৰ সংৰক্ষণ আৰু মেৰামতি কাৰ্য কৰি থাকে। কিন্তু সত্ৰৰ সপ্তমজনা সতৰীয়া বাক্‌সিদ্ধ পুৰুষ বুদৰাম মহন্তৰ দিনত সত্ৰখনৰ নিৰ্মাণ কাৰ্য এক নিতৌ নতুনত্বৰ দিশে অগ্ৰসৰ হয়। সিদ্ধ পুৰুষে সকলো সিদ্ধি কৰে। তদস্বৰূপে তেৰাৰ দিনতে কীৰ্তনঘৰ, ভাজঘৰ, বাহাঘৰ ন-কৈ নিৰ্মাণ হয়। যিবোৰে আজিও ঐতিহ্য বহন কৰি আছে। বিশেষকৈ কীৰ্তন ঘৰৰ পদ্ম-বচি, কাঠৰ বেৰবোৰত ভাগৱত, ৰামায়ণ, মহাভাৰত, গৰুৰ পুৰাণৰ আধাৰত

কটা কাঠৰ মূৰ্তিবোৰে স্থাপত্য কলাৰ উৎকৃষ্ট নিদৰ্শন প্ৰকাশ কৰি আছে। বিশেষকৈ সত্ৰৰ কীৰ্তন ঘৰৰ উত্তৰ দিশে থকা দুৱাৰ মুখ, পূবে-পশ্চিমে থকা পঞ্চ বক্ৰশিৰ আৰু অনন্তৰ কোলাত থকা নাৰায়ণৰ মূৰ্তিয়ে অনন্য মাত্ৰা প্ৰদান কৰে। ইয়াৰ উপৰি কীৰ্তন ঘৰৰ দক্ষিণফালৰ বেৰখন চুণ-চুৰকীৰে নিৰ্মাণ কৰিছিল। য'ত ভাগৱত গ্ৰন্থৰ ষষ্ঠস্কন্ধৰ আধাৰত যম-যাতনা বৰ্ণনা কৰি মূৰ্তি খোদিত কৰা হৈছিল। অৱশ্যে বৰ্তমানৰ সতৰীয়া শ্ৰীভগ্নেশ্বৰ মহন্ত আৰু ডেকাসত্ৰীয়া প্ৰয়াত সোণেশ্বৰ আতৈৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত কীৰ্তন ঘৰৰ কাঠৰ খুঁটাৰ পৰিৱৰ্তে পকাৰ খুঁটা, দক্ষিণ ফালৰ বেৰখন নকৈ চিমেণ্ট-বালিৰে একেৰূপতে সজাই তোলা হৈছে। সাধু বুদৰাম মহন্তৰ দিনতে সত্ৰ বহা ঘৰ, ভঁৰাল ঘৰ, কিছু অংশত বেৰ দিয়া, বাটচৰা, পুখুৰী খন্দা আদি কাৰ্য কৰা হৈছিল। সত্ৰৰ পশ্চিম ফালৰ চুণ-চুৰকী বেৰখনে তাৰেই সাক্ষ্য বহন কৰি আছে। সত্ৰৰ অষ্টমজনা সত্ৰীয়া লক্ষীকান্ত মহন্ত প্ৰভুৱে বুঢ়া অধিকাৰৰ সকলো কাৰ্যতে সহায় কৰাৰ উপৰি সত্ৰৰ লগত লাগি থকা লোকসকলৰ পৰা জমী কিনা অথবা সলনি কৰণৰ দ্বাৰা সত্ৰৰ পৰিসৰ বৃদ্ধি কৰিছিল। তেখেতৰ দিনতে পুখুৰীৰ চাৰিওফালে ইটা খচা বেৰ, পূবৰ বহা ঘৰ লগতে ন-ভঁৰাল গৃহ সজাই তোলা হৈছিল। সত্ৰৰ নৱমজনা সত্ৰীয়া মাধৱ চন্দ্ৰ মহন্তৰ দিনত সত্ৰৰ দক্ষিণফালৰ পকীগড়, জয়-বিজয়, হনুমান-জটায়ুৰ সৈতে মনোমোহা ময়ুৰ খোদিত বাটচৰা নিৰ্মাণ কৰা হৈছিল। তেখেতৰ দিনতে সত্ৰত বিজুলী সংযোগ হৈছিল। নিৰ্মাণ কাৰ্য সম্পৰ্কে আলোচনা কৰোঁতে ডেকাসত্ৰীয়া সোণেশ্বৰ আতৈৰ নাম সদায়ে মনত ৰাখিব লাগিব। তেখেতৰ উদ্যোগতে সত্ৰৰ দৌলমন্দিৰ, পূবফালৰ দ্বাৰ, পশ্চিম ফালৰ দ্বাৰ, বহা ঘৰবিলাকৰ উন্নতি সাধন, গুৱাহাটীৰ বেতকুছি অঞ্চলত নকৈ শাখা সত্ৰ স্থাপন আদি কাৰ্য কৰা হৈছিল। বৰ্তমানে চৰকাৰী অনুদানেৰে সত্ৰত পুথিভঁৰাল, আলহীঘৰ, প্ৰেক্ষাগৃহ নিৰ্মাণ কৰি থকা হৈছে।

**সত্ৰৰ আৰ্থিক দিশ ঃ** গুৰুজনাৰ আদৰ্শৰে সত্ৰখন স্বাৱলম্বী আৰু আৰ্থিক দিশত স্বচ্ছল আছিল। ধান-মাহ-সৰিয়হ-কুঁহিয়াৰ সকলো খেতি থকাৰ উপৰি বতৰৰ সকলো জাতীয় ফলৰ বাৰী, মাছ-গাখীৰ আদি সকলো ক্ষেত্ৰতে উভৈনদী পৰ্যাপ্ত আছিল। সত্ৰ পৰিচালনা তথা উন্নয়নৰ ক্ষেত্ৰত সতৰীয়াসকল স্ব-নিৰ্ভৰশীলভাৱে চলি আছিল। শুৱালকুছি গাঁওৰ বহুতো লোকে সত্ৰৰ পৰা ৰূপ গ্ৰহণ কৰি ব্যৱসায়ৰ জৰিয়তে প্ৰতিষ্ঠিত ব্যৱসায়ী হোৱাৰ সুযোগ লাভ কৰিছিল। কিন্তু সময়ৰ আঁচোৰে এইবোৰ ইতিহাস কৰিলে। বৰ্তমানে সত্ৰখন অতি দুখলগা আৰ্থিক অৱস্থাৰে চলি থাকিবলগীয়া হৈছে। চৰকাৰী তথা ৰাইজৰ সহযোগ অবিহনে উন্নয়নৰ দিশ স্থবিৰ হৈ পৰিব।



**সত্ৰৰ নিত্য-নৈমিত্তিক কাৰ্যৰ দিশ ঃ** প্ৰতিষ্ঠা কালৰে পৰা সত্ৰখনত চৈধ্যপ্ৰসঙ্গৰ আৰ্হি ৰক্ষা হৈ থকাৰ লগতে দুজনা গুৰুৰ কীৰ্তন, বুঢ়া আতাৰ কীৰ্তন, দুজনা গুৰুৰ আৱিৰ্ভাৱ তিথি, আতাপুৰুষসকলৰ কীৰ্তন, জন্মাষ্টমী, দৌল উৎসৱ, কৰভাৰ সভা, ঠাকুৰৰ সভা, অধিকাৰসকলৰ তিথি, পালনাম আদি পালন কৰি থকা হৈছে। সত্ৰৰ চৈধ্যপ্ৰসঙ্গৰ আৰ্হি এনেধৰণৰ —

| পুৱাৰ প্ৰসংগ | আবেলিৰ প্ৰসংগ | ৰাতিৰ প্ৰসংগ |
|---|---|---|
| (১) জাগৰণ | (৬) পাঠ | (৯) গুণমালা |
| (২) চলন | (৭) প্ৰসংগ | (১০) লীলামালা |
| (৩) পুৱাৰ ভটিমা | (৮) বৰগীত | (১১) গুৰুভটিমা |
| (৪) প্ৰসংগ | | (১২) বৰগীত |
| (৫) পাঠ | | (১৩) প্ৰসংগ |
| | | (১৪) পাঠ |

সত্ৰৰ প্ৰসংগৰ আৰ্হি বৰপেটা সত্ৰৰ যদিও চৈধ্য প্ৰসংগৰ আৰ্হিৰ ক্ষেত্ৰত অলপ ব্যতিক্ৰম দেখা যায়। সত্ৰখনৰ চৈধ্য প্ৰসংগ নিতৌ চলি থকাৰ লগতে নাট-ভাওনা, বৰগীত, নাম-প্ৰসঙ্গ, থিয়নাম আদি সত্ৰীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰশিক্ষণ দি থকা হয়। ইয়াৰ উপৰি ব'হাগ আৰু মাঘৰ দোমাহীত চৰিত তোলা প্ৰথা প্ৰৱৰ্তন হৈ আছে।

**সত্ৰৰ বিষয়বাব ঃ** সত্ৰৰ বিষয়বাব এনেধৰণৰ —

(১) *বুঢ়া সত্ৰীয়া* ঃ সত্ৰ প্ৰধান লগতে শৰণ-ভজন দি শিষ্য ভজোৱা কামত নিয়োজিত হৈ থাকে ইয়াৰ উপৰি সত্ৰৰ সকলো দিশ তেওঁৰ অধীনতে থাকে।

(২) *ডেকা সত্ৰীয়া* ঃ সত্ৰৰ বাহিৰত শৰণ-ভজন দি শিষ্য ভজোৱা কামৰ লগতে সত্ৰৰ উন্নতি কল্পে চৰকাৰ তথা ৰাইজৰ লগত যোগাযোগ স্থাপন কৰা কাৰ্যত নিয়োজিত হৈ থাকে।

(৩) *উদাসীন কেউলা ভকত* ঃ সত্ৰৰ গুৰু-বন্তি প্ৰজ্বলন, ঠগী-শৰাই, নাম-প্ৰসঙ্গ আদি কামত নিয়োজিত হৈ থাকে।

(৪) *ভাগৱতী* ঃ শাস্ত্ৰ অধ্যয়ন আৰু বাখ্যামূলক কামত নিয়োজিত হৈ থাকে।

(৫) *গায়ন-বায়ন* ঃ খোল-প্ৰসঙ্গ, সেৱাৰ গীত, নাট-ভাওনা আদি কামত নিয়োজিত হৈ থাকে।

(৬) *দেউৰী* ঃ ঠগী-শৰাই আদি কামত সহায় কৰি থাকে।

(৭) *পাচনি* ঃ সত্ৰৰ আৰু শিষ্যৰ মাজত খবৰ যোগান ধৰাৰ লগতে যোগনিয়াৰ কামত নিয়োজিত হৈ থাকে।

(৮) *ভৰালীঃ* সমূহৰ ভঁড়াল ৰক্ষা কৰি থাকে।
(৯) *আগৰ আইঃ* আইসকলৰ নাম-প্ৰসংগৰ প্ৰধান হিচাপে নিয়োজিত হৈ থাকে।
(১০) *দেউৰী আইঃ* আইসকলৰ ঠগী-শৰাইৰ কামত নিয়োজিত হৈ থাকে।
(১১) *ভৰালী আইঃ* আইসকলৰ ভঁৰাল ৰক্ষা কৰি থাকে।
(১২) *পাঁচনি আইঃ* আইসকলৰ মাজত খবৰ যোগান ধৰা কামত জড়িত হৈ থাকে।

ইয়াৰ উপৰি সত্ৰখন সুচাৰুৰূপে পৰিচালনা কৰাৰ অৰ্থে সভাপতি /সম্পাদক সহ ২১ জনীয়া পৰিচালনা সমিতি থাকে। উল্লেখযোগ্য যে সকলো পদ বা বিষয়বাব অবৈতনিক।

**সত্ৰৰ স্থাৱৰ সম্পত্তিঃ** আনুমানিক বিৱৰণ দাঙি ধৰা হৈছে

| | *পৌৰাণিক স্থিতি* | *দান* | *বিক্ৰী* | *অধিগ্ৰহণ* | *বৰ্তমান স্থিতি* |
|---|---|---|---|---|---|
| ১) | আমবাৰী লাটত প্ৰায় ১২০ বিঘা | লক্ষ্মীকান্ত ফাৰ্মিং ছ'চাইটিক দান ৭০ বিঘা চৰকাৰক ১০ বিঘা | ১০ বিঘা | ২৯ বিঘা | ১১ বিঘা |
| ২) | বাথান গাঁও প্ৰায় ১৫০ বিঘা | শিষ্য থাপন ১৪৭ | | | ৩ বিঘা |
| ৩) | বড়দীঘি-বাঘেশ্বৰী অঞ্চল ৮০ বিঘা | শিষ্য থাপন ৬০ বিঘা | | ৫ বিঘা | ১৫ বিঘা |
| ৪) | বাঘমাৰা অঞ্চল ১১ বিঘা | | ১১ বিঘা | | ০ |
| ৫) | শুৱালকুছি পথাৰ গাঁও ৬০ বিঘা | কলেজক দান ৪২ বিঘা | ১২ বিঘা | ৪ বিঘা | ২ বিঘা |
| ৬) | শুৱালকুছি ন-পাৰা অঞ্চল ৪ বিঘা | | ৪ বিঘা | | ০ |
| ৭) | শুৱালকুছি লক্ষ্মীনাথ নগৰ অঞ্চল ৮ বিঘা | উপহাৰ দান ৮ বিঘা | | | ০ |
| ৮) | সত্ৰপ্ৰাঙ্গণ ৮ বিঘা | | | | ৮ বিঘা |
| ৯) | গুৱাহাটী বেতকুছি ২১/২ বিঘা | উপহাৰ দান ১ বিঘা | | | ১১/২ বিঘা |



কোনো ৰাজ-সাহায্য নোহোৱাকৈ গঢ়ি উঠা ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰই বিশেষ মৰ্যাদাৰে স্বকীয় বৈশিষ্ট্যৰে আজিও মূৰ থিয় কৰি ৰাখিছে। আধ্যাত্মিক দিশ সজীৱ কৰি ৰখাই নহয়, গুৰুজনাৰ সংস্কৃতি সংৰক্ষণ আৰু সম্প্ৰচাৰৰ ক্ষেত্ৰতো বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। শিক্ষাৰ দিশতো এই সত্ৰৰ অৰিহণা সৰ্বজন জ্ঞাত। মহান এই সত্ৰৰ গতিশীলতাত অৰিহণা যোগোৱাটো আমাৰ প্ৰত্যেকৰে দায়িত্ব আৰু মহৎ কৰ্তব্য।

-০০০-

# সাধু বুদৰাম মহন্ত ঃ জীৱন আৰু ব্যক্তিত্ব

*দিপালী কলিতা*

মহাপুৰুষ শংকৰদেৱে আজিৰ পৰা পাঁচশ বছৰৰ আগতেই ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক চেতনাবোধৰ যি জাগৰণ বোৱাই থৈ গ'ল, তাৰ প্ৰভাৱ আৰু প্ৰাসঙ্গিকতা সময়ৰ লগে লগে যেন বৃদ্ধি পাই আহিছে। শংকৰদেৱে অসম মুলুকলৈ নৱ বৈষ্ণৱ ভক্তি আন্দোলনৰ বন্যা নমাই স্ব-মহিমাৰে এখন সাংস্কৃতিক ক্ষেত্ৰ নিৰ্মাণ কৰি ছিন্ন-ভিন্ন বিভিন্ন জনসমষ্টিক সাম্য-মৈত্ৰীৰ ডোলেৰে বান্ধি বৃহত্তৰ অসমীয়া জাতি গঠন কৰি শংকৰী সাহিত্য-সংস্কৃতি, ধৰ্মীয় নীতি-আদৰ্শ, গণতান্ত্ৰিক সমাজ ব্যৱস্থা, কীৰ্তন-দশম, নাট-ভাওনা, বৰগীত-ভটিমা আৰু সত্ৰ-নামঘৰ সৃষ্টিৰে বৃহত্তৰ অসমীয়া জাতি সত্তাৰ সম্যক পৰিচয় দি আহিছে। নিজৰ চিন্তা, দৰ্শন আৰু কল্পনাক সাকাৰ ৰূপ দিবলৈ উদ্ভাৱন কৰা সত্ৰ আৰু নামঘৰ আজি এক সু-শৃঙ্খল সমাজ ব্যৱস্থাৰ নিদৰ্শন হিচাপে পৰিগণিত হৈ আহিছে। দৰাচলতে শংকৰদেৱৰ দিগন্ত প্ৰসাৰী সৃষ্টি আৰু সৃজনীশীল প্ৰতিভাৰ অন্যতম ফলশ্ৰুতি হ'ল এই সত্ৰ আৰু নামঘৰ, যাৰ মাধ্যমেৰে অসমীয়া সমাজে বিচাৰি পাব পাৰে নিজস্ব স্থিতি, পৰিচিতি আৰু ব্যাপ্তি। শংকৰদেৱৰ পৰৱৰ্তী সময়ত বিভিন্ন সত্ৰৰ প্ৰাণপুৰুষ সত্ৰাধিকাৰসকলে সত্ৰসমূহৰ গুৰি বঠা ধৰি মহাপুৰুষ জনাৰ নিৰ্ণীত পথেৰে এখন জাতিভেদ, বৰ্ণভেদ ৰহিত, সুস্থ-সবল আৰু উন্নত সমাজৰ বৰভেঁটি নিৰ্মাণত অবিহণা যোগাই আহিছে। এনে আদৰ্শৰে মহীয়ান হোৱা ব্যক্তি আছিল সাধু বুদৰাম মহন্ত। সুবিশাল ব্ৰহ্মপুত্ৰৰ উত্তৰে অৱস্থিত সত্ৰ আৰু কৰ্ম-সংস্কৃতিৰে ভৰপূৰ শুৱালকুছি গাঁওৰেই বৰসত্ৰ (সাধুতোল)ত পিতৃ ভথৌ মহন্তৰ ঔৰসত আৰু মাতৃ আয়ামালাৰ গৰ্ভত তেৰাৰ জন্ম হয় ১৭২৪ শকৰ ফাগুন মাহৰ ১১ তাৰিখ বুধবাৰে পূৰ্ণিমা তিথিত। বুদৰাম মহন্তৰ জন্মৰ পঞ্চম দিনা দুজন দৈৱজ্ঞই ভাগ্য নিৰ্ণয় কৰি শিশুটি ধাৰ্মিক আৰু সকলোৰে মান-সন্মান পাব বুলি ভৱিষ্যতবাণী কৰিছিল। শিশুটিৰ জন্মৰ বাৰ, তিথি, নক্ষত্ৰ আছিল অতি শুভ, তাৰোপৰি বুধবাৰে জন্মপোৱা বাবে হয়তো তেওঁৰ নাম বুদৰাম ৰখা হ'ল।



বুদৰাম মহন্তদেৱ আছিল এনেকুৱা এজন ক্ষণজন্মা ব্যক্তি, যিজনে নিজৰ ভগৱৎ প্ৰীতি, গভীৰ দৰ্শন, জ্ঞানৰ অন্বেষণেৰে নাম-ধৰ্মৰ বিস্তাৰ আৰু বিকাশৰ বাবে জীৱন সঁপি দি সেই সময়ৰ বৃহত্তৰ শুৱালকুছি আৰু দাঁতিকাষৰীয়া অঞ্চলত অনিৰ্বচনীয় প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল।

বুদৰাম মহন্তৰ সৰুকালত পিতৃ বিয়োগ ঘটে। মাক আয়ামালাই তেওঁৰ দুটি সন্তানক অশেষ কষ্টৰে তুলি-তালি ডাঙৰ-দীঘল কৰে। বুদৰাম মহন্ত সৰুৰে পৰাই ধীৰ-স্থিৰ, শান্ত প্ৰকৃতিৰ আৰু মাতৃভক্ত আছিল। মাকৰ আদেশমতে তেওঁ কাইঠেলী (কায়স্থালী) পাঠশালাত বিদ্যা আৰম্ভ কৰে। আখৰ আৰু শব্দৰ জ্ঞান হোৱাত তেওঁ কেৱল পুথিহে পঢ়িব ধৰিলে। আনকি সাঁচিপাতৰ পুথিও ক'ৰবাত পালে তেওঁ পঢ়িছিল। পুথি তেওঁ নিজেও পঢ়ে আৰু আনকো সুৰ লগাই পঢ়ি শুনায়।

সেই সময়ত দুই-চাৰিজন সংস্কৃত পণ্ডিত শুৱালকুছিলৈ আহিছিল। তেওঁলোকৰ সহায়ত বুদৰাম মহন্তই সংস্কৃত শিকিছিল। লাহে লাহে তেওঁ কীৰ্ত্তন, দশম, ঘোষা-ৰত্নাৱলী, গীতা আদি ধৰ্মগ্ৰন্থবোৰ পঢ়ি শেষ কৰিলে। এই পুথিবোৰ পঢ়ি তাৰ গূঢ়াৰ্থ আলোচনা কৰিবলৈ তেওঁ মাজে সময়ে শুৱালকুছিৰ শ্ৰীশ্ৰীহাটীসত্ৰলৈ গৈ সত্ৰৰ অধিকাৰ হৰিজয় মহন্ত বাপৰ ওচৰলৈ যোৱা আৰম্ভ কৰিলে এনেদৰে ডেকা কালতে সকলো পুথি পঢ়ি আৰু সাধু সঙ্গৰ লগত কথা-বাৰ্তা পাতি আধ্যাত্মিকতাত নিমজ্জিত হয় আৰু এদিন অধিকাৰ হৰিজয় মহন্ত বাপৰ ওচৰত শৰণ গ্ৰহণ কৰে।

শৰণ লৈ বুদৰাম মহন্তদেৱৰ নতুন জীৱন আৰম্ভ হোৱা যেন বোধ হ'ল। তেওঁ নামধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰক জীৱনৰ ব্ৰত হিচাপে ল'লে। ভগৱান, ভক্তি আৰু ভকতেই যেন সৰ্বস্ব। ক্ৰমশঃ সাংসাৰিক কামৰ প্ৰতিও তেওঁ উদাসীন হৈ পৰিল। মাকে অশেষ চেষ্টা কৰিও বিয়াৰ প্ৰতি তেওঁৰ মনোযোগ আনিব নোৱাৰিলে। মাকৰ অশেষ চেষ্টাক নসাৎ কৰি তেওঁ কেৱল ঈশ্বৰ আৰু মাতৃসেৱাত নিমগ্ন হৈ পৰিল। বংশবৃদ্ধিৰ বাবে ভায়েক তাৰাক বিয়া কৰাই দি নিজে ভগৱান, ভক্তি আৰু ভকতৰ ওচৰত সৰ্বস্ব সপি দিলে। শেষত মাতৃ আয়ামালাই তেৰাক আশীৰ্বাদ দিলে যাতে অন্তৰ্যামী ভগৱানে অন্তৰত থাকি পুত্ৰৰ সকলো মনোবাঞ্ছা পূৰ্ণ কৰে।

মাকৰ আশীৰ্বাদ পাই বুদৰাম মহন্তই পৰম শান্তি লাভ কৰিলে। সাংসাৰিক বান্ধোনৰ পৰা মুক্ত হৈ তেওঁ এতিয়া ভগৱৎ-প্ৰীতিত আৰু অধিক দেহ-মন সঁপি দিব পৰা হ'ল। শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰলৈ ঘনাই অহা-যোৱা কৰিবলৈ টান পাই মাতৃৰ আদেশ লৈ অৱশেষত হাটীসত্ৰত থাকিবলৈ ল'লে। ব্ৰহ্মপুৰাতে উঠি গা-পা ধুই

গুৰুসেৱা কৰি নাম-প্ৰসঙ্গ কৰে। তেখেতৰ নামৰ সুৰ আৰু ব্যাখ্যাই সকলোকে মোহিত কৰিবলৈ ধৰিলে। হৰিনামৰ শ্ৰৱণ-কীৰ্ত্তনে সৰ্বসাধাৰণৰ মাজত নতুন উদ্দীপনাৰ সৃষ্টি কৰিলে।

হৰিজয় সত্ৰাধিকাৰৰ বাপৰ বয়স ক্ৰমাৎ পৰি আহিল আৰু সত্ৰৰ কাম-কাজ চম্ভালিবলৈ ডেকা অধিকাৰ এজনৰ আৱশ্যক হ'ল। আচলতে হৰিজয় অধিকাৰৰ ভতিজা সৌৰাম মহন্তহে ডেকা অধিকাৰ হ'ব লাগিছিল কিন্তু বংশানুক্ৰমিক নহয়, যোগ্যতাহে মহাপুৰুষীয়া পন্থৰ নিয়ম। গতিকে সত্ৰৰ ডেকা অধিকাৰৰ ভাৰ চম্ভালিবলৈ হৰিজয় অধিকাৰে যথোচিত ভাৱেই বুদৰাম মহন্তক বাপু-ভকতৰ সন্মুখত ধৰ্মমালা পিন্ধাই ডেকা অধিকাৰ পাতি ল'লে।

শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ ডেকা অধিকাৰ হৈ বুদৰাম মহন্তই সত্ৰৰ উন্নতি, নামধৰ্মৰ প্ৰচাৰ আৰু আত্মাৰ সদ্গতিৰ অৰ্থে চিন্তা-চৰ্চা কৰিবলৈ ধৰিলে। অধিকাৰদেৱেও ডেকা অধিকাৰৰ ওপৰত সকলো ভাৰ ন্যস্ত কৰি নিশ্চিন্ত মনেৰে নাম-প্ৰসঙ্গ কৰিবলৈ ধৰিলে। ক্ৰমশঃ অধিকাৰদেৱৰ দেহ অধিক অলস অৱশ হৈ আহিবলৈ ধৰিলে। তেওঁৰ অবিহনে বুদৰাম মহন্তই সকলো পিনৰ পৰা সত্ৰাধিকাৰ হোৱাৰ উপযুক্ততা প্ৰমাণ কৰি চাব বিচাৰিলে আৰু সেইমতে এদিন সুযোগো মিলিল।

জয়ৰাম মহন্ত বুলি এজন বিশিষ্ট মহন্ত আছিল আৰু প্ৰায়েই সত্ৰলৈ আহিছিল। এদিন আবেলি বুদৰাম ডেকা অধিকাৰে জয়ৰাম মহন্তৰ লগত ভাঁজঘৰৰ কাষত বহি শাস্ত্ৰৰ কথা পাতে। জয়ৰাম যোৱাৰ পিছত বুঢ়া অধিকাৰে ডেকা অধিকাৰক ক'লে, "বাপা আজি তুমি আমাৰ আদেশ নোলোৱাকৈ জয়ৰাম মহন্তৰ লগত যি কথা-বাৰ্তা পাতিলা সেইটো শোভনীয় হোৱা নাই। সত্ৰৰ মালিকক নোসোধাকৈ সত্ৰ সম্বন্ধে আনৰ লগত আলচ কৰা উচিত নহয়। এনেভাৱ হ'লে সত্ৰ আৰু গাঁওৰ মুৰব্বী হৈ কাম চলোৱা টান। ভৱিষ্যতে তোমাক এই সত্ৰৰ গৰাকী পাতিবলৈ আমাৰ বিশ্বাস নোহোৱা হ'ল। গতিকে আজিৰ পৰা এই সত্ৰত তুমি থাকিব নোৱাৰিবা।" গুৰুৰ আদেশ শুনি ডেকা অধিকাৰে দোষ স্বীকাৰ কৰি ক্ষমা বিচাৰিলে কিন্তু বুঢ়া অধিকাৰে দোষ ক্ষমা কৰিলে যদিও সত্ৰ এৰি আন ঠাইলৈ যাবলৈ নিৰ্দেশ দিলে।

গুৰুৰ আদেশ শিৰোধাৰ্য কৰি বুদৰাম মহন্ত প্ৰথমতে 'পোৱা ভিঠি' সত্ৰত থাকিবলৈ লয়। তাত কিছুদিন থকাৰ পিছত বৰসত্ৰৰ ভকতসমূহে কাকূতি-মিনতি কৰি তালৈ লৈ যায়। বৰসত্ৰত থাকি তেওঁ সত্ৰখন বহল কৰে। লগে লগে শিষ্যও বাঢ়িবলৈ ধৰিলে। তেওঁৰ হৰিনাম আৰু ভক্তিকথা শুনিবলৈ কীৰ্ত্তনঘৰৰ চোতালত মানুহ নধৰা হ'ল। বৰসত্ৰৰ মুৰব্বী হৈ নাম-কীৰ্ত্তন, যাত্ৰা-ভাওনা, উৎসৱ-পাৰ্বণ



আদি অতি নিয়াৰিকৈ আৰু ধুম-ধামেৰে পালন হ'ব ধৰিলে। তেওঁৰ যশ-গুণ, আচাৰ-ব্যৱহাৰ আৰু ব্যক্তিত্বৰ কথা চাৰিওপিনে চাটি-ফুটি গ'ল। তেওঁৰ গৌৰৱ আৰু খ্যাতি শুনি হাটীসত্ৰৰ হৰিজয় অধিকাৰ বাপদেৱে বৰ ৰং পালে আৰু বুদৰাম মহন্ত যে বুঢ়া অধিকাৰ হ'ব পাৰিব এই বিশ্বাস তেওঁৰ হ'ল। তেওঁ এইটোও উপলব্ধি কৰিলে যে এই মায়া বান্ধোনৰ পৰা মুকুতি লভিবলৈ তেওঁৰ বেছি দিন নাই। সেয়েহে এদিন তেওঁ বুদৰাম মহন্তক বৰসত্ৰৰ পৰা নিমন্ত্ৰণ কৰি আনিবলৈ কেইজনমান বিশিষ্ট ভকতক পাচিলে। ভকতসকলেও খোল-তাল, কাঁহ-শঙ্খ বজাই শোভাযাত্ৰা কৰি বুদৰাম মহন্তক বৰি নিবলৈ বৰসত্ৰলৈ আহিল আৰু গুৰুৰ আদেশ শুনালে। গুৰুৰ আদেশ পাই বুদৰাম মহন্ত হাটীসত্ৰলৈ যাবলৈ ওলাল।

বৰসত্ৰৰ অধিকাৰ হাটীসত্ৰলৈ যাবলৈ ওলোৱাত বৰসত্ৰৰ সাধু-ভকতসকলে হাতযোৰ কৰি বুদৰাম মহন্তক মিনতি জনালে — 'বাপ, কৃপালু গুৰু, আমাক অনাথ কৰি ক'লৈ যায়? আপোনাৰ অবিহনে আমাৰ কি গতি হ'ব?' বুদৰাম মহন্তই ক'লে — 'বাপুসকল বেজাৰ নকৰিব, গুৰুৰ আদেশতহে আমি যাবলৈ ওলাইছোঁ। বৰসত্ৰও আমাৰ, হাটীসত্ৰও আমাৰ। দুয়োখন থানতে শলা-বন্তি জ্বলি থাকিব। সাধুসকলৰ ভিতৰত বয়োবৃদ্ধ, জ্ঞানবৃদ্ধ জনেই বুঢ়া সাধু হ'ব। তেওঁৰ কথামতে সকলোৱে চলিব। গতিকে আমাক বেজাৰ নকৰি বিদায় দিয়ক।' অধিকাৰৰ কথা শুনি সকলো ভকতে আঁঠুলৈ সেৱা কৰিলে আৰু তাৰ পিছত খোল-তাল বজাই শোভাযাত্ৰা কৰি হাটীসত্ৰলৈ বৰি নিলে।

অৱশেষত বুঢ়া অধিকাৰ হৰিজয়দেৱে এদিন দিন-বাৰ চাই হৰিকীৰ্ত্তন পাতি গাঁওৰ সাধু, মহন্ত, ভকত সকলোকে নিমন্ত্ৰণ কৰি কীৰ্ত্তনঘৰৰ চোতালত বুঢ়া অধিকাৰৰ দায়িত্বভাৰ বুদৰাম মহন্তদেৱক অৰ্পণ কৰিলে। বুদৰাম মহন্তক সত্ৰৰ গৰাকী পতাৰ সাতদিনৰ মূৰত বুঢ়া অধিকাৰ হৰিজয় মহন্তই বৈকুণ্ঠ প্ৰয়াণ কৰে।

হাটীসত্ৰৰ বুঢ়া অধিকাৰৰ মহাপ্ৰয়াণৰ পিছত বুদৰাম মহন্তই আধ্যাত্মিকতাত অধিক নিমজ্জিত হৈ পৰিল। তেওঁৰ কৰ্মস্পৃহা আৰু দায়িত্ববোধ যেন বহুখিনি বাঢ়ি গ'ল। হৰিনাম কীৰ্ত্তনত জাতি, ধৰ্ম, বৰ্ণ, কৰ্ম, মূৰ্খ, পণ্ডিত, ধনী-নিৰ্ধনী আদি নিৰ্বিশেষে সকলোৱে নিৰ্বিবাদে হৰিনাম ল'ব পাৰে। মহাপুৰুষ শঙ্কৰদেৱে তেতিয়াতে ভকতিৰ চাৰিখুঁটি - নাম, দেৱ, গুৰু আৰু ভকতকলৈ কৰি থৈ গৈছিল। ভক্তিৰ মূল তত্ত্বস্বৰূপ এই চাৰিটি পৰমাৰ্থ বস্তুক সম্পূৰ্ণৰূপে হৃদয়াংগম কৰি বুদৰাম মহন্তদেৱে তাতেই জীৱন সঁপি দিলে। আধ্যাত্মিক চিন্তা-চৰ্চাৰ লগে লগে সমাজৰ উত্তৰণৰ বাবেও তেওঁ কাম কৰিবলৈ ধৰিলে। তেওঁৰ দিনত হাটীসত্ৰত বিশেষ উন্নতি হয়। অসমৰ উজনিত কমলাবাৰী, ভাটীৰ মধুপুৰ আৰু মধ্যত

বৰপেটাই সত্ৰ সংস্কৃতিৰ পীঠস্থান বুলি গণ্য হৈ আহিছে। হাটীসত্ৰৰ কীৰ্ত্তনঘৰ, ভাঁজঘৰ, বাঁহাঘৰ, পুখুৰী আদি বৰপেটা সত্ৰৰ আৰ্হিৰে সজোৱা হয় আৰু সত্ৰৰ হাউলীৰ চাৰিওফালে গড় বান্ধে। কীৰ্ত্তনঘৰৰ বেৰবিলাকত থাকে জগন্নাথৰ মন্দিৰৰ নিচিনা কৃষ্ণলীলাৰ মূৰ্তি খোদিত আছে নামঘৰত। শ্ৰীকৃষ্ণৰ মূৰ্তিৰ উপৰি কৃষ্ণৰ মৎস্য অৱতাৰ, কুৰ্ম অৱতাৰ, নৰসিংহ অৱতাৰ, বামণ অৱতাৰ, পৰশুৰাম অৱতাৰ, হলিৰাম অৱতাৰ, বৰাহ অৱতাৰ আৰু শ্ৰীৰাম অৱতাৰৰ ভাস্কৰ্য খোদিত হৈ আছে। ইয়াৰোপৰি কালীয় দমন, শ্ৰীকৃষ্ণৰ ৰাসলীলা ইত্যাদিৰ সুন্দৰ চিত্ৰসমূহ অঙ্কিত হৈ আছে। হাটীসত্ৰৰ মূল নামঘৰৰ উত্তৰে আৰু পশ্চিমে দুখন ডাঙৰ দুৱাৰ আছে। তাতো বিভিন্ন ধৰণৰ অঙ্কন খোদিত হৈ আছে। বুদৰাম সত্ৰাধিকাৰৰ দিনত এই চিত্ৰসমূহত হেঙুল হাইতাল দিয়া হৈছিল কিন্তু বৰ্তমান সেই ৰঙৰ পৰিৱৰ্তে আধুনিক ৰং ব্যৱহাৰ কৰা হৈছে।

এইদৰে হাটীসত্ৰৰ সকলো দিশে উন্নতি সাধি কামৰূপৰ এখন উল্লেখযোগ্য সত্ৰলৈ ৰূপান্তৰিত কৰিছিল। সৎ, জ্ঞানী, ধৰ্মালোচনাৰ যোগেদি ভাৱৰ আদান-প্ৰদান আৰু সম্পৰ্ক অক্ষুণ্ণ ৰাখিবলৈ বুঢ়া অধিকাৰে বৰপেটা কীৰ্ত্তনঘৰৰ হাউলীৰ ভিতৰত উদাসীন হাটীত এডোখৰ ঠাই কিনি ঠাকুৰৰ বাহা নামেৰে এটি বাহা সাজে। এই বাহা আজিও আছে। বুঢ়া সত্ৰাধিকাৰৰ ধৰ্মীয় আলোচনা অকল শুৱালকুছিতেই আৱদ্ধ হৈ থকা নাছিল। বৰপেটা, কমলাবাৰী আদি দূৰ-দূৰণি সত্ৰৰ পৰা অহা সত্ৰাধিকাৰ, বুঢ়া ভকত, সত্ৰীয়া ভকতসকলো হাটীসত্ৰলৈ আহিছিল আৰু ইয়াতে থাকি ধৰ্মীয় আলোচনাত প্ৰবৃত্ত হৈছিল।

উল্লেখযোগ্য যে আজিৰ পৰা প্ৰায় ডেৰশ বছৰ আগতে শুৱালকুছিৰ এক ব্ৰাহ্মণ পৰিয়ালত জন্ম লাভ কৰা পণ্ডিত-প্ৰৱৰ প্ৰয়াত জয়নাথ শৰ্মাদেৱৰ 'উপনয়ন' পৰ্বৰ শেষ সময়ত যেতিয়া ধৰ্মীয় প্ৰথামতে ব্ৰহ্মচাৰী ব্ৰত ধাৰণ কৰি মূৰত পাগুৰি, হাতত পলাশৰ লাখুটি, ভৰিত পাদুকাৰ সৈতে চোতালৰ বেষ্টনিৰ ভিতৰত থাকিব লাগিছিল তেতিয়া তেওঁ কিন্তু বেষ্টনিৰ বাহিৰ হৈছিল। সেইবাবে তাত উপস্থিত থকা সভাসদে তেওঁক বাহিৰ কৰি দিছিল। সেই সময়ত সমাজৰ বান্ধোন কটকটীয়া আছিল বাবে তেওঁ আৰু ঘৰলৈ উভতি নগ'ল। হাটীসত্ৰৰ সত্ৰাধিকাৰ বুদৰাম মহন্তদেৱৰ লগত থাকি বৈষ্ণৱ ধৰ্ম প্ৰচাৰত লাগি থাকিল। প্ৰায় ২০ বছৰ কাল বুদৰাম মহন্তদেৱৰ লগত থাকি অৱশেষত তেওঁ দেৱগাঁৱলৈ গৈ তাত জয়নাথ শৰ্মা সংস্কৃত টোল স্থাপন কৰিলে আৰু পিছলৈ এইখনেই সংস্কৃত বিদ্যাপীঠ নামেৰে দেৱগাঁৱত বিখ্যাত হৈ আছে। সত্ৰাধিকাৰ বুদৰাম মহন্তদেৱৰ উদাৰতা আৰু মহানতাৰ বাবেই প্ৰয়াত জয়নাথ শৰ্মাদেৱে জীৱনৰ নতুন পথৰ সন্ধান পাইছিল।



মহাপুৰুষ শঙ্কৰদেৱে মাথো ২১ বছৰ বয়সতে প্ৰথমটো কীৰ্ত্তনঘৰ প্ৰতিষ্ঠা কৰিছিল। বৈষ্ণৱ সংস্কৃতিৰ অমূল্য অৱদান এই কীৰ্ত্তনঘৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক শৃঙ্খলা তথা উত্তৰণৰ এক আহিলা হিচাবে পৰিগণিত হয়। বুঢ়া অধিকাৰ বুদৰাম মহন্তইও হাটীসত্ৰৰ যোগেদিয়েই সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক অৱদান আগবঢ়াইছিল। সামাজিক দিশ হিচাবে উল্লেখ কৰিব পাৰি যে হাটীসত্ৰৰ উন্নতিৰ লগে লগে তেওঁ শুৱালকুছিৰ সমূহ বাপু-ভকতৰ উন্নতি সাধন কৰিছিল। জীৱ মাত্ৰাত দয়া, নামত ৰুচি, ঈশ্বৰত ভক্তি আৰু নাম-ধৰ্ম যাতে সমাজত বহুল পৰিমাণে প্ৰচাৰ হয় তাৰ বাবে তেখেতে মহাপুৰুষীয়া ধৰ্মৰ লোকৰ উপৰি আন পন্থাৰো বিশিষ্ট লোকসকল হাটীসত্ৰত আলহীস্বৰূপে ৰাখি বহল সামাজিক মনৰ পৰিচয় দিছিল। ইয়াৰ উপৰি গাঁওৰ মেল দৰবাৰ আদিতো ৰায় প্ৰদান কৰিছিল। সমাজৰ নিয়ম-প্ৰণালী আচাৰ-ব্যৱহাৰ সকলো বিষয়তে গুৰুত্ব দি গুৰুঘৰ আৰু ৰাজঘৰৰ কাম একেলগে কৰিছিল। শিক্ষাৰ বেলিকাও সাধাৰণ লোকক শিক্ষিত কৰিবৰ বাবে তেওঁ হাটীসত্ৰৰ ভিতৰতে এখন সৰু পাঠশালাও স্থাপন কৰিছিল আৰু তাত ভকতসকলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। তেওঁ ভটিমা, বৰগীত নিজেই গাই ভকতসকলক শুনাইছিল আৰু ৰাতিপুৱা-গধূলি প্ৰসঙ্গও কৰিছিল নিয়মিতভাৱে। তেওঁ ভকতসকলক নিজৰ সন্তানৰ দৰে সৎ চিন্তা আৰু সৎ পথত আনিবলৈ নাম-প্ৰসঙ্গৰ মাজেৰে ভগৱন্তৰ অমৃতময় আৰু ৰসময় কথা উল্লেখ কৰিছিল আৰু এইবোৰ জানিলে যে অন্য বেয়া চিন্তালৈ মন নাযায় সেই কথাৰ প্ৰতি লক্ষ্য ৰাখিছিল। সকলো জীৱৰ প্ৰতি দয়া, দুখ-দুৰ্দশাৰ প্ৰতি সংবেদনশীলতা, ঈশ্বৰত ভক্তি আৰু নাম-ধৰ্ম যাতে সমাজত বহুলভাৱে প্ৰচলন হয় তাৰ বাবে তেওঁ অহোপুৰুষাৰ্থ কৰিছিল। সেয়েহে তেওঁ সমাজৰ সকলো শ্ৰেণীৰ পৰাই অত্যন্ত সমীহ, শ্ৰদ্ধা আৰু ভক্তি লাভ কৰিব পাৰিছিল। তেওঁৰ ব্যক্তিত্বত এনেকুৱা সন্মোহনী শক্তি আছিল যে তেওঁ ৰাষ্টাৰে গৈ থকা দেখিলে সকলোৰে মনত এক পৱিত্ৰ ভাৱৰ উদয় হৈছিল আৰু জাতি-ধৰ্ম-বৰ্ণ আৰু পন্থা নিৰ্বিশেষে সকলোৱে আঁঠুলৈ সেৱা জনাইছিল। কোৱা বাহুল্য যে তেওঁ খোজ পেলোৱা বাটৰ ধুলিও পবিত্ৰ বুলি গণ্য কৰা হৈছিল আৰু তেখেতৰ পদচিহ্ন কোনোবাই গচকিব বুলি শিষ্যসকলে মচি পেলাইছিল। তেখেতৰ অদৃশ্য প্ৰভাৱৰ ফলত সমাজত ঐক্য, সংহতি আৰু ভাতৃত্ববোধৰ বান্ধোন কপকপীয়া হৈছিল আৰু গোটেইখন গাঁও এখন ডাঙৰ গৃহস্থীৰ নিচিনা পাৰস্পৰিক মিলা প্ৰীতিত বুৰ গৈছিল।

সাধু বুদৰাম মহন্তৰ ব্যক্তিত্বৰ অন্য এটা দিশ হ'ল তেওঁ আছিল স্বাৱলম্বীতাৰ মূৰ্ত্ত বিগ্ৰহ স্বৰূপ। ধ্যান উপলব্ধি, চিন্তা-চৰ্চা, সৎ সংগৰ সৈতে

বাক্যালাপ আদিক লৈ ব্যস্ত থাকিলেও তেওঁ দৈনন্দিন জীৱন যাত্ৰাৰ সকলো কাম নিজেই কৰিছিল। আলধৰাৰ সহায় নলৈছিল। নিজৰ ৰন্ধা-বঢ়া নিজে কৰিছিল, কাপোৰ নিজেই ধুইছিল, বাৰীত নিজে কোৰ মাৰিছিল আৰু বাঁহ-বেতৰ কাম নিজে কৰিছিল। ডাঙৰ ডাঙৰ নাও সজোৱাই ভাড়ালৈ দি আৰ্থিক অৱস্থাৰ জোৰ মাৰিছিল। মুঠৰ ওপৰত চৈধ্য প্ৰসঙ্গৰ পৰা দৈনন্দিন জীৱনৰ খুঁটি-নাতিলৈ সকলো নিজেই কৰিছিল। তেওঁৰ জীৱন ধাৰণৰ প্ৰণালী আছিল অতি সাধাৰণ। যেন Simple living, high thinking ৰ জীৱন্ত প্ৰতিভূ। আহাৰ আছিল অতি সামান্য। প্ৰসঙ্গলৈ যোৱাৰ আগতে এটা চৰুত সকলো বহাই জালকুৰা মাৰি থৈ যায় আৰু প্ৰসঙ্গৰ পৰা আহি ভোজন কৰে। শোৱা বিচনা হিচাপে আছিল এখন ডাঙৰ চালপীৰা, সৰু এটা গাৰু, এখন তলপৰা, গাত এখন পছুৰা। সদায় ধুতি, চেলেং গামোচা আৰু গাঁতি এখনহে গাত লৈছিল। চোলা বা চিলাই কৰা কাপোৰ গাত নলৈছিল। সদায় কানকুল্লাৰ কাঠত বহিছিল। সমাজৰ নিয়ম প্ৰণালী, আচাৰ-ব্যৱহাৰ সকলোতে তেওঁ চকু দিছিল। আমৰণ হৰি ভকতিৰ যোগেৰে সমাজত সাম্য মৈত্ৰী আৰু ঐক্যৰ বাণী বিলাই ১১৭ বছৰলৈ জীয়াই থাকি অৱশেষত ১৮৪১ শকৰ মাঘ মাহৰ ৩০ তাৰিখ বৃহস্পতিবাৰে ৰাতিপুৰা দোকমোকালিতে কৃষ্ণ পক্ষৰ অষ্টমী তিথিত এক পূৰ্ণাঙ্গ আৰু বৰ্ণিল জীৱন-যাপন কৰি এইজন মহাত্মাই বৈকুণ্ঠ প্ৰয়াণ কৰে।

তেৰাৰ জীৱন কালৰ কিছুমান লৌকিক আৰু অলৌকিক কাহিনী মানুহৰ মুখে মুখে শুনা যায়। তাৰে কেইটামান উল্লেখযোগ্য কাহিনী হ'ল — সাধু বুদৰাম মহন্তৰ জন্ম পোৱাৰ সময়খিনিত বৰসত্ৰৰ ডবা-শঙ্খ আৰু তালৰ শব্দ হৈছিল বুলি প্ৰবাদ আছে।

বুদৰাম মহন্ত আছিল বাকসিদ্ধ পুৰুষ। এবাৰ তেওঁৰে আত্মীয়ক (ভিনিদেউকক) কিবা কথাত ধিক্কাৰ দি ভৱিষ্যতে বংশত ছোৱালী নহওক বুলি অভিশাপ দিছিল। সেই মৰ্মে দুই-তিনি পিৰিলৈ হেনো ছোৱালী জন্ম পালেও ঢুকাইছিল। প্ৰাপ্ততথ্য মতে সত্ৰাধিকাৰৰ ভতিজা ছোৱালী হেনো অকালতে ঢুকাইছিল।

হাটীসত্ৰৰ এখন বৰবাৰী আছিল। এদিন বুঢ়া সত্ৰাধিকাৰে বৰবাৰীলৈ যাওঁতে তেখেতৰ মূৰৰ ওপৰেদি এজাক পাৰ উৰি যোৱাত খঙতে এই কুকুৰা চৰাইবোৰ কোনে পুহিছে বুলি কোৱাত তৎক্ষণাত পাৰ চৰাইবোৰ বাহত সোমায়। গৃহস্থই পিছদিনা পাৰ উলিয়াবলৈ গৈ দেখে যে বাহত কুকুৰা চৰাই ভৰি আছে আৰু তেতিয়াই গৃহস্থই কুকুৰাবোৰ খেদি হাটীসত্ৰত দণ্ড দি আঁঠুলৈ মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰিলে।



এদিনাখন বুঢ়া অধিকাৰে ৰাতিপুৱাই খোজকাঢ়ি বাৰীত সোমাব খোজোতেই এটা প্ৰকাণ্ড সাপে ফনা তুলি বাট আগুৰি ধৰে। বুঢ়া অধিকাৰে কৃষ্ণ নাম স্মৰণ কৰি 'তোমাৰ ঠাইলৈ তুমি যোৱা আৰু আমাৰ বাট এৰি দিয়া' বুলি কোৱাত সাপডাল হেনো আঁতৰি গৈছিল। তাৰোপৰি এদিন ডবা পিটা বৰষুণত কোৰ মাৰি থাকোত হেনো অধিকাৰৰ গাত অলপো বৰষুণ নপৰিল। ভকতসকলে লগত জাপি আৰু কাপোৰ লৈ আহিছিল কিন্তু অধিকাৰৰ গাত এটোপালোও পানী নেদেখি আচৰিত মানিলে।

এবাৰ সত্ৰত মধুফল এটি কোনোবাই চুৰি কৰি খোৱাত অধিকাৰে তাৰ গৰ্ভত গাহৰি জন্মিব বুলি কোৱাত গাঁৱৰ এজনী তিৰোতাৰ গাহৰি মুখা ল'ৰা সন্তান এটা জন্ম পোৱা বুলি প্ৰবাদ আছে।

শাৰীৰিক শক্তিৰ ক্ষেত্ৰতো দহজনে কৰিব নোৱাৰা কাম বুঢ়া সত্ৰাধিকাৰে অকলে কৰিব পাৰিছিল। যেনে — তেওঁ অকলে টিঙ লগোৱা নাও ঠেলি পানীলৈ নিব পাৰিছিল।

এদিনাখন বুঢ়া অধিকাৰৰ ভতিজা মহৎ চন্দ্ৰ মহন্তই ভৱিষ্যতে তেখেতৰ ছয়জনকৈ ল'ৰাক কেনেদৰে পোহপাল দিব তাৰ উপায় বিচাৰিছিল। তেতিয়া অধিকাৰে হেনো কিছু সময় চিন্তা কৰি এজোৰ ডাঙৰ তাল মহৎ চন্দ্ৰ মহন্তক দান কৰিছিল। তাৰ অৰ্থ এয়ে যে ভৱিষ্যতে নাম-প্ৰসঙ্গ কৰি সংসাৰ চলোৱাৰ নিৰ্দেশনা দিছিল। তেতিয়াই বৰসত্ৰৰ নিজা বাস ভৱনত এটা সৰু নামঘৰ স্থাপন হৈছিল আৰু গাঁওৰ বিভিন্ন ভকতক শৰণ প্ৰদান কৰি মহৎ চন্দ্ৰ মহন্তই সুন্দৰকৈ তেওঁৰ সংসাৰখন চলাইছিল। বৰ্তমানো এই নামঘৰত দৈনিক প্ৰসঙ্গ হৈ আছে আৰু তেখেতে প্ৰদান কৰা তালজোৰ সংৰক্ষিত হৈ আছে।

আন এটা প্ৰবাদ মতে বুঢ়া সত্ৰাধিকাৰে সদায় নদীত গা ধুবলৈ গৈছিল। গা ধুবলৈ যাওঁতে খৰম জোৰ পিন্ধি যায়। এদিনাখন নাৱৰ টিঙত উঠোতে কাঠত তেওঁৰ খৰমজোৰৰ সাঁচ বহি যায়। এতিয়াও হাটীসত্ৰত সেই সাঁচ থকা কাঠ টুকুৰা সংৰক্ষিত হৈ থকা বুলি মানুহে ক'ব খোজে।

সাধু বুদৰাম মহন্তৰ শাৰীৰিক সক্ষমতাও যথেষ্ট আছিল। তেওঁৰ হাত দুখন আঁঠুৰ তললৈকে বৈ পৰা আছিল। এবাৰ তেওঁৰ ভৰি ভাঙোতে কোনো ধৰণৰ ঔষধ সেৱন নকৰাকৈয়ে আৰোগ্য লাভ কৰিছিল।

উপৰোক্ত এই কাহিনীবোৰৰ বাস্তৱ প্ৰমাণ পোৱা নাযায় কিন্তু যুগ যুগ ধৰি এই কাহিনীবোৰ মানুহৰ মাজত প্ৰচলিত হৈ আছে বাবেহে ইয়াত উল্লেখ কৰা হ'ল।

বাকসিদ্ধ পুৰুষ সাধু বুদৰাম সত্ৰাধিকাৰ আছিল পঢ়িয়া মাধৱ আতাৰ

বংশধৰ। তেৰাই পঢ়িয়া মাধৱ আতাৰ বৈকুণ্ঠ প্ৰয়াণ সম্পৰ্কে ভকত আতৈসকলৰ আগত দিয়া নিজ মুখৰ বাণী ড° মহেশ্বৰ নেওঁগে সম্পাদনা কৰা 'পঢ়িয়া মাধৱ আতাৰ চৰিত' পুথিখনত উল্লেখ আছে। উল্লেখযোগ্য যে আজিৰ ভোগবাদী আৰু বস্তুবাদী জীৱনধাৰা, স্বাৰ্থসৰ্বস্ব কৰ্মধাৰা আৰু ব্যস্ততাৰ ধামখুমীয়াত বুদৰাম মহন্তৰ জীৱন চৰ্চাই দিব পাৰে অস্থিৰ সমাজ জীৱনত এচাটি শান্তিৰ মলয়া বতাহ। পন্যসৰ্বস্ব বজাৰমুখী ব্যৱস্থাই মানুহক যিদৰে দুখী কৰিছে, জীৱনৰ অৰ্থ যিদৰে সংকুচিত কৰিছে, ঐশ্বৰ্যৰ লালসাত যিদৰে মগ্ন হৈ পৰিছে, বুদৰাম মহন্তদেৱে দেখুৱাই থৈ যোৱা হৰি ভকতিত আত্মসমৰ্পণৰ যোগেৰেহে ইয়াৰ পৰা নিস্তাৰ পোৱা যাব পাৰে। তেখেতৰ মানসিক প্ৰশান্তি, সৰ্বস্তৰৰ লোকৰ মাজত গ্ৰহণযোগ্যতা, দীৰ্ঘজীৱন আৰু সন্তুষ্টিৰ চাবি-কাঠি আমি তেতিয়াহে বিচাৰি পাম যেতিয়া তেখেতৰ নীতি, আদৰ্শ, মূল্যবোধ, সাত্বিক জীৱনধাৰা আৰু ঐকান্তিকতাক আমি সঁচা অৰ্থত মূল্যাঙ্কন কৰিবলৈ সমৰ্থ হ'ম। তেতিয়া আমাৰ বিশ্বাস কৰিবৰ মন যাব জীৱনৰ বাবে কৰ্ম নহয়; কৰ্মৰ বাবেহে জীৱন। মানুহে সমাজ নগঢ়ে, একো একোজন মহাপুৰুষে সমাজ গঢ়িব পাৰে।

-০০০-

*প্ৰসংগ কোষঃ*


১) প্ৰাচীনসকলৰ দৃষ্টিত শ্ৰীমন্ত শংকৰদেৱ — বদন চন্দ্ৰ শইকীয়া
২) পঢ়িয়া মাধৱ আতাৰ চৰিত 'সম্পাদন আৰু ভূমিকা' — ড° মহেশ্বৰ নেওগ
৩) সাধু বুদৰাম মহন্ত — হৰমোহন দাস
৪) শ্ৰীশ্ৰীশংকৰদেৱ — ড° মহেশ্বৰ নেওগ
৫) পদ্মালয়া — স্মৰণিকা, সোণালী জয়ন্তী বৰ্ষ, শ্ৰীশ্ৰীলক্ষ্মী পূজা পৰিচালনা সমিতি আদাবাৰি, শুৱালকুছি

# শংকৰী কলা-কৃষ্টি-আদৰ্শৰ সংৰক্ষক আৰু সংবৰ্ধক হিচাপে সাধু বুদৰাম মহন্তৰ অৱদান

*ড° পৰশমণি দাস*

বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যি অভিনৱ কলা-কৃষ্টিৰ উদ্ভাৱন কৰিছিল, সেই কলা-কৃষ্টিক পৰৱৰ্তী সময়ত জীৱন্ত কৰি ৰখাত আৰু বোঁৱতী সুঁতিলৈ ৰূপান্তৰ কৰাত ভালেমান শিল্পী-সাধকৰ গুৰুত্বপূৰ্ণ অৱদান আছে। শুৱালকুছি আৰু ইয়াৰ পাৰ্শ্বস্থ এলেকাত এনে অৱদান আগবঢ়োৱা লোকসকলৰ অন্যতম আছিল ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ সাধু বুদৰাম মহন্ত। এইগৰাকী কৃতবিদ্য পুৰুষে গোটেই জীৱন জুৰি শংকৰী কলা-কৃষ্টি-আদৰ্শৰ চৰ্চা, সাধনা আৰু ইয়ালৈ আগবঢ়োৱা পৃষ্ঠপোষকতাৰে ইয়াক জনমুখী আৰু গতিশীল কৰাত বিশিষ্ট বৰঙণি আগবঢ়াই থৈ গৈছে।

সাধু বুদৰাম মহন্তৰ জীৱন-চৰিতৰ পৰা জনা যায় যে ল'ৰালি কালতে এই সাধুগৰাকী শংকৰী কলা-কৃষ্টি আৰু আদৰ্শৰ প্ৰতি আকৃষ্ট হৈছিল। পাঠশালাত নামভৰ্তি কৰাৰ পিছত আখৰ চিনিব পৰা হওঁতেই বুদৰাম মহন্তই সাঁচিপাতৰ পুথি পঢ়িবলৈ আৰম্ভ কৰে। তেওঁৰ শব্দজ্ঞান আয়ত্ব হোৱাত কেৱল ধৰ্মমূলক পুথিৰ প্ৰতিহে তেওঁৰ মন ধাবিত হয়। শিশু বুদৰাম মহন্তই পাঠশালালৈ যাবলৈ এৰি দিয়ে আৰু দিনটোৰ সৰহভাগ সময় ধৰ্মপুথি পঢ়াতেই কটাবলৈ লয়। শংকৰী গীত-মাত আৰু নাম-প্ৰসংগও তেওঁ শিশুকালতেই আয়ত্ব কৰিবলৈ আৰম্ভ কৰে। কথিত আছে যে শিশু বুদৰামৰ কণ্ঠত কীৰ্তন, নামঘোষা আৰু বৰগীতৰ সুৰ শুনিবলৈ বাটৰুৱাও তেওঁৰ ঘৰৰ পদূলিত ৰৈ গৈছিল।

ডেকা বয়সত বুদৰাম মহন্তই সংস্কৃত ভাষা অধ্যয়ন কৰিবলৈ লয়। সেই সময়ত শুৱালকুছিলৈ অহা কেবাজনো সংস্কৃত পণ্ডিতৰ ওচৰত তেওঁ সংস্কৃত ভাষা শিকিছিল। একে সময়তে বুদৰাম মহন্তই কীৰ্তন, দশম, নামঘোষা, ভাগৱত, গীতা, ৰত্নাৱলী আদি ধৰ্মগ্ৰন্থবোৰ গভীৰভাৱে অধ্যয়ন কৰিবলৈ আৰম্ভ কৰে। এই গ্ৰন্থবোৰৰ বিভিন্ন বিষয় সম্পৰ্কত সুযোগ বুজি তেওঁ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ

সত্ৰাধিকাৰ হৰিজয় মহন্তৰ সৈতে আলোচনাও কৰিছিল।

শংকৰদেৱৰ ধৰ্ম, সাহিত্য, কলা, দৰ্শন ইত্যাদিৰ প্ৰতি ডেকা বুদৰাম মহন্ত ইমানেই আকৃষ্ট হৈছিল যে তেওঁ সংসাৰী হোৱাৰ বাসনা ত্যাগ কৰি হাটীসত্ৰতে স্থায়ীভাৱে থকাৰ পৰিকল্পনা কৰিলে। তেওঁ তেওঁৰ এই ইচ্ছা ব্যক্ত কৰিলে মাতৃ আৰু সত্ৰৰ সত্ৰাধিকাৰ হৰিজয় মহন্তৰ আগত। অৱশেষত মাতৃৰ সন্মতি সাপেক্ষে তেওঁ হাটীসত্ৰত এজন কেৱলীয়া ভকত হিচাপে থাকিবলৈ লয়। সত্ৰত স্থায়ীভাৱে থকাৰ পিছত সত্ৰৰ নিয়মানুসৰি তেওঁ নিতৌ চৈধ্য প্ৰসংগ, গুৰুসেৱা আদি কৰিবলৈ ধৰিলে। তদুপৰি মহাপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰি সত্ৰৰ সকলো দৈনন্দিন কৰ্ম আৰু ভকত-কাৰণক সোধপোচ কৰা আদি কাৰ্যও আনন্দ মনেৰে বুদৰাম মহন্তই কৰি গ'ল। তেওঁৰ নাম-প্ৰসংগ আৰু ধৰ্ম-শাস্ত্ৰৰ ব্যাখ্যাত সকলো ভকত মুগ্ধ হ'ল।

পৰৱৰ্তী সময়ত হাটীসত্ৰৰ সত্ৰাধিকাৰ হৰিজয় মহন্ত বৃদ্ধ হৈ অহাত তেওঁ বুদৰাম মহন্তক সত্ৰৰ ডেকা সত্ৰাধিকাৰ হিচাপে ধৰ্ম-মালা পিন্ধায়। ডেকা-সত্ৰাধিকাৰ পদত অধিষ্ঠিত হৈ বুদৰাম মহন্তই পূৰ্বতকৈ অধিক উদ্যমেৰে সত্ৰ পৰিচালনা কৰাৰ লগতে শংকৰী ধৰ্মাদৰ্শ প্ৰচাৰত মনোনিৱেশ কৰিবলৈ ধৰিলে।

বুদৰাম মহন্ত হাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰ হৈ থকাৰ মাজতে তেওঁক পৰীক্ষা কৰাৰ উদ্দেশ্যে বুঢ়া সত্ৰাধিকাৰ হৰিজয় মহন্তই এটি সৰু ঘটনাৰ চেলু উলিয়াই বুদৰাম মহন্তক হাটীসত্ৰ ত্যাগ কৰাৰ নিৰ্দেশ দিয়ে। গুৰুৰ আদেশ শিৰোধাৰ্য কৰি বুদৰাম মহন্ত হাটীসত্ৰৰ পৰা ওলাই আহিল আৰু শুৱালকুছিৰেই 'পোৰা ভিঠি সত্ৰ'ত ('প্ৰাচীন বৰসত্ৰ'ত) বাস কৰিবলৈ ল'লে। এই সত্ৰতো তেওঁ শলা-বন্তি জ্বলাই অতি নিষ্ঠাৰে নাম-প্ৰসংগ কৰিবলৈ ধৰিলে। কিছুদিন পিছত পোৰা ভিঠি সত্ৰৰ ওচৰতে থকা বৰসত্ৰৰ ভকতসকলে বুদৰাম মহন্তক কাকুতি-মিনতি কৰি বৰসত্ৰলৈ লৈ আহে। বুদৰাম মহন্তৰ উপস্থিতিয়ে এইবাৰ বৰসত্ৰত নতুন প্ৰাণৰ সঞ্চাৰ কৰিলে। প্ৰথম পদক্ষেপ হিচাপে তেওঁ সত্ৰখন পূৰ্বতকৈ কিছু বহল কৰে। ইফালে বুদৰাম মহন্তৰ প্ৰতি আকৰ্ষিত হৈ দিনে দিনে বৰসত্ৰৰ শিষ্যৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। কথিত আছে যে সেই সময়ত বুদৰাম মহন্তই সদায় আবেলি পৰত বৰসত্ৰৰ চোতালত শিষ্যসকলৰ লগত হৰিকথাৰ আলাপ কৰিছিল। ইয়াৰোপৰি সত্ৰত প্ৰায়ে নাম-কীৰ্তন, যাত্ৰা-ভাওনা, উৎসৱ-পৰ্ব আদিৰ আয়োজন কৰি বুদৰাম মহন্তই শিষ্যসকলক ঈশ্বৰমুখী কৰিবলৈ প্ৰচেষ্টা চলাই গ'ল।

বৰসত্ৰত থাকি বুদৰাম মহন্তই যে সফলতাৰে শংকৰদেৱৰ নাম-ধৰ্ম আৰু শংকৰী কলা-কৃষ্টি-আদৰ্শৰ প্ৰচাৰ কৰি আছে সেই কথা ইতিমধ্যে হাটীসত্ৰৰ সত্ৰাধিকাৰ হৰিজয় মহন্তৰ কাণত পৰিছিল। তেওঁ নিশ্চিত হ'ল যে হাটীসত্ৰৰ



ভৱিষ্যতৰ বুঢ়া সত্ৰাধিকাৰ হিচাপে বুদৰাম মহন্তই আটাইতকৈ উপযুক্ত ব্যক্তি হ'ব। ইতিমধ্যে হৰিজয় মহন্ত ক্ৰমাৎ অলৰ-অচৰ হৈ আহিছিল। সেয়েহে তেওঁ ভকতবৃন্দৰ হতুৱাই বুদৰাম মহন্তক খোল-তাল বজাই শোভাযাত্ৰা কৰি সসন্মানে বৰসত্ৰৰ পৰা হাটীসত্ৰলৈ বৰি আনিলে আৰু বুদৰাম মহন্তক হাটীসত্ৰৰ গৰাকী হিচাপে মাল্যাৰ্পণ কৰিলে। ইয়াৰ প্ৰায় সাত দিন পিছত হৰিজয় মহন্ত বৈকুণ্ঠগামী হয়।

হৰিজয় মহন্ত বিদেহী হোৱাৰ পিছত বুদৰাম মহন্ত হাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ আৰু মুৰব্বী হ'ল। বুঢ়া সত্ৰাধিকাৰ হৈয়েই তেওঁ হাটীসত্ৰৰ উন্নতি আৰু ৰূপান্তৰৰ উদ্দেশ্যে বিভিন্ন কাৰ্যপন্থা হাতত হয়। তদুপৰি তেওঁ নিজেও শংকৰী নীতি-আদৰ্শ কঠোৰভাৱে পালন কৰিবলৈ ধৰিলে — যিয়ে তেওঁৰ শাৰীৰিক আৰু মানসিক পৰিৱৰ্তন সাধন কৰিলে। বুদৰাম মহন্তই নিজৰ প্ৰতিভা আৰু যত্নৰ বলত হাটীসত্ৰৰ শিষ্যসকলকো শংকৰী আদৰ্শৰে উজ্জীৱিত কৰিবলৈ সমৰ্থ হ'ল। এই সম্পৰ্কত 'সাধু বুদৰাম মহন্ত' গ্ৰন্থখনত হৰমোহন দাসে লিখিছে — 'বুদৰাম মহন্ত এতিয়া হাটীসত্ৰৰ বুঢ়া অধিকাৰ আৰু গৰাকী। এতিয়া হাটীসত্ৰ এওঁ বুঢ়া সত্ৰাধিকাৰৰ তত্বাৱধানত চলিব ধৰিলে। মহাপুৰুষীয়া পন্থৰ সকলো ৰীতি-নীতি, নাম-কীৰ্তন, প্ৰসংগ আদি নিয়মিতৰূপে পালন কৰিবলৈ ধৰিলে। সকলো বাপু-ভকতক এওঁ অধিকাৰ হৈ মৰম আৰু স্নেহ কৰিবলৈ ধৰিলে। নিজৰ সন্তানৰ নিচিনা সকলোকে সৎ পথ আৰু সৎ কথাত আনিবলৈ চেষ্টা কৰিলে। ধৰ্মৰ প্ৰতি যেন সকলোৰে আগ্ৰহ জন্মে তাৰ বাবে চেষ্টা কৰিব ধৰিলে। সকলো জীৱ ভগৱন্তৰ স্বৰূপ — এই ভাৱটি সকলোৰে মাজত প্ৰচাৰ কৰিবলৈ ধৰিলে। শিষ্যসকলক সৎ পথ দেখুৱাৰ লগে লগে বুঢ়া অধিকাৰৰো আত্মশক্তি আৰু আত্মবোধ ক্ৰমে বাঢ়িবলৈ ধৰিলে। তেওঁৰ স্বভাৱ, চৰিত্ৰ, মন, বাক্য সকলো সৰল, কোমল, দয়ালু আৰু জ্যোতিৰ্ময় হৈ আহিব ধৰিলে। ঈশ্বৰ চিন্তাৰ গুণত তেওঁৰ মুখমণ্ডল উজ্জ্বল হৈ পৰিল। বুঢ়া অধিকাৰৰ গাত অশেষ গুণ দেখি শুৱালকুছি গাঁওৰ জাতি, ধৰ্ম, পন্থ, নিৰ্বিশেষে সকলোৱে মান-সৎকাৰ কৰিব ধৰিলে। এওঁৰ চৰিত্ৰৰ বলতেই গোটেইখন গাঁও এঘৰ ডাঙৰ গৃহস্থৰ নিচিনা মিলা-প্ৰীতিত আছিল। তেখেতৰ মুখৰ পৰা ধৰ্ম কথা, সৎ কথা আৰু সৎ আলোচনা শুনিবলৈ সকলোৱে ভাল পাইছিল। তেখেতৰ গুণ-গৰিমা দেখি বহুতে শৰণ-ভজন ধৰ্ম ল'বলৈ ধৰিলে। শুৱালকুছি গাঁওৰ বাহিৰেও আন আন ঠাইৰ মানুহেও নাম-ধৰ্ম ল'বলৈ ধৰিলে।'

সাধু বুদৰাম মহন্তই নিজৰ দৈনন্দিন জীৱনত শংকৰী নীতি-আদৰ্শ কিদৰে কঠোৰভাৱে পালন কৰিছিল আৰু প্ৰতিটো দিনেই শংকৰদেৱৰ ধৰ্মাদৰ্শ প্ৰচাৰত

তেওঁ কিদৰে ব্যস্ত আছিল সেই কথা তেওঁৰ দৈনিক কাৰ্য-তালিকাৰ পৰাও জানিব পাৰি। বুদৰাম মহন্তৰ দৈনিক কাৰ্য-তালিকা সম্পৰ্কত হৰমোহন দাসে এইদৰে লিখিছে — '(১) পুৱতি নিশাতে পুৱাৰ বৰগীত, ভটিমা গাই ঈশ্বৰ চিন্তা কৰি শয্যা ত্যাগ কৰিছিল। ব্ৰহ্ম মুহূৰ্তৰ আগতে শৌচ কাৰ্যাদি সমাপন কৰি প্ৰাতঃস্নান কৰিছিল। প্ৰাতঃস্নান কৰি উঠি প্ৰাতঃপ্ৰসংগ কৰিছিল। (২) প্ৰাতঃপ্ৰসংগ কৰি দুঘণ্টা সময় পুথি পঢ়িছিল আৰু ঈশ্বৰ চিন্তা কৰিছিল। (৩) তাৰ পিছত বাহাৰ কাম, কীৰ্তন ঘৰৰ কাম, বাৰীৰ কাম আৰু আন আন সত্ৰ সম্বন্ধীয় কাম পৰিদৰ্শন কৰি দিহা-দাৰা দিছিল। ইয়াৰ ভিতৰতে কোনোবা দৰ্শক আহিলে দৰ্শনো দিছিল। (৪) বেলি দুপৰ নৌহওঁতেই মধ্যাহ্ন স্নান কৰি দুপৰীয়াৰ প্ৰসংগ কৰিছিল। দুপৰীয়াৰ প্ৰসংগ কৰি আহাৰ ভোজন কৰিছিল। (৫) অলপ পৰ জিৰণি লৈ শাস্ত্ৰ অধ্যয়ন কৰিছিল। বাহাৰ আলধৰা, ভকত আদিক ধৰ্ম-শিক্ষা, শাস্ত্ৰ-শিক্ষা আৰু আচাৰ নীতিৰ শিক্ষা দিছিল। (৬) অধ্যয়ন কৰি আৰু শিক্ষা দি অলপ পৰ ঈশ্বৰ চিন্তা কৰিছিল। (৭) ঈশ্বৰ চিন্তা কৰি বাহাৰ কাঠিত বহি বাপুভকতসকলৰ লগত ধৰ্ম আলাপ কৰিছিল। এই সময়তে বহু ভকতে নিজ নিজ সংশয় ছেদ কৰিছিল। (৮) ইয়াৰ পিছত আবেলিৰ প্ৰসংগ কৰিছিল। ভাগৱত, গীতা, ৰত্নাৱলী, দশম, ঘোষা আদি শাস্ত্ৰৰ ব্যাখ্যা কৰিছিল। (৯) আবেলিৰ প্ৰসংগ আৰু শাস্ত্ৰ ব্যাখ্যাৰ পিছত আকৌ সন্ধ্যা নলগালৈকে বাহাৰ কাঠিৰ গাদিত বহি ধৰ্মালাপ কৰিছিল। এই সময়ৰ ভিতৰত গাঁওৰ মেল-দৰবাৰৰ কামো কৰিছিল। (১০) সন্ধ্যা লগা মাত্ৰকে স্নান কৰি শলা-বন্তি জ্বলাই প্ৰসংগ কৰে। প্ৰসংগৰ পিছতে ঈশ্বৰৰ ধ্যান-ধাৰণা আৰু চিন্তা কৰিছিল। (১১) নিশাৰ প্ৰসংগ কৰি ভোজন কৰিছিল। ভোজনৰ পিছত বাহাৰ ভকতসকলৰ লগত ধৰ্ম কথা পাতি সময় মতে শয্যা লৈছিল।'

শংকৰী কলা-কৃষ্টিৰ অন্যতম উল্লেখযোগ্য উপাদান হৈছে সত্ৰ আৰু নামঘৰসমূহ। আনহাতে এই সত্ৰ আৰু নামঘৰতে শংকৰী কলাৰ অন্য বহুতো উপাদান সংৰক্ষিত হৈ আছে অথবা বহু উপাদানৰ বিকাশ সাধন হৈছে। সত্ৰ বা নামঘৰৰ উন্নতি সাধন কৰাৰ অৰ্থ হ'ল শংকৰী কলা-কৃষ্টিৰ বহুতো উপাদান সংৰক্ষণ কৰা অথবা এইবোৰৰ বিকাশ সাধন কৰা। এই ক্ষেত্ৰত সাধু বুদৰাম মহন্তৰ অৱদানক আমি কৃতজ্ঞতাৰে স্মৰণ কৰা উচিত। বুদৰাম মহন্ত হাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ হোৱাৰ পিছৰে পৰা তেওঁ সত্ৰখনৰ উন্নতিৰ হেঁকে যৎপৰোনাস্তি চেষ্টা চলায়। মহাপুৰুষ মাধৱদেৱে স্থাপন কৰা বৰপেটা সত্ৰৰ আৰ্হিত বুদৰাম মহন্তই হাটীসত্ৰত কীৰ্তনঘৰ, ভাজঘৰ, বাহাঘৰ, পুখুৰী আদি নিৰ্মাণ কৰে আৰু সত্ৰৰ চাৰিওফালে গড় বান্ধে। বুদৰাম মহন্তৰ দিনতে হাটীসত্ৰখন বাহিৰে-ভিতৰে সকলো দিশতে উন্নত হৈ



উঠে। মহাপুৰুষীয়া ধৰ্মৰ সকলো নিয়ম-প্ৰণালী অটুট ৰাখি নাম-ধৰ্ম প্ৰচাৰ কৰাত এই সত্ৰখন অবিভক্ত কামৰূপ জিলাৰ অন্যতম প্ৰধান সত্ৰ হৈ পৰে। উল্লেখ্য যে সেই সময়ত হাটীসত্ৰৰ নিয়ম-প্ৰণালী মতেই শুৱালকুছিৰ সৰহসংখ্যক সত্ৰ চলিছিল। আনহাতে হাটীসত্ৰই আৰ্হি হিচাপে লৈছিল বৰপেটা সত্ৰক। বৰপেটা সত্ৰৰ আৰ্হিৰ লগত যাতে হাটীসত্ৰই পোনপটীয়া সম্বন্ধ ৰাখিব পাৰে তাৰ বাবে বুদৰাম মহন্তই বৰপেটা কীৰ্তন ঘৰৰ হাউলীৰ ভিতৰত থকা উদাসীন হাটীত এডোখৰ ঠাই কিনি লয় আৰু তাত 'ঠাকুৰৰ বাহা' বুলি এটি বাহা সাজে। বৰপেটালৈ গ'লে বুঢ়া অধিকাৰে এই বাহাতেই থাকি সকলো কাৰ্য সম্পাদনা কৰিছিল। উল্লেখ্য যে বৰপেটা সত্ৰত থকা হাটীসত্ৰৰ এই বাহাটো এতিয়াও আছে। বৰ্তমান এই বাহাটোৰ ফলকখনত এইদৰে লিখা আছেঃ 'ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বাহা। শুৱালকুছি।'

চাওঁতে চাওঁতে বুদৰাম মহন্তই বৃদ্ধাৱস্থা পালে। এওঁৰ বয়স বেছি হোৱা দেখি হাটীসত্ৰৰ ভকতবৃন্দই সত্ৰৰ বাবে এগৰাকী ডেকাসত্ৰাধিকাৰ নিৰ্বাচন কৰাৰ কথাটো ভাবিলে আৰু বিষয়টো বুদৰাম মহন্তৰ আগত ব্যক্ত কৰিলে। অৱশেষত ভকত-শিষ্যৰ প্ৰস্তাৱ অনুসৰি ইতিমধ্যে হাটীসত্ৰতে কেৱলীয়া ভকত হিচাপে থকা লক্ষ্মীকান্ত মহন্তক হাটীসত্ৰৰ ডেকাসত্ৰাধিকাৰ হিচাপে বুদৰাম মহন্তই মাল্যাৰ্পণ কৰে। বুঢ়া সত্ৰাধিকাৰে এতিয়া হাটীসত্ৰৰ সকলো কাম ডেকাসত্ৰাধিকাৰৰ হাততে অৰ্পণ কৰিলে আৰু তেওঁ নিজে কেৱল শিষ্য-প্ৰশিষ্যৰ উপৰি নিজৰো আধ্যাত্মিক উৎকৰ্ষ সাধনত ব্যস্ত হৈ পৰিল। জনা যায় যে লক্ষ্মীকান্ত মহন্তক ডেকাসত্ৰাধিকাৰ হিচাপে নিযুক্ত কৰাৰ পিছত বুদৰাম মহন্তই পূৰ্বতকৈ অধিক মুকলি ভাবেৰে শ্ৰীমন্ত শংকৰদেৱ-শ্ৰীশ্ৰীমাধৱদেৱৰ অমৃতময় বাণী আৰু আদৰ্শ প্ৰচাৰ কৰাত আত্মনিয়োগ কৰিছিল। বিস্ময়ৰ কথা এয়ে যে বুদৰাম মহন্ত ১১৭বছৰ কাল জীয়াই আছিল আৰু পৰলোকগমনৰ আগমুহূৰ্তলৈকে তেওঁ সক্ৰিয় হৈ আছিল। আনকি মৃত্যুৰ আগদিনাখন তেওঁ বৃহত্তৰ শুৱালকুছিৰ ৰাইজৰ আগত তেওঁৰ শেষবাণী শুনাইছিল — যি বাণী শ্ৰীমন্ত শংকৰদেৱৰ নীতি-আদৰ্শ-চিন্তাৰ মৰ্ম আৰু ভাৱনাৰে সংপৃক্ত আছিল। বুদৰাম মহন্তই শেষবাণীত কৈছিল — "এই হাটীসত্ৰৰ শলা-বন্তি জ্বলাই ৰাখিবলৈ সকলোৱে যত্ন কৰিবা। সকলোৱে মিলা-প্ৰীতিৰে চৈধ্য প্ৰসংগ কৰি নাম-কীৰ্তন কৰিবা। শৰণ-ভজন সকলো কৰ্ম পূৰ্বৰ দৰেই চলাই থাকিবা। হাটীসত্ৰক মান কৰি গাঁওৰ গৌৰৱ ৰক্ষা কৰিবা। সকলো জীৱতে ভগৱন্ত আছে বুলি ভাবি ধৰ্ম চিন্তা কৰিবা। পৰমাত্মাৰূপী শ্ৰীকৃষ্ণক আৰাধনা কৰি সকলো সুখে থাকা। এয়ে মোৰ শেষ বাণী।"

শংকৰী কলা-কৃষ্টি-আদৰ্শৰ সংবৰ্ধনৰ ক্ষেত্ৰত সমগ্ৰ অসমৰ প্ৰেক্ষাপটত

বুদৰাম মহন্তৰ এক গুৰুত্বপূৰ্ণ অৱদান আছে। উল্লেখ্য যে কুৰি শতিকাৰ প্ৰথম দশকৰ শেষভাগলৈকে অসমৰ কোনো ঠাইতে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হোৱা নাছিল। এই ক্ষেত্ৰত সাধু বুদৰাম মহন্তই এক যুগান্তকাৰী ভূমিকা পালন কৰিবলৈ সক্ষম হয়। অসমত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন সম্পৰ্কত ড° মহেশ্বৰ নেওগে 'শ্ৰীশ্ৰীশংকৰদেৱ' গ্ৰন্থত (পৃষ্ঠা ১৬৯, পঞ্চম সংস্কৰণ, ১৯৮৫ চন, বাণী মন্দিৰ) এইদৰে লিখিছে — '১৮৪৩ শকত (১৯২১ চনত) বৰপেটাত আৰু ১৮৪৬ শকত (১৯২৪ চনত) শুৱালকুছিত পোনতে শংকৰদেৱৰ জন্মোৎসৱ হয়। লক্ষ্মীনাথ বেজবৰুৱাই এই কাৰ্যত আনন্দ প্ৰকাশ কৰিছিল।' আনহাতে শুৱালকুছিৰ 'শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ'ৰ প্ৰতিষ্ঠা দিৱসৰ সোণালী জয়ন্তীৰ স্মৰণিকা 'শ্ৰীমন্ত শংকৰ প্ৰকাশ'ত (পৃষ্ঠা ১, ৮, ৭৩; প্ৰকাশ ঃ ১৯৯৫ চন, ৫৪৭ শংকৰাব্দ) উল্লেখ আছে যে ১৯১৭ চনৰ পৰা সাধু বুদৰাম মহন্তই শ্ৰীশ্ৰীহাটীসত্ৰত সত্ৰৰ ভকতবৃন্দৰ সহযোগত প্ৰতি বছৰে অনুষ্টুপীয়াকৈ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰিছিল। ইয়াৰ পিছতে ১৯২১ চনৰ পৰা শুৱালকুছিৰ 'সনাতন অপেৰা যাত্ৰা পাৰ্টি'য়ে আনুষ্ঠানিকভাৱে গোটেই গাঁৱৰে ভক্তপ্ৰাণ লোকক নিমন্ত্ৰণ কৰি আনি শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰিবলৈ লয়। পৰৱৰ্তী সময়ত শুৱালকুছিত উৎসৱটিৰ পৰিসৰ বৃদ্ধি হোৱাত ৪৭৫ শংকৰাব্দৰ (অৰ্থাৎ ১৯২৪ চনৰ) পৰা স্থানীয় শ্ৰীশ্ৰীভাটীসত্ৰ, শ্ৰীশ্ৰীনভাটীসত্ৰ, শ্ৰীশ্ৰীবৰসত্ৰ আৰু শ্ৰীশ্ৰীবালি সত্ৰত গুৰুজনাৰ জন্মোৎসৱটি পালন কৰিবলৈ লোৱা হয়। এই তথ্যবোৰৰ পৰা স্পষ্ট হয় যে বৰপেটাতকৈও আগতে শুৱালকুছিতহে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছিল। ড° নেওগে ১৮৪৬ শকত বা ১৯২৪ চনত শুৱালকুছিত পোনতে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন হোৱাৰ যি তথ্য লিপিবদ্ধ কৰিছে সেয়া শুৱালকুছিৰ কেবাখনো সত্ৰই ১৯২৪ চনৰ পৰা পালন কৰা জন্মোৎসৱৰ তথ্যহে। ইয়াৰ পূৰ্বে ১৯২১ চনত 'সনাতন অপেৰা যাত্ৰা পাৰ্টি'য়ে আৰু তাৰো পূৰ্বে ১৯১৭ চনত সাধু বুদৰাম মহন্তই শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰাৰ তথ্য বোধহয় ড° নেওগৰ হাতত পৰা নাছিল। সি যি নহওক, ১৯১৭ চনতে সমগ্ৰ অসমৰ ভিতৰতে পোন প্ৰথমবাৰৰ বাবে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰি সাধু বুদৰাম মহন্তই এই ক্ষেত্ৰত বাটকটীয়াৰ ভূমিকা পালন কৰিছিল। এই তথ্য নিসন্দেহে গুৰুত্বপূৰ্ণ।

সাধু বুদৰাম মহন্তই যি সময়ত শংকৰী কলা-কৃষ্টি-আদৰ্শৰ প্ৰচাৰৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল সেই সময়ছোৱা অসমীয়া কৃষ্টি-সংস্কৃতিৰ সাধনা, বিকাশ আৰু প্ৰচাৰৰ বাবে অনুকূল নাছিল। সেয়া আছিল প্ৰবল প্ৰত্যাহ্বানৰ সময়। ১৮০৩



চনত জন্মগ্ৰহণ কৰা বুদৰাম মহন্তই জীৱনৰ প্ৰথম কালছোৱাৰ পৰাই প্ৰত্যক্ষ কৰিছিল বৃটিছৰ শাসন। এই কথা সকলোৰে জ্ঞাত যে ১৮২৬ চনত সম্পাদিত হোৱা ইয়াণ্ডাবু সন্ধিৰ লগে লগে বৃটিছে অসম শাসন কৰিবলৈ লয়। বৃটিছ শাসনৰ কুপ্ৰভাৱত সেই সময়ত অসমৰ সমাজ-জীৱনৰ লগতে সাংস্কৃতিক জীৱনলৈও নামি আহিছিল কালগ্ৰস্ততা। উদাহৰণস্বৰূপে, ১৮৩৬ চনত বৃটিছ চৰকাৰে অসমৰ পঢ়াশালী আৰু আদালতত বঙালী ভাষাৰ প্ৰচলন কৰে। প্ৰায় ৩৭ বছৰ কাল এই প্ৰক্ৰিয়া চলি আছিল। বহুতো বাদানুবাদৰ অন্তত অৱশেষত ১৮৭৩ চনত বৃটিছে অসমৰ স্কুল-কাছাৰীত পুনৰ অসমীয়া ভাষা প্ৰচলন কৰিবলৈ বাধ্য হয়। কোৱা বাহুল্য যে অসমত বঙালী ভাষাৰ প্ৰচলনে অসমৰ ভাষা-সংস্কৃতিৰ বিস্তৰ ক্ষতি সাধন কৰিছিল। একেদৰে ১৮৪৬ চনত প্ৰকাশ হোৱা 'অৰুণোদই' কাকতৰ যোগেদি অসমত প্ৰৱেশ কৰিছিল পশ্চিমীয়া জীৱনাদৰ্শ। এই জীৱনাদৰ্শৰ কবলত পৰি সেই সময়ৰ এচাম অসমীয়া লোকে পশ্চিমৰ সকলো আদৰ্শকে অন্ধভাৱে অনুকৰণ কৰিছিল। অসমৰ সাহিত্য-সংস্কৃতিৰ জগততো ইয়াৰ প্ৰভাৱ পৰে। এচাম অসমীয়া সংগীত-শিল্পীয়ে নতুনৰ নামত বঙালী সুৰকে আঁকোৱালি লৈছিল। এই প্ৰসংগত জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছে — 'সেই সময়ত অসমৰ নাট্য-সাহিত্য আৰু সংগীতৰ ওপৰত বঙলা নাটক আৰু সংগীতৰ প্ৰচণ্ড প্ৰভাৱ। আমাৰ মঞ্চবোৰত বেছিভাগেই অনুবাদ কৰা বঙলা নাটক আৰু সেই নাটকৰ বঙলা গীত-সুৰ চলিছিল। ..... অসমীয়া চহৰীয়া শিক্ষিত সমাজৰ মানত অসমীয়া বৰগীত, বনগীত, বিহুগীত ইত্যাদি অসমীয়া সংগীতৰ একেবাৰেই আদৰ নোহোৱাত পৰিছিল।' সাধু বুদৰাম মহন্তৰ কৃতিত্ব এয়ে যে অসমীয়া ভাষা-সংস্কৃতিৰ এনে সন্ধিক্ষণৰ মাজতো তেওঁ নিৰৱচ্ছিন্নভাৱে আৰু সফলভাৱে শংকৰী কলা-কৃষ্টি-আদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিবলৈ সক্ষম হৈছিল। বুদৰাম মহন্তৰ ব্যক্তিত্বৰ বাবে আৰু সত্ৰ পৰিচালনাৰ ক্ষেত্ৰত থকা তেওঁৰ পাৰদৰ্শীতাৰ বাবে সেই সময়ত শ্ৰীশ্ৰীহাটীসত্ৰ অবিভক্ত কামৰূপ জিলাৰ ভিতৰতে এখন লেখতল'বলগীয়া সত্ৰত পৰিণত হৈছিল।

এই কথা দোহাৰৰ প্ৰয়োজন নাই যে ১১৭ বছৰীয়া সুদীৰ্ঘ জীৱন কালত সাধু বুদৰাম মহন্তই শংকৰী কলা-কৃষ্টি-আদৰ্শৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ যোগেদি শুৱালকুছি গাঁওৰ লগতে সমগ্ৰ অসমৰ শংকৰী পৰম্পৰা বা সত্ৰীয়া পৰম্পৰাক সমৃদ্ধিশালী কৰি থৈ গৈছে। বুদৰাম মহন্তৰ এই অৱদানে অনাগত দিনত তেওঁক শুৱালকুছি সমাজৰ উপৰি অসমীয়া সমাজতো স্মৰণীয় কৰি ৰাখিব।

-০০০-

# ভাৰতীয় আধ্যাত্মিক চিন্তা-চেতনা আৰু সাধু বুদৰাম সত্ৰাধিকাৰ

*হেমচন্দ্ৰ ভৰালী*

ভাৰতীয় আধ্যাত্মিক চিন্তা-চেতনাৰ বিষয়ে ক'বলৈ গ'লে পোন প্ৰথমে মনলৈ আহে ভাৰতীয় ধৰ্ম পৰম্পৰাৰ কথা। প্ৰকৃতাৰ্থত যি ধাৰণ কৰা হয় তাকেই ধৰ্ম বুলি জনা যায়। কিন্তু 'ধাৰণ' শব্দটো যেনি-তেনি পোনালে ধৰ্মৰ অৰ্থ নিষ্ফল হ'ব। ভাৰতবৰ্ষত মানুহৰ জন্ম নাইবা মানৱ সভ্যতাৰ সৃষ্টিৰ বুৰঞ্জীৰ বকলা মেলা আমাৰ প্ৰবন্ধৰ উদ্দেশ্য নহয়। ভাৰতীয় আধ্যাত্মিক চিন্তা-চেতনাৰ বিষয় 'আকাশে উৰয় পক্ষী পখা অনুৰূপে' পিপ্পালায়ন দৃষ্টি দূৰত ৰাখি এটি বিহঙ্গম দৃষ্টিৰে যৎ সামান্য আলোচনা কৰা হ'ল।

মানৱ সভ্যতাৰ আদিম পুৰাতে একৰ পৰা একাধিকভাৱে বসবাস কৰি বৰ্তিবলৈ অভ্যাস কৰিলে, তেতিয়াৰ পৰাই মানৱ চিন্তাধাৰা বহলভাৱে বিকাশ হ'ল সেয়ে তেওঁলোকে নিজৰ অপকাৰৰ পৰা ত্ৰাণ পাবলৈ তেওঁলোকৰ উৰ্দ্ধত কোনোবা অদৃশ্য এজনক আৱিষ্কাৰ কৰিলে; সেয়েই মানৱ সভ্যতাৰ কাচিয়ালী ৰ'দত ধৰ্মৰ আৱিষ্কাৰ। কিয়নো মানুহে ভয়ত ভজে আৰু ভক্তিত ভজে। চমুকৈ এয়ে যেন ধৰ্মৰ আদি স্তৰ। সেই সময়ৰ মানুহে আসুৰিকভাৱে বসতি কৰাৰ বদ্ অভ্যাসটোৰ কাৰণে তেওঁলোকৰ দেৱতাজনকো আসুৰিকভাৱে অৰ্চনা কৰাৰ ব্যৱস্থা ল'লে। সেয়ে পশু-পক্ষী বলি দি হ'লেও ত্ৰাণকৰ্তা দেৱতাক সন্তুষ্ট কৰিবই লাগিব। তেনেদৰেই আসুৰিক প্ৰথাৰ সৃষ্টি বা উপস্থাপন বুলি ক'ব পৰা যায়। পৰৱৰ্তী সময়লৈ এই প্ৰথা চলি থাকিল। পিছৰ কালত মানুহে সংস্কাৰমুখী হোৱাত অপদেৱতাৰ সলনি প্ৰকৃত দেৱতা বা ঈশ্বৰ আৱিষ্কাৰ হ'ল যদিও ই লগাতকৈ প্ৰকৃত দেৱতাৰো সংখ্যাগৰিষ্ঠ হ'ল। সেইভাৱে সজ দেৱতা আৰু অসত্য দেৱতা অসংখ্য হ'ল যাক উপাসনা কৰা অল্পায়ু লোকৰ বাবে দুৰূহ হ'ব। এই চিন্তা মনত লৈ ভাৰতৰ আধ্যাত্মিক চিন্তাৰ আধাৰ স্বৰূপ ঋষিসকলে প্ৰকৃত এজন দেৱতাৰ অনুসন্ধান আৰম্ভ কৰি অৰণ্যৰ মাজত সাধনাত বহিল। শেষত সাধনাত সিদ্ধি লাভ কৰি অভিষ্ট সিদ্ধি লাভৰ মন্ত্ৰ আৰু সংজ্ঞাৰে অৰণ্য মাজৰ পৰা আহি অমৃতৰ বাণীৰে ভাৰত সুৰলা কৰিলে। যথা -

"ওঁ যোঃদেবোহগ্নৌ যোঃপসু যো বিশ্বং ভুবনমাবিবেশ।



যোঃ ওষধিষু যো বনস্পতি সু অস্মৈ দেৱায় নমো নমোঃ।।"

— শ্বেতাশ্বত উপনিষদ

এয়াই ভাৰতীয় আধ্যাত্মিক চিন্তা-চেতনাৰ চূড়ান্ত এক ঈশ্বৰবাদৰ সংজ্ঞা বোধহয়।

ভাৰতত বেদ আৰু ব্ৰাহ্মণ সাহিত্যৰ পিছত ভাৰতীয় চিন্তাশীল মুনিসকলৰ উপনিষদ সাহিত্য (উপমা + সৎ = উপনিষদ) কেৱল ভাৰততেই নহয় ই সমগ্ৰ বিশ্বৰ বাবেও ঈশ্বৰবাদৰ গ্ৰহণীয় ধৰ্ম আৰু আধ্যাত্মিক তত্ত্ব বিষয়ক অমূল্য গ্ৰন্থ। ভাৰতীয় ঋষি-মুনিসকলৰ বৈদিক যুগৰ ঋক বেদৰ পৰা পোৱা জ্ঞান আছিল এনে ধৰণৰ — "একং সৎ বিপ্ৰা বহুধা বদন্তি, অগ্নিং মমং মাতৰিশ্বানমাহুঃ।" ইয়াৰ পৰাই পৰৱৰ্তী উপনিষদৰ যুগৰ ঋষিসকলে এক ঈশ্বৰ আৱিষ্কাৰ কৰিছিল। ভাৰতীয় আধ্যাত্মিক চিন্ত-চেতনা সম্বন্ধে চাৰিটা অৱস্থা দেখা পোৱা যায়।

১) প্ৰাকৃতিক শক্তিৰ ওপৰত দেৱত্ব আৰোপ।
২) এটা মাত্ৰ নৈৰ্ব্যক্তিক সত্বাক বিশ্বৰ বা ব্ৰহ্মাণ্ডৰ শক্তিৰূপে গ্ৰহণ।
৩) জ্ঞান মাৰ্গৰ মুক্তিৰ অন্বেষণ।
৪) ভক্তি মাৰ্গৰ মুক্তিৰ অন্বেষণ।

ইয়াৰে প্ৰথমটো পোৱা যায় বেদৰ সংহিতাত, দ্বিতীয়টো পোৱা হয় উপনিষদত; তৃতীয়টো পোৱা যায় হিন্দুৰ ষড় দৰ্শনত আৰু চতুৰ্থটো পোৱা যায় ভিন ভিন পুৰাণসমূহত।

**ভাৰতীয় চিন্তা-চেতনাত আধ্যাত্মিক ব্ৰহ্মবাদ ঃ** বিশ্বৰ মূলতত্ত্ব হ'ল ব্ৰহ্ম। এইখিনিতেই ভাৰতৰ পূৰ্ব দিশত সূৰ্য উঠা দেশ অসমৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ ব্ৰহ্ম সম্বন্ধে চিন্তাৰ কথা প্ৰণিধানযোগ্য।

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।

— কীৰ্তন

শ্ৰীমন্ত শঙ্কৰদেৱে এই ব্ৰহ্মাণ্ডৰ মূল তত্ত্ব ব্ৰহ্মকেই প্ৰথমতে প্ৰণাম কৰি এই 'ব্ৰহ্ম' সৰ্ব অৱতাৰো কাৰণ নাৰায়ণ অৰ্থাৎ 'কৃষ্ণস্তু ভগৱান স্বয়ং' বুলি সনাতন, অবিনাশী, শাশ্বত নাৰায়ণ বা ব্ৰহ্ম বুলি কৈছে। বিশ্বৰ এই মূল তত্ত্বৰ কাৰণ বিচাৰিলে এনে ধৰণে পোৱা যায়। বিজ্ঞানসন্মতভাৱেও এই চাৰিটাই কাৰণ।

১) উপাদান কাৰণ
২) নিমিত্ত কাৰণ
৩) ৰূপ কাৰণ

৪) উদ্দেশ্য কাৰণ

দাৰ্শনিক এৰিষ্ট'টলেও কাৰণ চাৰিটা এনেধৰণে দিছে —

১) Material Cause

২) Efficient Cause

৩) Formal Cause

৪) Final Cause

সেয়ে শ্ৰীমন্ত শঙ্কৰদেৱে সৰ্ব অৱতাৰৰ কাৰণ 'নাৰায়ণ' বুলি কোৱাৰ সুন্দৰ যুক্তি আছে। এই চাৰিটা কাৰণ বিশ্লেষণ কৰিলে ওলাই পৰে যে এটা মাটিৰে নিৰ্মিত ঘট পাত্ৰ; ইয়াৰ উপাদান কাৰণ হ'ল মাটি। নিমিত্ত কাৰণ হ'ল কুমাৰৰ চাক আৰু কুমাৰ। ৰূপ কাৰণ হ'ল কুমাৰ বা কুম্ভকাৰ আৰু উদ্দেশ্য কাৰণ হ'ল যি উদ্দেশ্যে তাক ব্যৱহাৰ কৰা হ'ব অৰ্থাৎ পানী ভৰাবলৈ।

**আধ্যাত্মিক চিন্তাত ব্ৰহ্মবাদ বা ব্ৰহ্মশক্তি ঃ** যি শক্তি সমস্ততে বিৰাজমান সেয়েই ব্ৰহ্মশক্তি। ব্ৰহ্মশক্তি বিচাৰ বিশ্লেষণ কৰি জীৱসমূহৰ অন্তৰৰ কথাটো কি তাক উপলব্ধি কৰি পৰিচয় কৰা প্ৰথাটোৱেই ব্ৰহ্মবাদ বা ব্ৰহ্ম বিচাৰ বুলি মনীষীসকলে মানি ল'লে। সেই কাৰণে ব্ৰহ্মক অন্তৰ্যামী ব্ৰহ্ম বা অন্তৰ্যামী ভগৱান বুলি মানি লোৱা হ'ল।

"সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তত্ত্ব নাপায় তোমাক বিচাৰে বাহিৰত।।"
"সমস্ত ভূততে ব্যাপি আছো মই হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।"

— শঙ্কৰদেৱ

কিন্তু আচৰিত কথা এই যে সমস্ত ভূততে ব্ৰহ্ম ব্যাপি থকা জ্ঞান আৰু সমস্ত ভূতৰ হৃদয়ত ব্ৰহ্ম থকা জ্ঞান সাধনা বা তপ ( research ) ৰ বস্তু। সেয়ে কোৱা হৈছে-

সমস্ত ভূততে বিষ্ণু বুদ্ধি নোহে যাৰে।
কায় মন বাক্যে অভ্যাসিবা সেহি ভাৱে।।

— শঙ্কৰদেৱ

ইয়াকেই কোৱা হয় ভাৰতীয় আধ্যাত্মিক চিন্তা-চেতনাৰ ব্ৰহ্ম বিচাৰ।

ভাৰতীয় আধ্যাত্মিক চিন্তা-চেতনাৰ মায়াবাদ ঃ

"অবস্তুক দেখাৱয় বস্তুক আৱৰি।
সেহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি।।

— শঙ্কৰদেৱ

*** *** ***

তোমাৰেসে মায়া আমি যত জীৱ জাক।



তোমাৰ মায়ায়ে প্ৰভু বান্ধিলে আমাক।।"

— শঙ্কৰদেৱ

"হৰিৰ মায়াৰ ফান্তে জীৱ ভৈলা বন্দী।
ই তিনি ভুৱনে পলাইবাৰ নাহি সন্ধি।।
গুণি চোৱা মন তুমি প্ৰবাইবাক মনে।
ফান্তোৱাল গোবিন্দৰ ধৰিয়ো চৰণে।।

— মাধৱদেৱ

মায়াবাদ বিচাৰ কৰোতে ভাৰতীয় চিন্তাশীল মনীষীসকলে দুটা পন্থা নিৰ্মাণ কৰিছে ১) দ্বৈতবাদ, ২) অদ্বৈতবাদ। 'ব্ৰহ্ম সত্য, জগত মিথ্যা' এই সূত্ৰ বিশ্বাসীসকলক অদ্বৈতবাদী বুলি জনা যায়। ব্ৰহ্মক ইন্দ্ৰিয়ৰ দ্বাৰ বহুধা ৰূপে দেখাটোকেই দ্বৈতবাদী বুলি কোৱা হয়। যিটো একেবাৰেই নাই সেইটো দেখা — যেনে সপোন আদি অন্যহাতে যি আছে তাক ভুলভাৱে দেখা অৰ্থাৎ জৰিতেই সৰ্প বিশ্বাস জন্মা এয়েই মায়াবাদ।

**উপসংহাৰ ঃ** ভাৰতীয় আধ্যাত্মিক চিন্তা-চেতনাৰ বিষয়ে সামান্য কেইটামান কথা সজাই প্ৰবন্ধ ৰচনা কৰি শেষ কৰিব নোৱাৰি। ইয়াত কেৱল সাধ্যানুসাৰে মূলভাৱৰ দুটামান বাক্য চুবৰহে প্ৰয়াস কৰা হৈছে। মানৱ সভ্যতাৰ ইতিহাসৰ ধৰ্মৰ মূল ভাৰতবৰ্ষই বুলি ভাবিবৰ থল আছে; কাৰণ ভাৰতীয় ধৰ্ম সনাতন। ঋক্‌বেদ নাইবা অন্য বেদগণক ধৰ্মৰ চাৰি খুঁটি বুলিও ক'ব পৰা যায়। মহাভাৰত, ৰামায়ণ মহাকাব্যই 'সত্যমেৱ জয়তে' উপনিষদৰ এই আপ্ত বাক্য যেন প্ৰমাণ কৰি দেখুৱাইছে।

কিন্তু শ্ৰীমদ্ভগৱত গীতাৰ মতে —

"চাতুৰ্বৰ্ণ্যম্ ময়া সৃষ্টম গুণকৰ্ম বিভাগশঃ।
তস্য কৰ্তাৰম্ অপি মাম্ বিদ্ধি অকৰ্তাৰম অব্যয়ম্।। ৪ৰ্থ/১৩

অৰ্থাৎ মানুহৰ গুণ কৰ্ম অনুসাৰেহে জাতিৰ সৃষ্টি হয়। ভাৰতীয় চিন্তাশীল ব্যক্তিবৃন্দই কিয় তেনেহ'লে হৰিজনৰ ঘৰত জন্ম ধাৰণ কৰা গুণশীল ল'ৰাজন হৰিজন হৈ জন্ম পোৱা বুলি সমাজত স্বীকৃত হ'ল? হৰিজনৰ ঘৰত জন্ম পালেও দেৱতাৰ সংস্কৃতস্তোত্ৰ পাঠ কৰিব জানিলে পূজাৰ বিধি নৈতিক সামৰ্থৰে জানিলেও কিয় তেওঁক মন্দিৰত পূজা কৰিবলৈ বাৰণ কৰা হ'ল? কিন্তু বৈদিক যুগৰ পৰাই গুণৰ বাবেহে জাতিৰ জন্ম হৈছিল। বিশ্বামিত্ৰ ক্ষত্ৰিয় ৰজা আছিল কিন্তু গুণৰ বাবেহে ব্ৰাহ্মণ হ'ল। দ্ৰোণাচাৰ্য ব্ৰাহ্মণ আছিল কিন্তু গুণৰ বাবে তেওঁ কুৰু-পাণ্ডৱৰ অস্ত্ৰ-গুৰু হৈছিল।

ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ৰ মতে যোগ্যতা অনুসাৰেহে দেৱ গৃহত পূজা কৰিব পাৰে, জাতিৰ নাম লৈ নহয়। ভাৰতৰ আধ্যাত্মিক চিন্তাশীলসকলে

অর্বাচীন কালত নকৈ চিন্তা কৰিলে — 'তোমাৰেসে অংশ আমি যত জীৱ জাক।' 'যত জীৱ তত শিৱ' মহামন্ত্ৰৰ সুফল হ'ব।

পৰিশেষত বৃহদাৰণ্যক উপনিষদৰ এটি সাধু বচনেৰে সমাপ্ত ইদংবৈ তন্মধু দধ্যভঙাথৰ্বনোহশ্বিভ্যামুবাচ —

তদেতদৃষিঃ পশ্যন্নবোচৎ
পুৰচক্ৰে দ্বিপদঃ পুৰচক্ৰে চতুস্পদঃ
পুৰঃস পুৰঃস পক্ষী ভূত্বা পুৰঃপুৰুষ আবিশদিতি।
স বা অয়ং পুৰুষঃ সৰ্বাসু পূৰ্ষু পুৰিশয়ো নৈনেন।
কিঞ্চিনানাবৃতং নৈনেন কিংচমা সংস্কৃতম্।।২/৫/১৮

অথঃ সাধু বুদৰাম সত্ৰাধিকাৰঃ

"আকাশে বতাহে য'ত হৰিনাম
হৰি ভকতৰ যেবে ব্ৰজধাম
এয়ে বৰপেটা এয়ে বটদ্ৰৱা
পাটবাউসীও ইয়াতেই পাম
নাম কীৰ্তনীয়া একশৰণীয়া
এই শোৱালকুছি মহাপুৰুষীয়া।"
— অতুল চন্দ্ৰ হাজৰিকা

কবিৰ ভাষাৰে শুৱালকুছি এখন মহাপুৰুষীয়া গাঁও, তথাপি ইয়াতেই বাসতৱীয়া ব্ৰাহ্মণৰ গোত্ৰ-পুৰুষ সুকবি নাৰায়ণেও ইয়াতেই মনসা কাব্য ৰচনা কৰিছিল বুলি জনা যায়। ব্ৰহ্মপুত্ৰৰ দক্ষিণ কুলত মহাপুৰুষ মাধৱদেৱৰ প্ৰপন্ন শিষ্য পঢ়িয়া মাধৱৰ উত্তৰ পুৰুষ বা বংশৰ লোক, উত্তৰ কুলত লক্ষীকান্ত আতৈৰ উত্তৰ পুৰুষৰ বংশৰ লোক এই গাঁওতেই বিভিন্ন সত্ৰ, নামঘৰ বান্ধি ধৰ্ম প্ৰচাৰত ব্ৰতী হৈ আছে। তাৰোপৰি শাক্ত, শৈৱ, গাণপত্য আদি ধৰ্মধাৰীলোক সকলো এই গাঁওতেই ভাতৃবৎভাৱেৰে সমাজ পাতি সুখে-সন্তোষে বৰ্তি আছে। আনহাতে মধুমাসৰ সময়ত প্ৰতি বছৰে ব্ৰহ্মপুত্ৰক তীৰ্থেশ্বৰীৰ সন্মানেৰে বিভিন্ন দেৱ বিগ্ৰহবোৰৰ অশোকাষ্টমীত স্নান যাত্ৰা কৰি শুৱালকুছিত ধৰ্মীয় পৰম্পৰাক সুবাসিত কৰে।

"শোৱালকুছি হেন নাম কামৰূপে অৱস্থান
লোহিত বহয় যাৰ কাষে।
পবিত্ৰ সলিলে যাৰ দুখানি চৰণ নিতে
পখালে মহান সেৱা আশে।।



সিদ্ধি দাতা সিদ্ধেশ্বৰ নাতি দূৰে ভৃঙ্গেশ্বৰ
ধাৰেশ্বৰ শোভে পচিমত।
গনেহৰ আৰতি পুত হৰি নামৰ হাটীসত্ৰ
মুকুতি মিলয় শ্ৰৱণত।।"

এনেখন ঐতিহ্যমণ্ডিত শুৱালকুছি গাঁৱৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ সপ্তমজনা অধিকাৰ আছিল সাধু বুদৰাম মহন্ত সত্ৰাধিকাৰ। আজিৰ পৰা ২১০ বছৰ পূৰ্বে পিতৃ ভথৌ মহন্ত আৰু মাতৃ আয়ামালাৰ গৃহত ১৭২৮ শকৰ ফাগুন মাহৰ পূৰ্ণিমা তিথিৰ দিনা এইজনা বাক্সিদ্ধ পুৰুষ বুদৰাম মহন্তৰ জন্ম হয়। শাৰীৰিক আৰু মানসিক শক্তিৰে পূৰ্ণতা লাভ কৰা বুদৰামক মাতৃদেৱীয়ে পাঠশালাত ভৰ্তি কৰাই দিয়ে। প্ৰতুৎপন্নমতি বুদৰামে লগে লগে অসমীয়া আৰু সংস্কৃত ভাষা আয়ত্ব কৰি সকলো শাস্ত্ৰ পুথি পঢ়িব পৰা হ'ল। ধৰ্ম পুথিৰ প্ৰতি তেখেতৰ মন আছিল অতি গাঢ়, শেষলৈ তেখেতে এজনা ধৰ্ম বিজ্ঞ লোক হিচাপে পৰিচিত হৈছিল। সেই সময়ত শুৱালকুছিত আজিৰ দৰে ইমানবোৰ নামঘৰ বা সত্ৰ নাছিল। সেয়ে ওচৰৰ বৰপেটা আছিল সকলো মানুহৰ মনত পুণ্যতীৰ্থ থান। নাৰায়ণ দাস ঠাকুৰ আতাৰ (পৌত্ৰ) নাতি কানু বুঢ়া ঠাকুৰ বা কানু ঠাকুৰ ধৰ্ম প্ৰচাৰ কৰি ঘূৰি ঘূৰি জল পথেৰে ব্ৰহ্মপুত্ৰৰ তীৰস্থ শুৱালকুছিৰ ভক্তপ্ৰাণা মন্মথ আতৈক লগ পাই শুৱালকুছিত হাটীসত্ৰ স্থাপন কৰি শৰণ-ভজনৰ ব্যৱস্থা কৰে যদিও হাটীসত্ৰত প্ৰথমে কেওলীয়া ভকতৰ দ্বাৰা ভজনৰ ব্যৱস্থাহে আছিল। চমুকালৰ অন্তে শৰণৰো ব্যৱস্থা স্থাপন হয়। মন্মথ আতৈক সত্ৰ নামঘৰৰ দায়িত্ব দি কানু ঠাকুৰ ভটিয়াই যায়। মন্মথ আতৈৰ পিছত নকুল, গোকুল আদি কৰি কেবাজনেও গাদীৰ দায়িত্ব লয়। তাৰ পিছত হৰিজয় মহন্ত অধিকাৰ হোৱাত বুদৰাম মহন্তৰ মন হাটীসত্ৰৰ প্ৰতি ঢাল খালে। মাতৃ দেৱীয়েও ল'ৰাটোৰ এনে ভাৱ দেখি বংশ-কুটুম্বৰ কেইজন মানক সুধি-পুছি উদাস মনৰ বুদৰামক আনন্দেৰে হৰিজয় মহন্ত প্ৰভুৰ ওচৰত শৰণ-ভজন লোৱাই সত্ৰতে থাকিবলৈ অনুমতি প্ৰদান কৰি আন পুত্ৰটিৰ লগত ঘৰত থাকি পৰম গতি পায়।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত নাম-প্ৰসংগ অন্যান্য হৰিভক্তি চিন্তা কৰি বুদৰাম মহন্ত বাপৰ মনত আনন্দৰ সীমা নাই। বুদৰামৰ গুণশীল চৰিত্ৰই হৰিজয় মহন্ত অধিকাৰক বাৰুকৈয়ে আকৃষ্ট কৰিলে। 'যি মূলা বাঢ়ে তাৰ দুপাততেই চিন' স্বৰূপে অধিকাৰ প্ৰভুৱে বুজি পাই জীৱনৰ ভটিয়নী বয়স পৰাৰ লগে লগে হৰিজয় অধিকাৰৰ নিজ ভতিজা সৌৰাম মহন্ত যদিও অধিকাৰ হ'ব লাগিছিল সেই পৰম্পৰা ভাগি বুদৰাম মহন্তকে ডেকা অধিকাৰ, পৰৱৰ্তী চমুকালৰ অন্তে বুঢ়া অধিকাৰৰ দায়িত্বভাৰ দি মালা নিৰ্মালী ধোপ মালাৰে ঘোষণা কৰে।

বুঢ়া অধিকাৰৰ দায়িত্বভাৰ লৈয়েই দূৰদৰ্শী চিন্তা-ভাৱনাৰে বুদৰাম বাপে সত্ৰখনৰ চাৰিহাটীকে আদি কৰি পুনৰ নিৰ্মাণৰ ব্যৱস্থাৰে সমস্তলোকৰে মন আকৰ্ষিত কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। কেৱল সত্ৰৰ চিন্তাতেই যে তেখেতৰ মতি ৰত তত্ৰাচ গাঁওখনৰ সমাজ গঠন, কৃষ্টি-সংস্কৃতিৰ প্ৰতিও তেখেত আছিল চিৰচিন্তিত। গাঁওখনৰ ভব্য-গব্যলোক, মুখীয়াল লোক, গুণী-জ্ঞানী লোকক সত্ৰলৈ নিমন্ত্ৰণ কৰি সদালাপৰ লগে লগে সমাজৰ মিলা-প্ৰীতিৰ প্ৰতিও তেখেত সজাগ আছিল। সত্ৰৰ হাটীৰ মাজত নাট-ভাওনাৰ আখৰা, আৰু ভাওনা কৰাবৰ বাবে আগ্ৰহীলোকসকলক মাতি আনি সেই কলা-কৃষ্টিৰ প্ৰচাৰৰো ব্যৱস্থা কৰিছিল।

হাটীসত্ৰৰ কৃষিভূমি আৰু বৰবাৰীৰ ভূমি ভাগত (শেষত হাটীৰ বাৰী বুলি পৰিচিত) ধান, সৰিয়হ, আলুখেতি, কুঁহিয়াৰ আদিৰে পূৰ্ণ বিকাশ হৈছিল। বাহাত হাটীবাৰীৰ ভঁৰাল ঘৰ, গোহালী ঘৰ, মহখুঁটি আদিয়ে আদৰ্শ কৃষকৰ পৰিকল্পিত কৃষি পামৰ দৰে দিনক দিনে ন-ন ৰূপে উন্নয়নৰ পথলৈ আগবাঢ়িবলৈ ধৰিলে। বৰবাৰীত শাল গছৰ পুলি সেই সময়তে ৰোপণ হৈছিল। আম, কঠাল, জাম, লিচু, থেকেৰা আদি ফলমূলেৰে বৰবাৰী ভৰি পৰিছিল। সেইখন বাৰীকে পৰৱৰ্তী কুৰি শতিকাত গাঁওৰ তথা বৃহৎ অঞ্চলৰ উচ্চশিক্ষাৰ বাবে মাধৱ চন্দ্ৰ মহন্ত সত্ৰাধিকাৰ বাপে নিজ নাম আৰু তেখেতৰ গুৰু বুদৰাম মহন্তৰ নামৰ মহাবিদ্যালয় গঢ়িবলৈ দান দিলে; যি যুগ-যুগলৈ শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰৰ অৱদান স্মৰণীয় হৈ ৰ'ব।

**বুদৰাম মহন্তৰ অসমৰ প্ৰতি অৱদান ঃ** বুদৰাম মহন্ত সত্ৰাধিকাৰ হৈ শুৱালকুছিৰ বাবেই নহয় সমগ্ৰ অসমৰ কাৰণে এটি নতুন অৱদান আগবঢ়ালে। সেয়া হ'ল শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ তিথি পালন। যিটো সময়ত অসমৰ সত্ৰ-নামঘৰ আৰু থানবোৰত কেৱল দুজনা গুৰুৰ তিৰোভাৱ তিথিহে উদ্‌যাপন হৈ আছিল, বুঢ়া অধিকাৰ বাক সিদ্ধ পুৰুষ বুদৰাম অধিকাৰে গাঁৱৰ গুণী-জ্ঞানী, ভক্তপ্ৰাণ শিষ্য-প্ৰশিষ্যক বোলান কৰি গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উদ্‌যাপন কৰাৰ ব্যৱস্থাপনা কৰিবলৈ আহ্বান জনায়। তেনেকৈ সত্ৰৰ ভিতৰতেই নাম-প্ৰসঙ্গ কৰি নৈমিত্তিক ব্যৱস্থাৰে শৰাই সফুৰা দি জন্ম উৎসৱ পালন কৰে। শেষলৈ নামঘৰৰ গণ্ডীৰ বাহিৰ হৈ সনাতন অপেৰা দলৰ দ্বাৰা প্ৰতি বছৰে গাঁওখনৰ বিভিন্ন ৰাজহুৱা কীৰ্তনঘৰ-নামঘৰত উদ্‌যাপন হৈ হৈ গোটেই অসম ভূমি বিয়পি গ'ল।

**শিক্ষা ব্যৱস্থা সৰ্বসাধাৰণৰ বাবে ঃ** বাক্ সিদ্ধ পুৰুষ বুদৰাম সত্ৰাধিকাৰ বাপজনাই সাধাৰণ মানুহৰ কেনেকৈ শাস্ত্ৰ বা ধৰ্ম পুথিৰ জ্ঞান হ'ব সেই সম্বন্ধে চিন্তা কৰি হাটীসত্ৰৰ কেৱলীয়া হাটীত সাঁচিপাতৰ কাইঠেলী আৰু বামুণীয়া লিপিৰ অক্ষৰ জ্ঞান দিয়া ব্যৱস্থাৰে সাঁচিপাত পঢ়াৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰি মানুহক পুৰণি মূল্যবান



পুথিৰ জ্ঞান বিতৰণ কৰিছিল। (সেই বাবেই বোধ হয় ভাৰত ৰাষ্ট্ৰৰ কেন্দ্ৰীয় চৰকাৰ আৰু অসম ৰাজ্যিক চৰকাৰ National Manuscript Mission গঠন কৰি অসমৰ পুৰণি সাঁচিপাতবোৰ সংৰক্ষণৰ গুৰু ব্যৱস্থা গ্ৰহণ কৰি সেইবোৰ উদ্ধাৰ কৰি সংৰক্ষণ কৰা হৈছিল।) কামৰূপ জিলাৰ অন্য সত্ৰৰ তুলনাত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত অকলেই প্ৰায় দুশৰো অধিক সাঁচিপাতৰ পুথি পোৱা হৈছে। সাঁচিপাতৰ নকলকাৰৰ পৰিচয়ৰ পৰা জনা যায় যে বেছি সংখ্যক পুথি হাটীসত্ৰত নকল কৰা হৈছিল। ইয়াৰ পৰা বুজা যায় ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ বুঢ়া অধিকাৰ বুদৰাম মহন্ত বাপজনাৰ উদ্যোগত ২১০ বছৰ পূৰ্বেই এনে দূৰদৰ্শী কাম সমাপন হৈছিল। এইফালৰ পৰা সাধু বুদৰাম মহন্ত বাপ নিঃসন্দেহে বিদ্যানুৰাগী জ্ঞান-পিপাসুলোক বুলি ভাবিব পাৰি। সংৰক্ষিত পুথিসমূহৰ ভিতৰত — ভাগৱত, মহাভাৰত, ৰামায়ণ, কীৰ্তন, বৰগীত, ৰত্নাৱলী, নামঘোষা, ভক্তি প্ৰদীপ, নাটক, চৰিত পুথি ইত্যাদি তাৰোপৰি অমৰ বৈদ্য শাস্ত্ৰ, লক্ষ্মী চৰিত, ভক্তি প্ৰেমাৱলী, ভক্তি বিবেক, কাণখোৱা, বিভিন্ন বনৌষধি শাস্ত্ৰ আৰু তন্ত্ৰ-মন্ত্ৰ সাহিত্যৰো কেবাখনো পুথি পোৱা হৈছে। চৰকাৰৰ তত্ত্বাৱধানত পুথিবোৰ ঔষধ দি পোক-পৰুৱাৰ পৰা ৰক্ষা কৰা হৈছে। উত্তৰ পুৰুষে ইয়াক অধ্যয়ন কৰিলে বহুতো ৰোগ নিবাৰণৰো ঔষধৰ নাম জানিব পাৰিব। কেইখন মান সচিত্ৰ পুথিও আছে। যিবোৰৰ ভাৱবোৰ ছবিৰ দ্বাৰা প্ৰকাশ কৰা হৈছে। তেনেবোৰ সাঁচিপাতৰ পুথি বৰ্তমান অধিকাৰ প্ৰভুসকলে গাঁৱৰ শিষ্য-প্ৰশিষ্যক আগ্ৰহী কৰি শিকাৰ সুবিধা কৰি দিব পাৰে।

চলা জনা সাধু বুদৰাম সত্ৰাধিকাৰ প্ৰভুজনাৰ বিদ্যানুৰাগী আদৰ্শেৰে ন-চাম পুৰুষক বৰ্তমান সত্ৰাধিকাৰসকলে আকৰ্ষণ কৰিব পাৰিলেই দূৰদৰ্শী চেতনা-চিন্তাৰ গৰাকী সাধু বুদৰাম সত্ৰাধিকাৰৰ প্ৰতি কৰা হ'ব অকৃত্ৰিম শ্ৰদ্ধা আৰু হিয়াৰ ভকতি।

-০০০-

# শুৱালকুছিৰ সমাজ জীৱনলৈ সাধু বুদৰাম মহন্তৰ অৱদান

*কুঞ্জমোহন ডেকা*

বৰ্ণময় ঐতিহ্যৰে মণ্ডিত 'কৃষ্ণ সংস্কৃতি'ৰ শাশ্বত মধুময় নিৰ্যাসেৰে আপ্লুত আমাৰ ওপজা গাঁও এয়া — শুৱালকুছি। ধৰ্ম আৰু কৰ্ম সংস্কৃতিৰ ৰূপ-লাৱণ্যৰে চাকচিক্য শুৱালকুছিৰ বুৰঞ্জী প্ৰকৃততে স্বাৱলম্বিতাৰ অফুৰন্ত চানেকিৰে সমুজ্জ্বল। দুৰ্দান্ত কৰ্ম-শক্তিৰে মহীয়ান গাঁওবাসীয়ে ধৰ্মীয় অনুৰাগেৰে ৰঞ্জিত কৰি ৰাখিছে গাঁওখনক যুগাৱধি। সোতৰশ শতিকাত পঢ়িয়া মাধৱ আতাৰ সুযোগ্য পুত্ৰ মুৰাৰি আতাই পোন প্ৰথমে শ্ৰীশ্ৰীসৰু সত্ৰ প্ৰতিষ্ঠাপিত কৰা দিনৰে পৰাই দূৰদৰ্শী গাঁওবাসীয়ে ধৰ্মীয় আচৰণৰে গাঁওখনৰ গৰিমা আজিও উদ্ভাসিত কৰি ৰাখিছে। শ্ৰীশ্ৰীসৰু সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পৰৱৰ্তী সময়ত শুৱালকুছিত স্থাপন হয় "শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰ"। নলঙা গাঁৱৰ স্বনামধন্য কানু বুঢ়া ঠাকুৰ নামৰ এগৰাকী সন্তই এইখন সত্ৰ প্ৰতিষ্ঠা কৰে। কানু বুঢ়া ঠাকুৰৰ পৰলোক প্ৰাপ্তিৰ পিছত সত্ৰৰ শলা-বন্তি জ্বলাই ৰখা তথা নাম-কীৰ্তনৰ বাবে দায়িত্ব অৰ্পিত হয় মন্মথ আতৈৰ ওপৰত। মন্মথ আতৈয়ে সত্ৰৰ সৰ্বাঙ্গীন সমৃদ্ধিৰ বাবে সুদূৰপ্ৰসাৰী কেতবোৰ ব্যৱস্থা কাৰ্যকৰী কৰিছিল আৰু তেওঁৰ ঐকান্তিক প্ৰচেষ্টাতে বৰ্ধিত হৈছিল সত্ৰৰ পৰিসৰ; লগতে নিৰ্মিত হৈছিল সত্ৰৰ কেৰলীয়া ঘৰ আৰু ভঁাজঘৰ। মন্মথ আতৈৰ সজ আৰু নীতিনিষ্ঠ আচৰণত পৰম বিমুগ্ধ হৈ গাঁৱৰে কিছু সংখ্যকলোক কেৰলীয়া হিচাপে হাটীসত্ৰত বসবাস কৰাৰ বাবে উদ্‌গ্ৰীৱ হ'ল আৰু প্ৰকৃতাৰ্থত তদ্‌সময়ৰে পৰাই 'হাটী' স্থাপন কৰি 'কেৰলীয়া' বসবাস কৰাৰ বন্দোবস্ত হোৱাত সত্ৰখনৰ নামাঙ্কন হয় 'হাটী সত্ৰ' হিচাপে। স্বীকাৰ্য সত্যটো হ'ল স্বনামধন্য মন্মথ আতৈয়ে প্ৰথম সত্ৰাধিকাৰ হিচাপে সত্ৰ সুচাৰুৰূপে পৰিচালনা কৰাত যথেষ্ট পাৰদৰ্শিতা দেখুৱাইছিল আৰু তেওঁৰ সুগভীৰ জ্ঞান-গৰিমাৰ প্ৰভাৱত সত্ৰৰ মহত্ব পুৱাৰ ৰ'দজাকৰ দৰেই উজ্জ্বলি উঠিছিল জনসাধাৰণৰ হৃদয় দাপোণত। স্মৰ্তব্য যে মন্মথ আতৈৰ মহাপ্ৰস্থানৰ পিছত হাটীসত্ৰৰ সত্ৰাধিকাৰৰ পদত অভিষিক্ত হৈছিল ক্ৰমে গোকুল আতৈ, নকুল আতৈ, কানু আতৈ, ৰাম নিধি মহন্ত আৰু হৰিজয় মহন্ত।

মন্মথ আতৈৰ দৰেই হৰিজয় মহন্তও আছিল বিশাল পাণ্ডিত্যৰে ঋদ্ধ।



তেওঁৰ সুপৰিচালনাত হাটীসত্ৰৰ নিত্য-নৈমিত্তিক প্ৰসঙ্গাদি মহাপুৰুষীয়া পৰম্পৰাৰে বলিষ্ঠৰূপত সম্পাদিত হৈছিল আৰু ইয়াৰ প্ৰভাৱত শুৱালকুছিৰ বৈষ্ণৱধৰ্মীসকলৰ গুৰু অংশ এটা হাটীসত্ৰৰ প্ৰতি আকৰ্ষিত হয় আৰু সত্ৰৰ কাম-কাজ সম্পন্ন কৰাত তেওঁলোকে ল'বলৈ ধৰিলে অগ্ৰণী ভূমিকা। স্পষ্টতঃ হাটীসত্ৰ শুৱালকুছিত প্ৰতিষ্ঠা হোৱা সময়ৰে পৰা গাঁওখনৰ সমাজ ব্যৱস্থাও লক্ষণীয় পৰিৱৰ্তন হ'বলৈ ধৰে আৰু সামাজিক সদাচাৰৰ ভাৱোচ্ছ্বাসে উন্নত কৰে গাঁওবাসীৰ মানসিক শক্তি। সময় এনেদৰেই হৈ থাকিল অতিক্ৰান্ত। এনেতে সত্ৰাধিকাৰ হৰিজয় মহন্তৰ পাদস্পৰ্শলৈ আগমণ ঘটিল গাঁৱৰে এগৰাকী সুন্দৰ-সুঠাম যুৱকৰ। নাম তেওঁৰ বুদৰাম মহন্ত। ১৭২৪ শকৰ ফাগুণ মাহৰ পূৰ্ণিমা তিথিত তেওঁৰ জন্ম। ডেকা ল'ৰা শাৰীৰিকভাৱে অতিশয় বলিষ্ঠ আৰু মানসিকভাৱে প্ৰখৰ বুদ্ধিদীপ্ত। ইতিমধ্যে তেওঁ নানা পুথি, কীৰ্তন, দশম, ঘোষা, ৰত্নাৱলী, গীতা আদি ধৰ্মীয় পুথি অধ্যয়ন কৰি সঞ্চয় কৰিছে গভীৰ জ্ঞান। হৰিজয় মহন্তৰ শ্ৰীচৰণত সাষ্টাংগে প্ৰণিপাত কৰি শৰণ-পাঠ লোৱাৰ পিছৰে পৰাই বুদৰাম মহন্তই সত্ৰত নিৰিষ্টমনে বাস কৰিবলৈ গ্ৰহণ কৰিলে সঙ্কল্প। পিতৃ ভথৌ মহন্ত আৰু মাতৃ আয়ামালাৰ ঔৰসত ভূমিষ্ঠ হোৱা বুদৰামক সাংসাৰিক বান্ধোনত জড়িত হ'বলৈ পৰিয়ালৰ তৰফৰ পৰা নানা বুজনি দিয়া হৈছিল যদিও ঈশ্বৰ সেৱাত প্ৰবৃত্ত হৈ ধৰ্ম প্ৰচাৰৰ অভিলাসেৰে সমাজ-উত্তোলনৰ স্বপ্ন ৰচা বুদৰাম নিজস্ব ধ্যান-ধাৰণাৰ পৰা নহ'ল কদাপিও বিচলিত। তেওঁৰ এই কঠোৰতম সিদ্ধান্তই বাস্তৱিকতে বৈষ্ণৱ ধৰ্মৰ ৰ'দ কাঁচলিত তেওঁৰ চিন্তা-চেতনা যে ধৰ্মীয় দীক্ষাৰে সমৃদ্ধ হৈছে, তাকেই প্ৰতীয়মান কৰে প্ৰাঞ্জলভাৱে। ধৰ্ম নিৰ্ভৰ উদাৰনৈতিক-মানৱিক-সামাজিক ধাৰা অব্যাহত ৰখাৰ বাবে যি মহৎ প্ৰয়াস, সেয়া বুদৰাম মহন্তৰ মনৰ দিগন্তত ডেকা কালৰ পৰাই হৈছিল উচ্ছ্বসিত।

জানিব পাৰিছোঁ, সুশ্ৰী হৰিজয় মহন্ত আছিল অতি কঠোৰ, দৃঢ়মনা প্ৰকৃতিৰ। জ্ঞানৰ সুৰভিৰে টল্‌বল্ বুদৰামৰ একনিষ্ঠতা আৰু গুৰুভক্তিৰ প্ৰতি হৰিজয় মহন্ত আছিল অতিশয় সচেতন। কিন্তু বুদৰামৰ পাৰদৰ্শিতা হাটীসত্ৰৰ বাবে কিমান অপৰিহাৰ্য, সেইটো প্ৰমাণ কৰাৰ বাবে হৰিজয় মহন্তই এবাৰ বিচাৰৰ কাঠগড়াত থিয় কৰাইছিল বুদৰামক। অন্তৰালৰ কথাটো হ'ল, সৌমাৰ মহন্ত — যিগৰাকী জয়হৰি মহন্তৰ সম্বন্ধত ভতিজা, তেওঁ বংশানুক্ৰমিকভাৱে হাটীসত্ৰৰ ডেকা অধিকাৰ পদত অভিষিক্ত হ'বৰ যোগ্য যদিও স্পষ্টতঃ হৰিজয় মহন্ত, বুদৰামকহে ডেকা সত্ৰাধিকাৰ পদত অধিষ্ঠিত কৰিবলৈ অধিক আগ্ৰহী। কাজেই, বুদৰামক এই স্থানত বহুওৱাৰ প্ৰাক্‌মুহূৰ্তত বুদৰামৰ গ্ৰহণযোগ্যতা সম্পৰ্কত তেওঁ চতুৰালিৰে আশ্ৰয় ল'লে এক পৰীক্ষাৰ, সন্তৰ্পণে। এইখিনিতে প্ৰণিধানযোগ্য যে হাটীসত্ৰৰ অন্যতম বৈশিষ্ট্য এটা

হ'ল — গাঁৱৰ নীতি-নিষ্ঠ ধৰ্মীয় লোকসকলে দৈনন্দিন ব্যস্ততা সত্ত্বেও কিছু আজৰি সময় উলিয়াই সত্ৰলৈ গৈ বুঢ়া অধিকাৰৰ লগত ধৰ্ম সম্পৰ্কীয় জ্ঞান, ৰীতি-নীতি উপলব্ধৰ বাবে ভাগ লৈছিল আলাপত। এনে পৰম্পৰাই গাঁওবাসীৰ মানসিক প্ৰশান্তি বৃদ্ধি কৰাৰ উপৰি সামাজিক সমন্বয় স্থাপনতো ইন্ধন যোগাইছিল প্ৰভূতভাৱে। বুঢ়া অধিকাৰৰ পৰীক্ষাও ইয়াৰ আলমতেই। এদিনাখন গাঁৱৰে এগৰাকী ধৰ্মিষ্ঠ হাটীসত্ৰলৈ আহিল ধৰ্ম সম্পৰ্কে কিছু উপদেশ ল'বৰ নিমিত্তে আৰু তেওঁ বুদৰাম মহন্তৰ সৈতে ধৰ্মশাস্ত্ৰ সম্পৰ্কে নানা বিষয়ত জ্ঞান লব্ধ হয়। এই আলোচনাৰ উমান পালে বুঢ়া অধিকাৰে। আৰু অথন্তৰো ঘটিল তাতেই। ধৰ্মিষ্ঠ গৰাকীৰ প্ৰস্থানৰ পিছতেই বুঢ়া অধিকাৰে বুদৰামক ততালিকে মতাই আনিলে আৰু তেওঁৰ অনুমতি নোহোৱাকৈ ব্যক্তি বিশেষৰ লগত ধৰ্মশাস্ত্ৰ প্ৰসঙ্গত আলাপ কৰাতো সত্ৰৰ নীতি বহিৰ্ভূত বুলি দৃঢ়তা উজাৰিলে আৰু এনেদৰে বিশ্বাসযোগ্যতা ধূলিস্যাৎ কৰাৰ অভিযোগত বুদৰাম মহন্তক তৎমুহূৰ্তে সত্ৰ ত্যাগ কৰিবলৈ তীব্ৰ বাক্যবাণ নিক্ষেপ কৰিলে হৰিজয় মহন্তই। গুৰুৰ বচনত বুদৰাম হ'ল ম্ৰিয়মান। গুৰুৰ শ্ৰীচৰণত দীঘল দি নানান কাকুতি-মিনতি কৰিলে বুদৰামে, কিন্তু গুৰুৰ বচন অলংঘণীয়। বুদৰামে নেপালে পৰিত্ৰাণ। অৱশেষত গুৰুবাক্য শিৰোধাৰ্য কৰি দুধাৰি লোতক বোৱাই বুদৰামে ত্যাগ কৰিলে হাটীসত্ৰ।

কিন্তু এতিয়া বুদৰাম যাব কেনি? শাস্ত্ৰ চৰ্চাৰ এনে এখন তীৰ্থস্থল অজানিতে এটা ভুলৰ বাবে পৰিত্যাগ কৰিবলগা হোৱাৰ বেজাৰত বুদৰামৰ মন হৈ পৰিল ভাৰাক্ৰান্ত। দোদুল্যমান এনে পৰিস্থিতিতে বুদৰামে দেখিলে তেওঁৰ সমীপলৈ ক্ৰমে অগ্ৰসৰ হৈছে কেইগৰাকীমান ভকত। তেওঁলোকৰ চকু সেমেকা; কিন্তু অযুত আশাৰে তেওঁলোকৰ মনাকাশ ছন্দোবদ্ধ, বুদৰামৰ অন্তৰ্দৃষ্টি সুতীব্ৰ। ভকতবৃন্দই প্ৰস্তাৱ আগবঢ়ালে স্থানীয় 'পোৰা ভিঠি' সত্ৰলৈ গমনৰ বাবে। ভকতসৱৰ আগ্ৰহক বুদৰামে যাচিলে সন্মান। তৎমুহূৰ্তে বুদৰাম ভকতসহিতে ৰাওনা হ'ল 'পোৰা ভিঠি' সত্ৰ অভিমুখে। ভকতসৱৰ মনত উৎসাহ-উদ্দীপনাৰ মধু আলোড়ন। এগৰাকী সৎ, বিশুদ্ধ, ধৰ্মিষ্ঠ ব্যক্তি হাততে পাই তেওঁলোক হ'ল অতি হৰষিত। সত্ৰৰ কাষৰতে বুদৰামক থকা-মিলাৰ সু-বন্দোবস্তি কৰি দি ভকত আৰু সমীপৱৰ্তী লোকসকলে ধৰ্মশাস্ত্ৰৰ অমিয়া পাণ কৰিবলৈ ধৰিলে। ভকতসৱৰ আন্তৰিক সদিচ্ছা আৰু মনৰ শুদ্ধতা দেখি বুদৰাম হ'ল অতি উৎফুল্লিত আৰু নিবিষ্টমনে ঈশ্বৰ উপাসনাত নিজস্ব জ্ঞানোপলব্ধিৰে হ'বলৈ ধৰিলে নিমগ্ন। বুদৰাম মহন্তৰ সদোপদেশ আৰু জ্ঞান-গৰিমাৰ আলোকত 'পোৰা ভিঠি' সত্ৰৰ ভকতসকল হ'ল ধন্য আৰু সামাজিক শৃঙ্খলাৰ বৰঘৰ সাজিবলৈ তেওঁলোক হ'ল প্ৰতিশ্ৰুতিবদ্ধ। মানুহৰ সমাজত সৰ্বত্ৰ



প্ৰকাশমান হিংসা, দ্বন্দ্ব, কপটতা, প্ৰতিশোধ-প্ৰৱণতা আদি উপসৰ্গবোৰ মনৰ পৰা বিসৰ্জন দিয়াৰ উদগ্ৰ বাসনাৰে ধৰ্মীয় আচাৰ-সংহিতা আৰু তাৰ অৱলম্বনতে উদ্ভাসিত সামাজিক শান্তি-সমন্বয়-সদ্ভাৱনা-সমৃদ্ধিৰ লক্ষ্যত তেওঁলোক হৈ পৰিল ব্যগ্ৰ। ধৰ্মীয় সংকীৰ্ণতা আৰু বিদ্বেষৰ পংকিলতাই গ্ৰাস কৰা সমাজখনক মুক্ত কৰাৰ বাবে বুদৰাম মহন্তৰ যি অবিৰত প্ৰয়াস, যিয়ে মানুহৰ মাজত মানৱতাবাদী গুণৰ উন্মীলন কৰাত সহায় কৰিছে প্ৰভূতভাৱে।

বুদৰাম মহন্তৰ গুণৰ মাহাত্ম্য একোটা বিশেষ অঞ্চলতে যে সীমিত হৈ আছিল এনে নহয়। তেওঁৰ বিশাল ওজস্বী চেতনাই ক্ৰমান্বয়ে বৃহত্তৰ শুৱালকুছিৰ বিস্তীৰ্ণ অঞ্চল কৰিছিল উদ্বেলিত। তেওঁৰ সৎ সংগত বিভিন্ন ব্যক্তিয়ে সজ আচৰণ আৰু নৈতিক শিক্ষাৰ পাঠ আয়ত্ব কৰিবলৈ হৈ পৰিছিল উদ্বাউল। এনে দৃষ্টিকোণৰ পৰাই এইবেলি বুদৰাম মহন্তৰ পৰা আধ্যাত্মিক তথা নৈতিক শিক্ষাৰ পাঠ ল'বলৈ সাজু হ'ল সাধুটোলৰ ৰাইজ। বুদৰাম মহন্তৰ অপাৰ জ্ঞানৰ আলোকত জীৱনৰ সত্যৰ অন্বেষণ কৰিবলৈ তেওঁলোকে বুদৰামৰ শ্ৰীচৰণত পৰি সেৱা জনাই ঈশ্বৰ শ্ৰীশ্ৰীবৰসত্ৰৰ দায়িত্ব ল'বলৈ অনেক অনুনয়-বিনয় কৰাৰ মূৰকত সন্মতি প্ৰদান কৰিলে বুদৰামে আৰু ভকতবৃন্দ সমন্বিতে বৰসত্ৰলৈ হ'ল ৰাওনা। তেওঁৰ পদাৰ্পণত বৰসত্ৰই পুনৰ প্ৰাণ পাই উঠিল। হৰি-নামৰ মূৰ্চ্ছনাৰে চৌদিশ হৈ পৰিল তন্ময়। ভকতৰ সঙ্গ ক্ৰমে ক্ৰমে হ'ব ধৰিলে বৰ্দ্ধিত। বুদৰাম মহন্তৰ শাস্ত্ৰ-চৰ্চাৰ সন্মোহনী ৰূপত জাতিষ্কাৰ হৈ উঠিল বৰসত্ৰৰ সমাজ, সাধুটোলৰ ৰাইজ। বুদৰামৰ দৰে মহান ধৰ্মীয় ব্যক্তিত্বৰ ওচৰত তেওঁলোকৰ জীৱন হ'ল ধন্য। মহাপুৰুষীয়া ধৰ্ম আৰু শুৱালকুছিৰ সমাজ ব্যৱস্থা সম্পৰ্কত বুদৰাম মহন্তৰ যি উপলব্ধি, তাৰ নিৰ্মোহ অৱলোকনৰ প্ৰতি ভকতগণৰ আছিল দুৰ্বাৰ আকৰ্ষণ আৰু সঁচা অৰ্থত এনে ভাৱোচ্ছাসে গাঁৱৰ সামাজিক পটভূমিৰ স্বৰূপ উন্মোচন কৰাত সহায় কৰে বহুলভাৱে।

নৱজাগৰণৰ মানৱমুখী ধাৰাক বৈষ্ণৱ ধৰ্মৰ নিৰপেক্ষ বিচাৰ-বিশ্লেষণেৰে মহত্ব প্ৰদান কৰি বুদৰাম মহন্তই গাঁওখনৰ সামাজিক বিন্যাস ঘটাবলৈ কৰা মহান প্ৰচেষ্টা আছিল দৰাচলতে এক সহজ দৰ্শন। বিশ্বাস, আত্মীয়তাবোধৰ অযুত প্ৰশান্তিৰে আত্মাৰ মিলনত ধৰ্মৰ প্ৰাসঙ্গিকতা সন্দৰ্ভত বুদৰাম মহন্তৰ অকাট্য যুক্তি আৰু ব্যাখ্যাই গ্ৰাম্য সমাজ ব্যৱস্থাৰ শ্ৰীবৃদ্ধিত যি সদৰ্থক ভূমিকা পালন কৰিছিল, সেয়া আছিল অৱশ্যেই উপাদেয়। তেওঁৰ নিৰ্ভেজাল আৰু জ্ঞানলব্ধ ব্যাখ্যাই তদানীন্তন সমাজত তেওঁৰ গ্ৰহণযোগ্যতা বাৰুকৈয়ে কৰিছিল প্ৰতিপন্ন। তেওঁ যিদৰে পণ্ডিত তদ্ৰূপ আছিল বিশাল হৃদয়ৰ। শুৱালকুছিৰ চুকে-কোণে ক্ৰমে-ক্ৰমে বুদৰাম

মহন্তৰ বিশাল জ্ঞানৰ সুৰভি সিঁচৰতি হোৱাৰ সম্ভেদ পালে হৰিজয় অধিকাৰে। বুঢ়া অধিকাৰৰ মন ভৰি পৰিল আনন্দেৰে। তেওঁ পতা পৰীক্ষাত বুদৰাম সঁচাকৈয়ে হ'ল উত্তীৰ্ণ। বুঢ়া অধিকাৰ হৰিজয় মহন্তই এইবেলি বুদৰাম মহন্তৰ হাতত হাটীসত্ৰৰ সমস্ত দায়িত্বভাৰ অৰ্পণ কৰিবলৈ মনস্থ কৰিলে আৰু সেইমতে কেইগৰাকীমান ভকতক বুদৰামক হাটীসত্ৰলৈ পুনৰ লৈ আহিবলৈ পাচিলে। কথা মতেই ভকতবৃন্দ বৰসত্ৰলৈ গৈ বুদৰামক সাক্ষাৎ কৰিলে আৰু গুৰুৰ মনোবাঞ্ছা প্ৰকট কৰিলে। গুৰুৰ আজ্ঞা পালন কৰি বুদৰাম মহন্ত প্ৰত্যাৰ্পণ কৰিলে হাটীসত্ৰলৈ। বুদৰাম মহন্তক সাদৰ-আদৰ কৰি সংস্থাপন কৰা হ'ল হাটীসত্ৰত। ইতিমধ্যে হৰিজয় মহন্তই যথাৰৎ নীতি-নিয়মেৰে বুদৰাম মহন্তক হাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ পদত গাঁওবাসীৰ অকুণ্ঠ সহায়-সহযোগিতাৰে অভিষিক্ত কৰিলে আৰু সাধু বুদৰাম মহন্ত হ'ল ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ সপ্তম গৰাকী বুঢ়া সত্ৰাধিকাৰ। সাধু বুদৰাম মহন্তই ধৰ্মীয় পৰম্পৰাৰে সত্ৰৰ গুৰু দায়িত্ব চমজি লোৱাৰ সাত দিনৰ পিছত হৰিজয় মহন্ত স্বৰ্গগামী হয়।

সমাজ ব্যৱস্থাৰ স্থায়িত্ব আৰু নিপোটল ৰূপ প্ৰদানত প্ৰকৃতপক্ষে মহত্বপূৰ্ণ অৱদান যোগাই আহিছে সত্ৰসমূহে। প্ৰাচীন সাহিত্য, সংস্কৃতি, সভ্যতাৰ অঙ্কুৰণ সত্ৰসমূহৰ মজিয়াৰ পৰাই হৈছিল। উল্লেখ্য যে সাধু বুদৰাম মহন্ত হাটীসত্ৰৰ বুঢ়া অধিকাৰ পদত নিয়োজিত হোৱাৰ পিছত সত্ৰৰ সৌষ্ঠৱ পূৰ্বতকৈ অধিক বৃদ্ধি হ'বলৈ ধৰিলে। তেওঁৰ ব্যক্তিত্বৰ গুণত সত্ৰলৈ নিতৌ অসংখ্য লোকৰ আগমণ হোৱাৰ উপৰি সত্ৰৰ চৌদিশৰ উন্নয়ন সাধন কৰা হ'ল আকৰ্ষণীয় ৰূপত। গাঁৱৰ বিভিন্ন জাতি, বিভিন্ন ধৰ্মৰ লোকসকল তেওঁৰ ওচৰলৈ গৈ সেৱা কৰি মনৰ অভিলাস পূৰণ কৰাৰ যি হাবিয়াস — এনে প্ৰৱণতাই সাধু বুদৰাম মহন্তৰ চৰিত্ৰৰ মহানতাহে সম্যকভাৱে প্ৰকাশ কৰে। স্বৰূপাৰ্থতে তেওঁৰ সৎ চিন্তা, মহৎ উপদেশসমূহৰ দ্বাৰা গাঁওবাসী হৈছিল যথেষ্ট উপকৃত। সেই সময়ত হাটীসত্ৰ অন্য এক অৰ্থত ৰূপান্তৰিত হৈছিল বিচৰালয়লৈ। গাঁৱৰ ভিন্ন দ্বন্দ্ব, ওচৰ-চুবুৰীয়াৰ পাৰস্পৰিক সংঘাত আদিৰ নিমিষতে উপশম হৈছিল বুঢ়া অধিকাৰৰ এযাৰি বচনৰ ফলশ্ৰুতিত। এনে ব্যৱস্থাৰ মান্যতাই প্ৰকৃততে গাঁৱৰ সামাজিক ব্যৱস্থাৰ ভেঁটি অধিক শক্তিশালী কৰিছিল।

মহাপুৰুষ শঙ্কৰদেৱে যিদৰে চান্দসাইৰ দৰে দুষ্ট প্ৰকৃতিৰ লোকক মাধৱদেৱৰ হতুৱাই মতাই আনি সৎ পথৰ সন্ধান দিছিল, তেনেদৰে সাধু বুদৰাম মহন্তইও দুষ্ট লোকৰ বতৰা পালে ভকতৰ দ্বাৰা তেনে প্ৰকৃতিৰ লোকক সত্ৰলৈ মতাই আনি আত্মশক্তি আৰু আত্মবোধৰ নীতি-জ্ঞান দিছিল। তেওঁৰ এনে দৃষ্টান্তই সামাজিক শৃঙ্খলাৰ ভেঁটি ন-ৰূপত নিৰ্মাণত বাৰুকৈয়ে প্ৰেৰণা যোগাইছিল। বুদৰাম



মহন্ত অকল যে মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ একান্ত সেৱকসকলৰ গুৰু আছিল এনে নহয়; অন্যান্য ধৰ্মৰ লোকসকলেও হাটীসত্ৰলৈ গৈ তেওঁক দৰ্শন কৰিছিল আৰু সেৱা কৰি বিভিন্ন উপদেশ গ্ৰহণ কৰি মনত লাভ কৰিছিল অনুপম প্ৰশান্তি। এনে অনুশাসনে গাঁৱৰ ধৰ্মীয় সহনশীলতা আৰু সামাজিক মিলা-প্ৰীতিৰ এনাজৰী শক্তিশালী কৰাত প্ৰভূত অৰিহণা আগবঢ়াইছিল। আন এটা মনকৰিবলগা কথা হ'ল — বৈষ্ণৱ ধৰ্মীলোকৰ উপৰি অন্যান্য ধৰ্মত বিশ্বাসীলোকেও তেওঁৰ উদাৰ ধৰ্ম-কথা আৰু সৰলতাৰ বাবে তেওঁক ধৰ্মীয় পৰম্পৰাৰে গুৰু ভজি শিষ্যত্ব গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিল। এনে দৃষ্টান্তই ধৰ্মভেদে ভাতৃত্ববোধৰ সঞ্চাৰ হোৱাৰ পথ কৰিছিল উন্মোচন। নিচেই প্ৰত্যুষতে বুঢ়া অধিকাৰে গাঁৱত যেতিয়া পৰিভ্ৰমণ কৰে, গাঁৱৰ শ শ আবাল-বৃদ্ধ-বণিতাই পথৰ ওপৰতে দীঘল দি বা আঁঠু কাঢ়ি তেওঁৰ চৰণ দুখানি স্পৰ্শ কৰি সেৱা এটি নিৱেদন কৰাৰ যি আগ্ৰহ, সেয়া অৱশ্যেই অৱৰ্ণনীয়। সেয়া জানি-বুজি এতিয়া ক'বৰ মন হয় এনে দৃষ্টান্ত নিশ্চয় শ্ৰদ্ধাশীল, গুণীৰ মোল বুজা কৃতজ্ঞ গাঁওবাসীৰ বাবেহে সম্ভৱ হ'ব পাৰে।

অতি গুৰুত্বপূৰ্ণ কথা হ'ল, তেওঁৰ মুখৰ বচন আছিল আদালতৰ ৰায় সদৃশ। তেওঁ যি কয়, গাঁওবাসীয়ে আখৰে আখৰে মানিবলৈ থাকে বাধ্য। বিচাৰ-বিশ্লেষণ আৰু বিবেচনাৰ আধাৰত তেওঁৰ মুখৰ পৰা নিসৃত প্ৰতিটো বচন আছিল সবাৰে বাবে মঙ্গলময় আৰু আশীৰ্বাদসূচক। এনে অভীপ্সাৰে সকলোৱে তেওঁৰ বচন বা আদেশ অথবা নিৰ্দেশ মানিবলৈ থাকে সদা প্ৰস্তুত। গাঁৱৰ ৰাইজ মেলত তেওঁৰ বাক্য শিলৰ ৰেখা সদৃশ। সমাজৰ জড়তা বা শিথিলতা তচ্‌নচ্ কৰি গতিশীলতা প্ৰদান কৰাত তেওঁ যি বিচক্ষণতা প্ৰদৰ্শন কৰিছিল, সেয়া আছিল সুদূৰ প্ৰসাৰী। তেওঁৰ উচ্চাৰিত মন্ত্ৰমতেই আজিও বিভিন্ন দিশত সত্ৰৰ ব্যৱস্থাৱলী সুন্দৰৰূপত ৰূপায়িত হৈ থকাতো বিশেষভাৱে লক্ষণীয়; যাৰ পৰিণতিত শুৱালকুছিৰ সমাজ ব্যৱস্থা আজিও হৈ আছে চহকী।

আটাইতকৈ উল্লেখযোগ্য কথা হ'ল, মহাপুৰুষীয়া ধৰ্মৰ উদাসীন সত্ৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বুঢ়া অধিকাৰ সাধু বুদৰাম মহন্ত আছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ তিথি উদ্‌যাপনৰ বাটকটীয়া স্বৰূপ। আহিন মাহৰ (১৯১৭ খ্ৰীষ্টাব্দ) শুক্লা দশমী তিথিৰ দিনা অৰ্থাৎ শঙ্কৰদেৱৰ আৱিৰ্ভাৱ তিথিত গুৰু আসনৰ সন্মুখত বুট-মাহৰ এখন শৰাই আগবঢ়াই ভকতৰ সঙ্গত হৰিনাম-কীৰ্তনেৰে তেওঁ গুৰু জয়ন্তী পালনৰ সূচনা কৰিছিল। অসমৰ ভিতৰত একমাত্ৰ শুৱালকুছিতে সৰ্বপ্ৰথমে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰ্বিভাৱ তিথি আনুষ্ঠানিকভাৱে উদ্‌যাপিত হৈছিল আৰু এই ক্ষেত্ৰত সাধু বুদৰাম মহন্তই দূৰদৰ্শিতাৰে গাঁওবাসীক গৌৰৱৰ অধিকাৰী হ'বলৈ প্ৰেৰণা দিয়াৰ লগতে সমাজক গতিশীলতা প্ৰদান কৰিবলৈ প্ৰযত্ন কৰিছিল। গুৰু জয়ন্তী

পালনৰ ক্ষেত্ৰত শুৱালকুছিয়ে অসমবাসীক পথৰ সন্ধান দিয়া বুলি পণ্ডিত প্ৰৱৰ ডঃ মহেশ্বৰ নেওগদেৱেও স্বীকৃতি দিয়াটো এইখিনিতে উল্লেখযোগ্য। প্ৰসঙ্গত উল্লেখ্য যে সাধু বুদৰাম মহন্তই সূচনা কৰা গুৰুজয়ন্তী ভক্তপ্ৰাণ বাপ-বান্ধৱে আজিও পালন কৰি আহিছে উৎসাহ-উদ্দীপনাৰে। সম্প্ৰতি এই উৎসৱটি শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাথমিক শাখা আৰু কৰ্ম-কাণ্ডত আস্থাশীলসকলৰ দ্বাৰা শ্ৰীশ্ৰীশঙ্কৰদেৱ ধামত বিস্তৃত কাৰ্যসূচীৰে ৰাইজৰ স্বতঃস্ফূৰ্ত সঁহাৰিৰে আয়োজিত হৈ থকাতো প্ৰণিধানযোগ্য। এইটো স্বীকাৰ্য যে শঙ্কৰোৎসৱে গাঁৱৰ বৈষ্ণৱ পন্থীসকলৰ প্ৰাণত ভক্তিৰসৰ বিমলানন্দ সিঁচি দিয়াৰ উপৰি অন্যান্য ধৰ্মত বিশ্বাসীসকলৰ মনতো অজান পুলকৰ মোহনীয় অনুভূতি জাগৃত কৰে। এইখিনিতে উল্লেখ কৰাটো সমীচীন যে শঙ্কৰোৎসৱে গাঁৱৰ ভিন্ন ভিন্ন শ্ৰেণীৰ ধৰ্মীয় লোকৰ মাজত সমন্বয়ৰ বাৰ্তা কঢ়িয়াই অনাৰ লগতে সামাজিক সমন্বয় গঢ়াত প্ৰভূত অৰিহণা আগবঢ়াই আছে আজিও। সাধু বুদৰাম মহন্তই শুভাৰম্ভ কৰা শঙ্কৰোৎসৱ গাঁওবাসীয়ে নিৰ্দিষ্ট সময়ত প্ৰতি বছৰে পালন কৰিবলৈ আয়োজন কৰাৰ এমাহমান পূৰ্বৰে পৰাই গাঁওবাসীৰ মনত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সৃষ্টি হয় হেঙোলনি। ৰাইজ সামাজিক পৰিক্ৰমাৰে সাজু হয় উৎসৱটি মহিমামণ্ডিত কৰিবলৈ। ঘৰত চূণ কাম কৰা, পদূলি মুখ চাফ্-চিকুণকৈ সজোৱা, ঘৰৰ মেৰামতি সম্পূৰ্ণ কৰা, পৰিয়ালৰ আটাইয়ে উৎসৱৰ আনন্দমুখৰ পৰিৱেশত পৰিধান কৰিবলৈ নতুন সাজ-পোছাক ক্ৰয় কৰা আদি ইটো-সিটো বহুতো কামত বাধ্যতামূলকভাৱেই হৈ পৰে ব্যস্ত। সাধু বুদৰাম মহন্তৰ প্ৰতি অপৰিসীম কৃতজ্ঞতাৰে শঙ্কৰোৎসৱটি পালনৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ হীন-ডেঢ়ি নহয়, সেই ক্ষেত্ৰত ভক্তসকল থাকে প্ৰতিনিয়ত সজাগ আৰু সতৰ্ক। শঙ্কৰোৎসৱ পালনে গাঁৱৰ সামাজিক আৰু ধৰ্মীয় দিশৰ উৎকৰ্ষ সাধনত যথেষ্ট মহত্বপূৰ্ণ অৱদান আগবঢ়াইছে আৰু এই পটভূমিত সাধু বুদৰাম মহন্তৰ চিন্তা-চেতনা তথা দূৰদৰ্শিতা নিঃসন্দেহে আছিল প্ৰশংসনীয়।

জীৱ শ্ৰেষ্ঠ হিচাপে মানুহে জাতি বৈষম্য, ধৰ্ম বৈষম্য, বিভ্ৰান্তিমূলক প্ৰাৰ্থনা আদিৰ বোকোচাত উঠি সমাজ পৰিৱৰ্তন কৰিবলৈ সপোন ৰছাতো অৱশ্যেই পৰ্বতত কাছ কণী বিচৰা সদৃশ। এনে ভাৱ বিভোৰতাৰ অহমিকাই সৃষ্টি কৰে অন্য এক বিড়ম্বনা, যিয়ে সমাজ জীৱনৰ কল্পিত মনোৰম চিত্ৰ কুটি কুটি কৰে নিঃশেষ। সাধু বুদৰাম মহন্ত এনে ভাৱাবেগৰ পৰা আছিল উন্মুক্ত। বৃহত্তৰ শুৱালকুছিৰ বুজন সংখ্যক লোকে জাতি-বৰ্ণ-নিৰ্বিশেষে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰি গুৰু হিচাপে মান্যতা দিয়া আৰু গুৰু-শিষ্যৰ মধুৰ সম্পৰ্কেৰে ধৰ্মীয় তথা সামাজিক শৃঙ্খলা অটুট ৰখাত সহায়ক হৈছিল লক্ষণীয়ভাৱে। সাধু বুদৰাম মহন্তৰ অন্তৰ নিসৃত ভগৱৎ চিন্তন, বাক্যৰ দ্বাৰা ভগৱানৰ কীৰ্তন, শৰীৰৰ দ্বাৰা সৱকে শ্ৰীকৃষ্ণ-জ্ঞানে নিঃস্বাৰ্থ সেৱা — এই সমস্ত কৰ্মকাণ্ড জীৱনৰ সৰ্বোত্তম উদ্দেশ্য ৰূপত ব্যৱহৃত হৈছিল। ব্ৰাহ্মমুহূৰ্ততে তেওঁ ত্যাগ কৰিছিল শোৱা-পাটী আৰু যদি কেতিয়াবা নিদ্ৰিত অৱস্থাতে সূৰ্যোদয় হয়, তেন্তে তেওঁ গোটেই দিনটো উপবাসে থাকি নাম-কীৰ্তনেৰে সৎসঙ্গৰ লগত সময় অতিক্ৰম কৰিছিল। ভগৱৎ চিন্তনেৰে সামাজিক, ব্যৱহাৰিক আদি কৰ্ম নিঃস্বাৰ্থভাৱে সম্পন্ন কৰি সমাজৰ হকে আদৰ্শৰ অনুশীলন নিক্ষেপ কৰিছিল। সমাজৰ অঙ্গাংগী ব্যক্তিমাত্ৰৰে কল্যাণৰ বাবে তেওঁ ভগৱন্তৰ ওচৰত অৰ্পিত কৰিছিল নিজৰ জীৱন।

সাধু বুদৰাম মহন্ত আছিল নিজস্ব চাৰিত্ৰিক গুণেৰে বলীয়ান। তেওঁ আৰু গাঁওবাসীৰ মাজত গঢ়ি উঠিছিল বিশ্বাস আৰু সমন্বয়ৰ সেঁতু। তেখেতে পথেৰে খোজ পেলাওতে খোজৰ ধূলিকণাকো পৱিত্ৰ জ্ঞান কৰি গাঁওবাসীয়ে নিজৰ শিৰত লোৱা ধ্যান-ধাৰণা আছিল তেওঁৰ প্ৰতি থকা অটল বিশ্বাসৰ বৰ্হিপ্ৰকাশ। অন্যহাতে, মানুহৰ দৃষ্টিত সাধু বুদৰাম মহন্ত আছিল ঐশ্বৰিক শক্তিৰ অধিকাৰী। তেওঁৰ জীৱনত পৰিস্ফুট হোৱা কেতবোৰ অলৌকিক ঘটনাৱলীয়ে মানুহৰ এই বিশ্বাসক অধিক তাৎপৰ্যপূৰ্ণ কৰিছিল, সেইটোও সত্য কথা। উক্ত বিষয় বহুলভাৱে আলোচনা নকৰিও চমুকৈ ক'বলৈ হ'লে (১) চৰুত ৰন্ধন সামগ্ৰী দি কীৰ্তন ঘৰলৈ গৈ নাম-প্ৰসঙ্গ সামৰি আহি সু-স্বাদু আহাৰ প্ৰস্তুত হৈ থকা, (২) ভগা ভৰি দুদিনতে জোৱা লগা, (৩) সত্ৰৰ বাৰীৰ ফল আনে চুৰ কৰি নিয়াৰ বাবে মুখেৰে প্ৰকট হোৱা বচনৰ প্ৰতিফলন, (৪) ফনা মেলি আগভেটি ধৰা সৰ্পই গুৰুৰ বচনমতেই স্ব-স্থানলৈ গমন কৰা, (৫) পথাৰত কাম কৰি থকা অৱস্থাত অহা দবাপিটা বৰষুণ শৰীৰত এটোপালো নপৰা আদি অলৌকিক ঘটনাৱলীয়ে জনমানসত তেওঁক এগৰাকী ঐশ্বৰিক শক্তিৰ অধিকাৰী মহাপুৰুষ হিচাপে প্ৰতিষ্ঠা কৰিছিল আৰু লগে লগে তেওঁ সমাজৰ বাক্‌সিদ্ধ পুৰুষৰূপেও পৰিগণিত হৈছিল। নিশ্চিতভাৱে ক'ব পাৰি যে কঠোৰ সাধনা আৰু প্ৰবল ইচ্ছাশক্তিৰ দ্বাৰা এগৰাকী ব্যক্তিয়ে সমাজত নিজস্ব নিঃস্বাৰ্থিক কৰ্মৰ দ্বাৰা মহানতাৰ অফুৰন্ত নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। সাধু বুদৰাম মহন্তইও সৎ চিন্তা আৰু দুৰ্দান্ত মনোবলেৰে সমাজত নিজস্ব গুণ-গৰিমা বিকশাই তুলিবলৈ সক্ষম হৈছিল। সমাজত ঈশ্বৰমুখী চিন্তা-চেতনা জাগ্ৰত কৰি মানুহৰ মাজত পাৰস্পৰিক সমন্বয় সুদৃঢ় কৰাত সাধু বুদৰাম মহন্তৰ উক্ত বহু চৰ্চিত ঘটনাৱলীয়ে বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰি আছে অদ্যাপিও।

নক'লেও চলে, ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰই বৃহত্তৰ শুৱালকুছি গাঁৱৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আদি বিভিন্ন দিশত এক গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই আছে।

সাধু বুদৰাম মহন্তৰ অক্লান্ত পৰিশ্ৰম আৰু পৰিকল্পনা অনুসৰিয়েই এই সত্ৰৰ প্ৰভূত উন্নতি সাধন হৈছিল। আনহাতে সত্ৰৰ বৃহৎ পৰিমাণৰ ভূমিৰ দানেৰে শুৱালকুছিৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান 'শুৱালকুছি বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়' স্থাপনেৰে বৃহত্তৰ শুৱালকুছিৰ শিক্ষাৰ প্ৰসাৰণত বলিষ্ঠ পদক্ষেপ লোৱাৰ উপৰি শুৱালকুছি-বংশৰ পথৰ সমীপত প্ৰেক্ষাগৃহ তথা বস্ত্ৰ উদ্যান স্থাপন কৰিবলৈ সুবিধা কৰি দিয়াটো অৱশ্যেই প্ৰশংসনীয়। স্মৰণযোগ্য যে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰখন ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ আৰ্হিত নিৰ্মিত। মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ আলমত ঠন ধৰি উঠা এই সত্ৰখন বৰ্তমান অসমৰ এখন বিখ্যাত উদাসীন সত্ৰ হিচাপে সৰ্বজনবিদিত। এই সত্ৰলৈ সময় বিশেষে যথেষ্ট পৰ্যটকৰ সমাৱেশ হোৱাটো প্ৰসঙ্গত উল্লেখ্য। মন কৰিবলগা কথাটো হ'ল, বৰপেটা সত্ৰৰ প্ৰাঙ্গণৰ অন্তৰত সাধু বুদৰাম মহন্তই এডোখৰ ভূমি ক্ৰয় কৰি এখন বাহাৰ ব্যৱস্থা কৰাত দুয়োখন সত্ৰৰ মাজত সমন্বয়ৰ পথ অধিক সূচল হয়। তদুপৰি সত্ৰৰ ভিতৰত গাঁওবাসীৰ প্ৰয়োজন সাপেক্ষে নিজাববীয়াকৈ নিৰামিষ আহাৰৰ ব্যৱস্থা কৰাৰ সুবিধা সাধু বুদৰাম মহন্তৰ দিনৰে পৰাই প্ৰৱৰ্তিত হৈ থকাত গাঁওবাসী উপকৃত হৈ আছে বহুলভাৱে।

সাধু বুদৰাম মহন্ত আছিল যথেষ্ট কষ্ট সহিষ্ণু। কামেৰে কথা কোৱাৰ সুন্দৰ নিদৰ্শন তেওঁৰ জীৱনৰ আছিল আকৰ্ষণীয় স্বৰূপ। তেওঁৰ এই আৰ্হি ভকতসকলৰ বাবে অনুকৰণীয়। এই সমন্বয়ৰ দুৰ্বাৰ প্ৰতিফলনত সত্ৰৰ কাৰ্য-প্ৰণালীয়ে গাঁওবাসীৰ হৃদয়ত সৃষ্টি কৰিছিল অফুৰন্ত কৰ্মপ্ৰেৰণা। হাটীসত্ৰৰ বিশাল পৰিসৰৰ ভূমি-খণ্ডত ভকতসকলক খেতি-বাতি কৰি স্ব-উপাৰ্জনৰে লাভান্বিত হ'বলৈ সাধু বুদৰাম মহন্তই উপদেশ দিছিল আৰু সেইমতেই সত্ৰৰ ভকতসকলে খেতি কৰি স্ব-উপাৰ্জনত মনোনিৱেশ কৰিছিল। সাধু বুদৰাম মহন্তই মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱৰ পৰিশুদ্ধ সৃষ্টিৰাজিৰে জীৱন ধন্য কৰি বিশাল জ্ঞান-গৰিমাৰে শুৱালকুছিৰ গ্ৰাম্য সমাজ জীৱনৰ সেন্দুৰীয়া বাট কাটি যোৱা দিনৰে পৰা আজিকোপতি সেই একে আদৰ্শ-শিকনিৰে পৰিচালিত হৈ আছে আমাৰ মানুহ, আমাৰ সমাজ। সাধু বুদৰাম মহন্তৰ ব্যক্তিত্ব-প্ৰতিভা, অসাধাৰণ পাণ্ডিত্যৰে আজিও উদ্বেলিত হৈ আছে, বৃহত্তৰ শুৱালকুছিৰ সমাজ-পৰিক্ৰমা। তেখেতৰ দৰে গুণী, ত্যাগী পুৰুষে 'একশৰণ হৰিনাম ধৰ্ম'ৰ প্ৰচাৰেৰে সৰ্বত্ৰ দিশতে উৎকৰ্ষ সাধন কৰি যি পৰম্পৰা দি গ'ল, এই অৱদানেৰেই আজিও আমি সমৃদ্ধ। তেওঁৰ অফুৰন্ত কৰ্মপ্ৰেৰণাৰে অনুপ্ৰাণিত শুৱালকুছিৰ গ্ৰাম্য জীৱন, তেওঁৰ আচাৰ-নীতি, বলিষ্ঠ চিন্তাধাৰা, জীৱনমুখী উদাৰতাৰে চহকী আমাৰ গ্ৰাম্য সমাজ; সেয়ে সাধু বুদৰাম মহন্ত আমাৰ গৌৰৱ, আমাৰ অহঙ্কাৰ।

-000-

# জীৱন আৰু ব্যক্তিত্ব ঃ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত

*কনকলতা দাস*

শুৱালকুছি গাঁওৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বিশাল ব্যক্তিত্ব সমৃদ্ধ এগৰাকী পুৰুষ সাধু লক্ষ্মীকান্ত মহন্ত। ঈশ্বৰ-প্ৰদত্ত এটি সুদৰ্শন শৰীৰ, তাৰ ওপৰত অসমীয়া সত্ৰীয়া সংস্কৃতিপূৰ্ণ শুকুলা বস্ত্ৰৰ আভৰণ, এখন চেলেং চাদৰ আৰু ধুতি। ধুতিখনৰ পিন্ধনৰ ধৰণটো আছিল এনেকুৱা — ধুতিখনৰ বাওঁফালটো পিছফালে পোন্ধ মাৰি লয় আৰু সোঁ হাতৰ ফালটো গুঁঠি গুঁঠি ওপৰৰ থূপটো নাভিৰ কাষত খুচি লয়। তলৰ ফালটো দু-ভৰিৰ পতা চুই ওলমি থাকে। প্ৰতিটো খোজতে ওলমি থকা ধুতিৰ গুঁঠনিটোৱে সোঁৱে-বাঁৱে কোবাই থাকে। একধৰণৰ গহীন অথচ লেহেমীয়া নোহোৱা খোজেৰে সদায় এটা গতিত ভ্ৰমণ কৰে।

হাটীসত্ৰৰ বিশাল মাটি-জমি, বাৰী-বস্তিৰ তদাৰকৰ উদ্দেশ্যে প্ৰাতঃভ্ৰমণলৈ যোৱা সত্ৰাধিকাৰ প্ৰভুক প্ৰাতসতে বৃদ্ধ-বৃদ্ধা, আদহীয়া, কিশোৰ-কিশোৰী আনকি জ্যেষ্ঠজনক অনুসৰণ কৰা শিশুসকলেও কেঁচা মাটিৰ আলিবাটত আঁঠুকাঢ়ি সেৱা জনোৱা দৃশ্য অতি আধ্যাত্মিকতাৰে ভৰা একো একোটা স্মৰণীয় পৰিৱেশ। বৃহত্তৰ শুৱালকুছিৰ উপৰিও বংশৰ-বাথানৰ খেতি-বাতি চোৱা, তদাৰকী কৰা কাৰ্য নিত্য-নৈমিত্তিক কৰ্মৰ তালিকাত আছিল। ভকতসকলে বাটত সেৱা কৰা সময়ত তেৰাই নিজৰ বাঁওহাতখনেৰে সোঁহাতৰ কিলাকুটিত ধৰে আৰু সোঁহাতখন আগবঢ়াই সেৱা গ্ৰহণ কৰে আৰু আশীৰ্বাদ দিয়ে 'কুশল হওঁক' বুলি। প্ৰথম দৰ্শনতেই আকৰ্ষণ কৰি মন মুহিব পৰা এই ব্যক্তি গৰাকীয়েই হ'ল সাধু লক্ষ্মীকান্ত মহন্ত।

জীৱই জীৱন ধাৰণ কৰে। ব্যক্তিত্বই জীৱনক মহত্ব প্ৰদান কৰে, মহীয়ান কৰে।

এইগৰাকী সন্তই ইংৰাজী ১৮৮৯ চনত (১২৯৬ ভাস্কৰাব্দ) জন্মগ্ৰহণ কৰিছিল। তেখেত আছিল পঢ়ীয়া মাধৱ আতাৰ পুত্ৰ মুৰাৰী আতাৰ বংশধৰ। তেখেতৰ পিতৃৰ নাম বালেক ৰাম মহন্ত আৰু মাতৃৰ নাম প্ৰতিমা বালা মহন্ত। তেখেতৰ জ্যেষ্ঠ ভাতৃ কীৰ্তিৰাম মহন্ত আৰু কনিষ্ঠ ভাতৃ মাধৱ চন্দ্ৰ মহন্ত।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ সাধু বুদৰাম মহন্তদেৱৰ আধ্যাত্মিক জ্ঞানৰ সাগৰ সদৃশ জীৱনৰ বয়স ভটিয়াবলৈ ল'লে। তেতিয়া হাটীসত্ৰত ডেকা

অধিকাৰ এজন পতাৰ আৱশ্যকতা অনুভৱ কৰি তেৰাৰ অভিপ্ৰায় ভকত-শিষ্যকে আদি কৰি ৰাইজৰ আগত ব্যক্ত কৰিলে। সেই অনুসাৰে ভকতসকলে হাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰৰ বাবে এজন সন্ত সাধুৰ অনুসন্ধানত লাগিল। শেষত শুৱালকুছি গাঁওৰ মাজতে চাৰিখুঁটাত (কলিতা মন্দিৰ) এইগৰাকী সন্ত সাধুৰ সন্ধান পালে আৰু শান্ত-শিষ্ট ধৰ্মপ্ৰাণ ডেকা লক্ষ্মীকান্ত মহন্তক ভকতসকলে বুদ্‌ৰাম সত্ৰাধিকাৰৰ ওচৰলৈ আনে। কিছুদিন লক্ষ্মীকান্ত মহন্তক হাটীসত্ৰত ৰাখি বুঢ়া অধিকাৰে তেৰাৰ স্বভাৱ চৰিত্ৰ আচাৰ-নীতিৰ বুজ লৈ হাটীসত্ৰত স্থায়ীকৈ ৰাখিলে। এইহেন বাক্‌সিদ্ধ বুদৰাম সত্ৰাধিকাৰৰ সঙ্গ পাই তেৰাৰ মন আধ্যাত্মিকতাৰ ফালে ঢাল খালে আৰু গৃহস্থী এৰি উদাসীন হৈ থকাৰ সংকল্প ল'লে। তেতিয়াৰে পৰাই বুঢ়া অধিকাৰে তেৰাক শৰণ-ভজন দিয়াই শিক্ষা দিয়াৰো সু-ব্যৱস্থা কৰি দিলে। বুঢ়া অধিকাৰৰ দয়া, মৰম, যত্ন আৰু আশীৰ্বাদত তেৰাই শিক্ষাত বুৎপত্তি লাভ কৰাৰ উপৰি সকলো শাস্ত্ৰতে পাৰ্গত হ'ল। উপযুক্ত গুৰুৰ যেন উপযুক্ত শিষ্য।

সাধু বুদৰাম সত্ৰাধিকাৰে শিক্ষা-দীক্ষা আৰু আধ্যাত্মিক জ্ঞান দিয়াৰ উপৰি তেখেতক হাটীসত্ৰৰ এজন সুদক্ষ, উপযুক্ত সত্ৰাধিকাৰ হিচাপে তৈয়াৰ কৰাৰ ক্ষেত্ৰতো অহোপুৰুষাৰ্থ কৰিছিল। লক্ষ্মীকান্ত সত্ৰাধিকাৰদেৱেও সত্ৰৰ নাম-প্ৰসঙ্গ, আচাৰ-নীতি, আলহী তথা ভকত-শিষ্যক সোধপোচ কৰা আদি সকলোফালে নিজকে সুনিপুণ কৰি গঢ়ি তুলিবলৈ যত্নপৰ হৈছিল আৰু এগৰাকী সত্ৰাধিকাৰ হোৱাৰ যোগ্যতা অৰ্জন কৰিছিল। তথাপিও বুঢ়া অধিকাৰদেৱে তেখেতক সুবিধা বুজি পৰীক্ষা কৰিছিল।

এদিনৰ কথা। বুঢ়া সত্ৰাধিকাৰে লক্ষ্মীকান্ত মহন্ত বাপক ব্ৰহ্মপুত্ৰৰ পাৰত সত্ৰৰ নাও বন্ধা কাম চাবলৈ ক'লে আৰু তেৰাইও গুৰু-আজ্ঞা পালন কৰি ব্ৰহ্মপুত্ৰৰ পাৰলৈ গ'ল। কাম চাই-চিতি দিহা-পৰামৰ্শ দিওঁতে ভালেমান পৰ তাত ৰ'বলগীয়া হৈছিল। এনে সময়তে এজন বামুণে ক'ৰবাৰ পৰা ঘূৰি আহি টালি-টোপোলা থৈ গা-ধুবলৈ বুলি নৈত নামিল। গা-পা ধুই দুপৰ হোৱাত জলপান খাবলৈ বহিল আৰু খাই বৈ ঘৰমুৱা হ'ল। কিছুদূৰ গৈ বামুণে টোপোলা খুলি দেখে যে এটা টোপোলা তাত নাই। সেই টোপোলাত পইচাও ভালেখিনি আছিল। তেওঁ দৌৰা-দৌৰিকৈ নৈৰ পাৰ পালেহি। ইতিমধ্যে লক্ষ্মীকান্ত বাপে নাওৰ কাম চাই ফুৰোঁতে টোপোলা এটা দেখি, তাক এৰি গ'লে কোনোবাই নিব বুলি ভাবি বালিত গাঁত খান্দি পুতি থ'লে আৰু ৰখি থাকিল। এই সময়তে বামুণে আহি কন্দাকটা কৰি সকলো কথা বিৱৰি ক'লে আৰু তাত টকাৰ টোপোলাটো এৰি যোৱাৰ কথাও ক'লে। বামুণৰ কথা শুনি লক্ষ্মীকান্ত বাপে বালি খান্দি চাবলৈ ক'লে। বালি খান্দি চাই বামুণে টকাখিনি সমুদায় পাই



আনন্দ পালে আৰু ভক্তিত গদ্‌গদ্ হৈ পঞ্চাশটি টকা লক্ষীকান্ত বাপক যাচিলে। তেতিয়া বাপে গুৰু-আজ্ঞা অবিহনে টকা ল'ব নোৱাৰিব বুলি কোৱাত বামুণে বাপৰ স'তে সত্ৰ আহি পালেহি আৰু সত্ৰাধিকাৰ বুদৰাম মহন্ত বাপৰ আগত সকলো কথা ফহিয়াই ক'লে আৰু কিছু টকা যাচিলে। সত্ৰাধিকাৰে টকা লোৱা দূৰৰে কথা, বামুণক ভালদৰে আদৰ-আপ্যায়ন কৰি বিদায় দিলে। এই ঘটনাৰ পিছৰে পৰা লক্ষ্মীকান্ত মহন্ত বুঢ়া অধিকাৰ বুদৰাম মহন্তদেৱৰ অতি প্ৰিয় পাত্ৰ হৈ পৰিল।

লাহে লাহে বুঢ়া সত্ৰাধিকাৰ বুদৰাম বাপৰ ৯৫ বছৰ হ'ল আৰু সাধু লক্ষ্মীকান্ত মহন্ত বাপৰো জীৱনৰ শ্ৰেষ্ঠতম অধ্যায় আৰম্ভ হ'ল। বুঢ়া অধিকাৰে ভকত, শিষ্য আটাইকে মাতি সমাজ পাতি নিজৰ দেহৰ বাৰ্ধক্য আগমন আৰু এজন ডেকা সত্ৰাধিকাৰৰ প্ৰয়োজনৰ কথা ক'লে। তেতিয়া আটাইসকল ভকতে একেমুখে লক্ষ্মীকান্ত মহন্তৰ নাম প্ৰস্তাৱ কৰিলে আটাইৰে সমৰ্থনত এদিন শুভক্ষণত সত্ৰত হৰিনাম কীৰ্তন কৰি, প্ৰসাদ-নিৰ্মালি গ্ৰহণ কৰি সমূহ ভকত বান্ধৱৰ আগত লক্ষ্মীকান্ত মহন্তক ডেকা সত্ৰাধিকাৰ হিচাপে ঘোষণা কৰিলে; লক্ষ্মীকান্ত মহন্তৰ শিৰত মালা পিন্ধালে। ৰাইজে জয়ধ্বনি কৰিলে। লক্ষ্মীকান্ত বাপে ৰাইজৰ আগত হাতযোৰ কৰি, মালা পিন্ধি ডেকা সত্ৰাধিকাৰৰ দায়িত্ব গ্ৰহণ কৰিলে। বুঢ়া অধিকাৰে সত্ৰৰ সকলো কামৰ ভাৰ ডেকা সত্ৰাধিকাৰৰ হাতত অৰ্পণ কৰিলে। তেতিয়াৰে পৰা সাধু লক্ষ্মীকান্ত মহন্ত উদাসীন সত্ৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ, শুৱালকুছিৰ ডেকা অধিকাৰৰ পদত অধিস্থিত হ'ল, গুৰুভাৰ গ্ৰহণ কৰিলে।

লাহে লাহে বুঢ়া অধিকাৰৰ বয়স বাঢ়িবলৈ ধৰিলে আৰু লক্ষ্মীকান্ত ডেকা সত্ৰাধিকাৰৰো দায়িত্বৰ ভাৰ গধুৰ হ'বলৈ ধৰিলে। তেৰাৰ জীৱনৰ মধুৰতম আৰু গধুৰতম অধ্যায় আৰম্ভ হ'ল। বুঢ়া সত্ৰাধিকাৰৰ বয়স ১১৫ বছৰ হ'ল। তেতিয়া ডেকা সত্ৰাধিকাৰক সত্ৰ আৰু বাহাৰ সমস্ত দায়িত্ব অৰ্পণ কৰাৰ উদ্দেশ্যে পুনৰবাৰ ভকত গোটাই সত্ৰত নাম-প্ৰসঙ্গ কৰি সত্ৰৰ সৰ্বতোপ্ৰকাৰৰ মুৰব্বী পাতিবলৈ সভা পাতিলে আৰু তাত বুঢ়া সত্ৰাধিকাৰ বুদৰাম মহন্তদেৱে লক্ষ্মীকান্ত মহন্তক ধৰ্মৰ মালা প্ৰদান কৰি ক'লে, "আজি আমাৰ ধৰ্মৰ মালা লক্ষ্মীকান্ত বাপাৰ মূৰত দিলো। আজি ইমান দিনে তোমালোকে আমাক যেনেকৈ মান-সৎকাৰ কৰি কৃতাৰ্থ কৰিছা, তেনেকৈ আজিৰ পৰা আমাৰ প্ৰিয় শিষ্য লক্ষ্মীবাপাক মান-সৎকাৰ কৰি হাটীসত্ৰৰ গৌৰৱ ৰক্ষা কৰিবা।" (পুথি — সাধু বুদৰাম মহন্ত, লেখক - হৰমোহন দাস)। লক্ষ্মীকান্ত মহন্তই ৰাইজৰ ওচৰত আঁঠু লৈ গুৰুমালা মূৰত ল'লে। ৰাইজে জয়ধ্বনি দি আনন্দ আৰু আত্মসন্তুষ্টি প্ৰকাশ কৰিলে। তেতিয়াৰ পৰাই ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ সত্ৰাধিকাৰ হৈ লক্ষ্মীকান্ত মহন্তদেৱে কাৰ্য চলাবলৈ ধৰিলে। জীৱনৰ অতি গুৰুত্বপূৰ্ণ

আৰু দ্বিতীয়টো অৰ্থাৎ শেষৰটো গুৰুভাৰ কান্ধ পাতি লৈ নিজৰ ভাৱ-ভক্তি, মৰম-চেনেহেৰে শিষ্য-ভকতসকলৰ স'তে নামধৰ্মত সৰ্বতোপ্ৰকাৰে ৰত হ'ল। তেতিয়াৰে পৰাই লক্ষ্মীকান্ত সত্ৰাধিকাৰৰ মহান ব্যক্তিত্বই পাহ মেলিবলৈ ল'লে।

লক্ষ্মীকান্ত সত্ৰাধিকাৰ নামে-ধামে, কামে-কাজে, দেখনে-শুৱনে লক্ষ্মীকান্ত। বুঢ়া সত্ৰাধিকাৰ সাধু বুদৰাম মহন্তদেৱৰ প্ৰয়াণৰ পিছত তেৰাৰ পৰা পোৱা শিক্ষাৰে মাটি-জমি, খেতি-বাতিত অধিককৈ মনোনিৱেশ কৰিবলৈ ল'লে আৰু লখিমী হাতৰ পৰশ পোৱাৰ দৰে ধনে-ধানে হাটীসত্ৰ ভৰি পৰিল।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ প্ৰাঙ্গণৰ মাটি-বাৰীৰ বাহিৰেও হাটীৰ বাৰী বা বাহাৰ বাৰীৰ (বৰ্তমানৰ বুদ্‌ৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়) ৪২ বিঘা মাটি, বাথানৰ নৈ-পৰীয়া (নাথ চুবা) প্ৰায় ৮০ বিঘা, শুৱালকুছিৰ উত্তৰে বংশৰৰ বৃহৎ এলেকা আগুৰি (সৰু খাৰা, বৰ খাৰা) বৰ্তমানৰ প্ৰেক্ষাগৃহকে ধৰি সমগ্ৰ এলেকাটোতে ৮০/৯০ বিঘা মাটি সত্ৰৰ খেতিৰে ভৰা আছিল। ভিতৰৰ এফালে কুঁহিয়াৰৰ খেতি। এই সকলো খেতি-খোলা, মাটি-বাৰী তেৰাই তদাৰক কৰিছিল প্ৰতিদিনে বোৱাৰী পুৱাতে কৰা প্ৰাতঃভ্ৰমণত। বিভিন্ন জাতৰ ধানে সমস্ত পথাৰখন সোণবৰণীয়া কৰি তুলিছিল। ধান কটাৰ সময়ত শুৱালকুছিৰ উত্তৰ ফালৰ কেবাখনো গাঁওৰ পৰা মানুহ আনি পাৰাবাসীৰ লোকৰ সহযোগত ধান চপাইছিল। শাৰী পাতি ধানৰ ডাঙৰিবোৰ কঢ়িয়াই অনা দৃশ্য অতি মনোমোহা আছিল। সত্ৰৰ উত্তৰ ফালৰ বাৰান্দা, পূব দিশৰ ঘৰটো আৰু বাহাৰ বাৰান্দাৰ একাংশৰ উপৰি চোতালৰ বহুখিনি ঠাই আগুৰি ধানৰ ডাঙৰি ঠাহ খাই আছিল। সন্ধিয়াৰ পৰা ভালেমান ৰাতিলৈকে মৰণা মাৰি লগুৱা সেৰক আৰু চুবুৰিৰ দুই-চাৰিজন সেৰকে মৰণা মৰাত সহযোগিতা কৰিছিল। কামৰ শেষত গীত-পদ গাই, খোৱা-বোৱা কৰা ঘটনাবোৰ সত্ৰৰ চৌহদৰ বাসিন্দাসকলৰ চকুত যেন এতিয়াও ভাঁহি আছে। ধান কাটি থৈ যোৱা মানুহবোৰক সন্ধিয়া খুৱাই-বুৱাই পইচা-পাতি দিয়াৰ উপৰি প্ৰতিজনকে এযোৰকৈ নাৰিকল দিয়াটো সত্ৰাধিকাৰৰ নিত্য-নৈমিত্তিক কৰ্ম আছিল। উল্লেখ কৰিব পাৰি যে চিলিং এক্টত এই মাটিবোৰ যোৱাৰ বেলিকা বংশৰৰ ৫৬ বিঘা মাটি শুৱালকুছিৰ ২৮ জন ব্যক্তিয়ে সমবায় পাতি সমবায়ৰ নামত লৈছিল।

বৰ্তমান বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় আৰু ইয়াৰ আশে-পাশে থকা সত্ৰৰ প্ৰকাণ্ড এলেকাটোক হাটীৰ বাৰী বা বাহাৰ বাৰী বুলি কোৱা হৈছিল। নানা বিধ সৰু-ডাঙৰ গছৰ ফলেৰে এই বাৰীখন গিজ্‌গিজাই আছিল। আম, কঠাল, জাম, আমলখি, হৰিফল, জলফাই, অমৰা, শিলিখা, ঔ-টেঙা, তেতেলি, বেল, টেপৰ, কৰদৈ, মধুৰিআম, অমিতা আদি বিভিন্ন ফল লমালমে লাগিছিল আৰু ভকতবৎসল



লক্ষ্মীকান্ত সত্ৰাধিকাৰ বাপে সেই ফল পাৰি অনাই নামঘৰত ফলৰ পাচি আগবঢ়াই (ঈশ্বৰৰ চৰণত) ভকতক দিয়াৰ উপৰি চুবুৰীয়াৰ ঘৰে ঘৰে বিলাই দিছিল। দূৰণিৰ ভকত-শিষ্য আহিলেও আগবঢ়াই দিছিল। বিশেষকৈ আমতিৰ (অম্বুবাচী) দিনাখন আটায়ে সেই ফলৰ সোৱাদ পাইছিল। আনহাতে সত্ৰৰ বাৰীত থকা কৰদৈ, ৰবাবটেঙা, বগৰী, লিচু, মধুৰিআম, আম, আদি তেৰাই পুৱা গাধোৱাৰ আগে আগে বাৰীৰ চাৰিওফালে থকা গৃহস্থীবোৰৰ কিশোৰ-কিশোৰীহঁতক নাম ধৰি ধৰি মাতি ভোটেৰাৰ বেৰ পাৰ কৰি দলিয়াই দিছিল। সেই দৃশ্য, সেই ফলৰ সোৱাদ আমি আজিও পাহৰিব পৰা নাই। চুবুৰিৰ চেঙেলীয়া ল'ৰাহঁতক মৰম কৰি মাতি আনি সত্ৰৰ লাচনি-পাঁচনি কৰাই — কোমল চাউল, দৈ, গুৰ মিঠাই, জলপান, সময় সাপেক্ষে ভাত-পানীও খুৱাইছিল। সুবিধা বুজি ল'ৰাহঁতেও সত্ৰাধিকাৰৰ বগা-মঙহাল দেহটো পিহি-পিটিকি দিছিল; ল'ৰাহঁতেও আনন্দ পাইছিল। সেই সময়তে তেৰাৰ অনুগ্ৰহত চেমনীয়াসকলে গঠন কৰিলে এটি গুৰ্খাদল (গৰখীয়া দল)। তেৰাৰ উদ্দেশ্য আছিল সৰুৰে পৰাই ধুতি-নীতি, সত্য, শুচিতা, আচাৰ-ব্যৱহাৰ, গীত-মাত, খোল-তাল, ঘোষা-কীৰ্তন আদিৰ প্ৰতি সেই চেমনীয়া বা ডেকাসকলৰ ধাউতি বঢ়োৱা। শঙ্কৰ গুৰুৰ আদৰ্শ তেৰাৰ শিৰৰ মুকুট — 'কৰিও কুমাৰ কালে ভাগৱত ধৰ্ম।' (কীৰ্তন)।

তেখেত নাম-প্ৰসঙ্গত অতিকৈ পাৰ্গত আছিল। কণ্ঠস্বৰ সুমধুৰ, গহীন অথচ উদাত্ত, সেই সময়ৰ লোকৰ মতে 'হংসৰাও'। তেখেতৰ স'তে নাম-প্ৰসঙ্গ কৰি ভকতে বৰ আনন্দ পাইছিল আৰু বাটৰুৱা শ্ৰোতায়ো ৰৈ ৰৈ শুনিছিল। গলগলীয়া মাতেৰে নামঘৰত অতি সুমধুৰ স্বৰেৰে তেখেতে চৰিত্ৰ পাঠ কৰিছিল। ব'হাগমহীয়া আৰু মাঘমহীয়া দোমাহীতো (বিহু) চোতাল ভৰি থকা ভকত-ভকতনীসকলক অতি সুললিত কণ্ঠেৰে চৰিত্ৰ শুনাইছিল।

লক্ষ্মীকান্ত সত্ৰাধিকাৰদেৱৰ স্মৃতিশক্তি অত্যন্ত প্ৰখৰ আছিল। এদিন কাৰোবাক দেখিলে, নামটো জানি ল'লে কেতিয়াও নাপাহৰিছিল। কোন ভকত কিমান দিন নামঘৰলৈ অহা নাই, সেই হিচাপ তেৰাৰ আঙুলিৰ মূৰত আছিল। দুই-তিনি দিন নামঘৰলৈ নহাকৈ থাকিলে আনক সুধিয়েই ক্ষান্ত নাথাকি নিজে ভকতৰ পদূলিলৈ গৈ পদূলিৰ পৰা গেৰি পাৰি (চিঞৰি) মাতি আনি নামঘৰলৈ নোযোৱাৰ কাৰণ সুধিছিল আৰু ঘৰুৱা খা-খবৰ লৈছিল। মহাপুৰুষ তিনিওগৰাকীৰ কীৰ্তনত (শঙ্কৰদেৱ, মাধৱদেৱ আৰু মথুৰাদাস বুঢ়া আতা) নামঘৰৰ তিনিওফালৰ বাৰান্দা আৰু চোতালৰ কিয়দংশ মানুহেৰে ঠাহ খাই থকা অৱস্থাত সকলো ভকতকে নিজ হাতেৰে প্ৰসাদ বিতৰণ কৰিছিল, জানোচা কোনোবা ৰৈ যায়! স্মৃতি শক্তিৰ প্ৰখৰতাৰ

তাৰণাতে গম পাইছিল — কাৰ ঘৰৰ কেইজন লোক নামঘৰলৈ আহিল কিম্বা নাহিল। সেয়েহে ঠাইতে সোধপোচ কৰি নহা পৰিয়ালৰ বাবে এমুঠি সৰহকৈ দিছিল। প্ৰসাদৰ ডাঙৰ চৰিয়াটো পেটত তুলি লৈ বাওঁহাতেৰে ধৰি সোঁহাতেৰে প্ৰসাদ বিতৰণ কৰা সময়ত তেৰাৰ বাউসীৰ মঙহাল পেশী আৰু নিপোটল বক্ষ যুগলে যেন মনৰ সন্তোষত নৃত্য কৰিছিল।

বৃহত্তৰ শুৱালকুছিত শাক্ত, শৈৱ আৰু দামোদৰীয়া আদি কেইবাটাও পন্থৰ লোক আছে। সেই সকলো পন্থৰ লোকৰেই হাটীসত্ৰলৈ আগমন ঘটিছিল; সেৱা-সন্মান কৰি প্ৰসাদ-নিৰ্মালি গ্ৰহণ কৰিছিল। সত্ৰৰ বছৰেকীয়া অনুষ্ঠান মহাপুৰুষৰ কীৰ্তন, বৰনাম আদিত দান-বৰঙণিও দিছিল। সেই অনুসাৰে সত্ৰাধিকাৰ বাপেও সেইসকলক বিচাৰ-খোচাৰ কৰি প্ৰসাদ-নিৰ্মালি দি পঠিয়াইছিল; জলপান আৰু অন্ন ভোজনৰ বাবে নিমন্ত্ৰণ কৰিছিল। তেৰাৰ হৃদয় আছিল গুৰুবাণীৰে পৰিপূৰ্ণ —

'সমস্ত ভূতত ব্যাপি আছো মই হৰি
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।
ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল
দাতাত চোৰত যেন দৃষ্টি একতুল।।' (কীৰ্তন)

সত্ৰলৈ শৰণ-ভজন ল'বলৈ অহা ভকতক বাহাৰ বাৰীৰ পুখুৰীৰ পৰা মাছ তুলি আনি নিজে ৰান্ধি-বাঢ়ি খুৱাইছিল। ভকত-শিষ্য আদিক ভোজন কৰোৱাই তেৰাই অতি সন্তোষ পাইছিল আৰু মছলাবিহীন আঞ্জাৰ সোৱাদ (মাছেৰে বন্ধা জাতি লাউৰ আঞ্জাখন) যেন এতিয়াও ভকতৰ জিভাত লাগি আছে। এটি আচৰিত ধৰণৰ কথা — কোনো ভকতে নিজ ইচ্ছাত মাছ ধৰিবলৈ পুখুৰীত নামিলে মাছ নাপাইছিল। কিন্তু সত্ৰাধিকাৰে মাছ তুলিবলৈ আজ্ঞা কৰিলেহে মাছ পাইছিল। আকৌ বাৰিষা পথাৰত ধান কাটিবলৈ গ'লে ধান কটা মানুহবোৰক জোকে ভৰিত ধৰে। "ক'ত জোক" বুলি সত্ৰাধিকাৰ পানীত নামি গ'লে জোকে নধৰে আনকি দাৱনীহঁতৰ ভৰিতো জোকে নাকামোৰে। ফলত সুকলমে একাঠু পানীত পৰি ধান কাটি আনে। এতিয়াও জীৱিত থকা তেৰাৰ শিষ্য-প্ৰশিষ্যৰ মুখত এই কথা শুনিবলৈ পোৱা যায়।

সেই সময়ত বাহাত দুটা ম'ৰা চৰাই পুহি ৰাখিছিল। এটা হৰিণা পহুও আছিল। ইয়াৰে এটা ম'ৰা চৰাই উৰি আহি চুবুৰিৰ লোকৰ ঘৰৰ চালত পৰি পুনৰ বাহালৈ উভতি গৈছিল। হৰিণা পহুটো মুকলি মনেৰে সত্ৰত ঘূৰি ফুৰিছিল।

বাহাৰ এলেকাতে এগোহালি গৰু আছিল আৰু বাঘেশ্বৰীৰ ফালে ম'হৰ খুঁটি আছিল। সেই উভয়নদী গাখীৰেৰে ভকত-শিষ্য আৰু আলহী-অতিথিক আপ্যায়ন কৰি তেৰাই সন্তোষ লাভ কৰিছিল।



সত্ৰৰ নাম-প্ৰসঙ্গ, তেৰাৰ গুৰু তথা বুঢ়া সত্ৰাধিকাৰ বুদৰাম মহন্তদেৱৰ আৰ্হিৰে যাতে নিত্য-নৈমিত্তিকভাৱে, পৰম্পৰা প্ৰথাৰে চলি থাকে তাত তেৰাই অধিক মনোযোগ দিছিল। তেৰাৰ সুমিষ্ট কথা-বাৰ্তাই ভকতসকলক নামঘৰলৈ টানি আনিছিল। নামঘৰত তিথি-পৰ্বৰ উপৰি প্ৰায় প্ৰতি দিনে প্ৰসাদৰ শৰাই আছিল। কোনো শিষ্য বা ভকতে নিজৰ ঘৰুৱা সকাম-নিকামত নামঘৰত শৰাই আগবঢ়ালে সত্ৰৰ পৰা এটি নাৰিকল, দুমুঠিমান মগুমাহ আৰু চাউল সত্ৰাধিকাৰে "আতাৰ ভঁৰালৰ" বুলি কৈ সেই শৰাইত দি দিছিল। বাহালৈ অইন সময়ত কোনো ভকত বৈষ্ণৱে সেৱা কৰিবলৈ গ'লে এমুঠি প্ৰসাদ দিয়াটো নিয়ম আছিল।

বৰ্তমানে দেখি থকা বাহা অৰ্থাৎ সত্ৰাধিকাৰ আৰু কেৱলীয়া, উদাসীন ভকতসকল থকা ঘৰটি সাধু লক্ষ্মীকান্ত সত্ৰাধিকাৰদেৱৰ উদ্যোগতে এই আৰ্হিত সজা হৈছিল। আদিতে বুদৰাম সত্ৰাধিকাৰদেৱৰ দিনত এটি সৰু ঘৰ আছিল। এই কৰ্মৰ দ্বাৰা তেৰাৰ সত্ৰীয়া সংস্কৃতিৰে পূৰ্ণ মন এটি থকাৰ পৰিচয় পোৱা যায়।

লক্ষ্মীকান্ত সত্ৰাধিকাৰদেৱৰ বহুৰঙী ব্যক্তিত্বৰ প্ৰতি সন্মান জনাই বহুতে ৰাজহুৱা অনুষ্ঠানৰ দ্বাৰ উন্মোচনৰ কাৰণে তেখেতক আমন্ত্ৰণ জনায়, আৰু তেনে অনুষ্ঠানলৈ কেতিয়াবা ঢোলে-খোলে আগবঢ়াই নিয়ে। শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰৰ লাইখুঁটা পোতা, ল'ৰা হাইস্কুলৰ (বৰ্তমান শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়) খুঁটা পোতাৰ দৰে পবিত্ৰ কামবোৰ তেৰাৰ লখিমী হাতেৰে আৰম্ভ কৰিছিল। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে স্থাপন কৰা হাজোৰ ধোপগুৰি সত্ৰত থকা পদশিলা সময়ে সময়ে ৰাইজৰ দৰ্শনাৰ্থে উলিওৱা হয়। তেতিয়া সেই সত্ৰৰ পৰা ভকত আহি পদশিলা উলিওৱা কাৰ্যৰ শুভ উদ্বোধনৰ কাৰণে তেখেতক লৈ যায়।

সাধু লক্ষ্মীকান্ত সত্ৰাধিকাৰদেৱৰ গুৰু-সাধু-সন্তৰ প্ৰতি যেনেদৰে শ্ৰদ্ধা-ভক্তি আছিল ঠিক তেনেদৰে শিশু-চেমনীয়াসকলৰ প্ৰতিও তেৰা দয়াশীল আছিল। তাহানি ক'লেৰা ৰোগে গাঁও-ভূঁইবোৰত মহামাৰীৰ ৰূপ লৈ বহু লোকৰ প্ৰাণ হানি কৰিছিল। এবাৰ শুৱালকুছিতো ক'লেৰাই মহামাৰীৰ ৰূপ লৈছিল। বহুলোকৰ মৃত্যু হৈছিল। তেতিয়া ৰাইজে শিশুসকলক মহামাৰীৰ কবলৰ পৰা পৰিত্ৰাণ পাবলৈ বুলি সত্ৰত থৈ আহিছিল। সেইসকলক সত্ৰাধিকাৰ বাপে লগুৱা-ভকতৰ সহযোগিতাত খুৱাই-বুৱাই প্ৰতিপালন কৰি ৰাখিছিল আৰু পৰিৱেশ সুস্থ হোৱাত গৃহস্থই শিশুসকলক নিজ ঘৰলৈ লৈ গৈছিল।

গৰু খোজৰ পানীতো বিশাল আকাশ দেখাৰ লেখিয়া এটা সৰু কথা মনলৈ আহিল। সৰু হ'লেও যেন চিৰস্মৰণীয়। তেতিয়া মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মোৎসৱৰ সময়। সেই দিনৰ সভা-সমিতিবোৰত সভাপতিক আজিৰ

দৰে গামোছাৰে আদৰণি জনোৱা নহৈছিল। দুই-তিনিগৰাকী পুষ্পিতা নোহোৱা ছোৱালীয়ে হাতত এধাৰিকৈ মালা লৈ এটি বিশেষ গীত গাই গীতৰ শেষত সভাপতিৰ ডিঙিত মালা পিন্ধায়। হাটীসত্ৰৰ পুখুৰীটোৰ পাৰত এজোপা স্থলপদ্ম জক্‌মকাই ফুলি আছিল। সভাৰ দিনা দুপৰীয়া আমি দুজনী ছোৱালীয়ে ফুল আনিবলৈ সত্ৰলৈ গ'লো। বাহিৰত কাকো নেদেখি অলপ হাই-উৰুমি কৰি 'বাপ' বুলি মাতিবলৈ ধৰিলো। অধিকাৰ ওলাই অহাত আমি ফুল নিবলৈ অহা বুলি কৈ কাৰণটোও কলো। বাপে অলপ তলকা মাৰি "যা, বাৰীৰ পিছফালে যা" বুলি কৈ ভিতৰ সোমাল। আমি ছোৱালী দুজনীয়ে মন্ত্ৰমুগ্ধৰ দৰে ভয়ে ভয়ে বাৰীৰ পিছফালে থকা, আলহীয়ে খোৱা-বোৱা কৰা ঘৰটোৰ ওচৰলৈ গ'লো। মনত ভয় — বাপে বা কি শাস্তি দিয়ে! এনেতে তেৰা ওলাই আহি ক'লে, "আহ জলপান খা, যি ফুল লাগে লৈ যাবি।" তেতিয়াহে যেন আমাৰ জীউটো ঘূৰি আহিল। কাঁহৰ বাতিত দিয়া কোমল চাউল, দৈ, মিঠাইৰে জলপান খাই ফুলকেইটামান লৈ আমি দুয়োজনী ঘৰ পালোগৈ। সেই জলপানৰ এঠাদৈৰ তেল যেন আজিও মোৰ মুখত লাগি আছে। এনে ধৰণৰ বহুতো সৰু-সুৰা ঘটনাৰে ভৰা আছিল তেৰাৰ সত্ৰীয়া জীৱন —

'তাক নকহিলো পদ বাহুল্যক ডৰে।' (কীৰ্তন)

লাহে লাহে তেৰাৰ বয়স ভটিয়াবলৈ ধৰে। দেহেও যেন জিৰণি বিচাৰে। অলপ অসুখ হ'লেই ভকত-শিষ্যৰে সত্ৰৰ বাহা ভৰি পৰে। এদিন গালৈ বিষ আহিল। সত্ৰাধিকাৰ প্ৰভুৰে বিচনা ল'বলগীয়া হ'ল।

উল্লেখযোগ্য যে সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত বাপৰ কনিষ্ঠ ভাতৃ মাধৱ চন্দ্ৰ মহন্তও হাটীসত্ৰত থাকিবলৈ লৈছিল। কিছুদিন থকাৰ পিছত মাধৱ চন্দ্ৰ মহন্ত বাপে বাঘেশ্বৰী পাহাৰত উদাসীন জীৱন-যাপন কৰি থাকিবলৈ ল'লে।

ইতিমধ্যে লক্ষ্মীকান্ত সত্ৰাধিকাৰ বাপৰ দেহৰ অৱস্থা বেয়া হৈ অহাত ভকতসকলক মাতি অন্তিম সময়ত ক'লে, "এই সকলো মাধৱক গতালো।" অৰ্থাৎ তেখেতৰ উদাসীন ভাতৃ ব্ৰহ্মচৰ্য ব্ৰতত থকা মাধৱ চন্দ্ৰ মহন্তৰ হাতত অৰ্পণ কৰা বুলি ৰাইজৰ আগত ক'লে।

ইংৰাজী ১৯৬০ চনৰ (১৩৬৭ ভাস্কৰাব্দ) জেঠ মাহৰ কৃষ্ণ অষ্টমী তিথিৰ দিনা নিশা ১ বজাত লক্ষ্মীকান্ত সত্ৰাধিকাৰ বাপৰ জীৱন বন্তি নিৰ্বাপিত হ'ল। পুৰা ভকতসকলে বাঘেশ্বৰী পাহাৰৰ গৃহৰ পৰা মাধৱ চন্দ্ৰ মহন্তদেৱক মতাই আনি এই গুৰুভাৰ তেৰাৰ হাতত তুলি দিলে। সত্ৰত থকা দেউৰী বাপ গোপীকান্ত মহন্তদেৱে ধৰ্মৰ মালা তেৰাৰ শিৰত দিয়ে আৰু মাধৱ চন্দ্ৰ মহন্তদেৱেও এই গুৰুভাৰ সভক্তিৰে গ্ৰহণ কৰে।



এটা বিশাল ব্যক্তিত্ব, বৰ্ণময় অসমীয়া সত্ৰীয়া সংস্কৃতিৰে পূৰ্ণ মনৰ এটি দেহ পঞ্চভূতত বিলীন হ'ল। ঈশ্বৰ হাটীসত্ৰৰ শ্ৰী যেন ম্লান হৈ পৰিল।

এতিয়াও ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ চৌহদত সোমালে বাহাৰ বাৰান্দাত থকা নিৰ্দ্দিষ্ট আসনত তেৰা বহি থকা দৃশ্য আৰু পেটত চৰিয়াটো তুলি প্ৰসাদ বিতৰণ কৰি থকা দৃশ্যই মনৰ মাজত খুন্দিয়াবলৈ ধৰে আৰু এফাঁকি বৰগীত মনলৈ আহে —

'কালিন্দী দেখি সখি ফুটয় বুক
এঠায়ে খেলাইছিলো সে চান্দ মুখ
হৰিল নয়ন সুখ।।'

(শ্ৰীমন্ত শঙ্কৰদেৱ)

-০০০-

# শংকৰী কলা-কৃষ্টিৰ সংৰক্ষক আৰু সংবৰ্ধক হিচাপে সাধু লক্ষীকান্ত সত্ৰাধিকাৰৰ অৱদান

*উমেশ চন্দ্ৰ দাস*

'শংকৰী কলা-কৃষ্টিৰ সংৰক্ষক আৰু সংবৰ্ধক হিচাপে সাধু লক্ষীকান্ত সত্ৰাধিকাৰৰ অৱদান' শীৰ্ষক প্ৰবন্ধটি যুগুত কৰাৰ প্ৰাক্ মুহূৰ্তত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বিষয়ে চমুকৈ দুযাৰ লিখি সত্ৰখনৰ এটি চমু আভাস দাঙি ধৰাটো ভাল হ'ব।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ কোনো তথ্য-সম্বলিত প্ৰামাণিক বুৰঞ্জী পোৱা নাযায়। মাত্ৰ পণ্ডিতপ্ৰৱৰ হৰমোহন দাসদেৱৰ লিখিত আৰু ড° ভূৱন মোহন দাসদেৱৰ দ্বাৰা প্ৰকাশিত — 'সাধু বুদৰাম মহন্ত' নামৰ হাটীসত্ৰ সম্পৰ্কীয় পুথিখনকে আধাৰ হিচাপে লৈ বৰ্তমান হাটীসত্ৰৰ স্থাপিত বছৰ প্ৰায় ৩৫০ বছৰ আগৰ বুলি ঠাৱৰ কৰিব পাৰি।

বৰ্তমান বৰপেটা জিলাৰ নলনা ঠাইৰ পৰা শ্ৰীশ্ৰীনাৰায়ণ দাস ঠাকুৰ আতাৰ বংশধৰ, কানুঠাকুৰ নামৰ এজন সাধুলোক ধৰ্মপ্ৰচাৰৰ বাবে নাৰেৰে ব্ৰহ্মপুত্ৰ হৈ উজাই আহি শুৱালকুছি গাঁৱৰ ঘাটতে নাও চপাই গাঁৱৰে বয়োজ্যেষ্ঠ কেইগৰাকীমান লোকৰ মুখে গাঁওখনৰ বিষয়ে কিছু কথা জানি এই গাঁৱতে কিছুদিন থাকি লোকক শৰণ-ভজন ধৰ্ম দান কৰিবলৈ মন কৰিলে। তেখেতৰ মনোভাৱ বুজিব পাৰি গাঁওবাসীয়ে তেখেতৰ নামধৰ্ম ল'বলৈ সকলো সুবিধা কৰি দিলে। কানু ঠাকুৰেও মহাপুৰুষৰ নামধৰ্ম প্ৰচাৰ কৰিবলৈ ভাল সুবিধাই পালে। কালক্ৰমত কানু বুঢ়া ঠাকুৰৰ গুণগৰিমা দেখি গাঁৱৰ মানুহে তেখেতৰ ওচৰত শৰণ-ভজন ধৰ্ম গ্ৰহণ কৰিবলৈ ধৰিলে আৰু শুৱালকুছিৰ এগৰাকী সাধুপুৰুষ মন্মথ আতৈ তেখেতৰ ওচৰ চাপিল। দুয়োজনে একে বাহাতে থাকি গুৰুজনাৰ নামধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। তেখেতসকলৰ যত্নত আৰু ভকত তথা স্থানীয় ৰাইজৰ সহায়-সহযোগত সত্ৰখন ডাঙৰ কৰাৰ মানস কৰি সত্ৰৰ ওচৰৰে হাপাইখাইতী বুঢ়ীৰ পৰা অলপ মাটি খুজি লৈ সত্ৰখন ডাঙৰ কৰিবলৈ মন মেলিলে আৰু হাপাইখাইতী বুঢ়ীৰ সেই অলপ মাটিতে সত্ৰৰ কেৰলীয়া হাটী আৰু ভাঁজঘৰ সাজি সত্ৰৰ হাউলি শুৱনি কৰিলে। সেয়েহে



গাঁৱৰ লোকৰ মাজত আজিও প্ৰচলিত হৈ আছে 'হাপাইখাইতীৰ এহাত মাটি, তাতে পাতিলা কেউলা হাটী'। নিজে দেখা নাই যদিও সেইগৰাকী পুণ্যাত্মা হাপাইখাইতী বুঢ়ীক শ্ৰদ্ধাৰে সোঁৱৰিছিলো। সেই পুণ্যাত্মা বুঢ়ীজনীৰ অকপট দানৰ বাবেই উক্ত ভূমিতে আজি অসমৰ ভিতৰত নামজ্বলা প্ৰসিদ্ধ সত্ৰখনি প্ৰতিষ্ঠা হ'বলৈ পালে।

মহাপুৰুষৰ নামধৰ্ম প্ৰচাৰ কাৰ্যত ব্ৰতী কানু বুঢ়া ঠাকুৰ কিছুদিন পিছত বৈকুণ্ঠগামী হ'ল। বুঢ়া ঠাকুৰ বৈকুণ্ঠগামী হোৱাৰ আগতেই তেখেতৰ লগতে থাকি নামধৰ্ম প্ৰচাৰ কৰা মন্মথ আতৈৰ মূৰত 'ধৰ্ম-মালা' দি হাটীৰ সকলো দায়িত্ব অৰ্পণ কৰে। পিছত মন্মথ আতৈয়ে গুৰুৰ আদেশ মূৰ পাতি লৈ সত্ৰত দৈনিক শলা-বন্তি জ্বলাই নাম-প্ৰসঙ্গ কৰি গুৰুধৰ্মৰ পৰম্পৰা বৰ্তাই ৰাখিলে আৰু সত্ৰখনিৰ উন্নতিৰ হকে যত্নপৰ হৈ কাম কৰি গ'ল।

মানৱ জীৱন ক্ষন্তেকীয়া, জন্মিলে মৃত্যু অনিবাৰ্য। সেয়েহে মন্মথ আতৈ বৈকুণ্ঠগামী হোৱাৰ পিছত হাটীসত্ৰত ক্ৰমে — গোকুল আতৈ, নকুল আতৈ, কলাকানু আতৈ, ৰামনিধি মহন্ত আৰু হৰিজয় মহন্ত সত্ৰাধিকাৰৰ দায়িত্ব পালন কৰে।

হৰিজয় মহন্ত সত্ৰাধিকাৰ হৈ থকা সময়তে বুদৰাম মহন্ত বুলি গাঁৱৰে এজন যুৱকে শাস্ত্ৰ সম্পৰ্কে কিবা সন্দেহ থাকিলে বা কিবা গধুৰ তত্ত্ব বুজি নাপালে সত্ৰলৈ আহি সত্ৰাধিকাৰ হৰিজয় মহন্তৰ লগত আলোচনা কৰি মনৰ সংশয় দূৰ কৰিছিল। তেনেকৈয়ে তেওঁ হাটীসত্ৰৰ প্ৰতি আকৃষ্ট হয় আৰু ডেকাকালতে সংসাৰৰ প্ৰতি বৈৰাগ্য ভাৱ জাগি সত্ৰতে উদাসীনভাৱে থাকিবলৈ মন মেলিলে। অৱশেষত মাকৰ অনুমতি লৈ তেওঁ হাটীসত্ৰত হৰিজয় মহন্তৰ ওচৰত শৰণাপন্ন হৈ সত্ৰতে কেৰলীয়া ভকত হৈ থাকিবলৈ ল'লে। গুৰুৰ আদেশ মতে সত্ৰৰ সকলো দৈনন্দিন কাম কৰাৰ উপৰি পুৱাৰ পৰা গধূলিলৈ চৈধ্যপ্ৰসঙ্গ কৰি ভকতগণৰ সেৱা কৰিবলৈ ধৰিলে। ক্ৰমে দিন বাগৰি থাকিল। লাহে লাহে হৰিজয় মহন্তও বৃদ্ধ হৈ আহিল। সত্ৰৰ নিত্য কৰ্ম পৰিচালনা কৰিবলৈ তেখেতে বুদৰাম মহন্তকে ডেকা সত্ৰাধিকাৰৰ দায়িত্ব অৰ্পণ কৰিলে। বুদৰাম মহন্তই নাম-প্ৰসঙ্গকে আদি কৰি সত্ৰলৈ অহা ভকতগণৰ সেৱা-শুশ্ৰূষা আৰু সত্ৰৰ উন্নতিৰ হকে সত্ৰৰ বাহিৰে-ভিতৰে থকা সকলো কাম সুচাৰুৰূপে সমাধা কৰি ৰাইজ তথা ভকতবৃন্দৰ মাজত এজন সফল ডেকা সত্ৰাধিকাৰ হিচাপে বিবেচিত হ'ল।

এদিন এটি সৰু কথাতে বুঢ়া অধিকাৰ হৰিজয় মহন্তদেৱে বুদৰাম মহন্তক ডেকা সত্ৰাধিকাৰৰ নীতি ভঙ্গ কৰা অভিযোগত সত্ৰত থাকিব নোৱাৰিব বুলি কোৱাত বুদৰাম মহন্তই গুৰু বাক্য শিৰোধাৰ্য কৰি হাটীসত্ৰৰ পৰা ওলাই গৈ গাঁৱৰে পোৱাভিঠি সত্ৰত থাকিবলৈ ল'লে। পিছত বৰসত্ৰৰ সমাজে তেখেতক বৰসত্ৰলৈ

আদৰি আনে আৰু তেতিয়াৰে পৰা বৰসত্ৰতে থাকি সত্ৰখনৰ উন্নতিৰ হকে কাম কৰে। তেওঁৰ সুকীৰ্তি হৰিজয় মহন্তদেৱৰ কাণত পৰাত তেখেতে বৰ আনন্দ অনুভৱ কৰে। আচলতে বুদৰাম মহন্তক হাটীসত্ৰত থাকিব নোৱাৰে বুলি কৈ তেওঁৰ গুৰুভক্তি আৰু সততাৰ পৰীক্ষাহে চাইছিল বুঢ়া অধিকাৰে।

বৃদ্ধ হৰিজয় মহন্তৰ গাটো এদিন অৱশ যেন অনুভৱ হোৱাত বুদৰাম মহন্তক বৰসত্ৰৰ পৰা নিমন্ত্ৰণ কৰি আনিবলৈ কেইজনমান ভকত পঠিয়ালে। ভকতবৃন্দই বুদৰাম মহন্তৰ অনুমতি সাপেক্ষে ঢোল, খোল, ঘোষা-প্ৰসংগ কৰি সমদলে তেখেতক হাটীসত্ৰলৈ আদৰি আনিলে আৰু বুঢ়া অধিকাৰ হৰিজয় মহন্ত বাপে বুদৰাম মহন্তক সত্ৰৰ বুঢ়া অধিকাৰৰ দায়িত্ব অৰ্পণ কৰি মূৰত ধৰ্ম-মালা নিৰ্মালি প্ৰদান কৰে। বুদৰাম মহন্ত বুঢ়া অধিকাৰ হোৱাৰ সাতদিনৰ মূৰত হৰিজয় মহন্ত বাপৰ বৈকুণ্ঠপ্ৰয়াণ হয় আৰু তেতিয়াৰে পৰা বুদৰাম মহন্ত বুঢ়া অধিকাৰ হিচাপে সত্ৰৰ সমস্ত দায়িত্ব পালন কৰি সত্ৰৰ উন্নতি সাধন কৰিবলৈ ধৰে। বুদৰাম মহন্ত বুঢ়া অধিকাৰদেৱৰ কৰ্মত বহুতো ঐশ্বৰীক শক্তি প্ৰকাশ পাইছিল। তেখেত এজন বাক্‌সিদ্ধ পুৰুষো আছিল। জীৱ মাত্ৰতে দয়া, নামত ৰুচি, ঈশ্বৰত ভক্তি আৰু নামধৰ্ম যাতে সমাজত বহুলভাৱে প্ৰচাৰ হয় তাৰ বাবে তেখেতে অহৰহ চিন্তা কৰিছিল। এই সকলো গুণৰ বিকাশ নিজৰ কাৰ্যকলাপ আৰু সৰু সৰু কৰ্মৰ দ্বাৰা প্ৰকাশ পাইছিল। তেখেতৰ জীৱনত বহুতো আচৰিত আৰু অলৌকিক ঘটনা হোৱা বুলি জানিব পাৰি।

লাহে লাহে বুদৰাম মহন্ত বাপৰ বয়স বাঢ়ি আহিল। সত্ৰখন চোৱা-চিতা কৰাৰ বাবে এজন ডেকা অধিকাৰ পতাৰ প্ৰয়োজন হ'ল। ভকতসকলেও সেই কথাটো জানিব পাৰি লক্ষীকান্ত মহন্ত বুলি এজন শান্ত-শিষ্ট সাধু ল'ৰাক বুঢ়া অধিকাৰৰ ওচৰলৈ লৈ আহে। বুঢ়া অধিকাৰে তেওঁক দুই-চাৰিদিন সত্ৰত ৰাখি তেওঁৰ স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰ প্ৰত্যক্ষ কৰি সন্তুষ্ট হৈ স্থায়ীভাৱে সত্ৰত ৰখাটো স্থিৰ কৰিলে। বুঢ়া অধিকাৰে তেওঁক শৰণ-ভজন দি সত্ৰ সম্পৰ্কীয় সকলো দিহা-পৰামৰ্শ দিলে। লক্ষীকান্ত মহন্ত বাপেও বুঢ়া অধিকাৰৰ দিহামতে চলি তেওঁৰ অনুগ্ৰহত সত্ৰত নাম-প্ৰসঙ্গকে ধৰি সকলো শাস্ত্ৰত পাৰ্গত হৈ উঠিল। গুৰুৰ আদেশ পালন কৰাই তেখেতৰ জীৱনৰ ব্ৰত হৈ পৰিল।

সময় অতিবাহিত হোৱাৰ লগে লগে ক্ৰমে বুদৰাম মহন্তও বুঢ়া হৈ আহিল। তেতিয়া তেখেতৰ বয়স ১১৫ বছৰ। ক্ৰমে ক্ৰমে শৰীৰ পৰি আহিব ধৰিলে। সেয়েহে তেখেতে সত্ৰৰ দায়িত্ব এজন যোগ্য ব্যক্তিক অৰ্পণ কৰিবলৈ সিদ্ধান্ত কৰি এদিনাখন এখন পালনামৰ আয়োজন কৰি ভকতবৃন্দক বোলান দিলে। নাম-প্ৰসঙ্গৰ পিছত বুঢ়া অধিকাৰে ৰাইজক সম্বোধন কৰি ক'বলৈ ধৰিলে, "বাপুসকল আমাৰ



বয়স ভাটি দিলে, এই দেহা এৰিবলৈ কেতিয়া আদেশ আহে একো ঠিকনা নাই। সুস্থ শৰীৰ থাকোঁতেই সত্ৰৰ এজন মুৰব্বী পাতিলে ভাল হয়। আমাৰ মনেৰে শ্ৰীলক্ষীকান্ত বোপায়ে এই ভাৰ গ্ৰহণৰ বাবে উপযোগী হ'ব। গতিকে আজি আমাৰ বাপু শ্ৰীলক্ষীকান্ত মহন্তৰ মূৰতেই এই মালা-নিৰ্মালিখিনি অৰ্পণ কৰিলো। ইয়াৰ পিছত লক্ষীকান্ত বোপাইকে মান-সৎকাৰ কৰি হাটীসত্ৰৰ গৌৰৱ ৰক্ষা কৰিব চলিবা।" লক্ষীকান্ত মহন্ত বাপে আঁঠুলৈ গুৰুমালা মূৰত ল'লে। তেতিয়াৰে পৰা লক্ষীকান্ত সত্ৰৰ ডেকা সত্ৰাধিকাৰ বুলি ঘোষণা কৰা হ'ল।

লক্ষীকান্ত মহন্ত দেখিবলৈ সুশ্ৰী পুৰুষ আছিল। তেখেত ওখ-পাখ, দীঘল নাকৰে সৈতে পিন্ধন-উৰণত অতি পৰিপাটি আছিল। তেখেতে ধুতিখন সদায় গুঠি লৈ পিন্ধিছিল। নাম-প্ৰসঙ্গ আদিও অতি শুৱলা আছিল। তেখেতে প্ৰসঙ্গৰ পিছত চৰিত্ৰপাঠ কৰাত ইমান ভাল সুৰ দিছিল যে ভকতসকলে খুব মনোযোগ দি শুনিছিল আৰু বৰ আনন্দ লাভ কৰিছিল। লক্ষীকান্ত মহন্ত সত্ৰাধিকাৰ হোৱাৰ পিছত সত্ৰৰ নামঘৰ, বাহা আৰু হাটীৰ বাৰী (বৰ্তমান যি ঠাইত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়খন স্থাপন হৈছে।) আদি সদায় ৰাতিপুৱা উঠিয়ে নিজ চকুৰে চাই-মিলি পৰীক্ষা কৰি আহিছিল।

এদিনৰ কথা, হাটীৰ বাৰী চাবলৈ যাওঁতে মাহতলী বাৰীৰ ফালে কোনোবাই বাঁহ কাটি থকা যেন অনুমান হৈ মহন্ত বাপে কোন মানুহে বাঁহ কাটিছে বুলি আগবাঢ়ি গ'ল। গৈ দেখিলে সঁচাকৈয়ে এজন ব্যক্তিয়ে মাহতলী বাৰীত বাঁহ কাটি আছে। তাকে দেখি বাপৰ ভীষণ খং উঠিল আৰু ওচৰলৈ গৈ মানুহজনক সুধিলে 'হেৰা ভৰালী তুমি বাঁহ কিয় কাটিছা'? খঙৰ কোবত মহন্ত বাপে এডাল এচাৰি হাতত লৈ তেওঁলৈ বুলি এটা কোব মাৰিলে। ভাগ্যে কোবটো ভৰালীৰ গাত নপৰিল। তাৰপৰা আহি তেওঁ সত্ৰৰ এজন লোকৰ দ্বাৰাই মোৰ পিতৃক সত্ৰলৈ মাতি পঠিয়ালে। পিতাই সত্ৰলৈ গৈ বাপক সেৱা জনাই শুধিলে 'বাপ আমাক কিয় বা মতা হ'ল?' তেতিয়া সত্ৰাধিকাৰে ক'লে, 'ফতিক আজি মোক খং নামৰ চণ্ডালে চুলে। খঙৰ বশৱৰ্তী হৈ মই ভৰালীক এচাৰিৰে কোব এটা মাৰিলো। বাহাৰ বাৰীত বাঁহ কটা অপৰাধত। গতিকে এইটো মোৰ পাপ হ'ল। তুমি গৈ ভৰালীক মই মতা বুলি কোৱা।' সত্ৰাধিকাৰ প্ৰভুৰ আদেশ মানি পিতাই ভৰালীক মাতি আনিলে। সত্ৰাধিকাৰে ভৰালীক ক'লে — 'ভৰালী তুমি বাঁহ কটা দেখি মোৰ বৰ খং উঠি তোমালৈ বুলি এচাৰিৰে কোব এটা মাৰিছিলো। যিহেতু বাঁহাৰ সম্পত্তি ৰাইজৰ সম্পত্তি। পিছে মোক খং নামৰ চণ্ডালে চুলে। গতিকে এতিয়া তুমি বাহাৰ পিছফালে গৈ গা-পা ধুই লোৱা আৰু তুমি আজি সত্ৰতে ভাত খাবা। তুমি নাখালে ময়ো আজি লঘোণে

থাকিম। লগে লগে ভৰালীয়ে সত্ৰাধিকাৰক সেৱা জনাই প্ৰভুৰ কথামতে গা-পা ধুই আহি পুনৰ সেৱা জনাই দুয়ো একেলগে ভাত খালে।

আন এদিনাখনৰ কথা, সত্ৰাধিকাৰ প্ৰভু তেতিয়া ডেকা সত্ৰাধিকাৰ। বাহাৰ নাও এখন ব্ৰহ্মপুত্ৰৰ পানী যুৰলিত বান্ধি থোৱা আছিল। এনেতে এজন ব্ৰাহ্মণে ক'ৰবাৰ পৰা ভিক্ষা কৰি আহি সেই ঘাটতে উঠিল আৰু বস্তু-বাহিনীখিনি নমাই সামৰি লৈ ঘৰলৈ বুলি খোজ ল'লে। ডেকা সত্ৰাধিকাৰ প্ৰভুৱে দেখিলে ব্ৰাহ্মণজনে ততাতৈয়াকৈ ঘৰলৈ বুলি খোজ লওঁতে সৰু টোপোলা এটা নৈৰ দাঁতিত এৰি থৈ গ'ল। ডেকা সত্ৰাধিকাৰে সেই টোপোলাটো দেখি ভাবিলে মানুহজনে খৰখেদা কৰোঁতে হয়তো তেওঁ সৰু টোপোলাটোৰ প্ৰতি ধ্যানেই নিদিলে সেয়ে হয়তো ভুলবশতঃ টোপোলাটো পৰি গ'ল। যি নহওঁক মানুহজনে নিশ্চয় তেখেতৰ টোপোলাটো বিচাৰি পুনৰ সেই ঠাইলৈ আহিব। গতিকে ডেকা সত্ৰাধিকাৰে টোপোলাটো আনৰ হাতত নপৰিবৰ বাবে বালিৰ মাজত পুতি থৈ অলপ দূৰত ব্ৰাহ্মণজনৰ বাবে বাট চাই থাকিল। কিছু দূৰ যোৱাৰ পিছত ব্ৰাহ্মণে দেখিলে যে তেওঁৰ ভিক্ষাৰ ধনৰ টোপোলাটো লগত নাই। ব্ৰাহ্মণে বুজি পালে সেইটো ক'ৰবাত পৰি গ'ল। লগে লগে যোৱা বাটেৰে পুনৰ উভতি আহি ব্ৰাহ্মণে নৈৰ পাৰ পালে। ব্ৰাহ্মণে কান্দিবলৈ ধৰিলে। মানুহজনৰ অৱস্থা বুজি ডেকা সত্ৰাধিকাৰে মাত লগালে — 'আপোনাৰ কিবা হেৰাইছে নেকি?' ব্ৰাহ্মণে ক'লে হয়, 'দিনটো ভিক্ষা খুজি পোৱা ধনৰ টোপোলাটো ক'ৰবাত পৰি গ'ল।' কথাখিনি কৈ তেওঁ আকৌ কান্দিবলৈ ধৰিলে। তেতিয়া সত্ৰাধিকাৰে ক'লে 'নাকান্দিব, সেই বালিখিনি গুচাই চাওকচোন, কিবা পোৱা যায় নেকি।' ব্ৰাহ্মণে লগে লগে বালি গুচাই দেখিলে যে তেওঁৰ ধনৰ টোপোলাটো অক্ষত অৱস্থাত পৰি আছে। ব্ৰাহ্মণে টোপোলাটো পাই অতিশয় আনন্দিত হৈ ডেকা সত্ৰাধিকাৰক অলপ ধন যাচিলে। সত্ৰাধিকাৰে ক'লে, 'মই তোমাৰ ধন হাতেৰে চুব নোৱাৰিম। কিবা দিবৰ ইচ্ছা আছে যদি মোৰ গুৰু বুদৰাম মহন্ত প্ৰভু সত্ৰতে আছে তাত গৈ দি আহিব। তেতিয়া ব্ৰাহ্মণে সত্ৰলৈ আহি বুদৰাম সত্ৰাধিকাৰ প্ৰভুক গোটেই কথাখিনি বৰ্ণনা কৰি ভিক্ষা কৰি পোৱা পাঁচশ টকাৰ পৰা দুশ টকা যাচিলে। পিছে বুদৰাম সত্ৰাধিকাৰ প্ৰভুৱে ক'লে, 'তোমাৰ হেৰোৱা বস্তু ওভতাই পাইছা গতিকে তাত মোৰ কোনো ভাগ নাই। তুমি তোমাৰ গোটেইখিনি ধন লৈ যাব পাৰা। আৰু যদি দিব বিচাৰিছাই তেন্তে তেল-বন্তিৰ নামত মাত্ৰ দুটকা দি যোৱা যিখিনি ধন সত্ৰৰ বন্তিৰ তেলৰ নামত খৰচ কৰা হ'ব। লগতে তোমাৰো মঙ্গল হ'ব। তেতিয়া ব্ৰাহ্মণজনে প্ৰভুক সেৱা জনাই মাত্ৰ দুই টকা আগবঢ়াই আনন্দমতে ঘৰলৈ উভতিল।



সত্ৰাধিকাৰ প্ৰভু লক্ষীকান্ত মহন্তই যেতিয়া গাঁৰৰ মাজেৰে ফুৰিবলৈ ওলাই গৈছিল তেতিয়া এনে এজন লোক নাছিল যিয়ে তেখেতক আঁঠু কাঢ়ি সেৱা নজনাইছিল। সত্ৰাধিকাৰেও প্ৰতি নমস্কাৰ জনাই আশীৰ্বাদ দিছিল। বিশেষকৈ আমাৰ খবৰ ল'বলৈ প্ৰায়ে ৰাতিপুৱা তেখেত আহিছিল। কেতিয়াবা বিশেষ কাৰণত টকা-পইচাৰ প্ৰয়োজন হ'লে পিতাৰ পৰা দুই-চাৰিশ টকা ধাৰলৈ লৈছিল আৰু কাম সমাধা কৰি উক্ত ধাৰ পৰিশোধ কৰি দিছিল। সত্ৰাধিকাৰ প্ৰভু ফুৰিবলৈ ওলোৱা পথৰ দুয়োকাষত কোনো তিৰোতাই কানি-কাপোৰ শুকাব নিদিছিল। বিশেষকৈ আমাৰ চুবুৰিৰ উপপথবোৰৰ ভিতৰেৰে তেখেতে আমাৰ ঘৰলৈ অহা-যোৱা কৰিছিল। সেইবাবে সেই পথত কোনো তিৰোতাই কানি-কাপোৰ মেলি দিয়া নাছিল। আৰু যদি ভুলবশতঃ কাৰোবাৰ কাপোৰ ৰৈ গৈছিল সত্ৰাধিকাৰ অহাৰ আগে আগে ততাতৈয়াকৈ সেইবোৰ আঁতৰাই নিয়া হৈছিল।

সত্ৰাধিকাৰ প্ৰভুৱে কোনো কথাতে সত্ৰৰ কৃষ্টি-সংস্কৃতি আদিৰ ক্ষেত্ৰত আপোচ নকৰিছিল। তেখেতে যাতে সত্ৰৰ ওচৰত থকা ল'ৰা-ছোৱালীবোৰ শংকৰী কলা-কৃষ্টিৰ পৰা বিমুখ নহয় তাৰ বাবে সদা সতৰ্ক আছিল। ভাদ মাহত যেতিয়া গুৰুজয়ন্তী পালন কৰা হৈছিল ঠিক সেই সময়তে গাঁওখনৰ পুব প্ৰান্তত মনসা পূজা পালন কৰিছিল। সত্ৰৰ ওচৰৰ কিছুমান ল'ৰা-ছোৱালীয়ে পূজাৰ দেওধানী নৃত্য চাবলৈ মনসা পূজা স্থলীলৈ গৈছিল। সত্ৰাধিকাৰে উক্ত ল'ৰা-ছোৱালীবোৰৰ তালিকা বনাই সিহঁতক সত্ৰলৈ মতাই আনি দণ্ড হিচাপে গোবৰ-পানী খুৱাইছিল আৰু পিছত সত্ৰৰ কল, আম বা অন্য ফল-মূল খুৱাইছিল। যিহেতু আমাৰ শংকৰী ধৰ্মত এইবোৰ বৰ্জিত। ল'ৰা-ছোৱালীবোৰক তেখেতে উপদেশ দিছিল যে, 'গুৰুজনাৰ কৃষ্টি-সংস্কৃতি ৰক্ষা কৰা আৰু তেৰাসৰে লিখি থৈ যোৱা ধৰ্মপুথিসমূহ অধ্যয়ন কৰা। তোমালোক সত্ৰলৈ আহিবা, নাম-প্ৰসঙ্গত অংশগ্ৰহণ কৰিবা। শংকৰী সংস্কৃতিৰ খোল-তাল আদি বজাবলৈ শিকিবা। সত্ৰত মাজে-সময়ে হৈ থকা নাট-ভাওনা আদিত অংশগ্ৰহণ কৰিবা আৰু তেতিয়া তোমালোক গুণী-জ্ঞানী হ'ব পাৰিবা।'

লক্ষীকান্ত মহন্ত প্ৰভু শিক্ষানুৰাগী আছিল। তেখেতে সত্ৰৰ ওচৰত কেবাজনো দুখীয়া ছাত্ৰক সত্ৰত ৰাখি পঢ়ুৱাইছিল। আমি জনাত প্ৰয়াত হৰিণ কলিতা ছাৰক সত্ৰতে ৰাখি পঢ়ুৱাইছিল আৰু তেখেতে অসমৰ ভিতৰত সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰি ল'ৰা হাইস্কুলত প্ৰধান শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছিল আৰু পিছলৈ এ.ছি.এছ. পাছ কৰি মাটিৰ হাকিম হৈছিল। পিছলৈ তেখেতে শুৱালকুছিত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ অধিৰেশনত অভ্যৰ্থনা সমিতিৰ সম্পাদক হিচাপে

সুকলমে সেৱা আগবঢ়াইছিল। তেখেত আছিল এজন সুদক্ষ প্ৰশাসক। এনেদৰেই সত্ৰাধিকাৰ প্ৰভু লক্ষীকান্ত মহন্তদেৱে তেখেতৰ সত্ৰাধিকাৰ কালত সত্ৰত নাম-প্ৰসঙ্গ কৰি, শিষ্যসকলক শৰণ-ভজন দি সত্ৰৰ বিভিন্ন দিশত উন্নতি সাধন কৰিছিল।

খেতি পথাৰতো সত্ৰাধিকাৰে অধিক মনোযোগ দিছিল। আমি জনাত তেখেতৰ দিনত যথেষ্ট ধান উৎপাদন হৈছিল। এদিনত দুই-তিনিটালৈ মৰণা মাৰি ধানবোৰ ভঁৰাল ঘৰত জমা কৰাৰ উপৰি বাহাৰ বাৰান্দা আৰু উত্তৰ ফালৰ বাৰান্দাত জমা কৰি থৈছিল। অতিৰিক্তি ধানখিনি সত্ৰৰ চোতালত চাং পাতি চালি বনাই মজুত কৰা হৈছিল। সেই সময়ত হাটী সত্ৰত কাম কৰা বনুৱাৰ অভাৱ নাছিল। সত্ৰাধিকাৰ লক্ষীকান্ত প্ৰভুৱে সত্ৰৰ নাম-প্ৰসঙ্গ কৰাৰ উপৰি সত্ৰত শৰণ আৰু বাহাত ভজন ধৰ্ম দি ধৰ্মগুৰুৰ ভূমিকাও পালন কৰিছিল। বিভিন্ন তিথি-পৰ্বত গাঁৱৰ ওজা-শিল্পী, খোল-তাল বাদকসকলৰ দ্বাৰাই সত্ৰত শংকৰী কলা-কৃষ্টি সম্বন্ধীয় নাট-ভাওনা, গীত-মাত আদি অনেক অনুষ্ঠান উদ্‌যাপিত কৰিছিল। সেই সময়ৰ বিশিষ্ট শিল্পীসকল আছিল — পনোৰাম বায়ন, বাদ্য পাৰংগত গন্ধৰাম বায়ন, নৰহৰি ভৰালী, বৰবায়ন গিৰিধৰ ডেকা, বৰবায়ন দীনৰাম কলিতা, উপেন উজা আদি বহুতো। তেখেতসকলৰ খোলৰ ধ্বনিয়ে অঞ্চলটো কঁপাই তুলিছিল। উল্লেখ্য যে তেতিয়াৰে পৰা উক্ত খোলবাদন প্ৰক্ৰিয়া বৰ্তমানলৈ চলি আহিছে। এনেকৈয়ে শংকৰী কলা-কৃষ্টিৰ একান্ত সাধক তথা গুৰুজনাৰ নিস্বাৰ্থ সেৱক লক্ষীকান্ত মহন্ত বাপে সত্ৰীয়া সংস্কৃতি সংৰক্ষণ আৰু সংবৰ্ধনৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰি গুৰুজনাৰ এক শৰণ হৰি নামধৰ্ম গাঁওবাসীৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল। যাৰ ফলস্বৰূপে গাঁওবাসীৰ মাজত আজিও শংকৰী সংস্কৃতি জিলিকি আছে।

-০০০-

# বৃহত্তৰ শুৱালকুছিৰ সমাজ জীৱনলৈ সাধু লক্ষীকান্ত সত্ৰাধিকাৰৰ অৱদান

*দেৱীৰাম দাস*

বৃহত্তৰ শুৱালকুছিৰ সমাজ জীৱনলৈ সাধু লক্ষীকান্ত সত্ৰাধিকাৰৰ অৱদান সম্পৰ্কত লিখিবলৈ লোৱাৰ সময়তে আজিৰ পৰা প্ৰায় ৩৫০ বছৰ পূৰ্বে নলনাৰ পৰা অহা কানু ঠাকুৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত আৰু প্ৰচাৰিত 'এক শৰণ হৰি-নাম ধৰ্ম' প্ৰচাৰৰ উদ্দেশ্যে মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত গুৱাহাটীৰ পশ্চিম দিশত প্ৰায় ৩০ কিলোমিটাৰ দূৰত অৱস্থিত পবিত্ৰ শুৱালকুছি গাঁওত স্থাপন কৰা (স্থানীয় লোকৰ মাজত প্ৰচলিত — হাপাই খাইতীৰ একটাৰ মাটি তাতে বান্ধে কেওলীয়া হাটী) ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ কথা মনলৈ আহে। সত্ৰখনে বিশেষকৈ গাঁওখনত প্ৰচলিত একশৰণ হৰি-নাম ধৰ্মৰ গৌৰৱোজ্জ্বল দিশ বহন কৰি আহিছে। ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ বৃহত্তৰ শুৱালকুছিৰ সমাজ-জীৱনৰ সাহিত্য-সংস্কৃতি চৰ্চা তথা একশৰণ হৰি-নাম ধৰ্মৰ অন্যতম ঐতিহ্যমণ্ডিত অনুষ্ঠান। সত্ৰ আৰু বাহাখনৰ চাৰুকলা শিল্পৰ ঐতিহ্য উচ্চ মান বিশিষ্ট আৰু সততে পৰ্যটকক আকৰ্ষিত কৰা বিধৰ।

সাধু লক্ষীকান্ত মহন্ত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বাক-সিদ্ধ পুৰুষ বুদৰাম সত্ৰাধিকাৰ প্ৰভুৰ পিছৰ জনা সত্ৰাধিকাৰ। এদিনাখন হৰিজয়দেৱ মহন্তই ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অধিকাৰৰ ভাৰ বাক-সিদ্ধ পুৰুষ বুদৰাম মহন্তক দি বৈকুণ্ঠগামী হৈছিল। বিশেষকৈ সত্ৰাধিকাৰ বুদৰাম মহন্তৰ সময়ৰ পৰাই সত্ৰখনে ক্ৰমান্বয়ে ধৰ্ম-অৰ্থৰ উপৰি সংস্কৃতি-চৰ্চা আদি দিশত বিকশিত হ'ব ধৰে। হৰি-নাম কীৰ্তনৰ ধ্বনিত গাঁওখন ৰজন-জনাই থকাৰ সময়তে ভক্তপ্ৰাণ বাপ-বান্ধৱ, আই-মাতৃ তথা যুৱক-যুৱতীৰ নিভৃতম অন্তৰৰ পথাৰখনত ভক্তি নিজৰাৰ পলশত কৃষ্ণ-সংস্কৃতিৰ অংকুৰণ হয়। বৈকুণ্ঠপুৰী সদৃশ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰলৈ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ ভক্তপ্ৰাণ বাপ-বান্ধৱ, আই-মাতৃ, যুৱক-যুৱতী, শিশু-বৃদ্ধৰ আগমন আগতকৈ বৃদ্ধি হ'বলৈ ধৰিলে। বাক-সিদ্ধ পুৰুষ বুদৰাম মহন্তৰ গুণ-গৰিমাত মুগ্ধ হৈ শৰণ-ভজন লোৱা ব্যক্তি বাঢ়ি আহিব ধৰিলে। পিছপৰি নাথাকিল পিতৃ বালেকৰাম মহন্ত আৰু মাতৃ প্ৰতিমা আইৰ দুই পুত্ৰ লক্ষীকান্ত মহন্ত আৰু মাধৱ

মহন্ত। সাধু লক্ষীকান্ত সত্ৰৰ লগত নিবিড়ভাৱে জড়িত হৈ পৰিল। সত্ৰাধিকাৰ প্ৰভুই লক্ষীকান্তৰ স্বভাৱ সুলভ চৰিত্ৰত সন্তুষ্ট হৈ নিগাজীকৈ ৰাখিলে। বুঢ়া অধিকাৰ বুদৰাম মহন্তৰ সঙ্গ পাই গৃহস্থী ধৰ্ম ত্যাগ কৰাত বুঢ়া অধিকাৰে শৰণ-ভজন দিয়াৰ লগতে শিক্ষাৰো ব্যৱস্থা গ্ৰহণ কৰিলে। সত্ৰাধিকাৰ প্ৰভুৰ কৃপাত শিক্ষা-দীক্ষা, ধৰ্ম-সংস্কৃতি আৰু সকলো শাস্ত্ৰ পঢ়ি-শুনি সংযমী, সত্যবাদী, সদালাপ আৰু ধৰ্মচৰ্চা আদিত নিমজ্জিত হ'ল। এদিনাখন শুভ দিন-বাৰ ঠিক কৰি ভক্তপ্ৰাণ বাপ-বান্ধৱ, আই-মাতৃসৱৰ উপস্থিতিত বুঢ়া সত্ৰাধিকাৰে তেওঁৰ শিৰত মালা-নিৰ্মালি দি ডেকা সত্ৰাধিকাৰ পাতিলে। বুঢ়া অধিকাৰ বুদৰাম মহন্ত বাপ ১৮৪১ শকৰ মাঘ মাহৰ ৩০ তাৰিখ বৃহস্পতিবাৰে কৃষ্ণপক্ষৰ অষ্টমী তিথিত বৈকুণ্ঠ প্ৰয়াণৰ আগে আগে লক্ষীকান্ত মহন্তক পুনঃ ধৰ্মমালা দি বুঢ়া অধিকাৰৰ দায়িত্ব দিলে। বুঢ়া অধিকাৰৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰ পৰা সত্ৰাধিকাৰ লক্ষীকান্ত মহন্তই মহাপুৰুষীয়া পন্থৰ ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, আচাৰ-বিচাৰ ৰক্ষা কৰি সত্ৰখন চলাব ধৰিলে। বাকসিদ্ধ পুৰুষ বুদৰাম সত্ৰাধিকাৰৰ সান্নিধ্যত তেওঁৰ কোমল মনৰ পথাৰখন ধৰ্ম-সংস্কৃতিৰে উৰ্বৰা হৈ পৰিছিল। তাতে নিজৰ অধ্যয়ন, চিন্তা-চৰ্চা আৰু বিভিন্নজনৰ বিভিন্ন সময়ত পোৱা সান্নিধ্যত বীজটো অংকুৰিত হৈ পিছৰ ফালে পূৰ্ণাঙ্গ ৰূপত বিকশিত হৈছিল। বুঢ়া অধিকাৰৰ দৰে তেখেতেও আধ্যাত্মিক চিন্তাৰে পুষ্ট হৈ অতি সাধাৰণভাৱে জীৱন নিৰ্বাহ কৰিব ধৰিলে। বৃহত্তৰ শুৱালকুছিৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহৰ লগত সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ সৃষ্টি কৰি সত্ৰৰ লগত সমন্বয়ৰ সেঁতু দৃঢ় কৰি তুলিলে। সাধু বুদৰাম মহন্তৰ সৎগুণ, সদাচাৰ, সৎ আদৰ্শত মুগ্ধ হৈ শুৱালকুছিৰ প্ৰায়ভাগ মানুহে সত্ৰৰ লগতে সত্ৰাধিকাৰক সেৱা ধৰি নিজকে ধন্য হোৱাৰ দৰে লক্ষীকান্ত সত্ৰাধিকাৰৰ দিনতো সেই পৰম্পৰাৰ ব্যতিক্ৰম হোৱা নাছিল বুলি ক'লে অত্যুক্তি কৰা নুবুজাব। বাকসিদ্ধ পুৰুষ বুদৰাম মহন্তৰ আদৰ্শকে জীৱনৰ ব্ৰত হিচাপে লোৱা সাধু লক্ষীকান্ত অধিকাৰৰ প্ৰেৰণাৰ উৎস আছিল গাঁওবাসীৰ পৰা পোৱা মৰম আৰু অকুণ্ঠ শ্ৰদ্ধা।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ সত্ৰাধিকাৰ লক্ষীকান্ত মহন্ত একশৰণ হৰি-নাম ধৰ্মৰ একান্ত সেৱক হিচাপে শুনাম থকাৰ উপৰি তেওঁ নিৰ্ভীক, নম্ৰ, মিষ্টভাষী, সৎসাহসী, সমাজসেৱী, শিক্ষা-সংস্কৃতি প্ৰেমী হিচাপেও সুকীয়া আসন থকা ব্যক্তি আছিল। ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অধিকাৰৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাৰ উপৰি বৃহত্তৰ শুৱালকুছিৰ সমাজ জীৱনলৈ সাধু লক্ষীকান্ত অধিকাৰে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে আগবঢ়োৱা অৱদানৰ বৈচিত্ৰতা মন কৰিবলগীয়া বিধৰ। ব্যক্তি স্বাৰ্থতকৈ সমজুৱা স্বাৰ্থক প্ৰাধান্য দিছিল। যিহেতু তেওঁ সত্ৰাধিকাৰৰ আসনত উপৱিষ্ট হৈছিল সেয়ে



সত্ৰৰ নিৰ্দিষ্ট কিছু নিয়ম নীতিৰ মাজত থাকি সমাজৰ কামত সহযোগ কৰিব পাৰিছিল। কিয়নো কেউলীয়া ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বিশেষকৈ ধৰ্মীয় দিশ পৰিচালনা কৰাৰ ক্ষেত্ৰত অধিকাৰসকলে কঠোৰ সংযমী জীৱন নিৰ্বাহ কৰিব লাগে। সত্ৰৰ লগত ওতপ্ৰোতভাৱে জড়িত ব্যক্তিসকলেহে তাৰ আধ্যাত্মিক দিশ অনুভৱ কৰিব পাৰে। আন সমাজ কৰ্মীৰ দৰে মুক্ত বিচৰণৰ পৰা মুক্ত নহয়। সত্ৰৰ সত্ৰাধিকাৰসকলে সত্ৰ আৰু সত্ৰৰ পদ মৰ্যাদাৰ ঐতিহ্য ৰক্ষা কৰাটোহে প্ৰধান বৈশিষ্ট্য হিচাপে গণ্য কৰিছিল। লক্ষীকান্ত মহন্ত দেখিবলৈ সৰ্বাঙ্গ-সুন্দৰ সত্ৰাধিকাৰ আছিল। দিনৰ প্ৰসঙ্গৰ আগে আগে সত্ৰ পোৱাকৈ প্ৰতিদিন শুধবগা সত্ৰীয়া সাজ পিন্ধি প্ৰাতঃভ্ৰমণ কৰা জীৱনৰ এক কাৰ্যক্ৰমণিকাৰ অংশস্বৰূপ। তাতে মূৰত লোৱা ৰংবিৰঙৰ সুন্দৰ জাপিটোৱে মানুহজনক দেখিবলৈ সোণত সুৱগা চৰোৱাৰ দৰে হয়। এই প্ৰাতঃভ্ৰমণৰ সময়ছোৱাতে গাঁওৰ বিশিষ্ট গুণী-জ্ঞানী ব্যক্তিসকলক ঘৰৰ পদূলি মুখত লগ কৰি সত্ৰ তথা সমাজ জীৱনৰ কথা-বাৰ্তা পাতি কামসমূহ সমাধান কৰে। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে তেওঁৰ প্ৰাতঃভ্ৰমণৰ আগে আগে গাঁওৰ জীয়ৰী-বোৱাৰীসকলে বুঢ়া অধিকাৰ বুদৰাম মহন্তৰ সময়ৰ দৰেই নিজৰ ঘৰৰ পদূলি শাৰী-পুচি চাফ-চিকুণ কৰি সত্ৰাধিকাৰৰ প্ৰতি সন্মান নিৱেদিছিল। কিয়নো ঘৰৰ বাহী পদুলিৰে সত্ৰাধিকাৰ খোজ কাঢ়ি গ'লে দিনটো দুৰ্দ্দিনত যাব বুলি ধাৰণা হৈছিল। কেতিয়াবা কেতিয়াবা সত্ৰ আৰু সমাজৰ কিছুমান কাম আসনৰ পৰাই ভকতসকলৰ সহায়ত সমাধান কৰা পৰিলক্ষিত হৈছিল। সেইসকলৰ ভিতৰত গাঁওৰ প্ৰভাৱশালী ব্যক্তি দেহিৰাম কাকতি (চেঙেলী গাঁওবুঢ়া হিচাপে মানুহৰ মাজত জনা যায়) অন্যতম্।

সাধু বুদৰাম সত্ৰাধিকাৰ প্ৰভুই ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত শৰাই আগবঢ়াই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ পালন কৰি অহা জন্ম-জয়ন্তী উৎসৱ স্থানীয় সনাতন যাত্ৰা পাৰ্টিয়ে ৰাইজৰ সহযোগত আনুষ্ঠানিকভাৱে গাঁওৰ কেইখনমান নিৰ্দিষ্ট সত্ৰ-নামঘৰৰ প্ৰাঙ্গণত উদ্‌যাপন কৰিব লওতে ভক্তপ্ৰাণ বাপ-বান্ধৱ, আই-মাতৃ সৱে প্ৰাকৃতিক দুৰ্যোগৰ বাবে অশেষ কষ্ট কৰিবলগীয়া হৈছিল। তেতিয়া সত্ৰাধিকাৰ লক্ষীকান্ত মহন্ত প্ৰমুখ্যে ভক্তপ্ৰাণ ৰাইজে শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰ প্ৰতিষ্ঠা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে ৪৯৭ শঙ্কৰাব্দৰ দুই মাঘৰ দিনা ভক্তপ্ৰাণ বাপ-বান্ধৱ, আই-মাতৃ, ল'ৰা-ছোৱালী যুৱক-যুৱতী সকলোৱে লগ হৈ নাম-কীৰ্তন, গায়ন-বায়নেৰে শোভাযাত্ৰা কৰি সত্ৰৰ পৰা সত্ৰাধিকাৰ প্ৰভু লক্ষীকান্ত মহন্তক আদৰি আনি তেওঁৰ পদ্ম হাতেৰে মন্দিৰৰ পূবফালৰ প্ৰথম স্তম্ভটি স্থাপন কৰে। সত্ৰাধিকাৰ প্ৰভুৱে গাঁওবাসীক মন্দিৰৰ উন্নতি কামনা কৰি গোহাৰি জনাই বক্তব্য

ৰাখে। তেতিয়াৰে পৰাই শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মন্দিৰ গাঁওৰ বুকুত উজ্জ্বল নক্ষত্ৰৰ দৰে উজ্জ্বলি আছে।

সত্ৰ-নামঘৰ আদিৰ মাজেদি ধৰ্মৰ উপৰি সাহিত্য-সংস্কৃতি, সমাজৰ উন্নতিৰ বাবে কাম কৰাৰ সামাজিক স্বীকৃতি আছে। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ডিগ্ৰী নথকা ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ সত্ৰাধিকাৰ প্ৰভু লক্ষীকান্ত মহন্ত সমাজ প্ৰেমীৰ উপৰি শিক্ষানুৰাগী আছিল। সত্ৰত বুঢ়া অধিকাৰ বুদৰাম মহন্তৰ তত্ত্বাৱধানত শিক্ষাগ্ৰহণ কৰিছিল। গাঁওৰ বিদ্যায়তনিক দিশটো সবল হোৱাৰ কামনাৰে গাঁওৰ ভালেমান গুণী-জ্ঞানী বিশিষ্ট ব্যক্তিক উচ্চ শিক্ষানুষ্ঠানৰ বাবে উদগনি যোগাইছিল। বৰ্তমানৰ শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়খন ইং ১৯৩৯ চনত যেতিয়া মাইনৰ (এম. ই.) স্কুলৰ পৰা ৰাইজে হাইস্কুললৈ উন্নীত কৰে তেতিয়া সত্ৰাধিকাৰ প্ৰভু লক্ষীকান্ত মহন্তই স্কুল গৃহৰ প্ৰথম খুঁটাতো পোতা বুলি সত্ৰৰ ওচৰৰ প্ৰায় ৮৪ টা বসন্তই গৰকী যোৱা মাতৃ স্বৰূপা আইগৰাকীয়ে জানিবলৈ দিলে। তেওঁ নিজে পিতৃৰ হাতত ধৰি সেই হাইস্কুলৰ খুঁটাপোতা অনুষ্ঠান উপভোগ কৰাৰ কথা স্মৰণীয় হৈ আছে। এই মহিলাগৰাকীৰ পিতৃ হাইস্কুলৰ সৰ্বাঙ্গীন উন্নতি সাধনত ব্ৰতী থকা সমাজ কৰ্মীৰ ভিতৰৰ এজন। তাৰোপৰি সত্ৰৰ শুভাকাঙ্খী তথা লক্ষীকান্ত মহন্ত সত্ৰাধিকাৰ প্ৰভুৰ লগত সৌহাদ্য ৰক্ষা কৰি অহা দেহিৰাম কাকতি, হাইস্কুললৈ উন্নীত হোৱাৰ আগৰ এম. ই. স্কুলখনৰ এজন অন্যতম উদ্যোক্তা। সেই সময়তেই স্কুল কৰ্তৃপক্ষই লক্ষীকান্ত সত্ৰাধিকাৰৰ সহযোগত দূৰ-দূৰণিৰ পৰা অহা ছাত্ৰৰ পাঠগ্ৰহণৰ সুবিধা হোৱাকৈ বাঘেশ্বৰী পাহাৰৰ ওচৰত থকা সত্ৰৰ নিজা ভূমিত বোৰ্ডিং নিৰ্মাণ কৰিছিল।

স্মৃতিশক্তি প্ৰখৰ সত্ৰাধিকাৰ প্ৰভু লক্ষীকান্ত মহন্তই গাঁওখনৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে প্ৰায়খিনি মানুহৰ লগত সৌহাদ্যপূৰ্ণ সমন্বয় গঢ়ি তুলিব পাৰিছিল বাবেই সত্ৰখনৰ প্ৰতি ৰাইজৰ শ্ৰদ্ধা বাঢ়ি গৈছিল। বাঢ়ি গৈছিল তেখেতৰ জনপ্ৰিয়তা। সত্ৰৰ চাৰিবেৰৰ মাজত কঠোৰ আধ্যাত্মিক জীৱন কটোৱা সত্ৰাধিকাৰ লক্ষীকান্ত মহন্তই ধৰ্ম, সাহিত্য, সংস্কৃতি তথা সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানসমূহে সত্ৰৰ জীৱনত তেখেতৰ জীৱন আৰু কৃতিৰ কথা অনন্য ৰূপত প্ৰসংশনীয় হৈ থাকিব। অৱশ্যে সত্ৰৰ সংস্কৃতিসমূহৰ চৰ্চা তথা উত্তৰণৰ ক্ষেত্ৰত সত্ৰৰ একান্ত সেৱক নৰহৰি বায়নৰ সহায়-সহযোগ উল্লেখনীয়। বিভিন্ন শাস্ত্ৰ অধ্যয়নৰ উপৰি শাস্ত্ৰসমূহ সংগ্ৰহ কৰি সত্ৰৰ শাস্ত্ৰ ভঁৰাল চহকী কৰাত আগভাগ লৈছিল। সত্ৰ আৰু বাহাখনৰ চাৰুকলা শিল্পৰ ঐতিহ্যই সত্ৰৰ সত্ৰাধিকাৰৰ শিল্পীসুলভ মনৰ পৰিচয় দিয়ে। সত্ৰ-নামঘৰসমূহ সমাজৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। সত্ৰাধিকাৰজনে সত্ৰৰ কেন্দ্ৰ বিন্দু হিচাপে থাকি সত্ৰ সংস্কৃতি, আচাৰ-ব্যৱহাৰ, ৰীতিনীতি সমাজ আদি ঐক্যৱদ্ধভাৱে ধৰি ৰাখে। তেনে



এখন ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ তথা তাৰ সমাজ জীৱনলৈ সুন্দৰ পৰিচালনাৰে আগবঢ়োৱা লক্ষীকান্ত সত্ৰাধিকাৰজনৰ সেৱা, সত্ৰ আৰু সমাজ জীৱনত যাউতিযুগীয়া হৈ থাকিব।

সহায়ক প্ৰবন্ধঃ
*"শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মন্দিৰ প্ৰতিষ্ঠা দিৱসৰ এটি চমু আভাস"*, (শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰকাশ ৫৪৭ শঙ্কৰাব্দ), শ্ৰীদেবীৰাম দাস (পণ্ডিত)।
*"অতীত বৰ্তমান আৰু ভৱিষ্যতৰ দৃষ্টি পাতেৰে শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়"*, (স্বৰ্ণজ্যোতি), শ্ৰীপ্ৰিয়নাথ শৰ্মা।

-০০০-

# মহান দাতা সত্ৰাধিকাৰ মাধৱ মহন্তদেৱ আৰু উচ্চ শিক্ষাৰ মন্দিৰ গঢ়া শুৱালকুছিৰ এচাম ৰাইজ

*হৰেকৃষ্ণ শৰ্মা*

১৯৬৩ চন। বছৰৰ আৰম্ভণিৰ পৰাই উত্তেজনা। বিষাদৰ নহয় — আনন্দৰ। শুৱালকুছিৰ ৰাইজে সপোন দেখিছে, সপোন দেখিছে এখন কলেজৰ — উচ্চ শিক্ষাৰ মন্দিৰ গঢ়াৰ এটা আশাৰ সপোন।

বস্ত্ৰ নগৰী শুৱালকুছি, অসম বিখ্যাত শুৱালকুছি, প্ৰাচ্যৰ মানচেষ্টাৰ ৰূপে খ্যাত এখন গাঁও। ইয়াত সকলো আছে, নাই মাথোন এখন কলেজ। কলেজ এখন স্থাপন কৰাবলৈ কি নাই শুৱালকুছিত? টকা-পইচা, উদ্যোগী ব্যক্তি? আছে এইবোৰ, সকলো আছে, কিন্তু আচল বস্তুটোৱে নাই। আচল বস্তু? কি সেই আচল বস্তু? যাৰ বাবে থমকি ৰ'ব লগা হৈছে শুৱালকুছিৰ উদ্যোগী ৰাইজ!

আচল বস্তুটো হ'ল মাটি। কলেজ এখনৰ বাবে বহু বিঘা মাটিৰ প্ৰয়োজন। শুৱালকুছিত মাটিৰ মূল্য সোণৰ মূল্যৰ দৰে। ক'ত পাব ইমান মাটি? এই সমস্যাৰ সমাধান আছেনে? আছে, সমাধান আছে। এজন মানুহে কৰিব পাৰিব ইয়াৰ সমাধান — আৰু সেইজন ব্যক্তি হ'ল শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ সত্ৰাধিকাৰ মাননীয় মাধৱ মহন্ত দেৱ।

মাধৱ মহন্ত। সত্ৰাধিকাৰ মাধৱ মহন্ত। শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ মূল মানুহ। মই কলেজত যোগদান কৰাৰ পাছত বহুবাৰ লগ পাইছো মানুহজনক। অতি সাধাৰণ এজন মানুহ। ধূন-পেচ নাই, নাই কোনো আড়ম্বৰ। নিজৰ সংসাৰ নাই। সত্ৰতেই থাকে। নিয়মিতভাৱে নাম-প্ৰসংগ কৰে। শংকৰ গুৰুজনাৰ একান্ত ভক্ত। কথা কম কয়। মুখমণ্ডলত বিৰাজ কৰে এক শান্ত-সৌম্য ৰূপ।

শুৱালকুছিত ইতিমধ্যে আৰম্ভ হৈ গৈছে কলেজ স্থাপনৰ প্ৰস্তুতি পৰ্ব। এখন বিশাল পৰিচালনা সমিতি গঠন কৰা হৈছে। যুটীয়া সাধাৰণ সম্পাদক পতা হৈছে শ্ৰীযুত হেমকান্ত দাসক আৰু সেই সময়ত এম. এ. পঢ়ি থকা শুৱালকুছিৰ যুৱক শ্ৰীকৰ্মেশ্বৰ বৈশ্যক। সভাপতি পদত ডাঃ গণেশ দাস, উপসভাপতি ডাঃ নাৰায়ণ কাকতি, ধনভৰালী মহীৰাম মহাজন আৰু শুৱালকুছিৰ সকলো অঞ্চল



সামৰি এখন বিশাল পৰিচালনা সমিতি।

এইসকল মানুহ আহি এদিন মাধৱ মহন্তদেৱক লগ ধৰিলে 'বাপ, আমি আপোনাৰ ওচৰলৈ আহিছো। আপুনিয়ে আমাৰ একমাত্ৰ ভৰষা। আমি শুৱালকুছিত এখন কলেজ পাতিব ওলাইছোঁ। আপোনাৰ সহায় অবিহনে এই কামটো অসম্ভৱ।' তেখেতে শুনি আছে। আপোনাৰ সত্ৰৰ মাটিত শুৱালকুছি কলেজখন স্থাপন কৰাৰ অনুমতি দিলে শুৱালকুছিত এখন উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ় লৈ উঠিব। শুৱালকুছিৰ আৰ্থিকভাৱে দুৰ্বল প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ মুখ দেখা পাব। হঠাতে সত্ৰৰ ৪২ বিঘা মাটি নতুন কলেজ এখনৰ বাবে বিচৰাত প্ৰথমতে তেখেতে স্থিৰ সিদ্ধান্ত এটা ল'ব পৰা নাছিল। তেখেতক বুজোৱা হৈছিল — কলেজখন তেখেতৰ নামতেই নামাংকিত কৰা হ'ব। অৱশেষত তেখেত সন্মত হ'ল। শুৱালকুছিৰ ৰাইজে মাধৱ মহন্তৰ নামৰ লগতে শুৱালকুছিৰ আন এগৰাকী মহান ব্যক্তি বাকসিদ্ধ পুৰুষ সাধু বুদৰাম মহন্তৰ নাম সংযোগ কৰি কলেজখনৰ নাম সৰ্বসন্মতভাৱে 'শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়' ৰাখিলে।

শ্ৰীশ্ৰীঈশ্বৰ হাটী সত্ৰৰ সত্ৰাধিকাৰসকলৰ কিছুমানৰ নাম মই জানিছিলো। সত্ৰাধিকাৰ পদ অলংকৃত কৰা মহান ব্যক্তিসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল — লক্ষ্মীকান্ত মহন্ত, সাধু বুদৰাম মহন্ত, মহান দাতা মাধৱ মহন্ত, সোণেশ্বৰ আতৈ, দীপক মহন্ত (কিছুদিনৰ বাবে), বৰ্তমানৰ সত্ৰাধিকাৰ শ্ৰীভগ্নেশ্বৰ মহন্ত আৰু ডেকা সত্ৰাধিকাৰ শ্ৰীৰাজীৱলোচন সন্ত আদি এইসকল মহান ব্যক্তিৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। বৰ্তমান সত্ৰখন চলাই আছে সত্ৰাধিকাৰ শ্ৰীভগ্নেশ্বৰ মহন্ত আৰু ডেকা সত্ৰাধিকাৰ ৰাজীৱলোচন সন্তই। সত্ৰৰ লগত জড়িত হৈ আছে শুৱালকুছি কলেজখনৰ নাম। অমৰ হৈ আছে দাতা মাধৱ মহন্ত আৰু বুদৰাম মহন্তৰ নাম।

এই কলেজখন স্থাপন কৰোঁতে যিসকল লোকে মূৰৰ ঘাম মাটিত পেলাই দিন ৰাতি একাকাৰ কৰি কাম কৰিছিল, সেইসকলৰ বহুজনেই জীৱনৰ মায়া এৰি আমাৰ মাজৰ পৰা আঁতৰি গৈছে। হেম বাবু, অধ্যাপক কৰ্মেশ্বৰ বৈশ্য, ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক সিদ্ধিৰাম দাস, ডাঃ গণেশ দাস, ডাঃ নাৰায়ণ কাকতি, শিক্ষক দেৱেশ্বৰ দাস (গৰ্ডনত মোৰ শিক্ষক আছিল), মহীৰাম মহাজন, ফটিক দাস, নবীন বৈশ্য, মৌজাদাৰ দেৱেন্দ্ৰ নাথ ভৰালী, বাসু শৰ্মা, মোহিনী শৰ্মা, ডাঃ দেৱেন কাকতি, কৃষ্ণ দাস, এম. পি. ৰমেন ডেকাৰ পিতৃ সুৰেন্দ্ৰ নাথ ডেকা আদি ব্যক্তিসকল আজি আৰু আমাৰ মাজত নাই। আছে — ডাঃ মহেশ বৈশ্য, বিশিষ্ট ব্যৱসায়ী দীনেশ বৈশ্য, শিক্ষক-সংগীত শিল্পী নাৰায়ণ দাস আৰু বহুতো।

কলেজৰ লগত জড়িত বহুতো ব্যক্তিৰ মুখৰ ছবি মোৰ চকুৰ আগত

আজিও ভাঁহি আছে। নামবোৰ মনত পেলাব পৰা নাই। জীয়াই আছেনে নাই সেইয়াও নাজানো।

এই সকলো লোকৰ প্ৰতি মই মোৰ আন্তৰিক শ্ৰদ্ধা জনাই কলেজখনৰ স্বৰ্ণ জয়ন্তীৰ শুভ বছৰত কলেজখনত আৰু মোৰ সময়ত আৰম্ভ হোৱা বিজ্ঞান শাখাটোৰ উত্তৰোত্তৰ উন্নতি কৰি মোৰ ক্ষুদ্ৰ লেখাটিৰ সামৰণি মাৰিলো।

-০০০-

# মাধৱ চন্দ্ৰ মহন্ত ঃ জীৱন আৰু ব্যক্তিত্ব

*ড° মনালিছা বৰা*

মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰোঁ জীৱন গঢ়িত;
অভিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে
থই যাব পাৰোঁ খোজ সময়-বালিত।

*(জীৱন সংগীত — আনন্দ চন্দ্ৰ আগৰৱালা)*

ঈশ্বৰৰ বিনন্দীয়া সৃষ্টি হ'ল এই পৃথিৱীখন। এই বিশাল পৃথিৱীখনত সৰু-ডাঙৰ, দেখা-নেদেখা অসংখ্য জীৱই বসবাস কৰে। উৰণ, বুৰণ, গজন, ভ্ৰমণ — এই চাৰিভাগত বিভক্ত বিভিন্ন জীৱবিলাকে স্বকীয় বৈশিষ্ট্যৰে, নিজ নিজ কৰ্মেৰে নিজৰ স্থিতি ঘোষণা কৰি আহিছে। পৃথিৱীত বৰ্তি থকা অসংখ্য জীৱৰ ভিতৰত মানুহেই হৈছে একমাত্ৰ শ্ৰেষ্ঠতম জীৱ; যিয়ে বোধ আৰু মেধাৰে, চিন্তা আৰু অধ্যাৱসায়েৰে, ত্যাগ আৰু মহানতাৰে, দয়া আৰু ক্ষমাৰে, ভাৱ আৰু ভাষাৰে, চিন্তন আৰু মননৰ জৰিয়তে উত্তৰ পুৰুষৰ বাবে আদৰ্শৰ প্ৰতীক হৈ সময়-বালিত খোজৰ চিন ৰাখি যাবলৈ সক্ষম হয়। জীৱ শ্ৰেষ্ঠ মানুহৰ ভিতৰত আকৌ এই পৃথিৱীত এনে কিছুমান ক্ষণজন্মা ব্যক্তিৰ জন্ম হয় যিসকলে নিজৰ অক্ষয়-অব্যয় কীৰ্তিৰে এই পৃথিৱীত অমৰত্ব লাভ কৰে। প্ৰাচীন কালৰ পৰাই ভাষা-সাহিত্য-সংস্কৃতি-ধৰ্ম-বিজ্ঞান আদি সকলো দিশতে অমূল্য অৱদান আগবঢ়োৱা উজ্জ্বল জ্যোতিষ্কস্বৰূপ এই ব্যক্তিসকলৰ জীৱন-চৰ্যাই সৰ্বসাধাৰণ মানুহক যুগে যুগে অনুপ্ৰাণিত কৰি আহিছে।

ধৰ্মৰ ক্ষেত্ৰতো পৃথিৱীত এতিয়ালৈকে বহুকেইজন মহান পুৰুষৰ আৱিৰ্ভাৱ ঘটিছে যিসকলে সময়ে সময়ে সাধাৰণ জনগণক জীৱন ধাৰণৰ পথ নিৰ্দেশনা দি আহিছে। যীশুখ্ৰীষ্ট, হজৰত মহম্মদ, বুদ্ধদেৱ, গুৰুনানক, মহাবীৰ, শংকৰদেৱ, মাধৱদেৱ আদি মহান ব্যক্তিসকলৰ কথা এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি। ধৰ্মগুৰু হিচাপে অসম ভূমিত শংকৰদেৱ আৰু মাধৱদেৱৰ এক বিশেষ ভূমিকা আছে। এই দুজন ধৰ্মগুৰুৱে অসমত এক শৰণ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু

প্ৰসাৰ ঘটোৱাৰ লগতে শংকৰী কলা-সংস্কৃতিৰ বিকাশতো অৰিহণা যোগাই আহিছে। অৰ্থাৎ সত্ৰীয়া কলা-কৃষ্টি আৰু বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমৰ বিভিন্ন ঠাইত মহাপুৰুষ দুজনা তথা তেওঁলোকৰ শিষ্য-প্ৰশিষ্যই ভিন-ভিন সত্ৰ প্ৰতিষ্ঠা কৰে। অসমৰ সত্ৰ-অনুষ্ঠানসমূহৰ ভিতৰত শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ অন্যতম। ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত প্ৰতিষ্ঠাৰ কালৰেপৰা বৰ্তমানলৈকে কেইবাগৰাকীও সত্ৰাধিকাৰে সত্ৰখনৰ পৰিচালনাৰ দায়িত্ব পালন কৰি আহিছে। এই সত্ৰাধিকাসকলৰ ভিতৰত নৰমজন সত্ৰাধিকাৰ হ'ল মাধৱ চন্দ্ৰ মহন্ত; যিগৰাকী ব্যক্তিয়ে নিজৰ বদান্যতা আৰু মানৱতাৰ বাবে আমাৰ মাজত সুদীৰ্ঘ কাললৈ স্মৰণীয় হৈ থাকিব। এইগৰাকী মহান ব্যক্তিৰ জীৱন আৰু ব্যক্তিত্বৰ কিছু দিশ আলোকপাত কৰাই হ'ল আমাৰ এই লেখাৰ মূল উদ্দেশ্য।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ নৰমগৰাকী সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্ত এগৰাকী গহীন-গম্ভীৰ, সিংহৰ দৰে শক্তিশালী তথা বলবান ব্যক্তি আছিল। অতি সহজ-সৰল, আড়ম্বৰহীন জীৱনযাপন কৰা এইগৰাকী ব্যক্তি যে অতি বাহুবলী লোক আছিল সেই কথা তেখেতৰ ছবিখন দেখিলেই বুজিব পাৰি। ১৮৯২ খ্ৰীষ্টাব্দৰ কাতি মাহৰ শুক্লা পঞ্চমী তিথিত মাধৱ চন্দ্ৰ মহন্তই জন্মগ্ৰহণ কৰে। এই গৰাকী ব্যক্তিৰ আদি পুৰুষ হ'ল মাধৱদেৱৰ অন্যতম শিষ্য পৰিয়া মাধৱ। মহাপুৰুষৰ ধৰ্মৰ প্ৰথম আৰু প্ৰধান প্ৰচাৰকসকলৰ ভিতৰত অন্যতম শিষ্য হ'ল পৰিয়াৰ মাধৱ (পৰিয়া আতা নামেও জনাজাত)। এই পৰিয়া মাধৱ আতাৰ বংশত এটা মধ্যবিত্ত পৰিয়ালত তেখেতৰ জন্ম হয়। শুৱালকুছিৰ চাৰিখুঁটাৰ কলিতা মন্দিৰ অঞ্চলত মাধৱ চন্দ্ৰ মহন্তই জন্মগ্ৰহণ কৰে। তেখেতৰ পিতৃৰ নাম আছিল বালেক মহন্ত আৰু মাতৃৰ নাম আছিল প্ৰতিমা মহন্ত। তিনিজন ককাই-ভাইৰ ভিতৰত মাধৱ মহন্ত আছিল কনিষ্ঠ সন্তান। আন দুজন জ্যেষ্ঠ ভাতৃ আছিল ক্ৰমে কীৰ্তিৰাম মহন্ত আৰু লক্ষ্মীকান্ত মহন্ত। তিনিজন ককাই-ভাইৰ ভিতৰত লক্ষ্মীকান্ত মহন্ত আৰু মাধৱ চন্দ্ৰ মহন্ত সৰুকালতে হাটীসত্ৰলৈ আহি সত্ৰতে ডাঙৰ-দীঘল হৈছিল।

মাধৱ চন্দ্ৰ মহন্তৰ পিতৃ-মাতৃ অতি সহজ-সৰল, ধৰ্ম-কৰ্মৰ প্ৰতি আস্থা থকা সৎ স্বভাৱৰ ব্যক্তি আছিল। হাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ সাধু পুৰুষ বুদৰাম মহন্তই হাটীসত্ৰৰ বাবে উত্তৰাধিকাৰীৰ সন্ধান কৰাত ঈশ্বৰ তথা ধৰ্ম পৰায়ণ বালেক মহন্তই সত্ৰৰ উত্তৰাধিকাৰী ৰূপে মহন্ত কুলত জন্মগ্ৰহণ কৰা তেওঁৰ দুয়ো পুত্ৰক সত্ৰলৈ পঠাই দিয়ে। বাকসিদ্ধ সাধু পুৰুষ বুদৰাম সত্ৰাধিকাৰ এজন অতি উদাৰ আৰু মহৎ ব্যক্তি আছিল। গতিকে বুদৰাম মহন্তৰ উদাৰ আৰু মহৎ গুণত আকৃষ্ট হৈ বালেক মহন্তই আনুমানিক ন বছৰমান বয়সত তেওঁৰ দুয়ো পুত্ৰক তেখেতৰ হাতত সত্ৰলৈ



দি পঠায়। বুদৰাম মহন্তই দুয়োজন ল'ৰাক সত্ৰলৈ লৈ আহি সত্ৰৰ নীতি-নিয়ম শিকোৱাৰ উপৰি পঢ়া-শুনাৰ প্ৰতিও দৃষ্টি নিক্ষেপ কৰে। বুঢ়া অধিকাৰৰ লগতে দুয়োজন ককাই-ভায়ে অসমীয়া ভাষাৰ শিক্ষা লাভ কৰে আৰু লগতে কাইথেলী আখৰো শিকিবলৈ লয়। সত্ৰৰ সকলোবোৰ নিয়ম-কানুন, ধৃতি-নীতি দুয়োজন ল'ৰাই শৈশৰ কালৰে পৰাই বুদৰাম সত্ৰাধিকাৰৰ পৰা সুন্দৰভাৱে শিকি-বুজি লৈছিল। তদুপৰি সত্ৰৰ নাম-প্ৰসংগ, পাঠ আদিৰ শিক্ষাও বুঢ়া সত্ৰাধিকাৰৰ পৰাই আয়ত্ব কৰিছিল আৰু ডেকা কালৰ পৰাই এই বিষয়ত মাধৱ চন্দ্ৰ মহন্ত সিদ্ধহস্ত হৈ উঠিছিল। এইদৰে বুঢ়া সত্ৰাধিকাৰ বুদৰাম মহন্তই শৈশৰ কালৰে পৰাই লক্ষ্মীকান্ত মহন্ত আৰু মাধৱ চন্দ্ৰ মহন্তক শিকাই-বুজাই, ডাঙৰ-দীঘল কৰি সত্ৰৰ প্ৰকৃত উত্তৰাধিকাৰী হিচাপে গঢ়ি তোলে। বৈকুণ্ঠী হোৱাৰ আগে আগে বুঢ়া সত্ৰাধিকাৰ সাধু বুদৰাম মহন্তই সত্ৰৰ গোটেই মাটি-বাৰী, সা-সম্পত্তি ইচ্ছাপত্ৰ হিচাপে লক্ষ্মীকান্ত মহন্ত, মাধৱ চন্দ্ৰ মহন্ত আৰু গোপীকান্ত মহন্তৰ নামত দি থৈ যায়। পিছত অৱশ্যে গোপীকান্ত মহন্ত হাটীসত্ৰত নাথাকি ৰঙিয়াৰ ওচৰৰ ব্ৰজবাসী সত্ৰলৈ গুচি যায়। সেয়ে সাধু পুৰুষ বুদৰাম মহন্তই মৃত্যুৰ আগে আগে মাধৱ মহন্তৰ জ্যেষ্ঠ ভাতৃ লক্ষ্মীকান্ত মহন্তৰ হাতত হাটীসত্ৰৰ সত্ৰাধিকাৰৰ গুৰু দায়িত্ব অৰ্পণ কৰে আৰু মাধৱ চন্দ্ৰ মহন্ত সত্ৰৰ ডেকা সত্ৰাধিকাৰ হয়। বুঢ়া সত্ৰাধিকাৰৰ পৰলোক প্ৰাপ্তিৰ পিছত সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তৰ লগত ডেকা সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্তৰ মন নিমিলা হয়। দুয়োৰে সেই মনোমালিন্যৰ বাবে মাধৱ মহন্ত হাটীসত্ৰত নাথাকি ওচৰৰ বাঘেশ্বৰী পাহাৰত এটা পঁজাঘৰ সাজি গৰু-ম'হ পুহি বাস কৰিবলৈ লয়।

এইখিনিতে শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ এটি থূলমূল পৰিচয় দাঙি ধৰা যুগুত হ'ব। শুৱালকুছিৰ এখন ঐতিহ্যপূৰ্ণ সত্ৰ হ'ল ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰ। আজিৰ পৰা প্ৰায় ৩০০ৰো অধিক বছৰ আগতে নাৰায়ণ দাস ঠাকুৰ আতাৰ বংশধৰ কানুৰাম ঠাকুৰ আতাই মাধৱদেৱৰ আৰ্হিত এই সত্ৰখন প্ৰতিষ্ঠা কৰে। বৰপেটাৰ নলন্দাৰ পৰা আহি কানু ঠাকুৰে প্ৰথমে ভজনীয়া বাহাৰূপে ইয়াক প্ৰতিষ্ঠা কৰে। লোক সমাজত আজিও ইয়াক 'ঠাকুৰৰ বাহা' নামেৰে জনা যায়। কানু বুঢ়া ঠাকুৰৰ গুণ-গৰিমা দেখি শুৱালকুছিৰ মন্মথ আতৈ তেওঁৰ কাষ চাপে আৰু দুয়ো একে বাহাত থাকি নামধৰ্ম প্ৰচাৰ কৰিবলৈ লয়। পিছত কানু বুঢ়া ঠাকুৰে মন্মথ আতৈক সত্ৰৰ দায়িত্ব অৰ্পণ কৰি স্বৰ্গগামী হয়। মন্মথ আতৈয়ে কম ঠাইতে সত্ৰ, কেৰলীয়া হাটী আৰু ভাঁজঘৰ আদি নিৰ্মাণ কৰি সত্ৰখনৰ চৌহদ শুৰনি কৰি তোলে। হাটী পাতি সত্ৰখন শুৱলা কৰাৰ কাৰণে সত্ৰখনৰ নাম হাটীসত্ৰ হ'ল। শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ নিকা সংহতিৰ আৰ্হিত প্ৰতিষ্ঠিত। নৈষ্কৰ্ম প্ৰৱৰ্তনেৰে আচাৰ সৰ্বস্ব

নিকা, নিষ্ঠা বা নিত্য সংহতি — বদুলা পদ্ম আতা, মথুৰা দাস বুঢ়া আতা আদি এই সম্প্ৰদায়ৰ। হাটীসত্ৰৰ প্ৰতিষ্ঠাপক কানু বুঢ়া সত্ৰাধিকাৰ আৰু মন্মথ আতৈৰ পৰা বৰ্তমানলৈকে কেইবাজনো সত্ৰাধিকাৰে সত্ৰখন পৰিচালনা কৰি আহিছে। তেওঁলোক হ'ল ক্ৰমে গকুল আতৈ, নকুল আতৈ, কলাকানু ঠাকুৰ, ৰামনিধি মহন্ত, হৰিজয় মহন্ত, বুদৰাম মহন্ত, লক্ষ্মীকান্ত মহন্ত, মাধৱ চন্দ্ৰ মহন্ত আৰু ভগ্নেশ্বৰ মহন্ত। "শংকৰদেৱ সত্ৰ" নামেৰে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ শাখা সত্ৰ এখন গুৱাহাটীত স্থাপিত হৈছে। তদুপৰি গুৱাহাটী, তামুলপুৰ, নলবাৰী, গোৱালপাৰা আদি ঠাইত হাটীসত্ৰৰ ভক্ত সিঁচৰতি হৈ আছে।

হাটীসত্ৰত প্ৰত্যেকদিনাই চৈধ্য প্ৰসংগ কৰা হয়। এই চৈধ্য প্ৰসংগত খোল, পাতিতাল, ভোৰতাল, মঞ্জিৰা আদি থলুৱা বা পৰম্পৰাগত বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়। বৰ্তমান আধুনিক বিভিন্ন বাদ্যযন্ত্ৰৰ পয়োভৰৰ দিনত আজিও অসমীয়া পৰম্পৰাগত বাদ্যযন্ত্ৰৰ ব্যৱহাৰে হাটীসত্ৰৰ ঐতিহ্য বহন কৰিছে। হাটীসত্ৰৰ চৈধ্য প্ৰসংগত বৰগীত, ভটিমা, কীৰ্তন, ঘোষা, ভাগৱত, ৰামায়ণ, গীতা আদিৰ পদ গোৱা হয়। হাটীসত্ৰৰ মূল সত্ৰ আৰু বাহাবোৰৰ বেৰত বিভিন্ন চিত্ৰ দেখিবলৈ পোৱা যায়। ১৭২৯ শক (১৮০৭ চন) মানত এই চিত্ৰবোৰ নিৰ্মাণ কৰা হয় বুলি উল্লেখ আছে। হাটীসত্ৰৰ বেৰত আঁকা বেছিভাগ চিত্ৰই শ্ৰীকৃষ্ণৰ লীলা বিষয়ক চিত্ৰ। তদুপৰি বেৰবোৰত বিভিন্ন ফুল আৰু লতাৰ চিত্ৰও আছে। এইবোৰে হাটীসত্ৰৰ স্থাপত্য কলাৰ নিদৰ্শন দাঙি ধৰে। হাটীসত্ৰৰ ষষ্ঠজন অধিকাৰ হৰিজয় মহন্তৰ দিনত সত্ৰখনে সকলো দিশতে এক উন্নত অৱস্থা লাভ কৰে। তেখেতৰ পিছত বুদৰাম মহন্ত, লক্ষ্মীকান্ত মহন্ত আৰু মাধৱ মহন্তৰ দিনত সত্ৰখনে অধিক সমৃদ্ধি লাভ কৰে। আটাইকেইজন সত্ৰাধিকাৰৰ দিনত হাতী, হৰিণা, ময়ুৰ, শহা আদি জীৱ-জন্তুৱে সত্ৰখনৰ শোভা বৃদ্ধি কৰে। কিন্তু বৰ্তমান সত্ৰত কেইটামান শহা আৰু চৰাইৰ বাহিৰে বাকীবিলাক জন্তুৰ বিলুপ্তি ঘটিছে। বাকসিদ্ধ সাধু পুৰুষ বুদৰাম সত্ৰাধিকাৰে সত্ৰৰ উন্নতি আৰু বিকাশৰ প্ৰতি লক্ষ্য ৰাখি তাৰ লগত জড়িত বিভিন্ন আঁচনি প্ৰস্তুত কৰিছিল আৰু তেখেতৰ মৃত্যুৰ পিছত লক্ষ্মীকান্ত মহন্ত আৰু মাধৱ চন্দ্ৰ মহন্তই সেই আঁচনিবিলাক কাৰ্যত ৰূপায়িত কৰিছিল। মুঠতে, এই আটাইকেইজন সত্ৰাধিকাৰৰ দিনত শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰই এক নতুন ৰূপ লাভ কৰিছিল।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত বিভিন্ন উৎসৱ-অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সেইবোৰৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীমন্ত মাধৱদেৱ, মথুৰা দাস বুঢ়া আতা আদি গুৰুসকলৰ মৃত্যুতিথি উপলক্ষে সত্ৰত কীৰ্তন কৰা হয়। শংকৰদেৱৰ কীৰ্তন সাতদিনীয়া, মাধৱদেৱৰ কীৰ্তন দহদিনীয়া আৰু মথুৰা দাস বুঢ়া আতাৰ কীৰ্তন



পাঁচদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। হাটীসত্ৰৰ এক মন কৰিবলগীয়া অনুষ্ঠান হ'ল মথুৰা দাস বুঢ়া আতাৰ কীৰ্তনৰ লগত সংগতি ৰাখি কৰা 'কৰভাৰ'ৰ অনুষ্ঠান। অৰ্থাৎ মথুৰা দাস বুঢ়া আতাৰ কীৰ্তনৰ 'কৰভাৰ' উপলক্ষে শুৱালকুছিত চালে চকুৰোৱা এক শোভাযাত্ৰা অনুষ্ঠিত কৰা হয়। এই 'কৰভাৰ'ৰ শোভাযাত্ৰাৰ দৃশ্য কেৱল শোভনীয়ই নহয়, ইয়াৰ তাত্ত্বিক দিশটোও অতি মন কৰিবলগীয়া। তদুপৰি শংকৰদেৱ-মাধৱদেৱৰ জন্ম উৎসৱটোও সত্ৰৰ ভিতৰতে পালন কৰা হয়। আকৌ বৈকুণ্ঠগামী হোৱা আটাইকেইগৰাকী সত্ৰাধিকাৰৰ মৃত্যু তিথি এদিনীয়াকৈ পালন কৰা হয়। এইবোৰৰ উপৰি হাটীসত্ৰত আন কেইটামান উৎসৱ-অনুষ্ঠান কৰা হয়। সেইবোৰৰ ভিতৰত দৌল পূৰ্ণিমা (তিনিদিনীয়া), জন্মাষ্টমী (এদিনীয়া), সত্ৰৰ বৰনাম (এদিনীয়া, সাত বিহুৰ দিনা অৰ্থাৎ ৬ ব'হাগ) আদি উল্লেখযোগ্য।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত বিভিন্ন সাঁচিপতীয়া পুথি-পাঁজি সংৰক্ষিত হৈ আছে। সেইবোৰৰ ভিতৰত কীৰ্তন, দশম, ভাগৱত, গুৰু-চৰিত, নামঘোষা, হংসচৰিত, ৰামায়ণ আদি পুথি উল্লেখযোগ্য। তদুপৰি বিভিন্ন তন্ত্ৰ-মন্ত্ৰৰ পুথি আৰু আয়ুৰ্বেদ চিকিৎসা শাস্ত্ৰৰ সাঁচিপতীয়া পুথিও হাটীসত্ৰত সংৰক্ষিত হৈ আছে। বৈষ্ণৱ ধৰ্মৰ ভাৱ-আদৰ্শ, কৃষ্টি-সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ এক অন্যতম অনুষ্ঠান হ'লেও হাটীসত্ৰত বিভিন্ন তন্ত্ৰ-মন্ত্ৰৰ পুথি আৰু আয়ুৰ্বেদ শাস্ত্ৰ সম্পৰ্কীয় পুথি সংৰক্ষিত কৰি ৰখা দেখা যায়। ইয়াৰ কাৰণ হ'ল মানুহে সাঁচিপতীয়া পুথি মাত্ৰেই শাস্ত্ৰজ্ঞান কৰে আৰু তেনে সাঁচিপতীয়া পুথি ঘৰত ৰাখিবলৈ সমীহ কৰে। সেয়ে সাঁচিপতীয়া পুথি সংৰক্ষণৰ উপযুক্ত স্থান হিচাপে সত্ৰকে বিবেচনা কৰি মানুহে নিজৰ ঘৰত থকা সাঁচিপতীয়া পুথি সত্ৰত দান দিয়ে। ফলস্বৰূপে হাটীসত্ৰৰ সাঁচিপতীয়া পুথিৰ ভাণ্ডাৰ চহকী হয়। এইদৰে পুৰণি পুথি সংৰক্ষণত হাটীসত্ৰই এক বিশেষ ভূমিকা পালন কৰা দেখা যায়।

সত্ৰীয়া সংস্কৃতিৰ ধাৰক আৰু বাহক হ'ল এই সত্ৰ অনুষ্ঠানসমূহ। হাটীসত্ৰতো সত্ৰৰ ফালৰপৰা খোল বজোৱাৰ শিক্ষা প্ৰদান কৰা হয়। সত্ৰৰ পৰম্পৰাগত ৰীতি-নীতিৰে হাটীসত্ৰই আজিও নিজৰ কৰ্তব্য পালন কৰি ঐতিহ্য বহন কৰিছে। বিভিন্ন সময়ত বিভিন্ন তথ্য আহৰণ কৰিবৰ বাবে হাটীসত্ৰলৈ বিদেশী পৰ্যটকৰো আগমন ঘটিছে। ছুইডেন, ফ্ৰান্স, জেৰুজালেম, আমেৰিকা আদিৰ পৰা বিদেশী পৰ্যটক আহি হাটীসত্ৰত পদাৰ্পণ কৰি সত্ৰৰ শোভা বৃদ্ধি কৰিছে। এনে এখন ঐতিহ্যপূৰ্ণ সত্ৰৰ সত্ৰাধিকাৰৰ দায়িত্ব গ্ৰহণ কৰি মাধৱ চন্দ্ৰ মহন্তই সত্ৰখনলৈ বিভিন্ন দিশত অৰিহণা আগবঢ়ায়।

মাধৱ চন্দ্ৰ মহন্তৰ দিনত হাটীসত্ৰৰ কিছু উন্নতি হয়। তেখেতৰ দিনতে

সত্ৰৰ বাটচ'ৰাটো নিৰ্মাণ কৰা হয়। তদুপৰি গম্বুজৰ সৈতে সত্ৰৰ দেৱালকেইখনৰ কামো তেওঁৰ দিনতে সম্পূৰ্ণ হয়। শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত, শংকৰী কলা-কৃষ্টিৰ বিকাশ আৰু চৰ্চাৰ ক্ষেত্ৰত শুৱালকুছিবাসীয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। শুৱালকুছিত অৱস্থিত শংকৰদেৱ সেৱা সংঘতে সমূহ শুৱালকুছিবাসীয়ে শংকৰী সাহিত্য, কলা-কৃষ্টিৰ চৰ্চা কৰিছিল। পিছত তাৰ পৰা ফালৰি কাটি আহি এচাম লোকে অসম শংকৰী কলা-কেন্দ্ৰ প্ৰতিষ্ঠাৰ যো-জা কৰে। এইক্ষেত্ৰত মাধৱ চন্দ্ৰ মহন্তৰ এক বিশেষ অৱদান আছে। মাধৱ চন্দ্ৰ সত্ৰাধিকাৰেই শংকৰী কলাকেন্দ্ৰৰ বীজ ৰোপণ কৰে। পিছত এই শংকৰী কলাকেন্দ্ৰতে শুৱালকুছিৰ লোকসকলে শংকৰী কলা-কৃষ্টিৰ চৰ্চা কৰিছিল। এতিয়াও ইয়াৰ প্ৰভাৱ ক্ষীণভাৱে হ'লেও অব্যাহত হৈ আছে।

সত্ৰৰ চৈধ্য প্ৰসংগ আৰু পাঠ মাধৱ চন্দ্ৰ মহন্তই বৰ সুন্দৰভাৱে কৰিছিল। তেখেতৰ কণ্ঠস্বৰ তথা সুৰ বৰ মধুৰ আছিল। তেখেতে যেতিয়া গুৰু গম্ভীৰ মাতেৰে, সুললিত সুৰেৰে সত্ৰৰ নাম প্ৰসংগ কৰিছিল বা কীৰ্তন পাঠ কৰিছিল তেতিয়া বাট-পথত মানুহে এপলক হ'লেও ৰৈ শুনিবলৈ বাধ্য হৈছিল।

মাধৱ চন্দ্ৰ মহন্ত এগৰাকী আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী পুৰুষ আছিল। তেখেত এগৰাকী শক্তিমন্ত লোক আছিল। তেখেত কিমান শক্তিশালী ব্যক্তি আছিল, তাৰ চানেকি তেখেতৰ শাৰীৰিক গঠনেই সুন্দৰভাৱে দাঙি ধৰে। সেই সময়ত শুৱালকুছি আজিৰ দৰে জনবহুল আৰু হাবি-বন মুকলি নাছিল। হাবি জংঘলেৰে আৱৰি থকা সেই সময়ৰ শুৱালকুছিত বিভিন্ন জীৱ-জন্তু যেনে - বাঘ, ঘোং, গাহৰি, সাপ আদিয়ে বিচৰণ কৰি ফুৰিছিল। মাধৱ চন্দ্ৰ মহন্তই তেনে বনৰীয়া গাহৰিক কিলাকুটিৰে মাৰি বধ কৰিছিল বুলি এতিয়াও মানুহৰ মুখে মুখে শুনিবলৈ পোৱা যায় আৰু ইয়েই তেওঁৰ বলবান ব্যক্তিত্বৰ পৰিচয় দাঙি ধৰে। তেখেতৰ বাহুবলী ব্যক্তিত্বৰ আন এটা উদাহৰণো পোৱা যায়। সত্ৰীয়া পৰম্পৰা অনুযায়ী সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্তই কেতিয়াও ধুতিৰ লগত পাঞ্জাবী চোলা পৰিধান কৰা নাছিল। ধুতিৰ লগত শুদা গাত চেলেং চটিয়াই লৈ বাহিৰলৈ ওলাই গৈছিল। তেখেতে বিভিন্ন কামত গুৱাহাটীলৈ যাব লগা হৈছিল। গতিকে পাঞ্জাবী পৰিধান নকৰা মাধৱ মহন্তই পইচা-পাতি এটা টেমাত ভৰাই কঁকালৰ খোচনিত লৈ বাহিৰলৈ যাব লগা হৈছিল। এবাৰ কিবা কামত গুৱাহাটীলৈ যাওঁতে বাটতে কাছাৰীৰ ওচৰত দুষ্ট ল'ৰা এজনে (পকেটমাৰ) সহজ-সৰল ধুতি পিন্ধা বুঢ়া মানুহজনৰ কঁকালৰ খোচনিত টেমাত পইচা লোৱা দেখি টেমাটো চুৰ কৰি নিবলৈ চেষ্টা কৰিছিল। বুঢ়া হ'লেও তেখেত যে জোৰ-বল থকা মানুহ আছিল সেই ধাৰণা ল'ৰাজনৰ নাছিল।



মাধৱ চন্দ্ৰ মহন্তই কঁকালত হাত দি টেমাটো লৈ যোৱা ল'ৰাজনক এখন হাতেৰে থাপ মাৰি ধৰি কিলাকুটিৰে পিঠিত মাৰোঁতে ল'ৰাটোৱে টেমাটো ওলোটাই দি পলাই গুছি যাবলৈ বাধ্য হৈছিল। এই ঘটনায়ো তেখেতৰ বলিষ্ঠ শাৰীৰিক শক্তিৰ সুন্দৰ নিদৰ্শন দাঙি ধৰে।

তেখেত এগৰাকী ভাল সন্তৰণবিদ আছিল। সেই সময়ত যাতায়ত ব্যৱস্থা যথেষ্ট অনুন্নত আছিল। আজিৰ দৰে ৰাস্তা-ঘাট বা যান-বাহনৰ সুবিধা নাছিল। মানুহে স্থলপথৰ লগতে জলপথকো যাতায়তৰ এক অন্যতম মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। মাধৱ চন্দ্ৰ মহন্তই কৰ্ট-কাছাৰীৰ কামত বা মাটি-বাৰীৰ সংক্ৰান্তত গুৱাহাটীলৈ যাব লগা হৈছিল আৰু এগৰাকী নিপুণ সাঁতোৰবিদ মাধৱ চন্দ্ৰ মহন্তই ৰাতিয়েই সাঁতুৰি ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটী পোৱাৰ নিদৰ্শন পোৱা যায়।

এক ঐশ্বৰিক শক্তিৰ অধিকাৰী আছিল সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্ত। তেখেত সত্ৰাধিকাৰ হিচাপে সত্ৰৰ নীতি-নিয়ম পালনৰ ক্ষেত্ৰত কঠোৰ আছিল। অৰ্থাৎ সত্ৰৰ ধুতি-নীতি, নিয়ম-কানুন আদি বৰ সুন্দৰভাৱে মানি চলিছিল। তেখেতে শুকান কাপোৰেৰে কেতিয়াও আহাৰ সিদ্ধ আৰু গ্ৰহণ নকৰিছিল। গা-পা ধুই তিতা কাপোৰেৰে ভাত ৰান্ধিহে আহাৰ গ্ৰহণ কৰিছিল। গতিকে হাবি-জংঘলেৰে ভৰা বাটেদি ব্ৰহ্মপুত্ৰৰ সুঁতিত গা ধুবলৈ যাওঁতে বা পানী আনিবলৈ যাওঁতে বাটত বাঘ, ঘোং, সাপ আদি জীৱ-জন্তুক লগ পাইছিল আৰু তেখেতৰ কথামতে সেই জন্তুবোৰেও তেখেতক বাট এৰি দিছিল। লোক সমাজত প্ৰচলিত আছে যে তেখেতে বোলে বাটত লগ পোৱা জন্তুবোৰক কৈছিল —"তোমাকো ব্ৰহ্মাই স্ৰজিছে, মোকো ব্ৰহ্মাই স্ৰজিছে। গতিকে তুমি তোমাৰ ৰাস্তাৰে গৈ থাকা, মোকো মোৰ ৰাস্তা এৰি দিয়া"। — এইবুলি কোৱাৰ লগে লগে হাবিৰ বাঘ-ঘোঙেও বাট এৰি দিছিল বুলি এতিয়াও মানুহৰ মুখে মুখে শুনা যায়।

আগতেই উল্লেখ কৰা হৈছে যে তেখেতে হাটীসত্ৰৰ পৰা অলপ আঁতৰত বাঘেশ্বৰী পাহাৰত এটা সৰু পঁজাঘৰত অনাড়ম্বৰ জীৱন-যাপন কৰিছিল। তেখেত বাস কৰা সেই পঁজাঘৰটোত সাপৰ বৰ প্ৰাদুৰ্ভাৱ আছিল। তেখেতে শয়ণ কৰিবৰ বাবে এখন বাঁহৰ চাং সাজি লৈছিল আৰু বস্তু-বাহানি তুলি থ'বৰ বাবে ওপৰতো এখন বাঁহৰ চাং ব্যৱহাৰ কৰিছিল। এই বাঁহৰ চাংবোৰৰ তলে-ওপৰে সকলোতে বিষাক্ত সাপে বাহ লৈ আছিল যদিও কোনোদিনে তেখেতক সাপে একো অপকাৰ কৰা নাছিল।

শুৱালকুছিৰ সমাজলৈ মাধৱ চন্দ্ৰ মহন্তৰ আটাইতকৈ ডাঙৰ অৱদান হ'ল বিদ্যায়তনিক দিশত। তেখেতৰ বদান্যতাৰ বাবেই শুৱালকুছিত একমাত্ৰ উচ্চশিক্ষাৰ

অনুষ্ঠানখন গঢ় লৈ উঠিল আৰু এই উচ্চ শিক্ষাৰ অনুষ্ঠানখনে বৃহত্তৰ শুৱালকুছিৰ লগতে ওচৰ-চুবুৰীয়া অঞ্চলৰ ল'ৰা-ছোৱালীক শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যোৱাত যথেষ্ট সহায় কৰিলে। অৰ্থাৎ বিদ্যায়তনিক দিশত মাধৱ চন্দ্ৰ মহন্ত তথা ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অৱদান অপৰিসীম। শিক্ষা-দীক্ষাৰ প্ৰতি তেখেতৰ যথেষ্ট আগ্ৰহ আছিল। শুৱালকুছিত অৱস্থিত একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠানখন স্থাপন কৰিবৰ বাবে হাটীসত্ৰৰ পৰা সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্তই তেওঁৰ দিনত ৪২ বিঘা মাটি দান কৰে। গতিকে মাধৱ চন্দ্ৰ মহন্তৰ বদান্যতা আৰু মহত্বৰ বাবে আজি শুৱালকুছিৰ মাজ-মজিয়াত মহাবিদ্যালয়খন স্থাপিত হৈ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ পোহৰেৰে বাট দেখুৱাবলৈ সক্ষম হৈছে। কবি দুৰ্গেশ্বৰ শৰ্মাৰ ভাষাৰে ক'বলৈ গ'লে —

"একোজন পুৰুষৰ একো আঁজোৰত
বহুযুগ আগবাঢ়ি যায়,
একোজন পুৰুষৰ একোটা ঠেলাই
বহুকাল সংসাৰ চলায়।"

অৰ্থাৎ শিক্ষাৰ ক্ষেত্ৰত শুৱালকুছিৰ সমাজখনক আগুৱাই নিয়াত তেখেতে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে। তেখেতৰ বদান্যতা অবিহনে শুৱালকুছিৰ মাজ-মজিয়াত এনে এখন মহাবিদ্যালয় স্থাপন নহ'লহেঁতেন। সেয়ে তেখেতৰ মহানতা আৰু বদান্যতাক স্মৰণ কৰি পৰৱৰ্তী সময়ত স্থানীয় লোকসকলে মহাবিদ্যালয়খনক তেখেতৰ নামেৰে নামকৰণ কৰিবলৈ সিদ্ধান্ত লয়। কিন্তু এইক্ষেত্ৰত তেখেতৰ মহত্ব মনকৰিবলগীয়া। কাৰণ মাধৱ চন্দ্ৰ মহন্তই অকল তেখেতৰ নামতে মহাবিদ্যালয়খনৰ নামটো সীমাবদ্ধ হৈ থাকিবলৈ নিদি তেখেতৰ পিতৃস্বৰূপ বুদৰাম মহন্তৰ নামো এই ক্ষেত্ৰত সন্নিবিষ্ট কৰে। যাৰ ফলস্বৰূপে তেখেতৰ ইচ্ছা অনুযায়ী স্থানীয় লোকসকলে মহাবিদ্যালয়খনৰ নাম ৰাখে 'শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়।' গতিকে সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্তই উচ্চশিক্ষাৰ একমাত্ৰ অনুষ্ঠানখন স্থাপন কৰিবৰ বাবে মাটি দান কৰি বদান্যতাৰ পৰিচয় দিয়াই নহয়, তেখেতৰ নিজৰ নামৰ লগতে বুদৰাম মহন্তৰ নামটো জড়িত কৰি লোৱাত তেখেতৰ বিশাল তথা মহান হৃদয়ৰ পৰিচয়ো পৰিস্ফুট হৈ উঠিছে।

মাধৱ চন্দ্ৰ মহন্তই দুই-এটা জনহিতকৰ কামতো হাত দিছিল। পূৰ্বতে কোৱা হৈছে, তেখেতে ককায়েকৰ লগত মন নিমিলা হোৱাত বাঘেশ্বৰী পাহাৰত গৈ বাস কৰিছিল। সেই বাঘেশ্বৰী পাহাৰতে তেখেতে মুক্তি যুঁজাৰু শ্ৰীজয়কান্ত দাসৰ নেতৃত্বৰ এখন আশ্ৰম খুলি আশ্ৰমখন বৰ পৰিপাটি আৰু সুন্দৰকৈ গঢ়ি তুলিছিল।



বাঘেশ্বৰী পাহাৰৰ মালভূমি অঞ্চলত পতা এই আশ্ৰমখনতে মাধৱ চন্দ্ৰ মহন্তই গান্ধীবাদী (মুক্তি যুঁজাৰু) ডেকাচামৰ হতুৱাই কৃষিবিষয়ক প্ৰশিক্ষণ দিছিল আৰু মৌ আদি পালন কৰি আশ্ৰমখনৰ শোভা বৃদ্ধি কৰিছিল। তদুপৰি বিভিন্ন ফল-মূলৰ গছ-গছনি ৰুই আশ্ৰমখন আটক ধুনীয়া কৰি তোলাৰ লগতে সেই ফলমূলবোৰ আনক খাবলৈ বিলাই দি আনন্দ লভিছিল।

মাধৱ সত্ৰাধিকাৰৰ ব্যক্তিত্বৰ আন এটা দিশ হ'ল তেখেত যথেষ্ট সাহসী ব্যক্তি আছিল। হাবি-জংঘল আৰু বনৰীয়া জীৱ-জন্তুৰে ভৰা দুৰ্গম বাঘেশ্বৰী পাহাৰত অকলে থাকিবলৈ লোৱাটো আৰু সেই পথেৰে অকলে অহা-যোৱা কৰাটোৱে তেখেতৰ দুঃসাহসিকতাৰে পৰিচয় দাঙি ধৰে। তদুপৰি তেখেত এগৰাকী অতি স্পষ্টবাদী আৰু আপোচবিহীন লোক আছিল। তেখেতে ক'বলগীয়া কথাখিনি লুক-ঢাক নকৰি স্পষ্টভাৱে ব্যক্ত কৰিছিল আৰু কোনো কথাত কাৰো লগত আপোচ নকৰিছিল। সেইদৰে তৎক্ষণাত উচিত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰতো তেখেত সিদ্ধহস্ত আছিল। সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত তেওঁ কেতিয়াও পলম নকৰিছিল। মহাবিদ্যালয়ৰ বাবে মাটি দান কৰাৰ সিদ্ধান্তও তেখেতে তাৎক্ষণিকভাৱেই লৈছিল। অৱশ্যে, তেখেতৰ তাৎক্ষণিক সিদ্ধান্তই ক'তো কাৰো একো অপকাৰ কৰা নাছিল। বৰং তেখেতে গ্ৰহণ কৰা তেনে সিদ্ধান্তই দেশৰ দহৰ বা সমাজৰ উন্নতিহে কৰিছিল।

গতিকে এগৰাকী বাহুবলী, সাহসী, শক্তিশালী, স্পষ্টবাদী উদাৰ আৰু মহান অথচ আপোচবিহীন ব্যক্তিত্বৰ অধিকাৰী সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্তই নিজৰ কৰ্ম আৰু অৱদানেৰে ভৱিষ্যত প্ৰজন্মৰ মাজত উজ্জ্বল হৈ জিলিকি থাকিব।

এই গৰাকী আকৰ্ষণীয় ব্যক্তিত্বসম্পন্ন মহান ব্যক্তি জীৱনৰ শেষৰফালে দাঁতৰ বিষ, আঁঠুৰ বিষ আদি দুই-এটা সৰু-সুৰা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হয়। বৈকুণ্ঠী হোৱাৰ আগে আগে তেখেতে হাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰ ভগ্নেশ্বৰ মহন্তদেৱক আনুষ্ঠানিক নীতি-নিয়মৰ মাজেদি 'মালা' আদি দি সত্ৰৰ সকলোবোৰ গুৰুদায়িত্ব-ভাৰ অৰ্পণ কৰে আৰু ১৩৮৩ চনৰ জেঠ মাহৰ ১৪ তাৰিখে কৃষ্ণা অমাৱস্যা তিথিত ইহলীলা সম্বৰণ কৰে। বহুতো গুণ আৰু বিশাল ব্যক্তিত্বৰ অধিকাৰী এইগৰাকী মহান পুৰুষৰ নশ্বৰদেহ পঞ্চভূতত বিলীন হৈ গ'লেও নিজৰ কৰ্মোদ্যম আৰু বদান্যতাৰ দ্বাৰা তেখেত উত্তৰ পুৰুষৰ বাবে আদৰ্শ তথা অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব। কবিৰ ভাষাৰে ক'বলৈ গ'লে —

ভাগি গ'ল বীণখনি ছিগি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ অমিয়া জোকাৰ।।

(অৱশেষ — লক্ষ্মীনাথ বেজবৰুৱা)

*বিঃ দ্রঃ* প্ৰবন্ধটো যুগুত কৰোঁতে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰ ৰাজীৱলোচন সন্ত আৰু শুৱালকুছিৰ বিশিষ্ট ব্যক্তি শ্ৰীযুত হেমচন্দ্ৰ ভৰালীয়ে আমাক বিভিন্ন সমলৰ যোগান ধৰি প্ৰয়োজনীয় দিহা-পৰামৰ্শ দি কৃতাৰ্থ কৰিছে। তেখেতসকলৰ ওচৰত আমি কৃতজ্ঞ।

-০০০-


<u>সহায়ক গ্ৰন্থপঞ্জীঃ</u>

১। *দাস, হৰমোহন ঃ* সাধু বুদৰাম মহন্ত (১৯৯৮), পৃ. ৬, প্ৰকাশক ঃ ড° ভূবন মোহন দাস, পাণবজাৰ, গুৱাহাটী।

২। *নেওগ, মহেশ্বৰ ঃ* শ্ৰীশ্ৰীশঙ্কৰদেৱ (১৯৮৭), পৃ. ১৫৩, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, টিহু।

৩। *নেওগ, মহেশ্বৰ (সম্পা) ঃ* পঢ়িয়া মাধৱ আতাৰ চৰিত্ৰ (১৯৭১), পৃ. ২৭, প্ৰকাশক, পঢ়িয়া মাধৱ আতাৰ চৰিত প্ৰকাশক সমিতি, শুৱালকুছি, কামৰূপ।

# শংকৰী কলা-কৃষ্টিৰ সংৰক্ষক আৰু সংবৰ্ধক হিচাপে সাধু মাধৱ সত্ৰাধিকাৰৰ অৱদান

*তুৰা কটকী*

*(এই প্ৰৱন্ধৰ লেখক আমাৰ পৰম শ্ৰদ্ধাৰ আৰু মৰমৰ তুৰা কটকীদেৱ এগৰাকী শংকৰী কৃষ্টিৰ একনিষ্ঠ সাধক আৰু আমাৰ মহাবিদ্যালয়ৰ পৰিয়ালৰ নিৰৱচ্ছিন্ন, নিস্পৃহ কৰ্মযোগী হিচাপে পৰিচিত। এই পুথিখন প্ৰকাশৰ ক্ষেত্ৰত তেখেতৰ উৎসাহ আছিল উল্লেখযোগ্য। তেখেতৰ অকাল বিয়োগ আমাৰ বাবে অত্যন্ত বেদনাদায়ক আৰু অপূৰণীয় ক্ষতি। আমাৰ শ্ৰদ্ধাৰ্ঘ তেখেতৰ প্ৰতি নিৱেদন কৰিছো।)*

শংকৰী সংস্কৃতিৰ সংৰক্ষণ আৰু সম্প্ৰসাৰণত শুৱালকুছিত অৱস্থিত বৈকুণ্ঠধাম ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ এক সুকীয়া স্থান আছে। এই সত্ৰৰ প্ৰতিষ্ঠাপক অধিকাৰ গৰাকী হ'ল কানু বুঢ়া ঠাকুৰ। কানু বুঢ়া ঠাকুৰ আতাৰ পিছতে নাম-ধৰ্ম লৈ প্ৰচাৰ আৰু প্ৰসাৰৰ গুৰু দায়িত্ব পালন কৰে শুৱালকুছি গাঁৱৰে এগৰাকী ধৰ্মাত্মা মন্মথ আতৈ বাপে। "মন্মথ আতৈৰ পাছত ক্ৰমান্বয়ে এই হাটী সত্ৰত গোকুল আতৈ, নকুল আতৈ, কলা কানু আতৈ, ৰামনিধি মহন্ত আৰু হৰিজয় মহন্ত অধিকাৰ হয়। হৰিজয় মহন্তৰ পিছত আচলতে হৰিজয় অধিকাৰৰ ভতিজা মৌৰাম মহন্তহে ডেকা অধিকাৰ হ'ব লাগিছিল। কিন্তু গুৰুভাৰ বংশানুক্ৰমে নিদি উপযুক্ত শিষ্যৰ গাত দিয়া নিয়ম মহাপুৰুষীয়া পন্থত চলি আহিছে। গতিকে হৰিজয় অধিকাৰে উপযুক্ত পাত্ৰ চাই শ্ৰদ্ধেয় বুদৰাম মহন্তকে ডেকা অধিকাৰ পাতি ল'লে। ইয়াৰ পিছত তেখেতে অধিকাৰ হয়। বুদৰাম মহন্ত বাপৰ পিছত অধিকাৰ পদত অধিস্থিত হয় শ্ৰীশ্ৰীলক্ষ্মীকান্ত মহন্ত। লক্ষ্মীকান্ত প্ৰভুৰ পিছত তেখেতৰ ভাতৃ শ্ৰীশ্ৰীমাধৱ মহন্ত বাপ সত্ৰৰ অধিকাৰ পদত অধিষ্ঠিত হয়। হিচাপৰ লেখেৰে কানুবুঢ়া ঠাকুৰ আতাক হাটীসত্ৰৰ প্ৰতিষ্ঠাতা হিচাপে ধৰিলে মাধৱ মহন্ত অধিকাৰ গৰাকী ৯ম জনা অধিকাৰ আছিল।

সত্ৰখনৰ বৰ্তমান সত্ৰাধিকাৰ গৰাকী হ'ল শ্ৰীশ্ৰীভগ্নেশ্বৰ মহন্ত বাপদেৱ আৰু ডেকা সত্ৰাধিকাৰ শ্ৰীৰাজীৱ সন্তদেৱ। এই কেইগৰাকীয়ে সত্ৰখনৰ বিকাশৰ বাবে

পৰিশ্ৰম কৰি থকাটো সত্ৰখনৰ ভৱিষ্যতৰ বাবে এটা শুভ লক্ষণ।

সমাজৰ নিম্ন শ্ৰেণীৰ মুক্তি, মঙ্গল সাধনেই মহাপুৰুষীয়া সমাজৰ তথা অসমৰ সৰ্বকালৰ শ্ৰেষ্ঠতম বৈষ্ণৱ সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মূল আদৰ্শ আছিল। ইয়াকেই সৰোগত কৰি —

কিৰাত কছাৰী খাচী গাৰো মিৰি যৱন কঙ্ক গোৱাল।
অসম মূলুক ধুৱাবে তুৰুক কুৱাচ ম্লেছ চণ্ডাল।।
আন পাপী নৰ কৃষ্ণ সেৱকৰ সঙ্গত পবিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া বৈকুণ্ঠ মুখে চলয়।। — বোলা শ্ৰুতি

তথা বেদৰ মহান বাণীৰে মানৱক পৰম পবিত্ৰ সত্যৰ উপলব্ধিৰে একো একোজন মহান মানৱ হিচাপে গঢ় দিবৰ বাবে সপোন দেখুৱাইছিল। এই সপোনকে বাস্তৱায়িত কৰিবৰ বাবে আমাৰ আলোচ্য বিষয়ৰ মধ্যমণি শ্ৰীশ্ৰীমাধৱ মহন্তই শুৱালকুছিত উচ্চ-শিক্ষাৰ বন্তি গছি উজ্জ্বলাই উঠাবলৈ যি অহোপুৰুষাৰ্থ কৰিছিল তাৰ বাবেই বোধহয় সেই সময়ত শুৱালকুছিত মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰিব বিচৰা উদ্যোগী ৰাইজে মহাবিদ্যালয়খন শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় নামেৰে নামকৰণ কৰিছিল। উচ্চশিক্ষা বিস্তাৰৰ ক্ষেত্ৰত শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ এক বিশেষ অৱদান আছে। কাৰণ কলেজ এখন প্ৰতিষ্ঠাৰ বাবে ভূমিৰ আৱশ্যকতাৰ কথা মুঠেই চিন্তা কৰিব নলগাকৈ ৪২ বিঘা এলেকাৰ এক বিশাল ভূমিখণ্ড শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰয়েই মহাবিদ্যালয়ৰ নামত দান কৰিছিল। উচ্চ শিক্ষাৰ আৱশ্যকতা মানৱ কল্যাণৰ, মানৱৰ মুক্তিৰ বাবে কিমান গুৰুত্বপূৰ্ণ সেই কথা উপলব্ধি কৰিব পৰা ব্যক্তিয়ে এই মহান দানৰ কথা শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় থাকে মানে শ্ৰদ্ধাৰে স্মৰণ কৰি থাকিব লগতে এই দানৰ উদ্যোক্তা শ্ৰীমাধৱ মহন্তৰ নামটোও জন-মানসত সদায়েই চিৰসেউজ হৈ ৰ'ব।

শ্ৰদ্ধেয় মহন্ত আতৈৰ জন্ম হৈছিল ১২৯৯ ভাস্কৰাব্দৰ কাতি মাহৰ শুক্লা পঞ্চমী তিথিত। এখেতৰ পিতৃৰ নাম আছিল প্ৰয়াত বালেকৰাম মহন্ত আৰু মাতৃদেৱী আছিল প্ৰয়াত প্ৰতিমা আই মহন্ত। এখেতে আনুষ্ঠানিক শিক্ষাৰ দ্বাৰা শিক্ষিত নহ'লেও প্ৰাচীন কামৰূপত প্ৰচলিত কাইথেলী শিক্ষাৰ পাঠ হাটীসত্ৰতে গ্ৰহণ কৰিছিল বুলি জনা যায়। প্ৰসংগক্ৰমে উল্লেখ কৰা হৈছে যে শ্ৰীশ্ৰীবুদৰাম মহন্ত অধিকাৰ বৈকুণ্ঠগামী হোৱাৰ পিছত শ্ৰীশ্ৰীলক্ষ্মীকান্ত মহন্ত শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ সত্ৰাধিকাৰ পদত অধিস্থিত হয়। এইজনা লক্ষ্মীকান্ত মহন্ত প্ৰভুৰ ভাতৃ হ'ল শ্ৰদ্ধেয় শ্ৰীশ্ৰীমাধৱ মহন্তদেৱ। কিবা ব্যক্তিগত কাৰণত লক্ষ্মীকান্ত মহন্তবাপ অধিকাৰ হৈ থকা সময়তে আনুমানিক ১৮৪৪ শকত মাধৱ মহন্তদেৱে মূল হাটীসত্ৰৰ ভেঁটিৰ পৰা



আঁতৰি গৈ বাঘেশ্বৰী পাহাৰৰ দাঁতিত বাহা পাতে। তাতে তেখেতে নামঘৰ সাজি, গুৰু আসন প্ৰতিষ্ঠা কৰি সম্বন্ধত নিজ ভাতৃ, শ্ৰীশ্ৰীলক্ষ্মীকান্ত আতৈ বৈকুণ্ঠগামী নোহোৱা পৰ্যন্ত ১৮৭৭ শক মানলৈ সুদীৰ্ঘ বছৰ কাল নিজে নিৰ্মাণ কৰা নামঘৰতে হৰি ভক্তি, গুৰু সেৱা সমন্বিতে সাধাৰণ লোকৰ মাজত নামধৰ্মৰ পবিত্ৰ ধাৰাটো প্ৰচাৰ আৰু প্ৰসাৰত নিৰলস প্ৰচেষ্টা অব্যাহত ৰাখে। তেৱাৰ সমসাময়িক লোকৰ মুখে মুখে কোৱা-মেলা কৰা এই কথা আজিও সৰ্বজন বিদিত যে যি সময়ত সাধু মাধৱ মহন্ত বাপে বাঘেশ্বৰী পাহাৰৰ দাঁতিত সেৱাশ্ৰম নিৰ্মাণ কৰি হৰি ভক্তি প্ৰচাৰ কৰিছিল তেতিয়া সেই অঞ্চলটোত বাঘেৰে পৰিপূৰ্ণ হৈ আছিল। এইজনা শক্তিমান সিংহপুৰুষে বাঘৰ উপস্থিতিত কেতিয়াও ভয়-ভীত হোৱা নাছিল বুলি লোক সমাজত বিশ্বাস আছে। আনকি এনে কথাৰহে জনশ্ৰুতি আছে যে এইগৰাকী সাহসী পুৰুষে শীত কালত বাঘৰ লগত একেলগে জুই পুৱাইছিল।

অধিকাৰ শ্ৰদ্ধেয় বুদৰাম মহন্তৰ দৈনন্দিন কাৰ্য তালিকাৰ উল্লেখ কৰি জীৱনী লেখক প্ৰয়াত হৰমোহন দাস দেৱে লিখিছে যে, "তেখেতে পুৱতি নিশাতে পুৱাৰ বৰগীত, ভটিমা গাই ঈশ্বৰ চিন্তা কৰি শয্যা ত্যাগ কৰিছিল। ব্ৰহ্মমুহূৰ্তৰ আগতে শৌচ কাৰ্যাদি সমাপন কৰি প্ৰাতঃ স্নান কৰিছিল, প্ৰাতঃস্নান কৰি উঠি প্ৰাতঃ প্ৰসঙ্গ কৰিছিল।" এই ধৰণৰ মহাপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰি সাধু মাধৱ মহন্তই পৰৱৰ্তী কালত পুৱতি নিশাই আনকি প্ৰচণ্ড শীতৰ প্ৰকোপ নেওচিও বাঘেশ্বৰী পাহাৰৰ কাষত নদী ঘাটত স্নান কৰি অন্যান্য কাম-কাজ কৰাৰ উপৰি সত্ৰৰ ধৰ্মীয় কামত নিজকে নিয়োগ কৰিছিল। এখেত অল্পভোজী আছিল আৰু স্নান কৰিবলৈ যোৱাৰ সময়তে শ্ৰদ্ধা সহকাৰে মাছমৰীয়াসকলে গুৰুলৈ বুলি আগবঢ়োৱা দুটামান সৰু মাছেৰে বনোৱা অকণমান পালেং শাকৰ আঞ্জাৰেই ভোজন কাৰ্য সমাপন কৰিছিল। ৰন্ধন কাৰ্য নিজেই কৰিব লগা বাবে প্ৰায়েই তেখেতে এখন আঞ্জা ৰান্ধিয়েই অন্ন গ্ৰহণ কৰিছিল বুলি বৰ্তমানৰ সত্ৰাধিকাৰ মাননীয় ভগ্নেশ্বৰ মহন্ত বাপ জনাই আমাক জানিবলৈ দিয়ে। এনেদৰেই এইজনা বৈষ্ণৱ মহন্তই নানান বাধা-বিঘিনি নেওচা দি নাম-দেউ-ভকতত মতি স্থিৰ কৰি প্ৰায় অকলশৰীয়া জীৱন-যাপনেৰে নামধৰ্মৰ মূলসূঁতিৰ লগত নিজকে একান্তভাৱে জড়িত ৰাখি অটলভাৱে বৈষ্ণৱ পৰম্পৰা অক্ষুণ্ণ ৰাখিছিল সেয়া সঁচাই প্ৰশংসনীয় উদাহৰণ। শ্ৰীশ্ৰীলক্ষ্মীকান্ত মহন্ত বাপজনা যেতিয়া ১৩৬৭ শকত বৈকুণ্ঠগামী হয় তেতিয়াহে সৰ্বমুঠ ৩৩ বছৰ মানৰ পিছত মাধৱ মহন্ত বাপে হাটী সত্ৰলৈ প্ৰত্যাৱৰ্তন কৰে আৰু প্ৰায় ১৮৯৩ শক মানলৈ প্ৰায় ১৬ বছৰ কাল সত্ৰাধিকাৰ প্ৰভুৰ পদ অলংকৃত কৰে।

সত্ৰাধিকাৰ হিচাপে মাধৱ সত্ৰাধিকাৰ বাপৰ ১৬ বছৰীয়া কাৰ্যকাল নানান

ঘটনা-উপঘটনা আৰু মধুৰ স্মৃতিৰে পৰিপূৰ্ণ। এইবিলাক ঘটনাই প্ৰমাণ কৰিছিল যে তেওঁৰ অন্তৰত বিৰাজ কৰা ধৰ্মীয় অনুভূতি কিমান গভীৰ আৰু নামধৰ্মৰ প্ৰতি থকা নিষ্ঠা তথা বিশ্বাস কিমান অচল-অটল আছিল। সত্ৰৰ উন্নয়নৰ কথাত বা ওচৰৰ গাঁওৰ ভক্তসকলৰ অভাৱ-অসুবিধাৰ কথাত শ্ৰদ্ধেয় মাধৱ সত্ৰাধিকাৰ বাপ কিমান সংবেদনশীল আছিল এটা তেখেতৰ জীৱনত ঘটা ঘটনাৰ উদাহৰণেৰে দাঙি ধৰিব বিচাৰিছো। হাটীসত্ৰৰ প্ৰায় গাতে লাগি এটা পুখুৰী আছে। এই পুখুৰীটোৰ পানী খৰালী প্ৰায়েই শুকাই যোৱাৰ অৱস্থা হয়। সত্ৰত থকা কুঁৱাটোৰ পানীয়েও কেৱল বাপ-বান্ধৱসকলক কোনোমতে জোৰে। ওচৰ পাজৰৰ গঞা ভক্তপ্ৰাণ ৰাইজৰ প্ৰয়োজনীয় পানীৰ তাগিদা কোনো মতেই পূৰণ কৰিব নোৱাৰা অৱস্থা। এনে পৰিস্থিতিত এইজনা গুৰু চিন্তিত হৈ উঠিল কি উপায়েৰে নিত্য ব্যৱহাৰ্য এই পানীটোপাৰ বাবে ভকত-সজ্জনে ভুগি থকা সমস্যাটোৰ সমাধান কৰিব পৰা যায়। ভগৱানৰ কৃপাত সেই সময়ৰ কামৰূপৰ উপায়ুক্তৰ পৰা এটা প্ৰস্তাৱ আহিল যে সত্ৰই নিজৰ চৌহদত এটা কুঁৱা খান্দিব বিচাৰিলে পাঁচ হেজাৰ টকাৰ চৰকাৰী সাহায্য আগবঢ়োৱা হ'ব। এই সুখবৰটো পাই সত্ৰাধিকাৰ প্ৰভুয়ে অন্য চিন্তা নকৰি নিজেই ৰাজ-সাহায্য আনিবলৈ বুলি গুৱাহাটীলৈ গমন কৰিলে। টকা-পইচা লৈ সত্ৰমুখে ঘূৰি আহোঁতে বাটতে তেখেতৰ এগৰাকী ভক্তই সিকি নে আধলি এটা সত্ৰাধিকাৰ প্ৰভুলৈ বুলি আগবঢ়াই বাছ ষ্টেচনতে সেৱা এভাগ জনাইছিল। সত্ৰাধিকাৰ প্ৰভুৱে ভক্তি সহকাৰে আগবঢ়োৱা টকাটো সচৰাচৰ কঁকালতে বান্ধি ৰখা ৰূপৰ চুঙা এটাত ভৰাই আকৌ চুঙাটো কঁকালত বান্ধি আছিল। এই দৃশ্যটো দূৰৰ পৰা এজন ডকাইত প্ৰকৃতিৰ লোকে লক্ষ্য কৰি আছিল। চকুৰ পচাৰতে ডকাইতটোৱে সত্ৰাধিকাৰলৈ ছোঁ মাৰি আহি বান্ধ খুলি কঁকালৰ পৰা ৰূপৰ চুঙাটো কাঢ়িলৈ গুৱাহাটীৰ জন সমুদ্ৰত লুকাই পৰাৰ চেষ্টা কৰিলে। সত্ৰাধিকাৰ প্ৰভু পিছে তেনেকৈ অতি সহজতে ডকাইতৰ ওচৰত পৰাজয় বৰণ কৰা প্ৰকৃতিৰ লোক নাছিল। জন-কল্যাণ কৰাৰ মানসিকতাৰে সংগ্ৰহ কৰা টকাকেইটা চকুৰ পচাৰতে হেৰুৱাবলৈ ৰাজী নহয়। অসৎ চোৰটো যিমানেই জনসমুদ্ৰৰ মাজত সোমাই নিজকে অদৃশ্য কৰিবলৈ প্ৰয়াস নকৰক কিয় সত্ৰাধিকাৰ প্ৰভুৱেও শিশুপাল খেদা দি শেষত ধৰিবলৈ সক্ষম হয়। ধৰাৰ লগে লগে প্ৰচণ্ড প্ৰহাৰেৰে সত্ৰাধিকাৰ প্ৰভুৱে ডকাইতটোৰ পৰা নিজৰ ধনখিনি সংগ্ৰহ কৰি লৈছিল। কাৰণ এই ধনকেইটা সংগ্ৰহৰ মূল লক্ষ্যটোৱেই আছিল সত্ৰৰ কাষৰ ভক্তপ্ৰাণ ৰাইজক জীৱন ধাৰণৰ বাবে অতিকৈ প্ৰয়োজনীয় পানীৰ যোগান ধৰা। এনে ধৰণে গভীৰ আন্তৰিকতাৰে সত্ৰৰ সা-সম্পত্তি ৰক্ষা কৰি সত্ৰখন বৰ্তাই ৰখাৰ কামত এইজন গুৰুৱে যি তৎপৰতা অৱলম্বন কৰিছিল



সি সকলোৰেই বাবে সমাদৃত।

মহাপুৰুষীয়া ধৰ্ম ৰক্ষা কৰি শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰই প্ৰৱৰ্তাই থকা পৰম্পৰাৰ ওচৰত মন্তব্য কৰি শ্ৰদ্ধেয় হৰমোহন দাসে লিখিছে — "মহাপুৰুষীয়া ধৰ্মৰ সকলো নিয়ম প্ৰণালী অটুট ৰাখি নামধৰ্ম প্ৰচাৰ কৰাত হাটীসত্ৰ কামৰূপৰ এখন প্ৰধান সত্ৰ হৈ উঠিল। উজনীত কমলাবাৰী, মধ্যৰ বৰপেটা আৰু ভাটিৰ মধুপুৰ এই তিনিও ৰাজ্য মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱৰ লীলাভূমি। এই তিনিও থানৰ আৰ্হিয়েই মহাপুৰুষীয়াসকলৰ আৰ্হি। শুৱালকুছি গাঁৱৰ ওচৰ হৈছে বৰপেটা সত্ৰ। এই বৰপেটা সত্ৰৰ আৰ্হিকে হাটীসত্ৰতো লোৱা হৈছে।

শংকৰী সংস্কৃতিৰ ধ্বজা উৰুৱাই আৰু বছৰজোৱা সাংস্কৃতিক তথা ধৰ্মীয় অনুষ্ঠানসমূহ পালন কৰি ভক্তপ্ৰাণ ৰাইজৰ মন হৰিমুখী কৰি হৰি ভক্তি প্ৰদান কৰাত শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰই কোনো দিনেই নিৰৱ হৈ থকা নাই। দৈনন্দিন নিত্য নাম-প্ৰসংগ তথা ধৰ্মীয় কাৰ্য-কলাপৰ উপৰি এই সত্ৰই উদ্‌যাপন কৰা বছৰজোৱা কাৰ্যসূচীৰ এটা চমু বিৱৰণ তলত দাঙি ধৰা হ'ল —

(১) ব'হাগ মাহত ৰঙালী বিহু উপলক্ষে দোমাহী উৎসৱত ১২ ঘণ্টীয়া পালনামেৰে গাঁওখনৰ মঙ্গল প্ৰাৰ্থনা কৰাৰ লগতে ভক্তপ্ৰাণ ৰাইজৰ হৰি নামৰ সিংহ নিনাদে মন-প্ৰাণ পুলকিত কৰিছে।

(২) জেঠ মাহত মাধৱদেৱ মহাপুৰুষজনাৰ জন্ম তিথি পালন কৰাৰ উপৰি সত্ৰৰ দুজনা সত্ৰাধিকাৰৰ তিথি উদ্‌যাপন কৰা হয়।

(৩) আহাৰ মাহত ভাটোকুচীয়া আতাৰ তিথিও বৰ উলহ-মালহেৰে উদ্‌যাপন কৰা হয়।

(৪) শাওন মাহত গুৰু কীৰ্তন থাপনা কৰাৰ লগতে সাতদিনীয়া ভাগৱত পাঠৰ অনুষ্ঠান পালন কৰা হয়।

(৫) ভাদ মাহত গুৰুজনাৰ তিথি, মাধৱদেৱৰ কীৰ্তন, বদুলা আতাৰ কীৰ্তন আৰু কৃষ্ণ জন্মাষ্টমী পালনৰে গোটেই সত্ৰীয়া পৰিৱেশটো ৰাম নামৰ ধ্বনিৰে উৎসৱমুখৰিত কৰি তোলে।

(৬) আহিন মাহত শংকৰদেৱৰ জন্মোৎসৱ আৰু কৰভাৰ সভা পালন কৰা হয়।

(৭) কাতি মাহৰ চৰম অৰ্থনৈতিক অনাটনেও যেন শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ পৱিত্ৰ অখণ্ড হৰি-নাম কীৰ্তনৰ চৰ্চাত কোনো ধৰণৰ ব্যাঘাত জন্মাব নোৱাৰে কাৰণ এই মাহতেই আকৌ পৰম্পৰাগতভাৱে অনুষ্ঠিত কৰা হয় কাতিৰ দোমাহী তিথি আৰু কাৰৈমাৰী আতাৰ তিথি, ডেকাসত্ৰীয়া সোণেশ্বৰ আতৈৰ তিথি।

(৮) আঘোণ মাহৰ পূৰ্ণিমাৰ জোন যেন সপোন কুঁৱৰীৰ তুলিকাৰে আঁকা এক অবুজ

আকৰ্ষণীয় শিল্পকৰ্মত এক মিঠা মিঠা লগা সাধুকথা। সত্ৰৰ নিচেই কাষতে উদ্‌যাপিত হোৱা ৰাস উৎসৱত প্ৰদৰ্শিত হয় নানান কৃষ্ণ লীলা সম্বলিত মৃন্ময় প্ৰতিমা। ৰামলীলাত বৰ্ণনা কৰা কৃষ্ণৰ ৰাসলীলাই যেন আকৌ এবাৰ প্ৰাণ পাই উঠে মৰতত। কৃষ্ণ-সংস্কৃতিৰ পূজাৰী, মহান শিল্পী প্ৰাণৰ শিল্প কৰ্ম, গীত-ৰাগ, লয়লাস, নৃত্য-ভঙ্গিমাই আকাশৰ জোনটিকো যেন এপলকৰ বাবে হ'লেও পাহৰাই দিয়ে, নিজৰ গতিশীলতাৰ কথা। মানুহৰ এই অপূৰ্ব সৃষ্টিৰাজী উপভোগ কৰি জোনটিয়ে যেন "তম্ভাইলন্ত ৰথ হৰি, নুপুৰাই সিটো ৰাতি"ৰ নিচিনা এক জাগতিক পৰিৱেশৰ সৃষ্টি কৰে। এনেহেন পবিত্ৰ উৎসৱ এটি হাটীসত্ৰই বছৰেকীয়া হিচাপত পালন কৰি মহাপুৰুষীয়া পৰম্পৰা জন্মলগ্নৰে পৰা ৰক্ষা কৰি আহিছে।

(৯) পুহৰ ঠেটুৰৈ ধৰা জাৰকো নেওচি নাৰায়ণ দাস ঠাকুৰ আতাৰ কীৰ্তন অনুষ্ঠিত কৰা হয় এই পুহ মাহতো।

(১০) মাঘ মাহত উদ্‌যাপন কৰা হয় মকৰ সংক্ৰান্তি উৎসৱ, ঠাকুৰৰ সভা আৰু সাধু বুদৰাম বাপৰ তিথি।

(১১) ফাগুণ-চ'তত উদ্‌যাপন কৰা প্ৰধান উৎসৱটো হ'ল দৌল মহোৎসৱ।

এনেদৰেই মহাপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰি শংকৰী কলা-কৃষ্টিৰ বিকাশৰ বাবে সমগ্ৰ শুৱালকুছিত অনবদ্য অৰিহণা আগবঢ়োৱাৰ বাবেই ইয়াৰ এক মূল্যায়ন কৰি শ্ৰদ্ধেয় হৰমোহন দাসে মন্তব্য কৰিছে যে, "এই হাটীসত্ৰত প্ৰত্যেক দিনে চৈধ্য প্ৰসংগ নিয়মমতে হ'ব ধৰিলে। কীৰ্তন-তিথি-পৰ্ব আদি সকলো নিয়মমতে পালন কৰিব ধৰিলে। হাটীসত্ৰৰ প্ৰভাৱত শুৱালকুছি গাঁও ধৰ্ম ভাৱত উজ্জ্বল হৈ আহিব ধৰিলে। মানুহবিলাকৰো স্বভাৱ-চৰিত্ৰ সকলো প্ৰকাৰে মাৰ্জ্জিত হৈ সত্ৰখন আদৰ্শ সমাজ হৈ উঠিল। চুপাই-চুপাই, পাৰাই-পাৰাই, নামঘৰ, কীৰ্তনঘৰ সাজি ল'ৰা, ডেকা,বুঢ়া, মুনিহ, তিৰোতা সকলোৱে নাম-ধৰ্মত মজি দিন নিয়াব ধৰিলে। সকলোৱে মুখত নাম আৰু হাতত কাম। 'হাতে কাম মুখে নাম। এতেকে পাবা পৰিণাম' এয়ে হ'ল গাঁৱৰ মানুহৰ মূল কথা। এই মূল কথাৰ লগত 'ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ; এতেকে মুকুতি পাইবা কহিলো স্বৰূপ' এই মহামন্ত্ৰ ল'লে। মুঠতে ক'বলৈ হ'লে শুৱালকুছি গাঁও কি ধৰ্ম, কি সমাজ, কি আচাৰ, কি ব্যৱহাৰ, কি ৰীতি, কি নীতি সকলো বিষয়তে এখন আদৰ্শ গাঁও হৈ উঠিল।" এই সকলোবোৰ ৰীতি-নীতি বৰ্তাই ধৰ্মীয় অনুষ্ঠান এটাৰ খ্যাতি জনমানসত সুদৃঢ় কৰি ৰখাটো স্বাভাৱিকতে এটা কঠিন কাম। দশমজনা অধিকাৰ শ্ৰীমাধৱ আতৈৰ পৃষ্ঠপোষকতাত হাটীসত্ৰই নিজৰ নিজৰ অতীত গৌৰৱ অক্ষুণ্ণ ৰাখি ভকত-বান্ধৱৰ সমাদৰ লাভ



কৰিবলৈ সক্ষম হৈছিল। বৰ্তমানৰ সত্ৰাধিকাৰ বাপগৰাকীয়ে আমাক জানিবলৈ দিয়া মতে মাধৱ অধিকাৰ বাপে দৈনিক প্ৰসংগৰ লগতে অন্যান্য নিৰ্ধাৰিত উৎসৱ-পাৰ্বণত যোগ দিবলৈ অহা ভকত-বান্ধৱসকলে যাতে ঈশ্বৰ উপাসনাৰ পিছত এমুঠি প্ৰসাদ হ'লেও গ্ৰহণ কৰিহে স্বস্থানলৈ প্ৰস্থান কৰিব পাৰে তাৰ বাবে বিশেষ তৎপৰতা অৱলম্বন কৰিছিল।

এই ধৰণৰ পৰম্পৰা সত্ৰ অনুষ্ঠানবিলাকত গুৰুজনাই নিজেই প্ৰৱৰ্তন কৰি যোৱাটো এটা মন কৰিবলগা বিষয়। জনা যায় যে, দামোদৰ দেৱৰ আৰ্থিক অৱস্থা বৰ স্বচ্ছল নাছিল। সেয়েহে গুৰুজনাই ধৰ্ম-চৰ্চ্চা কৰিবলৈ অহা দামোদৰদেৱে ঘৰলৈ গৈ যাতে লঘোণে থাকিব নালাগে তাৰ বাবে এটা ব্যৱস্থা কৰিছিল। এই ঘটনাৰ গুৰু চৰিতত তলত দিয়া ধৰণে উল্লেখ আছে — "গুৰুজনে চাউল-লোণ সমঘ্ৰে এসন্ধ্যা দিত্ৰ ঃ তাকে ভোজন কৰে দিন মুৰি।। তাকে ভকতে দেখি হাটিত অসৈয়া কৰে ঃ বোলে অতদিন গুৰুজনাৰ সঙ্গে আছো ফুৰু আমাক কুট গাচৰেও নোসোধে নিদিএঃ কালি সোমাই চেহি ৰেকোটা বৰ কাণ কৰিছে নিতে ৰোজ ধৰে।" ক্ষুধা নিবাৰণৰ বাবে অসহায়জনক সহায় কৰাৰ বাবে এনেকৈ আনৰ সমালোচনা পাত্ৰ হৈও এসাজ যোগান ধৰাৰ যি মহান মানবীয় প্ৰচেষ্টা সি নিশ্চয় অনুকৰণীয়। এই ধাৰাটোকেই বৰ্তাই ৰাখিবলৈ শ্ৰদ্ধেয় শ্ৰীমাধৱ সত্ৰাধিকাৰ প্ৰমুখ্যে হাটীসত্ৰৰ প্ৰায় সকলো সত্ৰাধিকাৰ প্ৰভুৱে কৰা প্ৰচেষ্টা বিশেষ লক্ষণীয় বিষয়।

মহাপাপী, অন্ত্যজাতি, পতিতক উদ্ধাৰ কৰাই হ'ল গুৰুজনাই প্ৰৱৰ্তন কৰা মহাপুৰুষীয়া ধৰ্মৰ অন্যতম লক্ষ্য। পতিত পাৱন নামেই হৈছে ৰাম নাম। মাধৱদেৱ মহাপুৰুষে নামঘোষাত লিখিছে —

"মহাপাপী অন্ত্যজাতি তৰয় কলিত সুখে
মুখে কৰি হৰিৰ কীৰ্তন।

ঠিক সেই একেই উদ্দেশ্যকেই সফল কাম কৰিবলৈ গুৰুজনাই কীৰ্তনৰ লিখিছে —

চণ্ডালে কৰিছে হৰি কীৰ্তন
বুলিয়া নিন্দে যিটো ভক্তজন
কাম সম্ভাৰণ যিজনে কৰে
আজন্মৰ পুণ্য তেখনে হৰে।
অন্ত্যজে যিবা কৰি আছে গীত
তাৰ নিন্দা কৰৈ যিটো কুমতি
পুণ্যক নাশে যায় অধোগতি।

পাপী তথা পতিতক উদ্ধাৰ কৰিবৰ বাবে এই একে ধৰণেই আগবাঢ়ি আহিছিল ভগৱান যীচু। যেতিয়া লেভি নামৰ এজন পাপীক যীচুয়ে নিজৰ ভক্তসকলৰ সঙ্গী কৰি লৈছিল তেতিয়া ফৰাচী অধ্যাপক আৰু তেওঁৰ বিৰোধীসকলে কৰা প্ৰতিবাদৰ উত্তৰত যীচুৱে কৈছিল — “যিবিলাক নিৰোগী সেইবিলাকৰ বেজৰ প্ৰয়োজন নাই কেৱল ৰোগীৰ প্ৰয়োজন। মই পৰমাৰ্থিকসকলক মন পাল্টাবলৈ মাতিবলৈ অহা নাই কিন্তু পাতকী হওক” এনে এক মহাপুৰুষীয়া তথা অন্যান্য ধৰ্মৰ আদৰ্শৰে প্ৰতিফলন ঘটিছিল হাটীসত্ৰত। এবাৰ এজন হত্যাকাৰী অপৰাধীয়ে যাতে ভগৱানৰ চিন্তাৰে হাটীসত্ৰতে থাকি পৰমাৰ্থিক চিন্তাত নিমগ্ন হৈ ভগৱান প্ৰাপ্তি হয় তাৰ বাবে সত্ৰতে নিৰাপদে থকাৰ ব্যৱস্থা কৰি দিছিল যাতে সজ্জনৰ সংগত থাকি অপৰাধীজনে সুপথলৈ আহিব পাৰে। সেইজন অপৰাধীয়ে সজাই উলিওৱা এপদ কাঠৰ ভাস্কৰ্য শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰত আজিও সংৰক্ষিত হৈ আছে।

ভকতি প্ৰেমৰ; অমৃতৰ নদীত সাঁতুৰি নাদুৰি উৎফুল্লিত, আনন্দিত হৈ থকা ভকত-বান্ধৱসকলে পৰস্পৰৰ দুখ-সুখৰ প্ৰতি সচেতন আৰু সমভাগী হোৱাৰ বাবে অতিকে আগ্ৰহী। সেয়েহে সঙ্গী বাপ-বান্ধৱৰ কোনোবা দুখত থাকিব আৰু আন কোনোবাই ধন বৈভৱেৰে ইহকালৰ পাৰ্থিব সুখ আপোনপেটীয়া হৈ ভোগ কৰিব সেইটো হ'ব নোৱাৰে। অগ্ৰণী, উদ্যোগী শংকৰ গুৰুৰ প্ৰিয় বান্ধৱ নাৰায়ণ দাস ঠাকুৰ আতালৈ মন কৰিলে দেখা যায় যে ভকতৰ দুখ সুখৰ প্ৰতি তেখেত আছিল অতিকে সংবেদনশীল। এই কথাৰ বৰ্ণনা গুৰুচৰিত কথাত বৰ্ণনা কৰা হৈছে এনেধৰণে ঃ “য়াৰু এজোপ দেশত বৰ একাল পৈল ঃ গুৰুজনে খেদকৈ অসন্তোষ ভাত্ৰ আছে ঃ ভকতক কেনেকৈ প্ৰবৰ্তাঞ প্ৰবৰ্তে বুলি ঃ তেনেতে ঠাকুৰ আতা পাই সেৱা কৈলে অভই পদত মাথা দি ঃ বহি বোলে দেখো মনটি কষ্টে কিৰ ঃ বোলে এ সখি দুখিয়া ভকৎকেটি প্ৰবৰ্তাব নুৱাৰিম হব লাগে ঃ দেশত দেখো বৰ বিকল ঃ টকাও নাই ঃ বুজিলেও নেপাই ঃ তেহে আতা বোলে আপুনাৰ দাসদাসীক মুঠি ভৰালেই কুলাব ঃ গুটি দি সচাৰক আচে সেত্ৰ ভকতান ঃ অনা হক ঃ।” দুখীয়া ভকতসকলৰ দুখ নিবাৰণৰ ক্ষেত্ৰত আতাতকৈ আকৌ তেখেতৰ পত্নী যেন আৰু এখোপ আগবঢ়া। নিজৰ স্বামীয়ে এটি ভঁৰাল ভকতৰ অৰ্থে আগবঢ়োৱাত আইয়ে অভিমত প্ৰকাশ কৰিলে যে “আমাক দহো গচিলেই কুলাব ঃ গুচি খনিকে নিদিলা কিৰ ঃ” এনেহেন মহাপুৰুষীয়া পৰম্পৰাৰে লালিত-পালিত, অনুপ্ৰাণিত শ্ৰীমাধৱ মহন্ত অধিকাৰ বাপেও উদ্যোগী দুখীয়া ভকত-বান্ধৱে বেহা-বেপাৰ কৰি নিজৰ আৰ্থিক অনাটন দূৰ কৰি অৰ্থনৈতিকভাৱে স্বচ্ছল হ'ব পৰাকৈ সত্ৰৰ ফালৰ পৰা টকা-পইচা দিও সহায়ৰ



হাত আগবঢ়াইছিল বুলি জনা যায়। এনেকৈয়ে সত্ৰৰ পৰা আৰ্থিক সহায় লৈ বহু লোকে প্ৰতিষ্ঠিত ব্যৱসায়ী হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে বুলি জনা যায়।

এনেকৈয়ে দেখা যায় যে প্ৰতিষ্ঠা কালৰ পৰাই ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰই মহান মহাপুৰুষীয়া পৰম্পৰাৰ সংৰক্ষক, সম্প্ৰসাৰক আৰু ধ্বজাবাহক হিচাপে সেৱা আগবঢ়াই আহিছে। সেয়েহে প্ৰয়াত শ্ৰদ্ধেয় হৰমোহন দাসদেৱৰ দৃষ্টিভঙ্গীৰেই আমিও ক'ব খোজো যে — শুৱালকুছিৰ সত্ৰৰ অধিকাৰ তথা ধৰ্মগুৰুসকলৰ আদৰ্শই শুৱালকুছিৰ ৰাইজক ধৰ্মপ্ৰাণ কৰি ৰাখিছে। এই সত্ৰৰ অধিকাৰসকল ভক্তপ্ৰাণ বৈষ্ণৱসকলৰ বৰ আদৰৰ, সন্মানৰ পাত্ৰ। এখেতসকলক লৈ শুৱালকুছি গাঁও গৌৰৱান্বিত। অকল শুৱালকুছিয়েই কিয় গোটেই অসম গৌৰৱান্বিত। ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ অমৰ হওক আৰু অমৃতৰ সন্তান সৃষ্টি কৰাত সফলকাম হওক — এয়ে ভগৱন্ত বস্তুৰ ওচৰত আমাৰ সৰল প্ৰাৰ্থনা।

-০০০-

# শুৱালকুছিৰ সমাজ জীৱনলৈ সাধু মাধৱ সত্ৰাধিকাৰৰ অৱদান

*কুলধৰ চৌধুৰী*

সাধু মাধৱ সত্ৰাধিকাৰৰ শুৱালকুছি সমাজ জীৱনলৈ অৱদান সম্পৰ্কে ক'বলৈ যোৱাৰ পূৰ্বে নিশ্চয় সত্ৰাধিকাৰ গৰাকীনো কোন আছিল পঢ়ুৱৈ সমাজক পৰিচয় কৰাই দিয়াটো সমীচীন হ'ব। অসম বুৰঞ্জীৰ সম্যক জ্ঞান থকা ছাত্ৰ-ছাত্ৰী, পুৰুষ-মহিলা আটায়ে মোমাই তামুলী বৰ বৰুৱাৰ নাম যে শুনিছে ই ধ্ৰুপ। তেওঁৰ যশ-কীৰ্তি অসম বুৰঞ্জীত স্বৰ্ণ আখৰেৰে লিখা আছে। যিগৰাকী আহোম স্বৰ্গদেউক অসম নিৰ্মাতা বুলি ক'ব পাৰি, তেৰেই আছিল আহোম ফৈদৰ প্ৰথমগৰাকী স্বৰ্গদেউ চুকাফা। মোমাই তামুলী বৰবৰুৱা আছিল এজন কাৰিকৰী বুদ্ধিসম্পন্ন লোক। ৰজাৰ নিৰ্দেশত এইজনা শিল্প জ্ঞান বিষাৰদ বৰবৰুৱাৰ নেতৃত্বতেই গঢ়ি উঠিছিল অসমৰ স্বৰ্ণময় গৌৰৱ। থিক তেনে এটা সময়তেই কিম্বা তেনে এক মাহেন্দ্ৰ ক্ষণতেই ৰজাৰ নিৰ্দেশত মোমাই তামুলী বৰবৰুৱাই তাহানিৰ শুৱালকুছি গাঁওখন সজাই-পৰাই চাফ-চিকুণেৰে অসম মুলুকৰ এখন আদৰ্শ গাঁও হিচাপে গঢ়ি থৈ গৈছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে বিশ্ববাসীৰ মাজত বৰ্তমানৰ শুৱালকুছিয়ে যশ-কীৰ্তি, খ্যাতি ৰক্ষা কৰি বিশ্বৰ ভিতৰতে এখনি প্ৰসিদ্ধ গাঁও হিচাপে চিহ্নিত হৈছে। এনে এখন গাঁওত কেইটামান শতিকা পিছুৱাই গ'লে দেখা পাওঁ আনুমানিক দ্বিশতিকা পূৰ্বে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ (শুৱালকুছি) সপ্তমজনা সত্ৰাধিকাৰ প্ৰভু সাধু বুদৰাম মহন্ত বাপৰ বহুটো শৰণ গ্ৰহণকাৰী শিষ্যৰ মাজত দুই ভাতৃও আছিল। তেওঁলোক দুয়ো হৰি ভকতো আছিল। এগৰাকী প্ৰয়াত লক্ষীকান্ত মহন্ত বাপ আৰু আন গৰাকী প্ৰবন্ধৰ নায়ক প্ৰয়াত মাধৱ চন্দ্ৰ মহন্ত বাপ। প্ৰকৃততে তেওঁলোক তিনিজনা ককাই-ভাই আছিল। প্ৰথমজনা কিৰ্ত্তীৰাম মহন্ত (ডাঙৰ বাপু), মাজুজনা লক্ষ্মীকান্ত মহন্ত বাপ আৰু সৰুজনা প্ৰয়াত মাধৱচন্দ্ৰ মহন্ত বাপ। শুৱালকুছিৰ জন মানসত প্ৰচলিত এটা নিয়ম, যিটো অদ্যপিও বৈ আছে। সেই নিয়ম অনুযায়ী মহন্তসৱক বাপ, বাপু, গোঁসাই আনি সন্মানসূচক শব্দৰে শ্ৰদ্ধা ভক্তি কৰা হয়। ঠিক তেনেদৰেই ওপৰোক্ত তিনিওগৰাকী ককাই-ভাইক ডাঙৰ বাপু, মাজু বাপু আৰু সৰু বাপু বুলি সম্বোধন সূচক শব্দৰে মতা হৈছিল।



মাধৱ চন্দ্ৰ মহন্তদেৱৰ কুলদ্ৰুমৰ গুৰি বিচাৰিলে দেখা যায় যে তেখেতসকল পূৰ্বৰ শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰপন্ন শিষ্য পঢ়িয়া মাধৱ আতৈৰ উত্তৰ পুৰুষ। এখেতৰ পিতৃৰ নাম আছিল প্ৰয়াত বালেক ৰাম মহন্ত। সত্ৰাধিকাৰ প্ৰভু মাধৱ চন্দ্ৰৰ পিতৃৰ আৰ্থিক দৈন্যৰ প্ৰতি লক্ষ্য ৰাখি সন্ত বুদৰাম সত্ৰাধিকাৰ বাপে মাজু বাপু আৰু সৰু বাপুক সত্ৰক দিবলৈ বুলি কোৱাত পিতৃ প্ৰয়াত বালেক ৰাম মহন্তই নিজে নিজে গৃহৰ পৰা লৈ আহি মাজু বাপু আৰু সৰু বাপুক সত্ৰত অৰ্পণ কৰে। সেইদিনাৰ পৰা দুয়ো ভাই সত্ৰৰ বাহাতেই থাকি শিক্ষা-দীক্ষা গ্ৰহণ কৰে। ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ দশমগৰাকী সত্ৰাধিকাৰ প্ৰভুৰ সমাজ জীৱনলৈ অৱদান সম্পৰ্কে জানিবলৈ হ'লে তেওঁৰ জীৱন কালৰ শিক্ষা-দীক্ষা, ধৰ্মজ্ঞান, সত্ৰ পৰিচালনাৰ প্ৰতিভা, সৌন্দৰ্য প্ৰিয়তা, চাৰু-কলাৰ প্ৰতি আকৰ্ষণ, শিক্ষাৰ প্ৰতি অনুৰাগ, মুক্ত হস্তে দান আগবঢ়োৱা আদি দিশবোৰ যথাযথভাৱে আলোচনা কৰিলেহে নিশ্চয় তেওঁৰ সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানসমূহ ফটফটীয়াকৈ ধৰা পৰিব।

**শিক্ষা ঃ** সৰু কালতেই সন্ত বুদৰাম অধিকাৰ প্ৰভুৱে সৰু বাপুক পাঠশালাত নামভৰ্তি কৰাই দিয়ে আৰু কেইটামান বছৰ তাত অধ্যয়ন কৰিয়েই বুঢ়া অধিকাৰৰ তত্বাৱধানত কাইথেলী অক্ষৰ পঢ়াৰ জ্ঞান অৰ্জন কৰি কাইথেলী অক্ষৰেৰে লিখা শাস্ত্ৰসমূহ অধ্যয়নত ৰত হয়। ধৰ্মৰ তত্ত্ব বুজি পোৱা বয়স নৌহওতেই কাইথেলীত লিখা বহুকেইখন শাস্ত্ৰ সুৰ লগাই পঢ়ি ভকত বৈষ্ণৱক সন্তোষিত কৰিছিল।

**অতুৎসাহী মাধৱ অধিকাৰ ঃ** সাধু মাধৱ অধিকাৰ বাপ সৰুৱে পৰাই শুৱালকুছি অঞ্চলৰ এজন নিপুণ চিকাৰী আছিল। চিকাৰ কাৰ্যত তেওঁৰ লক্ষ্য কোনোদিনাই ব্যৰ্থ হোৱা নাছিল বুলি জনা যায়। বৰ্তমান গাঁওখনৰ চাৰিসীমা যেনেদৰে দেখা গৈছে, চৌদিশে মাথো মানুহ আৰু মানুহ, সেই সময়ত গাঁওখন আজিৰ দৰে জনাকীৰ্ণ নাছিল। উত্তৰ দিশটো হাবি-বননিৰে ভৰি আছিল। বৰ্তমান য'ত বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় গঢ়ি উঠিছে - ক'বলৈ গ'লে সেইখন আছিল শালনি বাৰী। বাঘ আৰু বনৰীয়া জীৱ-জন্তুৰ লীলাভূমি। সেই ঠাইত দিন দুপৰতে বাঘে গৰু মাৰিছিল। দক্ষিণে ব্ৰহ্মপুত্ৰ নদী। সেই সময়ত বাঘ আৰু বনৰীয়া জীৱ-জন্তুৰ অত্যাচাৰত সূৰ্যাস্তৰ পিছতেই মানুহে ঘৰ লৈছিল। জুই আৰু টিনৰ পাত্ৰ বজাই বাঘ খেদাৰ সংকেত শুনাহে গৈছিল চৌদিশে। তেনে সময়তেই সাধু মাধৱ সত্ৰাধিকাৰ বাপে কেইবাটাও বাঘ আৰু আন ভালেমান হিংস্ৰ জন্তু বধ কৰি (বন্দুকেৰে) মানুহৰ মনৰ সংশয় হৰিছিল। আনকি ব্ৰহ্মপুত্ৰৰ বালিত গা ৰ'দাই থকা ঘৰিয়ালো বধ কৰিছিল। সিদ্ধেশ্বৰ মন্দিৰৰ গাতে লাগি থকা ঘুলীত শিহু বহুতো দেখা গৈছিল। মানুহে প্ৰাতঃকৃত্য কৰি স্নান আদি কৰিবলৈকো ভয় কৰিছিল। মাধৱ অধিকাৰ বাপে

শিহু বধ কৰিও মানুহৰ ভয় নিবাৰণ কৰিছিল।

**অলৌকিক শক্তিৰ অধিকাৰী সাধু মাধৱ ঃ** সত্ৰাধিকাৰগৰাকীৰ বয়স আহিলত হাটী সত্ৰৰেই নিজা জমিত (বাঘেশ্বৰী পাহাৰত) সাধাৰণভাৱে পঁজা এটি বান্ধি নানান জঞ্জালৰ পৰা আঁতৰি থাকি আশ্ৰম সদৃশ সৰু পঁজাটিত তপস্বীৰ দৰে ঈশ্বৰ চিন্তা কৰি আছিল। সেই সময়ত তাত কোনো মানুহৰ বসতি নাছিল। গাঁওৰ ভিতৰখনেই যেতিয়া হাবি-জংঘলেৰে ভৰা তাতে আকৌ বনৰীয়া জীৱ-জন্তুৰ বিচৰণস্থলী তেনে এটা সময়ত বাঘেশ্বৰী পাহাৰত থাকিবনো কোন? বাঘেশ্বৰী পাহাৰত এটি নিজৰাও নাই, সেয়ে সত্ৰাধিকাৰগৰাকীয়ে পানী বিচাৰি ব্ৰহ্মপুত্ৰলৈ যাবলগীয়া হৈছিল। তপস্বীসকলৰ দিন-ৰাতিৰ বিচাৰ নাথাকে। নিশা ভাত ৰান্ধিবলৈ বননিৰ মাজে মাজে ব্ৰহ্মপুত্ৰলৈ পানী আনিব যাবলগীয়া হৈছিল। এদিনাখন স্নান আদি কৰি পঁজালৈ তিতা কাপোৰেৰে উভতি আহোঁতে বাঘে বাট ভেঁটি ধৰিলে। তেওঁ বাঘক উদ্দেশ্যি কৈছিল — "মই তোক হিংসা কৰিবলৈ অহা নাই, গতিকে তোৰ ফালে তই যা মোৰ ফালে মোক যাব দে।" কিমাশ্চৰ্যম! বাঘে বাট এৰি দিলে। ডেকা কালৰ চিকাৰী মাধৱ মহন্ত ঈশ্বৰৰ ভক্ত হৈ ঈশ্বৰৰ আশিস লভাত বনৰ বাঘেও বাট এৰি দিয়া কাৰ্য অলৌকিক হ'লেও ঈশ্বৰত অটল বিশ্বাসী ভক্তৰ বাবে সঁচা। মহাপুৰুষ মাধৱদেৱৰ প্ৰপন্ন শিষ্য শ্ৰীৰাম আতাৰ ক্ষেত্ৰটো এদিন এনে ঘটনা ঘটাটো উপেন্দ্ৰ চন্দ্ৰ লেখাৰু সম্পাদিত গুৰু চৰিতত উল্লেখ আছে। মাধৱ মহন্ত বাপৰ ভক্তি আছিল গাঢ়। "একং এৱম অদ্বিতীয়ম" মন্ত্ৰত বিশ্বাসী পুৰুষে ভকতসকলক কৈছিল যে ঈশ্বৰ বিশ্বাসীৰ ক'তো মৰণ নাই।

"তুমিসে কেৱল সত্য মিছা সবে আন।
জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান।।"

**বিদ্যানুৰাগী সৰু ৰাপু ঃ** মাধৱ অধিকাৰ বাপে নিজে স্কুল-কলেজৰ জ্ঞান লাভৰ পৰা বঞ্চিত হ'লেও বিদ্যাৰ প্ৰতি যথেষ্ট অনুৰাগ আছিল। দুখীয়া নিচলাৰ ছাত্ৰক নিজে ধন যোগান ধৰি স্কুল কলেজত নাম ভৰ্তি কৰাই দিছিল। কিতাপ ক্ৰয় কৰিবলৈও ধন দিয়া দৃষ্টান্ত আছে।

**শিল্পানুৰাগী মাধৱ অধিকাৰ ঃ** সত্ৰাধিকাৰৰ আসন অলংকৃত কৰাৰ পিছৰে পৰা সত্ৰখনি সজাই-পৰাই তোলাত তেখেতে মনোনিৱেশ কৰে। মধুপুৰ ৰাম ৰাম কুটিৰ, কমলাবাৰী, বৰপেটা, বৰদোৱা, জৰাবাৰী আদি সত্ৰৰ আৰ্হিত প্ৰধান দ্বাৰ সিংহ দ্বাৰ কৰি সজাই তোলে। চৌদিশৰ বেৰবোৰ ইটা, শিল, চিমেণ্টেৰে বান্ধে। ইয়াৰ উপৰি সত্ৰৰ গাতে লাগি থকা বেৰবোৰত খোদিত কাঠেৰে নিৰ্মিত মূৰ্তিবোৰত নতুনকৈ ৰং চৰাই সুশোভিত কৰি তোলে। তেওঁৰ দিনত দুবাৰো ময়ুৰ চৰাই আনি সত্ৰৰ শোভা চৰাইছিল। হৰিণ পোহপাল কৰি, হৰিণৰ বাবে সুকীয়া ঘৰ সজাই দি সত্ৰখনিৰ



শোভা চৰাইছিল। এনেদৰে সত্ৰখনৰ চৌদিশে দৃষ্টি ৰাখি অসমৰ বচা বচা সত্ৰসমূহৰ ভিতৰত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰকো এখন কৰি গঢ়ি তুলিছিল।

**সন্তৰণ মাধৱ অধিকাৰ ঃ** ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ দশমগৰাকী অধিকাৰ মাধৱ চন্দ্ৰ মহন্ত বাপ অকল নিপুণ চিকাৰীয়েই নাছিল, বিদ্যানুৰাগীয়েই নাছিল তেওঁ আছিল এজন সন্তৰণো। এবাৰ এটি মোকৰ্দমাত তেওঁ নিশাৰ ভাগেই ব্ৰহ্মপুত্ৰ নদী সাঁতুৰি পাৰ হৈ পুৱাতেই গুৱাহাটীত গৈ হাকিমক লগ ধৰিছিল গৈ। নাও চলোৱাটো তেওঁ আছিল সিদ্ধ হস্ত। এনেদৰে এটিৰ পিছত এটিকৈ তেওঁৰ গুণাৱলী বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁৰ লিখিতভাৱে কোনো জীৱন চৰিত নাথাকিলেও তেওঁ যে এজন কিংবদন্তী পুৰুষ আছিল ই নিশ্চিত।

**দাতা মাধৱ অধিকাৰ ঃ** উত্তমোত্তম পুৰুষ মাধৱ অধিকাৰ বাপ এজন মহান দাতা আছিল। শুৱালকুছি অঞ্চলৰ ৰাইজে এখন উচ্চ শিক্ষাৰ অনুষ্ঠানৰ আৱশ্যকতা অনুভৱ কৰাত জমিৰ সমস্যাই দেখা দিলে। তেতিয়া সমূহ ৰাইজ মিলিত হৈ গাঁওৰ আগশাৰীৰ ব্যক্তি কেইগৰাকীমানক মাধৱ চন্দ্ৰ অধিকাৰৰ ওচৰলৈ পঠাই জমি বিচাৰি। ঈশ্বৰৰ ইচ্ছাতেই বোধ কৰো অধিকাৰ প্ৰভুৱে হাটীৰ বাৰীৰ গোটেই জমিখিনিয়েই দান দিবলৈ সন্মতি প্ৰকাশ কৰিলে। ৰাইজে সন্তোষ লভিলে আৰু অধিকাৰ প্ৰভুৰ ইচ্ছা অনুসৰিয়েই মহাবিদ্যালয়ৰ নামকৰণ কৰা হ'ল "বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়"। আজি সুদীৰ্ঘ পঞ্চাশ বছৰ অতিক্ৰম কৰাৰ সময় সমাগত। উক্ত মহাবিদ্যালয়ৰ পৰা শ শ ল'ৰা-ছোৱালী ডিগ্ৰীধাৰী হৈ শিক্ষক, প্ৰবক্তা, ডাক্তৰ, আমোলা, বিষয়া, সচিব, উপায়ুক্ত আদি হ'ব পাৰিছে একমাত্ৰ কালজয়ী দাতা মাধৱ চন্দ্ৰ মহন্ত অধিকাৰৰ গুণত।

শেষত কবিৰ ভাষাৰে সামৰিছোঁ —

"একোজন পুৰুষৰ একো আজোৰত
বহুযুগ আগবাঢ়ি যায়
একোজন পুৰুষৰ একোটি ঠেলাই
বহুকাল সংসাৰ চলাই।"

-০০০-

*সহায়ক গ্ৰন্থ ঃ*

প্ৰয়াত দাস হৰমোহন ৰচিত "সাধু বুদৰাম মহন্ত"

*সহায়ক ব্যক্তি ঃ*

ভাগৱতী হেমচন্দ্ৰ

# কবি কৃষ্ণৰ কবিতাত
# ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অৱদান

*মাহিন্দ্ৰী দাস*
*ডাঃ বিকুল দাস*

মনৰ মতত চলে
আন্ধাৰৰ কদাকাৰ ৰথ।

মানুহ হ'বলৈ হ'লে
হাবিকাটি উলিয়াব লাগে
সূৰ্য অহাৰ পথ।

*কৃষ্ণৰাম দাস, সোণালী নখৰ জুই (পৃ. ৫২)*

ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ তিনিজন মহান সত্ৰাধিকাৰ বুদৰাম মহন্ত, লক্ষ্মীকান্ত মহন্ত আৰু মাধৱ চন্দ্ৰ মহন্তই শুৱালকুছি তথা অসমৰ শিক্ষা জগতলৈ ডাঙৰ অৰিহণা যোগাই থৈ গৈছে — শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ কলেজৰ প্ৰতিস্থাপনৰ জৰিয়তে।

হাটীসত্ৰৰ পবিত্ৰ নামঘৰত নাম-প্ৰসঙ্গৰ সাধনাৰে তেখেতসকলৰ ব্যক্তিত্বৰ প্ৰভাৱ সদৌ শুৱালকুছিৰ ৰাইজৰ ওপৰত পৰিছিল আৰু সেয়েহে, শুৱালকুছিবাসী ৰাইজে কলেজখনৰ জৰিয়তে এই তিনিজন সত্ৰাধিকাৰৰ নাম আজিও স্মৰণ কৰি আছে।

আমাৰ পৰিয়ালৰ লগতে কবিকৃষ্ণ সংস্থাৰ সকলো সদস্যই এই তিনিজন সত্ৰাধিকাৰৰ নাম স্মৰণ কৰি থাকিব তেখেতসকলৰ দুটা বিশেষ অৱদানৰ বাবে।

এই দুটা বিশেষ অৱদানৰ লগত পৃথিৱীৰ বিজ্ঞান জগতৰ এটা ডাঙৰ আৱিষ্কাৰৰ কাহিনী লুকাই আছে। সেয়েহে, মই আৰু মোৰ দ্বিতীয় পুত্ৰ বিকুল দাস দুয়োজনে এই লেখাখিনি প্ৰস্তুত কৰি উলিয়াইছোঁ। হয়তো, আজি আমাৰ স্বামী আৰু পিতৃ, স্বৰ্গীয় কৃষ্ণৰাম দাস জীয়াই থকা হ'লে আমাৰ মনৰ কথাখিনি ভালদৰে কবিতাৰ জৰিয়তে অসম তথা পৃথিৱীৰ ৰাইজক জনাই দিব পাৰিলেহেঁতেন। স্বৰ্গীয় কৃষ্ণৰাম দাসৰ অকাল বিয়োগৰ বাবে সেইখিনি লিখাৰ আশা আমিয়েই পূৰণ



কৰিবলৈ ওলাইছোঁ।

আমি ভাবো যে প্ৰথম আৰু খুউব আবেগিক তথা বৌদ্ধিক অৱদান হ'ল — হাটীসত্ৰৰ প্ৰেৰণাত লিখা দুটা কবিতা (১) সোণালী হাঁহি আৰু (২) সোণালী নখৰ জুই।

এই দুয়োটা কবিতাই মোৰ পুত্ৰ বিকুল দাসক চিকিৎসা বিজ্ঞানৰ 'পৰোপকাৰী কোষ' আৱিষ্কাৰ কৰাৰ পথ মুকলি কৰি দিলে। আজি অসমৰ ৰাইজে বাতৰি কাকত, আলোচনী আদিৰ জৰিয়তে 'পৰোপকাৰী কোষ'ৰ আৱিষ্কাৰৰ বিতং তথ্য ইতিমধ্যে পাইছে। গতিকে, এই লেখাৰ জৰিয়তে এই আৱিষ্কাৰৰ মূল উৎস ওপৰত উল্লেখ কৰা দুটা কবিতা আৰু এই কবিতা দুটাৰ জন্ম ৰহস্যৰ লগত হাটীসত্ৰৰ মহান ত্ৰিমূৰ্তি (trinity) বুদৰাম, লক্ষ্মীকান্ত আৰু মাধৱ অধিকাৰৰ কি ধৰণৰ সম্পৰ্ক আছে তাকে আমি ব্যাখ্যা কৰিম। এই ব্যাখ্যাৰ পিছত আমি লিখিম এই দুটা কবিতাৰ লগত 'পৰোপকাৰী কোষ'ৰ আৱিষ্কাৰৰ কি সম্পৰ্ক আছে।

স্বৰ্গীয় কৃষ্ণৰাম দাসৰ 'সোণালী হাঁহি' কবিতাটিৰ মুখ্য বাক্যটো হ'ল —

"মানুহ হ'বলৈ হ'লে
হাবি কাটি উলিয়াব লাগে
সূৰ্য অহাৰ পথ।"

আমাৰ এতিয়াও মনত পৰে, তেখেতে এই কবিতাটি লিখিব আৰম্ভ কৰিছিল প্ৰায় ১৯৬৫ চনৰ পৰাই যেতিয়া তেখেতে চৰকাৰী চাকৰি ৰিজাইন দি ভাৰতৰ সমবায় আন্দোলনত জাপ দি পৰিছিল। মাধৱ অধিকাৰে তেখেতক বহু উৎসাহ দিছিল — নিজে নিজৰ ওপৰত ভৰি দি কাম কৰিবলৈ, লগতে ৰাইজকো উপকাৰ কৰিবলৈ। সেই সময়ত তেখেতে ছয়গাঁৱৰ ৰাজাপুখুৰীত অসম চৰকাৰৰ মীন বিভাগত চাকৰি কৰিছিল। প্ৰত্যেক ৰবিবাৰে নদী-নাৰেৰে পাৰহৈ ঘৰলৈ আহিছিল আৰু মই ৰান্ধি দিয়া ভাত দুটামান খাই হাটীসত্ৰলৈ গৈছিল — মাধৱ অধিকাৰৰ লগত ধৰ্ম আৰু সমাজৰ কথা পাতিবলৈ। সত্ৰৰ পৰা আহি ৰাতি ভাতখোৱাৰ সময়ত মোৰ লগত, মোৰ পিতৃ স্বৰ্গীয় দুৰ্যোধন চৌধুৰী আৰু আমাৰ ছোৱালী সুশীলা কলিতাৰ সৈতে সত্ৰত মাধৱ অধিকাৰৰ লগত হোৱা কথা-বাৰ্তাবোৰ প্ৰায়ে আলোচনা কৰিছিল। ৰাতি সকলোৱে শোৱাৰ পিছত কেৰাচিনৰ চাকি জ্বলাই তেখেতে কবিতা লিখিছিল। সেই মাজৰাতি চাকিৰ পোহৰত কবিতা লিখাৰ অভ্যাসটো তেখেতৰ মৃত্যুৰ সময়লৈকে আছিল। এটা কবিতা লিখি উলিয়াওতে বহু বছৰ লাগিছিল। কিন্তু 'সোণালী হাঁহি' কবিতাটো লিখাত আটাইতকৈ বেছি বছৰ লাগিছিল।

১৯৬৫ চনৰ সময়ত এদিন মাধৱ অধিকাৰৰ লগত গধূলি আলোচনা হোৱাৰ পিছত ৰাতি ঘৰলৈ আহি 'মানুহ হ'বলৈ হ'লে হাবি কাটি উলিয়াব লাগে সূৰ্য অহাৰ পথ' আৰু লগতে 'পোহৰৰ সৃষ্টিত আকাশী ৰঙৰ দৃষ্টি ক্ষুৰধাৰ' — এই দুটা বাক্য লিখিছিল। মই টোপনিৰ পৰা সাৰ পাই উঠি এগিলাচ পানী আনি দি সুধিছিলো — কি লিখিছে? তেখেতে কৈছিল, "আজি মাধৱ অধিকাৰৰ পৰা বুদৰাম অধিকাৰৰ বহু কথা শুনিলো। কিদৰে তেখেতে ৰাইজৰ পৰোপকাৰ কৰিবলৈ অশেষ সাধনা কৰিছিল। লগতে শিক্ষা, শ্ৰম আৰু ভক্তিত জোৰ দিছিল। তেখেতে যেন এজন মহান পুৰুষ হ'বলৈ হাবি কাটি সূৰ্য অহাৰ পথ উলিয়াইছিল। তেখেতৰ পৰা আমাৰ আজো ককা কাণ কটা বুঢ়াৰ কথাও শুনিছিলো। কাণ কটা বুঢ়া ডাঙৰ সাধক আৰু ভকত আছিল। ১৮২৫ চনৰ মানৰ আক্ৰমণৰ সময়ত হাটীসত্ৰত পহৰা দি আছিল বুদৰাম মহন্ত সত্ৰাধিকাৰ গুৰুৰ লগত। মানৰ সৈনিকে তেখেতৰ এখন কাণ কাটি লৈ গৈছিল। তেতিয়াৰে পৰা গাঁওৰ সকলোৱে কাণ কটা বুলি কৈছিল। মাধৱ অধিকাৰে কোৱা মতে, কাণ কটা বুঢ়াই উজনি অসমৰ ৰজাৰ তলত চাকৰি কৰিছিল সাত বছৰ। সেই চাকৰি বাদ দি আহি হাটীসত্ৰৰ সহযোগত এখন সমাজ খুলিছিল। সমাজখনৰ উদ্দেশ্য আছিল তাঁতীপাৰাৰ বোৱনীসকলৰ দ্বাৰা মুগাৰ কাপোৰ বনোৱা আৰু সেই কাপোৰ উজনি অসমত ৰজাৰ ৰাজধানীত বিক্ৰী কৰা। মাধৱ অধিকাৰৰ ইচ্ছা যে ময়ো কাণ কটা বুঢ়াৰ দৰে চাকৰি বাদ দি আহি সমবায় কৰিব লাগে। আমাৰ দুখীয়া শিপিনী আৰু খেতিয়কসকলক সহায় কৰিব লাগে। লগতে আমাৰ ল'ৰা-ছোৱালীক শিক্ষা-দীক্ষাৰ দ্বাৰা মানুহ কৰিব লাগে। চাকৰি কৰি ঘৰৰ পৰা, হাটীসত্ৰৰ পৰা দূৰত থাকিলে এইটো সম্ভৱ নহয়। সেয়েহে, চাকৰি বাদ দিম নেকি, এই চিন্তা হৈ আছে আৰু সেই কাৰণে কবিতা এটা লিখিছোঁ মনৰ ভাৱবোৰ পৰিষ্কাৰ কৰিবলৈ।

এনেকৈয়ে আৰম্ভ হৈছিল — সোণালী হাঁহি কবিতাৰ প্ৰথম দুশাৰী 'মানুহ হ'বলৈ হ'লে হাবি কাটি উলিয়াব লাগে সূৰ্য অহাৰ পথ'। কিন্তু কবিতাটি সম্পূৰ্ণ লিখি উলিয়াইছিল ১৯৮৮ চনত, যেতিয়া বিকুলে গুৱাহাটী মেডিকেল কলেজত ডাক্তৰ হ'বলৈ পঢ়িব আৰম্ভ কৰিছিল। সম্পূৰ্ণ কবিতাটি আবৃত্তি কৰিছিল ১৯৮৯ চনত শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে। আবৃত্তিৰ দিনা ৰাতি হাটীসত্ৰৰ অধিকাৰ সোণেশ্বৰ আতৈ আহিছিল সত্ৰ সম্পৰ্কীয় আলোচনা কৰিবলৈ। তেতিয়া তেখেতে মনৰ কথা খুলি সোণেশ্বৰ আতৈক কৈছিল — "আজি ২০ বছৰৰ মূৰত কবিতা এটা লিখি সম্পূৰ্ণ কৰিলো। প্ৰথম শাৰীটো গাই শুনাইছিলো মাধৱ সত্ৰাধিকাৰক। আজি সম্পূৰ্ণ কবিতাটো গাই শুনাওঁ আপোনাক।" সেইদিনা ৰাতি সোণেশ্বৰ আতৈ আমাৰ ঘৰৰ চোতালত থিয় হৈ (তেখেতে সাধাৰণতে ঘৰ



নোসোমায়) দেউতাৰ লগত বহু সময় কথা পাতিছিল। মই মেডিকেল কলেজৰ পৰা ঘৰ আহি পাইছিলো, স্কুলৰ সোণালী জয়ন্তী উৎসৱ চাবলৈ। সেয়েহে সোণেশ্বৰ আতৈ আৰু দেউতাৰ কথা-বাৰ্তা শুনাৰ সৌভাগ্য ঘটিছিল। কথা-বাৰ্তাৰ মাজতে সোণেশ্বৰ আতৈয়ে দেউতাক সুধিছিল — "মাধৱ অধিকাৰে মৃত্যুৰ কেইদিনমান আগতে আপোনাৰ নৰসিংহ কবিতা এটাৰ কথা কৈছিল। আপোনাক বোলে লিখিব দিছিল, কিন্তু লিখা হোৱা নাছিল। নৰসিংহ অৱতাৰৰ কথা আহিলেই তেখেতে আপোনাৰ আধা লিখা কবিতাটোৰ কথা উল্লেখ কৰিছিল।"

কবিতাটি হ'ল — 'সোণালী নখৰ জুই' — এইবুলি দেউতাই সোণেশ্বৰ আতৈক প্ৰায় আধা ঘণ্টা সময় কবিতাটোৰ জন্ম ৰহস্যৰ কথা কৈছিল। সোণেশ্বৰ আতৈ যোৱাৰ পিছত ৰাতিৰ আহাৰ খোৱাৰ শেষত মোক 'সোণালী নখৰ জুই'ৰ কথা বিশদভাৱে কৈছিল। দেউতাই এই কবিতাটি লিখি সম্পূৰ্ণ কৰিছিল ১৯৮৪ চনত। কিন্তু ইয়াৰ প্ৰথম দুশাৰী ৰচনা কৰিছিল ১৯৭১ চনত হাটীসত্ৰত মাধৱ অধিকাৰৰ লগত বাংলাদেশত সেই সময়ত হোৱা লাখ লাখ হিন্দু মানুহৰ, পাকিস্তান সেনাৰ হাতত হোৱা হত্যাৰ প্ৰতিবাদত। বাংলাদেশৰ সীমান্তত থকা এখন সত্ৰৰ পৰা পলাই অহা এজন ভকত আহিছিল হাটীসত্ৰলৈ। সেই ভকতজনে মাধৱ অধিকাৰক বাংলাদেশৰ বৈষ্ণৱসকলক পাকিস্তানৰ সেনাই কৰা অত্যাচাৰ আৰু দমনৰ কথা কৈছিল। মাধৱ অধিকাৰে তেতিয়া মানৰ অসম আক্ৰমণৰ কথা উলিয়াইছিল — কিদৰে হাটীসত্ৰৰ ভকতসকলক মান সৈন্যই অত্যাচাৰ কৰিছিল, কিদৰে আমাৰ আজো ককা কাণ কটা বুঢ়াৰ কাণ এখন কাটি দিছিল। মান সেনা যোৱাৰ পিছত আজো ককাই হাটীসত্ৰত চোতালত দিনে-ৰাতি কাম কৰি এটা কাঠৰ নৰসিংহৰ মূৰ্তি বনাইছিল। তেতিয়া বুদৰাম মহন্তৰ গুৰুৱে সুধিছিল — "নৰসিংহৰ মূৰ্তিটো কিয় বনাইছে"। তেতিয়া কাণ কটা বুঢ়াই উত্তৰ দিছিল — "প্ৰহ্লাদক অত্যাচাৰ কৰা কাৰণে যিদৰে নৰসিংহ অৱতাৰ হৈছিল, দানৱ শক্তিক ধ্বংস কৰিবলৈ সেইদৰে আমাৰ যুগত, বৈষ্ণৱসকলক যিয়ে অত্যাচাৰ কৰে সেই দানৱক নিঃশেষ কৰিবলৈ আমাৰ আত্মাৰ ভিতৰত নৰসিংহৰ অৱতাৰ হ'ব।" কাণকটা বুঢ়াৰ — যি এজন বাকসিদ্ধ ভকত আছিল, কথাখিনি বুদৰাম সত্ৰাধিকাৰে শুনিছিল গুৰুৰ পৰা। আৰু এই কথাখিনি মাধৱ অধিকাৰক কৈছিল — যে বৈষ্ণৱসকলৰ প্ৰকৃত শিক্ষা সাধনা হ'ল নৰসিংহৰ দৰে সাহসী, বলৱান আৰু নিৰ্ভয় হোৱা যাতে, শত্ৰুৱে এখন কাণ কাটি লৈ গ'লেও নিৰ্ভয়ে থকা। মাধৱ অধিকাৰৰ আশা যে বাংলাদেশৰ বৈষ্ণৱসকলৰ মাজত নৰসিংহৰ অৱতাৰ হ'ব অত্যাচাৰীক দমন কৰিবলৈ।

সেইদিনা মাধৱ অধিকাৰ আৰু বাংলাদেশ-সীমান্তৰ পৰা অহা

ভকতজনৰ লগত কথা পাতি থাকোঁতেই দেউতাৰ মনত, এই কবিতাফাঁকি স্বতঃস্ফূৰ্তভাৱে আহিছিল — "দমন নিৰ্যাতন বৃদ্ধি হ'লে বৃদ্ধি হয় সত্যাগ্ৰহী প্ৰহ্লাদৰ হৃদয়ৰ জ্যোতি হিৰন্ময়।" "প্ৰেম আৰু বৈৰিতাৰ ঘৰ্ষণত জ্বলি উঠে নৰসিংহৰ সোণালী নখৰ জুই।"

দেউতাই কোৱামতে, কবিতাফাঁকি আবৃত্তি কৰাৰ শেষত মাধৱ অধিকাৰ বহু সময় নীৰৱে থাকি কৈছিল, "কৃষ্ণ তুমি এই নৰসিংহ কবিতাটো লিখা আৰু মই গ্ৰাহ্য কৰি ইয়াতে সত্ৰত ৰাখিম। বৈষ্ণৱসকলক যিমানে অত্যাচাৰ আৰু দমন কৰা হয়, বৈষ্ণৱসকলৰ শক্তি সিমানে বাঢ়ি যায়।"

কিন্তু দেউতাই কবিতাটো লিখি শেষ কৰিবলৈ ১৪ বছৰ লাগিল। মাধৱ অধিকাৰে সম্পূৰ্ণ কবিতাটো শুনিব নোৱাৰিলে। তেখেতৰ মৃত্যু হৈ গ'ল ১৯৭৬ চনত।

কবিতাটো লিখি উলিয়াবলৈ ১৪ বছৰ কিয় লাগিল? এই বিষয়ে দেউতাই মোক ব্যাখ্যা কৰিছিল — ১৯৯৪ চনত শুৱালকুছি শৈলেন মড়লৰ ফাৰ্মাচী (Pharmacy)ৰ ভিতৰত মই ৰোগী চোৱা কোঠাটোত বহি। দেউতাৰ খাদ্যনলীৰ কেন্সাৰ ৰোগৰ অপাৰেচন হোৱাৰ চাৰি মাহ হৈছে। অলপ শৰীৰত শক্তি পাই মোৰ ৰোগী চোৱা চেম্বাৰত আহি বহিছে। দেউতাৰ লগত এনেকুৱা কথা কোৱাৰ সুযোগ পাম বুলিয়েই মই দিল্লীৰ ডাক্তৰী চাকৰি বাদ দি শৈলেন মড়লৰ ফাৰ্মাচীত ৰোগীচোৱা কৰিছোঁ। সেই দিনা কোনো ৰোগী নাই। মই কেন্সাৰৰ এখন কিতাপ পঢ়ি আছোঁ। দেউতাই সন্মুখৰ চেয়াৰখনত বহিয়েই আৰম্ভ কৰিলে, "মই যে এবাৰ তোক কৈছিলো 'সোণালী নখৰ জুই' কবিতাটো লিখি উলিয়াবলৈ ১৪ বছৰ লাগিছিল — আজি তোক কম এই ১৪ বছৰ মই বৈষ্ণৱ ধৰ্মৰ গীতা, ভাগৱত, ঋগবেদ ভালদৰে অধ্যয়ন কৰি এটা কথা আৱিষ্কাৰ কৰিছিলো। সেই আৱিষ্কাৰটো মানে দাৰ্শনিক ভাৱটো চিকিৎসা বিজ্ঞান তথা কেন্সাৰৰ লগতো খাটে। এতিয়া তই ১৪ বছৰ প্ৰকৃত গৱেষণা কৰি এই আৱিষ্কাৰটোৰ প্ৰমাণ উলিয়াব লাগে। ইয়াতে ফাৰ্মাচীত বহি ৰোগী চাই থাকিলে সেই প্ৰমাণ উলিয়াব নোৱাৰিবি। গৱেষণা কৰিবলৈ ডাঙৰ বিজ্ঞান লেবোৰেটৰীত যাব লাগিব।"

কবিতাৰ লগত চিকিৎসা বিজ্ঞান তথা কেন্সাৰৰ ৰোগৰ সম্পৰ্ক? মোৰ সন্দেহ হ'ল — দেউতাই বেমাৰৰ কাৰণে ভুল বকিবলৈ আৰম্ভ কৰিছে নেকি? কেন্সাৰৰ বেমাৰীয়ে হতাশাত ভুগি ভুল বকে। গতিকে মোৰ মনত এনে ধাৰণা হোৱাটো স্বাভাৱিক। মোৰ মনৰ খোকোজাৰ প্ৰতি আওকাণ কৰি দেউতাই কৈ গ'ল — "ভাৰতীয় দৰ্শন আৰু ধৰ্মৰ মতে, সমাজত অবিচাৰ, অধৰ্ম হ'লে বিষ্ণুৰ অৱতাৰ



হয়। যেনে — নৰসিংহ অৱতাৰ। অৱতাৰ মানে হ'ল পৰোপকাৰ। অৱতাৰী পুৰুষজন যথেষ্ট শক্তিৱান হয় — নিজৰ ধৰ্ম আৰু সত্যৰ বলত। সেই সঞ্চিত শক্তিৰ দ্বাৰা দস্যু-দানৱক নিঃশেষ কৰে। ধৰ্ম হ'ল স্বদেশী আৰু দস্যু হ'ল বিদেশী। আমাৰ শৰীৰৰ কোষবোৰ হ'ল স্বদেশী। কেন্সাৰৰ কোষবোৰ হ'ল বিদেশী। গতিকে আমাৰ শৰীৰৰ কোষবোৰক যেতিয়া কেন্সাৰৰ কোষবোৰে অত্যাচাৰ কৰে, নিৰ্যাতন কৰে তেতিয়া শৰীৰৰ কিছুমান কোষ শক্তিৱান হৈ উঠে, অৱতাৰী বা পৰোপকাৰী কোষ হৈ উঠে আৰু এই পৰোপকাৰী কোষবোৰে ঠিক নৰসিংহৰ দৰে জ্বলি উঠি কেন্সাৰৰ কোষবোৰ ধ্বংস কৰে। এই দৰ্শন বা যুক্তি প্ৰমাণ কৰিবলৈ তই এটা পৰীক্ষা কৰিব লাগে। শৰীৰৰ কোষবোৰ লেবোৰেটৰীত খেতি কৰি সেই কোষবোৰৰ Oxygen supply বন্ধ কৰিব লাগে বা আন কোনো অত্যাচাৰ কৰিব লাগে। মই ভাবো, এনে কৰিলে এটা বা দুটা কোষ পৰোপকাৰী কোষ হিচাপে অৱতাৰ হ'ব। এই পৰোপকাৰী কোষবোৰে কেন্সাৰৰ কোষবোৰক ধ্বংস কৰি দিব।"

দেউতাৰ মন আৰু মুখত উৎসাহ, সাহস আৰু আনন্দৰ চিন ফুটি উঠিছিল — এটা নতুন সূত্ৰ আৱিষ্কাৰৰ সময়ত যিদৰে প্ৰখ্যাত বিজ্ঞানীসকলৰ মনত আনন্দৰ জোৱাৰ উঠে। গতিকে দেউতাৰ কথাবোৰ 'ৰোগীৰ ভুল প্ৰলাপ' বুলি উৰাই নিদি মোৰ জানিবৰ ইচ্ছা গ'ল তেখেতৰ 'পৰোপকাৰী' বা 'Altruism' সূত্ৰৰ বিষয়ে। 'সোণালী নখৰ জুই' কবিতাটো লিখিবলৈ ১৪ বছৰ কিয় লাগিছিল আৰু এই ১৪ বছৰ কোনে বাৰু প্ৰেৰণা দিছিল, কবিতাটো লিখি যাবলৈ ইয়াকে জানিবৰ বাবে। সেয়েহে ৰোগীৰ কোঠাৰ পৰা ৰাস্তাৰ বাহিৰ ওলাই আহিলো দেউতাৰ লগত ফুৰিব যাবৰ বাবে। দেউতাই খোজকাঢ়ি ভাল পায়। শুৱালকুছিৰ ৰাস্তাত দেউতাৰ লগত বহুদিন খোজ কাঢ়িছোঁ। বিশেষকৈ আমাৰ ঘৰৰ কথা পাতিবলৈ বাইদেউহঁতৰ বিয়াৰ কথা, চাকৰিৰ কথা, ঘৰ বন্ধাৰ কথা ইত্যাদি। কিন্তু আজি আমি মনোযোগ দিলো Altruism-অৰ ওপৰত। Altruistic কোষৰ আৱিষ্কাৰ সম্ভাৱনাৰ বিষয়ে। বুদৰাম মাধৱ সত্ৰাধিকাৰ আৰু বৈষ্ণৱ সাধকসকলৰ বাকসিদ্ধ শক্তিৰ উৎসৰ বিষয়ে আৰু এই বাকসিদ্ধ অথবা সিদ্ধ পুৰুষ তথা সিদ্ধেশ্বৰসকলৰ লগত Altruism-অৰ বৈজ্ঞানিক ব্যাখ্যাৰ ওপৰত। আমি খোজ কাঢ়ি গ'লো দেউতাৰ প্ৰিয় ৰাস্তাৰে। নাক্তাদলৰ ৰাস্তা পাৰ হৈ হস্পিতাল ৰোড, তাৰ পিছত বুদৰাম মাধৱ কলেজ আৰু কলেজৰ মাজেৰে গৈ সিদ্ধেশ্বৰ দেৱালয়ৰ সন্মুখৰ তিনিআলি, তাৰ পিছত আমাৰ ঘৰ।

নাক্তাদল পাৰ হৈ আমি কলেজৰ চৌহদত প্ৰৱেশ কৰিলো। সেইদিনা ৰবিবাৰ, কলেজ বন্ধ। কলেজখনৰ জন্মৰ বিষয়ে বিতংভাৱে ইতিমধ্যে মই

শুনিছিলো। কিদৰে লক্ষ্মীকান্ত সত্ৰাধিকাৰ আৰু মাধৱ অধিকাৰে এই কলেজখনত বৈষ্ণৱ দৰ্শনৰ অধ্যয়ন আৰু গৱেষণা হোৱাটো বিচাৰিছিল। কিদৰে বৈষ্ণৱ কবিতা আৰু সাহিত্যৰ ওপৰত department খুলিবলৈ আশা কৰিছিল, যিটো কথা চৰকাৰে এতিয়াও গ্ৰহণ কৰা নাই। কাৰণ ভাৰত তথা অসম চৰকাৰৰ দৰমহা খোৱা পণ্ডিতসকলে অকল পশ্চিমৰ দৰ্শনকহে দৰ্শন বুলি গণ্য কৰে — আমাৰ দৰ্শনক ধৰ্মীয় অন্ধতা বুলি ভাবে। কলেজৰ পৰা খোজকাঢ়ি আহি আমাৰ ঘৰৰ সন্মুখতে থকা শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ মুখ্যদ্বাৰত উপস্থিত হ'লো। সোণেশ্বৰ আঁতে মুখ্যদ্বাৰত থিয় দি আছিল। আমাক দুয়োজনকে দেখি সত্ৰৰ ভিতৰলৈ মাতি লৈ গ'ল। প্ৰসাদ খোৱাৰ বাবে হাটীসত্ৰৰ কেউলীয়া বাসস্থানৰ পদূলিত কঠ পাৰি আমি বহিলো। পদূলিৰ দুৱাৰ মুখৰ ওপৰত এখন চিৰ-পৰিচিত ফটো বুদৰাম মহন্ত সত্ৰাধিকাৰৰ। ফটোখন আচলতে কোনোবা শিল্পীৰ দ্বাৰা অংকিত ছবি। সত্ৰাধিকাৰৰ মুখত এটা বিশেষ ধৰণৰ হাঁহি। দেউতাই ছবিখনলৈ আঙুলিয়াই ক'লে— "অধিকাৰৰ মুখৰ হাঁহিটোলৈ লক্ষ্য কৰ, এজন বাকসিদ্ধ পুৰুষৰ হাঁহি, সেয়াই হ'ল সোণালী নখৰ জুই। বসন্তৰ হাঁহি, — শীতৰ প্ৰকোপৰ পৰা নিজকে উদ্ধাৰ কৰিব পৰা কপৌ ফুলৰ হাঁহি আৰু এয়াই হ'ল 'Altruism'-অৰ হাঁহি। প্ৰকৃত বৈষ্ণৱ সাধকৰ হাঁহি। নৰসিংহৰ হাঁহি।"

নৰসিংহৰ হাঁহি? মোৰ মনত প্ৰশ্ন হ'ল — নৰসিংহৰ হাঁহি উগ্ৰ, ভয়ানক হ'ব। বুদৰাম সত্ৰাধিকাৰৰ হাঁহি নৰসিংহৰ হাঁহিৰ দৰে নহ'ব। দেউতাই কৈ গ'ল — "ময়ো ঠিক তোৰ দৰেই ভাবিছিলো যেতিয়া মাধৱ অধিকাৰে কৈছিল যে কাণকটা বুঢ়াই সৃষ্টি কৰা কাঠৰ নৰসিংহৰ মূৰ্ত্তিটোৰ মুখখন আছিল এক গম্ভীৰ, উজ্বল হাঁহিৰ। আমি সচৰাচৰ দেখা ভয় লগা নৰসিংহৰ মুখৰ দৰে নহয়। কাণকটা বুঢ়াই বাৰু কি ভাবিছিল? কিহৰ ভাৱৰ বাবে বাৰু নৰসিংহৰ মুখখনত এক অহিংসা সিদ্ধ ভাবৰ, এক মহাত্মা ভাবৰ প্ৰতিচ্ছবি ফুটি উঠাইছিল। এই সাঁথৰটো বুজিবলৈ মোৰ ১৪ বছৰ লাগিছিল। নৰসিংহ অৱতাৰ হ'ল ভকতৰ অৱতাৰ। এজন সাধাৰণ ভকত, যেনে - প্ৰহ্লাদ কিদৰে এজন শক্তিশালী সিদ্ধলৈ পৰিৱৰ্তন হ'ব পাৰে - এজন ৰত্নাকৰ কিদৰে বাল্মীকি হ'ব পাৰে - এজন সাধাৰণ মানুহ কিদৰে পৰোপকাৰী ৰাজন হ'ব পাৰে - এজন সাধাৰণ উকীল কিদৰে এখন দেশৰ জাতিৰ পিতা মহাত্মা হ'ব পাৰে - এডাল সাধাৰণ শেৱালী গছ কিদৰে শীতৰ প্ৰচণ্ড ঠাণ্ডা সহ্য কৰি বসন্তত সুগন্ধি শেৱালী ফুলৰ অৱতাৰ হ'ব পাৰে - এডাল সাধাৰণ ল'তা কিদৰে কপৌ ফুল হৈ ফুলিব পাৰে আৰু এইটো কথা মই 'সোণালী নখৰ জুই'ত এইদৰে লিখিছোঁ —

'শুধ বগা কপৌ ফুলৰ হাঁহিৰে ৰচিত



স্বদেশী ভাবনা —
ভগৱদ্ভক্তিৰ আলয়।'

আৰু,

'শীতৰ কুঁৱলি পোৱা
ছাই আৰু ধোঁৱাৰ মাজত
উজ্বল হৈ জিলিকে
গীতা-ভাগৱতৰ সেউজীয়া হাঁহি।'

নৰসিংহ অৱতাৰ হ'ল স্বদেশী ভক্তি, নিজৰ শৰীৰ, নিজৰ জাতি, তথা নিজৰ দেশৰ ওপৰত থকা অগাধ প্ৰেম আৰু ভক্তি ৰক্ষাৰ বিপ্লৱ। এই বিপ্লৱ - এটা ধৰ্ম। মানুহৰ সমাজত যিদৰে এই অৱতাৰ গুণ আছে, গছ-বিৰিখ লগতে এককোষী প্ৰাণীৰ সমাজতো এই বিপ্লৱ, এই পৰোপকাৰী altruistic বিপ্লৱৰ ধৰ্ম অথবা গুণ বা Property নিহিত হৈ আছে। এই কথা-ভাবনাবোৰ মোৰ মনত উপলব্ধি হৈছিল হাটীসত্ৰৰ এই চোতালখনত বহি বুদৰাম মহন্ত আৰু লগতে আমাৰ আজোককা কাণকটা বুঢ়াৰ কাহিনীবোৰ শুনি শুনি আৰু লগতে কিছুমান বিশেষ ব্যক্তি যেনে দয়াল কৃষ্ণ বৰা, হেমভাই আৰু আমাৰ বংশৰে এজন সাধক শংকৰ সংঘৰ নেতা মাধৱ ভাগৱতীৰ লগত বছৰ বছৰ ধৰি আলোচনা কৰি আৰু লগতে সমবায়ৰ জৰিয়তে লাভ কৰা কিছুমান বিৰক্তিকৰ দমন-নিৰ্যাতনপূৰ্ণ-দুনীৰ্তি পৰায়ণ, দানবীয় গুণৰ চৰকাৰী চাকৰিয়াল, মন্ত্ৰী, এম. এল. এ.ৰ গেলা-পচা মনৰ অভিজ্ঞতাৰ পৰা আৰু সেই কথা মই কবিতাত এইদৰে লিখিছোঁ —

'প্ৰেম আৰু বৈৰিতাৰ ঘৰ্ষণত জ্বলি উঠে
নৃসিংহৰ সোণালী নখৰ জুই।'

নৃসিংহ হ'ল — নৰসিংহ আৰু সোণালী নখ হ'ল আমাৰ সকলোৰে হৃদয়ত লুকাই থকা ভক্তিৰ শক্তি - Altruistic শক্তি। মই ভাবো যে এই শক্তি সোণালী নখৰ জুই আমাৰ শৰীৰৰ কোষবোৰৰ মাজতো আছে — এই শক্তিয়ে কেন্সাৰৰ কোষবোৰ ধ্বংস বা পৰিবৰ্তন কৰিব পাৰে। এই বিষয়ে তই গৱেষণা কৰিব লাগে।" এইবুলি কৈ দেউতাই বহু সময় নিৰবে বহি থাকিল।

মই লাহেকৈ মন্তব্য কৰিলো — "মই এজন ডাক্তৰহে, বিজ্ঞানী নহয়। গতিকে গৱেষণা কিদৰে কৰিম।" দেউতাই ওচৰতে বহি থকা ভগ্নেশ্বৰ অধিকাৰলৈ চাই ক'লে — "মাধৱ অধিকাৰৰ মৃত্যুৰ সময়ত মই হাটীসত্ৰৰ উইলখন লিখিছিলো— সেই উইলখনত এওঁ ভগ্নেশ্বৰ তেতিয়া ভাত-ৰান্ধনি আছিল। তেওঁক অধিকাৰ হিচাপে দায়িত্ব দি উইলখন কৰিছিলো। তেওঁ কৈছিল — "মই

ভাত ৰান্ধনি হে, অধিকাৰ হ'ব কিদৰে পাৰিম?" তেতিয়া তেওঁক মই সোঁৰৱাই দিছিলো যে "তেখেতৰ বহু ভাল গুণ আছে; মিছা কথা নকয়, তেখেতৰ মনত তেখেতৰ হৃদয়ত অধিকাৰ হ'বলৈ মনৰ-আত্মাৰ হাবি-কাটি সূৰ্য্য অহাৰ পথ উলিয়াবলৈ দৃঢ়তা আছে নে নাই? ইচ্ছা আৰু সপোন আছে নে নাই? তেওঁ আছে বুলি কৈছিল। তেতিয়া মৃত্যুৰ বিছনাত পৰি থকা মাধৱ অধিকাৰক মই কৈছিলো সাহস দিছিলো যে সোণেশ্বৰ আতৈ, দীপক মহন্তৰ লগতে ভগ্নেশ্বৰ দেউও অধিকাৰ হ'ব পাৰিব। মাধৱ অধিকাৰে বিশ্বাস কৰিছিল। আজি ভগ্নেশ্বৰ অধিকাৰে সোণেশ্বৰ অধিকাৰ আৰু ডেকা অধিকাৰ দীপক মহন্তৰ সৈতে সত্ৰখন চলাই আছে।"

এইবুলি কৈ দেউতাই বহাৰ পৰা থিয় দি — বুদৰাম মাধৱ সত্ৰাধিকাৰৰ ছবিখনলৈ আঙুলিয়াই ক'লে — "তেখেতৰ শৰীৰ দুৰ্বল - বৃদ্ধৰ শৰীৰ অথচ মুখত বিৰাজমান এক শান্তি, সোণালী হাঁহি। যি মানুহে মনৰ দুৰ্বলতাক জয় কৰিব পাৰে, আত্মবিশ্বাস আনিব পাৰে, সেই মানুহৰ দৃষ্টি ক্ষুৰধাৰ হয় আৰু তেনেকুৱা ব্যক্তিয়ে কৰিব নোৱাৰা একো নাই, মুঠৰ ওপৰত" — এইবুলি কৈ মোৰ ওপৰত এক তীক্ষ্ণ দৃষ্টি দি কৈছিল —

"মানুহ হ'বলৈ হ'লে
হাবি, কাটি উলিয়াব লাগে
সূৰ্য্য অহাৰ পথ।'

গতিকে, তোৰ কাৰণে হয় —

'চিকিৎসা বিজ্ঞানী হ'বলৈ হ'লে
কেন্সাৰৰ গৱেষক হ'বলৈ হ'লে
তই, হাবি-কাটি উলিয়াব লাগিব
সূৰ্য্য অহাৰ পথ —
তোৰ, মনৰ সূৰ্য্য —
তেতিয়া, তোৰ মনৰ ওমলা ঘৰৰ
লখিমী ভঁৰালত
উঠলি উঠিব
বিজ্ঞানৰ সোণালী হাঁহি'।"

"এই 'সোণালী হাঁহি' কবিতাৰ হাবি-কটা প্ৰচেষ্টাৰ লগত, 'সোণালী নখৰ জুই' কবিতাৰ নৰসিংহৰ অৱতাৰৰ কিবা সম্পৰ্ক আছে নেকি?" মই প্ৰশ্ন কৰিলো।

"নিশ্চয়", দেউতাই উত্তৰ দিলে। যিদৰে হাবি-কাটি ৰাস্তা উলিয়াবলৈ জুইৰ দৰকাৰ, সেইদৰে কৰ্মৰ হাবি, কৰ্ম কৰাৰ পথ মোকোলাবলৈ নৰসিংহৰ নখৰ



জুইৰ, আত্মবিশ্বাসৰ জুইৰ দৰকাৰ। অকল আত্মবিশ্বাস হ'লেই নহ'ব। পৰিয়ালৰ, ঘৰৰ, বংশৰ, সত্ৰৰ, সমাজৰ সহায় লাগিব — হাবি-কাটি, সূৰ্য্য অহাৰ পথ উলিয়াবলৈ। এইক্ষেত্ৰত আমাৰ পৰিয়ালক সহায় কৰিছিল লক্ষ্মীকান্ত সত্ৰাধিকাৰে।" — এইবুলি দেউতাই সত্ৰৰ দুৱাৰমুখৰ ওপৰত থকা লক্ষ্মীকান্ত সত্ৰাধিকাৰৰ ফটোখনলৈ আঙুলিয়াই দেখুৱালে।

১৯২০ চনৰ কথা, দেউতাই কৈ গ'ল — "তেতিয়া মোৰ আতা কৃষ্ণ ভকতৰ এখন ডাঙৰ বেপাৰত যোৱা নাও ডুবিছিল ব্ৰহ্মপুত্ৰত। তেতিয়া লক্ষ্মীকান্ত অধিকাৰ আৰু মোৰ পিতা, বলীভকত ভাল বন্ধু আছিল। পিতাই আহি লক্ষ্মীকান্ত অধিকাৰৰ পৰা অলপ টকা বিচাৰিলে ঋণ হিচাবে যাতে নাও এখন বনাব পাৰে। বুদৰাম মহন্ত অধিকাৰে কথাটো গম পাই মোৰ পিতা আৰু আতাক মাতি নি এশটা চাৰি অনাৰ মুদ্ৰা আৰু দহটা এক টকাৰ মুদ্ৰা দিছিল। সেইখিনি টকা কৃষ্ণ ভকতে সত্ৰত জমা থৈছিল কাণকটা বুঢ়াৰ স্মৰণত কিবা এটা ভাল কাম কৰিবলৈ। লক্ষ্মীকান্তই তেতিয়া পিতাক বুদ্ধি দিছিল যে টকাখিনি নাও বনোৱা কামত খৰছ নকৰি, প্ৰথমে মুগা কাপোৰ বনোৱাত খৰছ কৰিব লাগে। ভাল মুগাৰ কাপোৰ ডিজাইন কৰি বিক্ৰী কৰিব লাগে। এইদৰে জন্ম হৈছিল আমাৰ পৰিয়ালৰ মাজতে এটা ধনৰ পুঁজি। নতুন ধৰণৰ Idea ক Support কৰাৰ। কৃষ্ণ আতাৰ মৃত্যুৰ পিছত, পিতাই সেই ধনৰ দ্বাৰা হোৱা লাভৰ দ্বাৰা এখন সমাজ কৰিছিল লগৰ কেইজনমান ডেকা নাৰৰীয়া আৰু বোৱনীক লগত লৈ — নাম দিছিল 'কৃষ্ণ সমাজ'। লক্ষ্মীকান্ত অধিকাৰ আছিল এই সমাজৰ মড়ল মানে মূল উপদেষ্টা। লক্ষ্মীকান্ত অধিকাৰৰ উপদেশ মতে, মোৰ পিতাই এখন ডাঙৰ নাৱত বহু মুগা কাপোৰ লৈ গৈছিল শিৱসাগৰলৈ, লগত ২-৩ জন গাঁওৰ মহাজন। ব্যৱসায়ত লাভ হোৱাই নহয়, আমাৰ তাঁতীপাৰাৰ শিপিনীসকলৰ মাজত নতুন ডিজাইন, নতুন শাল বোৱাৰ টেকনিকৰ এটা বিপ্লৱ আহিছিল। তেতিয়া মোৰ শহুৰ দুৰ্যোধন চৌধুৰীয়ে যোগ দিছিল নাৰেৰে মুগা অনাৰ ব্যৱসায়ত আৰু এইদৰেই মোৰ পিতাৰ লগত, মোৰ শহুৰৰ চিনাকী হৈছিল। সেই 'কৃষ্ণ সমাজৰ' আদৰ্শক লৈয়ে মই সমবায় আন্দোলনত জপিয়াই পৰিছিলো। নিজৰ চৰকাৰী চাকৰি বাদ দিলো যদিও সফল হ'ব নোৱাৰিলো। এতিয়া মোৰ ইচ্ছা আজি ইয়াতে কৃষ্ণ সমাজৰ পৰা তোক পাঁচশ টকা দিওঁ — Research Grant, কেন্সাৰৰ ওপৰত গৱেষণা কৰিবলৈ। এইখিনি কথাকে ক'বলৈ তোৰ ফাৰ্মাচীৰ চেম্বাৰত আহিছিলো।" এইবুলি দেউতাই মোৰ হাতত এশ টকাৰ পাঁচখন নোট গুজি দিলে। সেয়া আছিল ১৯৯৪ চনৰ কথা।

আজি ২০১৩ চন। ১৯৯৪-২০১৩ চনৰ ভিতৰত 'সোণালী নখৰ জুই',

'সোণালী হাঁহি' কবিতা আৰু কৃষ্ণ সমাজ (এতিয়াৰ কৰিকৃষ্ণ সংস্থা)ৰ প্ৰেৰণাত ইতিমধ্যে পৃথিৱী জুৰি Altruistic Stem Cell-অৰ ওপৰত গৱেষণা চলি আছে। কৰিকৃষ্ণ সংস্থাৰ সহযোগত গুৱাহাটীৰ IIT ৰ Biotech Park-অত কৰিকৃষ্ণ লেব্ স্থাপন হৈছে — য'ত সাতজন বিজ্ঞানী আৰু ডাক্তৰে কাম কৰি আছে। এই সাফল্য আমাৰ স্বৰ্গীয় কৃষ্ণ দাসৰ বৃহত্তৰ পৰিয়াল লগতে কৰিকৃষ্ণ সংস্থাৰ, এই সাফল্যৰ মুখ্য উৎস হ'ল শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ তিনিজন সত্ৰাধিকাৰ বুদৰাম মহন্ত, লক্ষ্মীকান্ত মহন্ত আৰু মাধৱ চন্দ্ৰ মহন্ত।

তেখেতসকলৰ প্ৰচেষ্টাৰ বাবেই আজি শুৱালকুছিৰ একমাত্ৰ কলেজখন স্থাপন হ'ব পাৰিছিল আৰু আজি সোণালী জয়ন্তী উৎসৱ পালন কৰিব পাৰিছে।

আমাৰ আশা যে ভৱিষ্যতে কলেজখনৰ লগত জড়িত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ লগত শুৱালকুছিবাসী ৰাইজ একত্ৰ হৈ কাম কৰি এই সত্ৰাধিকাৰ কেইজনৰ পৰোপকাৰী প্ৰচেষ্টাক আগবঢ়াই লৈ যাব পাৰিম।

-০০০-

# ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ সম্পৰ্কীয় তিনিটা স্নেপ-শ্বট

*মলিন কলিতা*

## স্নেপ - ১
## বাকসিদ্ধ পুৰুষ সাধু বুদৰাম মহন্ত

নলন্দা গাঁওৰ কানুবুঢ়া ঠাকুৰে শুৱালকুছি গাঁওৰ 'হাপাই খাইতিৰ মাটি'ত প্ৰতিষ্ঠা কৰা শুৱালকুছি গাঁওৰ একমাত্ৰ কেৱলীয়া সত্ৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অষ্টম জনা সত্ৰাধিকাৰ বাকসিদ্ধ পুৰুষ সাধু বুদৰাম মহন্ত। সৰুৰে পৰা ধীৰ-স্থিৰ আৰু শান্ত প্ৰকৃতিৰ পুৰুষজনৰ জন্ম হৈছিল মহাপুৰুষ মাধৱদেৱৰ শিষ্য কামৰূপ জিলাৰ বোন্দা গাঁওৰ পঢ়িয়া মাধৱ আতাৰ বংশত ইংৰাজী ১৮০২ চনৰ (১৭২৪ শক) ১১ ফাগুন বুধবাৰে পূৰ্ণিমা তিথিত বণিজৰ ঠাই শুৱালকুছিত। তেওঁৰ পিতৃ আছিল বিশিষ্ট সাধু ভথৌ মহন্ত আৰু মাতৃ আইমালা মহন্ত। নাওখেলা, সাঁতোৰ খেলা, ঘিলা খেলা, দৌৰা খেলা আদিত পাকৈত সুন্দৰ-সুঠাম সাধু বুদৰাম মহন্তই কীৰ্তন, দশম, ঘোষা ৰত্নাৱলী, গীতা আদি শাস্ত্ৰ অধ্যয়নৰ লগে লগে সংস্কৃত ভাষাও শিকিছিল। ডেকা কালতে তেওঁ হাটী সত্ৰৰ ষষ্ঠ জনা সত্ৰাধিকাৰ হৰিজয় মহন্তৰ ওচৰত শৰণ গ্ৰহণ কৰি আধ্যাত্মিক ভাবেৰে পৰিপূৰ্ণ হৈছিল আৰু গুৰুৰ বাক্য শিলৰ ৰেখাৰ দৰে পালন কৰিছিল। 'পোৰাভিঠি' (প্ৰাচীন বৰসত্ৰ) সত্ৰ আৰু 'বৰসত্ৰ'তো কিছুবছৰ শলা বন্তি জ্বলাই নাম-প্ৰসঙ্গ কৰি সুখে-দুখে সদায় হাঁহি মুখে থকা বুদৰাম মহন্ত বাপৰ আচাৰ-ব্যৱহাৰ চলন ফুৰণে তেওঁৰ যশ-গুণ বিয়পাই দিছিল আৰু সময় বাগৰাৰ লগে লগে হাটী সত্ৰৰ সত্ৰাধিকাৰৰ আসন অলংকৃত কৰিছিল। শিষ্যসকলৰ স'তে ঐকান্তিকতাৰে নাম-কীৰ্তন, যাত্ৰা-ভাওনা, উৎসৱ-পৰ্ব পাতি সাংস্কৃতিক মনেৰে সদা-সৰ্বদা জীৱন নিৰ্বাহ কৰা সিদ্ধ পুৰুষ জনাৰ ১১৭ বছৰীয়া জীৱন পৰিক্ৰমা অলৌকিক ঘটনাৰেও পৰিপূৰ্ণ আছিল। গুৰুসেৱা, ঈশ্বৰ সেৱা, ভকত সেৱাকে জীৱনৰ ব্ৰত কৰি লৈ সঁচা অৰ্থত সম্পূৰ্ণভাৱে উদাসীন হৈ একান্ত ভকতৰ শাৰীলৈ যোৱা ক্ষণজন্মা মহাত্মা সাধু বুদৰাম মহন্তদেৱৰ ইংৰাজী ১৯১৯ চনৰ (১৮৪১ শক) মাঘ মাহৰ ৩০ তাৰিখ, বৃহস্পতিবাৰে, কৃষ্ণপক্ষ অষ্টমী তিথিত বৈকুণ্ঠ প্ৰয়াণ

হৈছিল।

আমি তেওঁক দেখা নাছিলো যদিও তেৰাৰেই শেষ জনা কনিষ্ঠ শিষ্য শুৱালকুছি শংকৰ মন্দিৰ ৰোড নিবাসী নৰেন কলিতা দেৰক শৈশৱতে দেখিছিলো। ৯ বছৰ বয়সতে শৰণ গ্ৰহণ কৰা কলিতাদেৰৰ পদস্পৰ্শ লৈ তেওঁৰ মুখতেই শুনিছিলো গুৰু-গম্ভীৰ অমৃতময় বাণীৰে কোৱা গুৰু বন্দনাৰ কথা। বাকসিদ্ধ পৰুষৰ স্পৰ্শই তেওঁৰ জীৱন ধন্য কৰিছিল। সঁচাকৈয়ে ঐশ্বৰিক শক্তি-সম্পন্ন সাধু বুদৰাম সত্ৰাধিকাৰ আছিল স্থিতপ্ৰজ্ঞ কীৰ্তিমান উদ্যোগী আত্মজ্ঞানী আধ্যাত্মিক পুৰুষ। কেৰলীয়া হাটীসত্ৰ পূৰ্ণাঙ্গ পৰ্যায়ত উজ্জ্বল জ্যোতিষ্ক হৈ উজ্বলি উঠিছিল তেৰাৰেই নিপুণ কৰ্মদক্ষতাত। বাক্যত সংযত আৰু সত্যবাদী বাকসিদ্ধ পুৰুষজনে গুৰুধৰ্মৰ বা-বাতৰি জানিবলৈ 'বৰপেটা কীৰ্তন ঘৰ'ৰ হাউলিৰ ভিতৰতো সাজিছিল 'ঠাকুৰৰ বাহা'। শুৱালকুছি গাঁওৰ জাতি, ধৰ্ম, পন্থ নিৰ্বিশেষে সকলোৰে মান-সন্মান, শ্ৰদ্ধা ভক্তি কৰা সাধু বুদৰাম মহন্তই মহান চিন্তাৰে পাতিছিল সত্ৰৰ ভিতৰতে জন্মদিন -- শ্ৰীমন্ত শংকৰৰ। পৰৱৰ্তী সময়ত শুৱালকুছিৰ 'সনাতন যাত্ৰা পাৰ্টি'কে আদি কৰি ৰাইজে শুৱালকুছিত সৰ্বপ্ৰথমে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৰৰ জন্মোৎসৱ ৰাজহুৱাকৈ পাতিলে। অসমৰ ইতিহাসত শংকৰদেৰ গুৰুজনাৰ জন্মোৎসৱৰ প্ৰতিষ্ঠাপক হৈ উজ্বলি থাকিল বাকসিদ্ধ পুৰুষ সাধু বুদৰাম মহন্ত সত্ৰাধিকাৰ।

### স্নেপ - ২

## লক্ষ্মীস্বৰূপা লক্ষ্মীকান্ত মহন্ত

গৃহস্থী ধৰ্ম এৰি সত্ৰৰ সেৱাতেই আত্মনিয়োগ কৰা পুৰুষজনেই হ'ল ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ অষ্টমজনা সত্ৰাধিকাৰ লক্ষ্মীস্বৰূপা লক্ষ্মীকান্ত। তেওঁৰ পিতৃ সাধু বালেক ৰাম মহন্ত আৰু মাতৃ প্ৰতিমা মহন্ত। ইংৰাজী ১৮৮৯ চনৰ কাতি মাহত জন্ম পোৱা মহন্তদেৰৰ বৈকুণ্ঠ প্ৰয়াণ হৈছিল ১৯৬০ চনৰ জেঠ মাহৰ কৃষ্ণ পক্ষ অষ্টমী তিথিত, ৭১ বছৰ বয়সত। শুৱালকুছি উচ্চ প্ৰাইমাৰী স্কুলত (এম. ভি. স্কুল) শিক্ষা গ্ৰহণৰ সময়তে বাকসিদ্ধ পুৰুষৰ বাক্য মতেই লক্ষ্মীকান্ত মহন্তদেৰক সত্ৰলৈ অনা হৈছিল আৰু তেৰাৰেই অনুগ্ৰহত সকলো ধৰ্ম শাস্ত্ৰতে তেওঁ পাৰ্গত হৈ উঠিছিল। বাকসিদ্ধ পুৰুষৰ প্ৰিয় শিষ্য লক্ষ্মীকান্ত মহন্তই ইংৰাজী ১৮৯৭ চনত ৮ বছৰ বয়সতে সত্ৰৰ ডেকা সত্ৰাধিকাৰৰ বাব অলংকৃত কৰি গুৰুৰ আদেশ পালন কৰাই জীৱনৰ ব্ৰত হিচাপে লৈ সত্ৰৰ সৰ্বাংগীন উন্নতিত হাতে-কামে লাগি গৈছিল। শুধবগা, তজবজীয়া পুৰুষজনে বাকসিদ্ধ পুৰুষে গন্ধৰাম মড়ল মৌজাদাৰৰ পৰা ৫৭ বিঘা



মাটি কিনি কায়িক শ্ৰমেৰে পাতি থোৱা 'বাহৰ বাৰী'ৰ পুখুৰীকে আদি কৰি সকলোবোৰ চোৰা-চিতা কৰাৰ লগতে নিজেও ধান, মাহ, তিল, সৰিয়হ, শাল-চেগুন, আম-কঠাল আদি ৰোপণ কৰি সত্ৰৰ আৰ্থিক উন্নতি সাধন কৰিছিল। বুঢ়া অধিকাৰ বুদৰাম মহন্তদেৰৰ ১১৫ বছৰ বয়সত ইৰাজী ১৯১৭ চনত লক্ষ্মীকান্ত মহন্তদেৰক তেওঁ নিজে ৰাইজৰ সাক্ষাতত শিৰত ধৰ্ম মালা দি সত্ৰৰ সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰিছিল। ২৮ বছৰ বয়সতে লক্ষ্মীকান্ত মহন্তদেৰে সত্ৰৰ সম্পূৰ্ণ দায়িত্ব লৈ বাহাৰ যাৱতীয় কাম-কাজ কৰাৰ উপৰিও সত্ৰৰ শৰণ-ভজন, নাম-প্ৰসঙ্গ আদিও তেওঁ চলাই গৈছিল। পৰোপকাৰী, শান্ত-শিষ্ট, নিৰহংকাৰী, সভা-শুৱনি, নিৰ্মল চৰিত্ৰৰ পুৰুষজনে নিজে কাঠ কাটি নাও সাজি ভাড়ালৈ দিছিল আৰু সেই ধনেৰে ভকত-সজ্জনৰ পৰিয়ালৰ বিপদ-আপদ, বিয়া-বাৰু, বেমাজ-আজাৰ, পঢ়া-শুনাত সহায় কৰাৰ লগতে তেওঁ শিষ্য-প্ৰশিষ্যৰ গৃহলৈ গৈ খবৰ-বাতৰি লৈছিল। গুৰুৰ একনিষ্ঠ বিশ্বাসী মহন্তদেৰে বাকসিদ্ধ পুৰুষৰ দিনৰেপৰা থকা বাহাঘৰ, নামঘৰ, নামঘৰৰ বেৰত থকা চাৰু কলাৰ চানেকি, ভঁৰালঘৰ আদি একে আৰ্হিৰে ৰাখি তাক আটক-ধুনীয়াকৈ সজাই-পৰাই সত্ৰৰ সৌন্দৰ্য বঢ়োৱাৰ লগতে সত্ৰৰ ধুতি-নীতি, মান-মৰ্যাদা অটুট ৰাখি জন-সমাজৰ সমৰ্থন লাভ কৰিছিল।

পুঁৱতি নিশাতে উঠি প্ৰাতঃস্নান কৰি গাঁওখন পৰিভ্ৰমণ কৰা সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তদেৰ সম্পৰ্কে বিশেষ তথ্য-পাতি আমি পোৱা নাই যদিও সত্ৰৰ ভিতৰতে থাকি মহন্তদেৰৰ তত্ত্বাৱধানতে ডাঙৰ-দীঘল হোৱা বিশিষ্ট নাগৰিক শিক্ষাবিদ এ চি এছ হৰিণ চন্দ্ৰ কলিতাদেৰৰ মুখতেই শুনিছিলো পূৰ্বে কিছু কথা। সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত আছিল সত্ৰক আধুনিক ৰূপত গঢ় দিওতা প্ৰগতিবাদী লক্ষ্মীস্বৰূপা ভকত বৎসল পুৰুষ। তেওঁ সত্ৰৰ কাষতে থকা কিছু মাটি নিজে ক্ৰয় কৰাৰ উপৰিও শুৱালকুছি-বংশৰ পথৰ দাঁতিত থকা ১৮ বিঘা ভূমিকে আদি কৰি আগৰ সকলো জমী ঠিকে-ঠাকে ৰাখিছিল — যি ভূমিত আজি ৰাজহুৱা প্ৰেক্ষাগৃহ, চুইমিংপুল আৰু শুৱালকুছি বস্ত্ৰ উদ্যান উজ্জ্বলি আছে।

### স্নেপ - ৩

## দানবীৰ মাধৱচন্দ্ৰ সত্ৰাধিকাৰ আৰু মহাবিদ্যালয়ত ভূমি দানৰ মুহূৰ্ত

ইংৰাজী ১৮৯২ চনৰ কাতি মাহৰ শুক্ল পঞ্চমী তিথিত জন্ম পোৱা সত্ৰৰ দশম জনা সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্ত, সাধু বালেক ৰাম মহন্ত আৰু প্ৰতিমা আই

মহন্তৰ তৃতীয় পুত্ৰ। সৰুতে লক্ষ্মীকান্ত মহন্তৰ স'তেই সত্ৰলৈ অহা মাধৱ চন্দ্ৰ মহন্ত আছিল সৰুৰে পৰা শাৰীৰিক শক্তিৰ অধিকাৰী। অসীম সাহসী, জেদী আৰু দৃঢ় মনা মাধৱ চন্দ্ৰ মহন্তদেৱে যৌৱন কালতে কেবাদিনো ভৰবাৰিষা ব্ৰহ্মপুত্ৰ নদী সাঁতুৰি পাৰ হৈছিল। অভিমানী, চিকাৰী মহন্তদেৱে সত্ৰৰ বাহাত নাথাকি সত্ৰৰে 'কপিলা দি পোৱা' বাঘেশ্বৰী পাহাৰৰ টিলাত অটব্য জংঘলৰ মাজত কঠোৰ জীৱন যাপন কৰিছিল। বাঘ আৰু বনৰীয়া বৰাৰ স'তে যুঁজি কিলাকুটি (এল্‌বো) মাৰি বৰা পৰ্যন্ত বধ কৰা মাধৱ চন্দ্ৰ মহন্তদেৱে সাধাৰণ ঘৰটোৰ চাৰিওফালে সাপ, বেং, পোক, পৰুৱা, বাঘ, শিয়াল, বৰা আদিৰে পৰিবেষ্টিত পৰিৱেশত আশ্ৰম সাজি বাস কৰিছিল যদিও সত্ৰৰ স'তে তেওঁৰ সম্পৰ্ক আছিল আন্তৰিকতাপূৰ্ণ।

অষ্টমজনা সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তদেৱৰ পৰলোকৰ পিছত প্ৰায় ৬৮ বছৰ বয়সত মাধৱ চন্দ্ৰ মহন্তক ৰাইজে মিলি সত্ৰৰ সত্ৰাধিকাৰ পদত অভিষেক কৰে। উল্লেখযোগ্য যে বাকসিদ্ধ পুৰুষ বুদৰাম মহন্তই প্ৰাণ প্ৰয়াণৰ আগে আগে সত্ৰৰ সকলো স্থাৱৰ-অস্থাৱৰ সা-সম্পত্তি সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত, কেৰলীয়া গোপীনাথ মহন্ত আৰু মাধৱ চন্দ্ৰ মহন্তৰ নামত উইল কৰি দি যায়। হাটী সত্ৰৰ সত্ৰাধিকাৰ হৈ মাধৱ চন্দ্ৰ মহন্তই বাহাৰ যাৱতীয় কাম-কাজ, শৰণ-ভজন, নাম-প্ৰসঙ্গৰ লগতে ভকতসকলৰ বিয়া-বাৰু আৰু আন আন মাঙ্গলিক অনুষ্ঠানত যোগদান কৰি সত্ৰৰ ধাৰাবাহিকতা ৰক্ষা কৰিছিল। বহল মনৰ অধিকাৰী মাধৱ চন্দ্ৰ মহন্তদেৱে সত্ৰত পূৰ্বৰে পৰা থকা গোহালীৰ গৰু, পিঞ্জৰাৰ ময়ূৰ, ভাটৌ, হৰিণা, শহা আদি পশু-পক্ষীৰ আপডাল কৰাৰ লগতে নিজে হাতী কিনি সত্ৰৰ কামত ব্যৱহাৰ কৰিছিল। ১৯৭৬ চনৰ জেঠ মাহৰ ১৪ তাৰিখ শুক্ৰবাৰ কৃষ্ণ অষ্টমী তিথিত ৮৪ বছৰ বয়সত ইহলীলা সম্বৰণ কৰা প্ৰখৰ স্মৃতিৰ অধিকাৰী সত্ৰাধিকাৰ মাধৱচন্দ্ৰ মহন্তদেৱে ১৯৬৩ চনত সত্ৰাধিকাৰ বুদৰাম মহন্ত আৰু নিজৰ নামত মহাবিদ্যালয়লৈ 'বাহৰ বাহী'ৰ ৪২ বিঘা ভূমি দান দি শুৱালকুছি আৰু ইয়াৰ পাশ্বৰ্বৰ্তী এলেকাৰ শৈক্ষিক পৰিৱেশৰ যোগাত্মক দিশত এক মহান অৱদান আগবঢ়ায়।

ভূমি দানৰ প্ৰতিশ্ৰুতিৰ মুহূৰ্তৰ চাক্ষুস ব্যক্তি শিলিগুৰিৰ ৯৩ বছৰীয়া 'দেৱান ভকত'ক লগ পালো আজি কিছুদিন পূৰ্বে। তেওঁ কৈ গ'ল অতীতৰ সেই মুহূৰ্তৰ কেইটামান স্নেপ। চন তাৰিখৰ লগতে সেই দিনটোত হাটীসত্ৰত কি অনুষ্ঠান আছিল তেওঁ পাহৰিছে যদিও কিবা অনুষ্ঠান আছিল বুলি তেওঁ নিশ্চিত। শিলিগুৰিৰ ব্যাস ওজা প্ৰয়াত ধৰণী দাসৰ দলত তেওঁ পালি হৈ সত্ৰলৈ ওজা গাব আহিছিল আগে-পিছে অহাৰ দৰে সেইদিনাও। ওজা গাই সামৰণি মৰাত তেওঁলোকক বিদায় দিবৰ বাবে মাধৱ সত্ৰাধিকাৰে তেওঁলোকক ৰৈ থাকিবলৈ কৈছিল। সত্ৰাধিকাৰৰ



কথামতে তেওঁলোক কাঠীৰ একাষত ৰৈ আছিল। ঠিক সেইখিনি সময়তে বাহাৰ কাঠীত ধাৰি পাৰি পূৰ্বৰে পৰা বহি থকা শিক্ষিত ভদ্ৰলোক ১৪/১৫ জন মান মানুহৰ মাজৰ পৰা এজনে হেনো সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্তক উদ্দেশ্যি মাত দিলে — "বাপ, আপোনাৰ তাক আইহ্‌লো।" সত্ৰাধিকাৰেও উত্তৰত মাত লগালে — "বাপাহঁত কি কামত আইহ্‌লা?" "কলেজ এখনৰ বাবে পুখুৰীৰ পাৰৰ মাটি ১০ বিঘা লাগিছিল।" সত্ৰাধিকাৰৰ উত্তৰ — "১০ বিঘাই হ'ব জানো? কলেজৰ বাবে ৪২ বিঘাৰ দাগৰ শাল, চেগুন, পুখুৰী চব দিম। কিন্তু গেটত যদি নাম থাকে বুদৰাম সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ কলেজ। হবৌনা?" সত্ৰাধিকাৰৰ বক্তব্যত ইমান সময়ে মাতবোল নকৰি কাঠীত বহি থকা মানুহবোৰৰ মাজত হেনো আনন্দ-উল্লাস আৰম্ভ হ'ল। সকলোৰে যেন স্বস্তিৰ নিশ্বাস কাঢ়িলে। ভদ্ৰ লোকসকলে লেখা-মেলা কিবা কিবি কৰি থকাৰ মাজতে মাধৱ সত্ৰাধিকাৰে ব্যাস ওজা, ধৰণী দাস, ডাইনা পালী ৰত্নেশ্বৰ গাঁওবুঢ়া, পালি ধৰম ৰাজবংশী, বেঙা ৰাজবংশী, বিজয় পাঠক আৰু শ্ৰীদেবেন কলিতা (দেৱান ভকত)ক একেলগে এটি সিধা সহ মাননী দি বিদায় দিলে। সত্ৰত সেৱা লৈ সন্ধিয়াৰ আগে আগে তেওঁলোক ঘৰমুৱা হ'ল।

সেই ভূমিতেই প্ৰতিষ্ঠিত বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ে আজি সোণালী জয়ন্তী গচকি সগৌৰৱে উজ্জ্বলি আছে ধৰ্ম আৰু কৰ্ম সংস্কৃতিৰ মিলন ক্ষেত্ৰ সোণালী সূতাৰ ঠাই শুৱনি শুৱালকুছিত।

-০০০-

# নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক আৰু বাহক হিচাপে সাধু বুদৰাম আৰু মাধৱ অধিকাৰ

*বাসুদেৱ ভৰালী*

অসমত একশৰণ হৰিনাম ধৰ্মৰ প্ৰৱৰ্তক আৰু বহুমুখী প্ৰতিভাৰ আধাৰ সৰ্বগুণাকৰ জগৎগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ অবিভক্ত অসম ৰাজ্যৰ পঞ্চদশ শতিকাৰ ১৩৭১ শকৰ (১৪৪৯ খৃঃ) আহিন মাহৰ শুক্লদশমী তিথিত বৰদোৱাত হৈছিল। কোৱা বাহুল্য যে অসমীয়া সমাজ গঠনত নিঃসন্দেহে শ্ৰীমন্ত শঙ্কৰদেৱৰ ভূমিকাই সৰ্বাধিক। অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতি, ধৰ্মানুষ্ঠান আদি সকলো ক্ষেত্ৰত সামগ্ৰিকভাৱে অসমীয়া সমাজ জীৱনক তেওঁ এক নতুন মাত্ৰা প্ৰদান কৰিছে। অসমীয়া সমাজ জীৱনলৈ এক উত্তৰণমুখী পৰিৱৰ্তনৰ আলোড়ন সৃষ্টি কৰি সমগ্ৰ অসমবাসীৰ মাজত তেওঁ স্মৰণীয় হৈ আছে। তেওঁ আছিল নতুন অসমৰ নিৰ্মাতা — নৱবৈষ্ণৱ যুগৰ ধৰ্মৰ প্ৰচাৰক। অজ্ঞান-আন্ধাৰে আৱৰি থকা অসমবাসীক এক নতুন আলোকেৰে আলোকিত কৰাৰ ক্ষেত্ৰত তেওঁ যি নিৰৱচ্ছিন্ন প্ৰচেষ্টা হাতত লৈছিল, সি নিঃসন্দেহে এক মাইলৰ খুঁটি বুলিব পাৰি। অসমীয়া জীৱনৰ প্ৰগতিৰ দ্বাৰ তেৰেই প্ৰথমে মুকলি কৰিছিল। আজি অসমীয়া মানুহে নিজকে এগৰাকী অসমীয়া বুলি বুকু ডাঠ কৰি ক'ব পৰাৰ মূলতে শ্ৰীমন্ত শঙ্কৰদেৱৰ নিৰলস ভূমিকাকেই আঙুলিয়াই দিব লাগিব। এই ধৰ্মলৈ গাৰো, মিকিৰ, ভোট, কছাৰী, কৈৱৰ্ত, যৱন আদি লোকৰ সৰবৰাহ ঘটিছিল।

জাতিৰ জনক মহাপুৰুষ গুৰুজনাৰ আদৰ্শসমূহ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে এই ধৰ্মৰ সৃষ্টি। মহাপুৰুষীয়া ধৰ্ম একেশ্বৰবাদী হোৱা বাবে ৰাম,নাৰায়ণ, বিষ্ণু, কৃষ্ণ, হৰি আদি সহস্ৰ নাম থাকিলেও মূলতে একেজনাই (এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ) পূজনীয়। মহাপুৰুষীয়া ধৰ্মত 'গুৰু, নাম, দেউ, ভকত এই চাৰি বস্তু এক অপৰিহাৰ্য অঙ্গ। এইকেইটা বস্তু হ'ল ধৰ্মৰ চাৰি খুঁটি। মহাপুৰুষীয়া ধৰ্মৰ আন এটা বিশেষত্ব হ'ল জড় মূৰ্তিত ঈশ্বৰত্ব আৰোপৰ অসাৰতাবোধ। শঙ্কৰদেৱ গুৰুৱে কোনো ধৰণৰ যাগ-যজ্ঞ, তপ-জপৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাই। এই



ধৰ্মত সকলোৰে সম অধিকাৰ। কঠোৰ শ্ৰমৰ প্ৰয়োজন নাই। মহাপুৰুষীয়া ধৰ্মৰ দুৱাৰ সৰ্বদেশ, সৰ্বজাতিৰ বাবে সদায়ে খোলা।

১৭২৪ শকৰ ফাগুন মাহৰ এঘাৰ তাৰিখ পূৰ্ণিমা তিথিৰ বুধবাৰৰ দিনা শুভক্ষণত আয়ামালা আইৰ এটি পুত্ৰ সন্তান জন্মিল। এই পুত্ৰটিয়েই ক্ষণজন্মা মহাত্মা বুদৰাম মহন্ত। সৰুৰে পৰাই তেওঁ ধাৰ্মিক পুথি-পাজি পঢ়িছিল আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। তেওঁ সাংসাৰিক জীৱনৰ প্ৰতি উদাসীন আছিল। অৱশেষত মাতৃক সেৱা জনাই এদিনাখন বুদৰাম মহন্তই হৰিজয় আতৈৰ সেৱক হৈ হাটীসত্ৰত থাকিবলৈ ল'লে। হৰিজয় আতৈ বৃদ্ধ হৈ অহাত বুদৰাম মহন্তকে ডেকা সত্ৰাধিকাৰ পদত অধিষ্ঠিত কৰিলে। পিছলৈ তেওঁৰ বিচক্ষণ কৰ্ম দক্ষতাৰ বলত বুঢ়া সত্ৰাধিকাৰ পদতো অধিষ্ঠিত হৈছিল। তেওঁৰ দিনত সত্ৰখন সকলো দিশকে পৰিপূৰ্ণতা লাভ কৰিছিল।

একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰক আৰু বাহক তথা ধাৰক হিচাপে সাধু বুদৰাম মহন্তৰ নাম ল'বই লাগিব। এওঁ যেনেদৰে ধৰ্মচৰ্চা কৰি একশৰণ হৰিনাম ধৰ্মক ৰাইজৰ মাজত বিলাই দি বাহক হিচাপে খ্যাতি অৰ্জন কৰিছিল তাক নুই কৰিবৰ কাৰো সাধ্য নাই। নৱ-বৈষ্ণৱ ধৰ্মক তেওঁ এনেদৰে ৰাইজৰ মাজত বিলাই দি সত্যতা প্ৰকাশ কৰিব পাৰিছিল আৰু প্ৰচাৰ কাৰ্যকো হিয়াৰ আমঠু হিচাপে লৈ ত্যাগৰ মহিমা ব্যক্ত কৰিছিল। তেনেদৰে লক্ষ্মীকান্ত অধিকাৰেও বাহক হিচাপে প্ৰচাৰ কাৰ্যত ৰত হৈছিল; ফলত হাটীসত্ৰৰ নাম চাৰিওফালে বিয়পি পৰিছিল। বৰপেটা সত্ৰৰ দৰে শুৱালকুছিৰ হাটীসত্ৰইও ৰাইজৰ মাজত সমাদৰ লাভ কৰিছিল।

অধিকাৰ হিচাপে আন এজন সত্ৰাধিকাৰৰ নাম ল'ব লাগিব। সেইজন হ'ল সত্ৰাধিকাৰ মাধৱ মহন্ত বাপ। ৰাইজে চিৰদিন এইজনা অধিকাৰক পাহৰিব নোৱাৰে এই বাবেই যে তেওঁ সত্ৰ পৰিচালনা কৰাৰ উপৰি নাম-কীৰ্তনৰো সমানে তাল দিছিল। সেইবাবেই ৰাইজৰ সদিচ্ছা আৰু অনুৰোধক তেওঁ এৰিব নোৱাৰি ৰাইজৰ নামত ৪২ বিঘা ভূমি দান কৰে। এই ভূমিদান যজ্ঞত জন্ম হ'ল 'শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়'খন। তেখেতৰ এই কাৰ্যত ৰাইজ বৰ কৃতাৰ্থ হ'ল। জ্ঞানৰ মন্দিৰে অঞ্চলটিৰ ল'ৰা-ছোৱালীক জ্ঞান উবুৰিয়াই দি হাটীসত্ৰকো উপকৃত কৰিলে। পোনপ্ৰথমে মাধৱ মহন্তদেৱ শুৱালকুছিৰ বাঘেশ্বৰী পাহাৰত বসবাস কৰিছিল। তেওঁ যথেষ্ট তেজস্বী আৰু বলীলোক আছিল। পিছত তেওঁক ৰাইজে পাহাৰৰ পৰা হাটীসত্ৰলৈ নিমন্ত্ৰণ কৰি সত্ৰাধিকাৰ পদত উপবিষ্ট কৰালে, ফলত মাধৱ অধিকাৰৰ নাম চাৰিওফালে বিয়পি পৰিল। সত্ৰাধিকাৰ বুদৰাম মহন্ত আৰু মাধৱ মহন্তৰ নামেৰে ১৯৬৩ চনত কলেজখন নামকৰণ কৰা হ'ল। কলেজখন

আছিল চাৰিমৌজাৰ কলেজ।

নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক আৰু বাহক হিচাপে সাধু বুদৰাম, মাধৱ আৰু লক্ষ্মীকান্ত অধিকাৰ তিনিওগৰাকী ব্যক্তিৰ কথা শুৱালকুছিৰ জনসাধাৰণে কোনো দিনে পাহৰিব নোৱাৰে। এয়া শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ প্ৰভাৱৰ ফলশ্ৰুতি। সেইবাবেই বিশ্বদৰবাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ স্থান উচ্চ শিখৰত আজিও জিলিকি আছে।

*প্ৰবন্ধটি হৰমোহন দাসৰ 'সাধু বুদৰাম মহন্ত' গ্ৰন্থৰ আধাৰত যুগুতোৱা হৈছে।*

-ooo-

# বিহঙ্গম দৃষ্টিত শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ চাৰুকলা

*দিলীপ কুমাৰ শৰ্মা*

শুৱালকুছি ধৰ্মৰ নগৰী, কৰ্মৰ নগৰী। মহাবাহু ব্ৰহ্মপুত্ৰৰ প্ৰাকৃতিক শোভা সৌন্দৰ্যৰ ভৰপূৰ বস্ত্ৰনগৰী হিচাপেও সৰ্বজনবিদিত। বুৰঞ্জীৰ মতে আৰিমত্ত ৰজাৰ প্ৰথম ৰাজধানী আছিল শুৱালকুছি। যি ৰাজধানীৰ চিন স্বৰূপ আৰিমত্ত পুখুৰী আৰু ভঙানগৰ এতিয়াও বিদ্যমান। ৰাজেশ্বৰ সিংহৰ দিনত নিৰ্মাণ কৰা বৈশিষ্ট্যপূৰ্ণ নিৰামিষ ভোগৰ প্ৰচলন থকা শিৱমন্দিৰ সিদ্ধেশ্বৰ দেৱালয় শুৱালকুছিৰ প্ৰাচীন ঐতিহ্য।

শুৱালকুছিৰ একমাত্ৰ উচ্চশিক্ষাৰ কেন্দ্ৰস্থান শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়। মহাবিদ্যালয়খনৰ নামটোৰ লগত সাঙোৰ খাই আছে এখন প্ৰাচীন ঐতিহ্যশালী সত্ৰ শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰ। প্ৰায় সপ্তদশ শতিকাৰ মাজভাগত নলনাৰ (নলন্দা) কানুবুঢ়া ঠাকুৰে এই সত্ৰখন নিৰ্মাণ কৰে। সাধু বুদৰাম আৰু মাধৱ মহন্ত ক্ৰমে এই সত্ৰৰ সপ্তম আৰু নৱমজনা সত্ৰাধিকাৰ।

মহাপুৰুষ শংকৰদেৱৰ দিনৰ পৰা অসমত বৈষ্ণৱ সত্ৰৰ নিৰ্মাণ হৈ আহিছে। মহাপুৰুষজনাই দুকুৰি চৈধ্য বছৰ বয়সত দ্বিতীয় বিবাহৰ পিছত পিতৃ কুসুম্বৰ ভূঞাৰ সৰিয়হতলিত 'চাৰি হাটী কৰিঃ হৰিগৃহ বান্ধে'। (গুৰুচৰিত কথা ঃ মহেশ্বৰ নেওগ) এই হৰিগৃহই পিছলৈ সত্ৰলৈ ৰূপান্তৰ হয়। সত্ৰৰ এই ধাৰণাক পণ্ডিতপ্ৰৱৰ মহেশ্বৰ নেওগদেৱে এনেধৰণে বাখ্যা কৰিছে -- "মূলতে সম্ভৱতঃ দিনে দিনে হৰি-কীৰ্ত্তন হৰি কথা যে হৈছিল, সেয়েহে সত্ৰ বা ব্ৰহ্মসত্ৰ, ব্ৰহ্মৰূপী সনাতন, জিজ্ঞাসা বা বিচাৰৰ সভা আৰু পিছতহে সেই বিচাৰ সভাৰ ৰূপটো (সভাৰ স্থান আৰু সভাত বহা পৰিষদসকলৰ অৱস্থানৰ স্থান সামৰি) সত্ৰ নামে সামৰি লয়।"

সত্ৰৰ কীৰ্ত্তন ঘৰ যে ৰঙচঙীয়া আৰু চাৰুকলাৰে ভৰপূৰ সিও মাধৱদেৱৰ দিনত নিৰ্মিত কীৰ্ত্তনঘৰেই ইংগিত দিয়ে। মাধৱদেৱৰ নিৰ্দেশক্ৰমে বজালি পৰঙ্গনাৰ পৰা ভূৰেৰে বান্ধি অনা বাঁহ, হেৰেমদৰ পৰা অনা খৰিমাটি, ৰাঙ্গপাতা, বালিচন্দাৰে কাৰিকৰে 'কুন্দ্ৰাক্ষৰ জালা'ত ৰাঙ্গাপাতা, বালিচন্দা মাৰি এঠা দি, কাঠত বৈকুণ্ঠৰ দ্বাৰপাল জয়-বিজয়ৰ মূৰ্ত্তি কাটি 'ৰঙ্গাৱন গৃহ' নিৰ্মাণ কৰিলে। এনে ৰঙিয়াল গৃহ চাবলৈ বিভিন্ন ঠাইৰ পৰা মানুহ উবুৰি খাই পৰিছিল।

শুৱালকুছিত অৱস্থিত শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰটো উক্ত পৰম্পৰা ৰক্ষা কৰি এটা সুদৃশ্য কীৰ্ত্তনঘৰ সজা হৈছে। হাটীসত্ৰ উদাসীন বাবে ইয়াত জাতি-বৰ্ণ নিৰ্বিশেষে সকলো সোমাব পাৰে। মাধৱদেৱৰ নিৰ্দেশ ক্ৰমে কাৰিকৰে যিদৰে 'ৰঙ্গাৱন গৃহ' নিৰ্মাণ কৰিছিল আৰু বাটচ'ৰাত জয়-বিজয়ৰ মূৰ্ত্তি স্থাপন কৰিছিল তদ্ৰূপ হাটীসত্ৰটো মুখ্য প্ৰৱেশদ্বাৰৰ দুয়োফালে দুটা হাতীৰ ওপৰত উঠি থকা জয়-বিজয়ৰ মূৰ্ত্তি দেখিবলৈ পোৱা যায়। মূল তোৰণৰ দুয়োকাষে দুটা প্ৰকাণ্ড সিংহৰ মূৰ্ত্তি দেখিবলৈ পোৱা যায়। যেন সিংহ দুটি সত্ৰ তথা বৈষ্ণৱ ধৰ্মৰ অতন্ত্ৰ প্ৰহৰী। ইয়াক কেতিয়াও কোনোজনে প্ৰতিহত কৰিব নোৱাৰে। তোৰণখনৰ শীৰ্ষত বৈষ্ণৱৰ মূল ধৰ্মগ্ৰন্থ ভাগৱতৰ প্ৰতিকৃতিয়ে সত্ৰখনৰ মূল উদ্দেশ্যক যেন সোঁৱৰাই দিছে।

এইখিনিতে আমাৰ বাবে এটি উল্লেখ কৰিবলগীয়া কথা হ'ল এইখন সত্ৰৰ নৱম সত্ৰাধিকাৰ সাধু মাধৱ মহন্তদেৱে নিজৰ মহানুভৱতাৰ পৰিচয় হিচাপে প্ৰায় ৪২ বিঘা মাটি মহাবিদ্যালয় নিৰ্মাণৰ বাবে দান দিয়ে। মহাবিদ্যালয় পৰিয়ালে কেতিয়াও তেখেতৰ এই বদান্যতাক স্বীকাৰ নকৰি নোৱাৰে। এই মহানুভৱ ব্যক্তিগৰাকীৰ পৰামৰ্শক্ৰমে সাধু বুদৰাম মহন্তৰ নামো মহাবিদ্যালয়ৰ নামৰ লগত সংযোজিত হৈ পৰে।

আমি মহাবিদ্যালয়ত যোগদান কৰা দিনৰে পৰা শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰলৈ অহা-যোৱা কৰিছো। প্ৰথম দিনাখন সত্ৰৰ প্ৰাঙ্গনত ভৰি দিয়াৰ লগে লগে সত্ৰৰ নান্দনিক সৌন্দৰ্যই আমাক বিমোহিত কৰিছিল।

শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ হাটী শব্দই দৰাচলতে সত্ৰৰ আবাসিক ভক্তসকলৰ তথা ডেকা সত্ৰাধিকাৰ, বুঢ়া সত্ৰাধিকাৰৰ আবাসৰ কথা বুজায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে "চাৰি হাটী কৰি ঃ হৰিগৃহ বান্ধে।" হাটীসত্ৰত চাৰিহাটী নাই যদিও কীৰ্ত্তনঘৰৰ উত্তৰ দিশত দীঘলীয়াকৈ এশাৰী হাটী আছে। এই হাটীৰ কাষৰ ভাঁজঘৰৰ সন্মুখত দুটা কাঠত কটা জয়-বিজয়ৰ মূৰ্ত্তি দেখিবলৈ পোৱা যায়।

মহাপুৰুষ মাধৱদেৱৰ 'ৰঙ্গাৱন গৃহ'ৰ আদৰ্শত নিৰ্মিত এটি আকৰ্শনীয় কীৰ্ত্তনঘৰ হাটীসত্ৰতো আছে। যিকোনো পৰ্য্যটকৰ বাবে এই কীৰ্ত্তন ঘৰ সচাকৈয়ে আকৰ্শনীয়। সমগ্ৰ কীৰ্ত্তনঘৰৰ দেৱালসমূহ কাঠৰ তক্তাৰে নিৰ্মিত। চটীয়া কাঠৰ ওপৰত নিপুণ কাৰিকৰৰ মনোমুগ্ধকৰ ফুলকটা ছবি। কীৰ্ত্তনঘৰৰ মুখ্য দুৱাৰখন চালে চকুতলগা। চাৰি ফুট বহল আৰু পাচ ফুট আঠ ইঞ্চি উচ্চতাৰ এই দুৱাৰখনত অসংখ্য মূৰ্ত্তি কটা আছে। মৎস্য, কুৰ্মকে আদি কৰি বিভিন্ন অৱতাৰৰ চিত্ৰ অতি নিখুঁতভাৱে এই দুৱাৰখনত অংকিত হৈছে।

মুখ্য দুৱাৰখনৰ দুয়োকাষৰ বেৰত অসংখ্য মূৰ্ত্তি আছে। ৰামায়ণৰ বিভিন্ন চৰিত্ৰক অতি জীৱন্ত ৰূপত কোনোবা নিপুণ চাৰুশিল্পীয়ে কাঠত কাটি কাটি নিৰ্মাণ



কৰিছে। মূৰ্ত্তিসমূহ সচাকৈয়ে অপূৰ্ব। কীৰ্ত্তনঘৰৰ আন এখন দুৱাৰৰ সন্মুখত ডাঙৰ কাঠৰ কুণ্ডাত কটা দুটা সুদৃশ্য মূৰ্ত্তি আছে। ভকতবৃন্দই সত্ৰাধিকাৰক সেৱা জনাবলৈ আহোতে এই মূৰ্ত্তি দুটা দৃশ্যমান হয়। ইয়াৰে এটা মূৰ্ত্তিত ফণাধাৰী অনন্ত নাগৰ ওপৰত বিষ্ণুৱে কোলাত কৃষ্ণক লৈ বহি আছে। মূৰ্ত্তিটোৰ যোগেদি বিষ্ণু আৰু কৃষ্ণৰ অভেদত্ব স্থাপন হৈছে।

আনটো মূৰ্ত্তি জঁটাধাৰী শিৱৰ। শিৱই এহাতেৰে ডম্বৰু আৰু আনখন হাতেৰে পাৰ্বতীৰ বাউসীত ধৰি আছে। তেওঁলোকৰ চিৰাচৰিত বাহন নন্দিও আছে। পাৰ্বতীয়ে এখন হাতেৰে নন্দিৰ শিঙত ধৰি আছে। মাত্ৰ এডাল কাঠৰ ওপৰত ইমানখিনি মূৰ্ত্তি, সচাই অপূৰ্ব। এই মূৰ্ত্তি দুটাৰ সুদক্ষ শিল্পীগৰাকী হ'ল শুৱালকুছিৰ প্ৰয়াত প্ৰাণপতি মহাজন।

এই মূৰ্ত্তি দুটাৰ পিছপিনে কীৰ্ত্তনঘৰৰ গৌণ দুৱাৰ এখন আছে। এই দুৱাৰখনো চিত্ৰ-বিচিত্ৰ। দৰ্জাখনৰ দুয়োদিশত থকা দেৱালত অসংখ্য চিত্ৰকৰ্ম। চিত্ৰবোৰ কাঠৰ তক্তাত কাটি ৰঙেৰে বোলোৱা। চিত্ৰ-বিচিত্ৰ এই তক্তাবোৰ জোৰা লগাই দেৱালসমূহ নিৰ্মাণ কৰা হৈছে। মূৰ্ত্তিসমূহত যিবোৰ ৰং প্ৰয়োগ কৰা হৈছে তাৰ ভিতৰত প্ৰধান ৰং হ'ল ৰঙা, বগা, নীলা আৰু হালধীয়া। শ্ৰীকৃষ্ণৰ শিশুলীলাৰ বিভিন্ন দৃশ্যই মানুহক আকৰ্ষণ নকৰাকৈ নাথাকে।

কীৰ্ত্তনঘৰৰ দক্ষিণফালৰ দেৱালত আছে যমৰ ৰাজ্যৰ চিত্ৰ। পাপী মানুহক দিয়া শাস্তিৰ চিত্ৰ। দেৱালখন সত্ৰৰ প্ৰৱেশ পথৰ পৰাই দৃশ্যমান। সম্ভৱতঃ সত্ৰলৈ প্ৰথমে অহা প্ৰতিজন ভক্তকে চিত্ৰসমূহে সোঁৱৰাই দিয়ে অধৰ্মৰ ফল কেনে বিষময়।

শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰ এখন বৈষ্ণৱ সত্ৰ। বৈষ্ণৱ ধৰ্মৰ মূল দৰ্শন কীৰ্ত্তনঘৰৰ মূল দেৱালসমূহত দৃশ্যমান ৰূপত অংকন কৰা হৈছে। ই এফালেদি নান্দনিক সৌন্দৰ্য প্ৰকাশ কৰিছে আৰু আনফালেদি বৈষ্ণৱ ধৰ্মৰ মূল প্ৰতিপাদ্য বিষয়কো পৰ্য্যটক তথা ভক্তক সোঁৱৰাই দিছে।

-০০০-

*সহায়ক গ্ৰন্থঃ*

১। গুৰু চৰিত কথা — ড° মহেশ্বৰ নেওগ
২। গঞালস্মৃতি — সৰুখেল গঞা ৰাইজ গয়ৰহ, শুৱালকুছি
৩। স্মৰণিকা (প্ৰতিষ্ঠা দিৱস) — শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়


# ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ স্বকীয় ঐশ্বৰ্য ঃ স্থাপত্য আৰু ভাস্কৰ্য

*ড° চিত্তৰঞ্জন দাস*

বুৰঞ্জীয়ে কয়, শুৱালকুছিৰ মাজমজিয়াত অৱস্থিত সিদ্ধেশ্বৰ দেৱালয়ৰ মাটিত লাগি থকা গাঁথনি অংশ অসমৰ প্ৰাচীন দ'ল-দেৱালয়সমূহৰ ভিতৰত আটাইতকৈ প্ৰাচীন। সেই প্ৰাচীনত্ব তেজপুৰৰ দ-পৰ্বতীয়াৰ শিলৰ তোৰণখনিৰ সমসাময়িক। প্ৰাচীন ঐতিহ্যৰ অনন্য সাধাৰণ শিল্প-বৈভৱৰ আন এটা উদাহৰণ শুৱালকুছি শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰত বিদ্যমান। সত্ৰৰ মূল মণিকূট গৃহৰ উত্তৰ ফালৰ গৌণ দ্বাৰত দুটা পাঁচফুটৰ বেছি ডাঙৰ সুকলেৰৰ কাঠৰ মূৰ্ত্তিয়ে অৱস্থান কৰিছে। সোঁফালৰ মূৰ্ত্তিটো মানুহৰূপী অনন্ত নাগৰ কোলাত বহি থকা চতুৰ্ভূজ শ্ৰীবিষ্ণুৰ।



মানুহৰূপী অনন্ত নাগৰ কোলাত ভগৱান শ্ৰীবিষ্ণু



উত্তৰ দিশৰ গৌণ দ্বাৰৰ বাঁওফালে পাঁচমুখীয়া শিৱ

মানুহ অনন্তৰ কোলাত সমাহিত শ্ৰীবিষ্ণু আৰু দুয়োৰো পশ্চাদপটত সৰ্পৰূপী অনন্ত নাগৰ ঊনৈশখন ফণাযুক্ত বিশাল বিস্তৃতি। যেন পাৰাপাৰহীন কাল অথবা কাল চেতনাৰ উৰ্ধত মধ্যমণি পৰম ব্ৰহ্ম ভগৱানৰ উদাৰ নিস্পৃহ স্থিতি। বিচিত্ৰ বস্ত্ৰ-অলংকাৰ পৰিহিত মানৱ অনন্ত নাগে বুকুত ভগৱানৰ অপৰূপ ৰূপ অনুভৱ কৰি ৰুদ্ৰাক্ষৰ মালা জপি আছে।

একেখন দুৱাৰৰে বাঁওফালে অৱস্থান কৰিছে পাঁচখন মুখৰ অনন্যসুন্দৰ শিৱমূৰ্ত্তিয়ে। নন্দীৰ পিঠিত উঠি শিৱই সস্ত্ৰীক গৈ আছে। বাঁওহাতৰ ডম্বৰু লৈ শিৱই সোঁহাতেৰে পাৰ্বতীৰ বাউসীত ধৰি আছে। কীৰ্তনৰ হৰমোহন অধ্যায়তে হওঁক বা বানাসুৰৰ যুদ্ধতে হওঁক শিৱৰ বিষ্ণু উপাসনা অথবা





ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ মুখ্যদ্বাৰৰ সিংহমূৰ্ত্তি

কৃষ্ণ-ভক্তিৰ কাহিনী আমি জানো। আমাৰ শিল্পীয়ে যেন সেই কাহিনীৰ উৎসাহতে শিৱ-পাৰ্বতীক নন্দীসহ নামঘৰৰ চোতাললৈ লৈ আহিছে। দৃষ্টিনন্দন আৰু আশ্চৰ্যসুন্দৰ এই মূৰ্ত্তিদুটাৰ বিষয়ে এইখিনি ক'লেই যথেষ্ট নহয়। মূৰ্ত্তি দুটা একো একোডাল কাঠতে কাটি উলিওৱা হৈছে। মূৰ্ত্তি দুটাই দুৱাৰমুখৰ বাৰান্দাত এটা এটা খুঁটা হিচাপেও ব্যৱহাৰিক প্ৰয়োজনীয়তা পূৰণ কৰিছে। স্থাপত্য আৰু ভাস্কৰ্যৰ এনেকুৱা অপূৰ্ব সমন্বয় কিজানি বৰ বেছি বিচাৰি পোৱা নাযাব। অসমৰ বেছিভাগ নামঘৰৰ বেৰ আৰু মজিয়া 'হেঙুল হাইতালেৰে' বৰ্ণময় আৰু শ্ৰীমণ্ডিত কিন্তু তাৰ মাজতো ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ এই দুই ভাস্কৰ্যৰ অৱস্থান আৰু অৱদান বিৰল বুলি ক'ব পাৰি। এইখিনিতে এটা কথা কোৱা উচিত হ'ব — তাজমহলৰ নিৰ্মাতাৰ দৰে মৃত্যুদণ্ডৰে পুৰস্কৃত কৰা নাই যদিও উল্লিখিত দুই ভাস্কৰ্যৰ স্ৰষ্টা আৰু নিৰ্মাতা প্ৰয়াত প্ৰাণহৰি মহাজনৰ শিল্প-প্ৰতিভাৰ স্বীকৃতিৰ প্ৰতিও কোনো সচেতন হোৱা নাই।


সত্ৰ বা নামঘৰৰ স্থাপত্যৰ এটা নিজাববীয়া আৰ্হি আছে। মূল মণিকূট গৃহৰ পূবফালে অলপ আচুতীয়াকৈ থকা অংশক ভাজঘৰ বোলে। বৰপেটা সত্ৰৰ ভাজঘৰত কলীয়া ঠাকুৰৰ মূৰ্ত্তি বিদ্যমান। ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰৰ সেই অংশৰ ভিতৰ ভাগত ভালেমান কাঠৰ ভাস্কৰ্য্য ভাওনাৰ গদা আদি আপুৰুগীয়া শিল্প সম্ভাৰ সংৰক্ষণ কৰা হৈছে। মণিকূট গৃহৰ উত্তৰ ফালৰ গৌণ দ্বাৰত পিতলেৰে খোদাই কৰা শ্ৰীবিষ্ণুৰ দশ অৱতাৰৰ চিত্ৰাংকন সূক্ষ্ম আৰু আকৰ্ষণীয়। সাধাৰণতে ব্যৱহাৰ কৰা মৎস্য অৱতাৰ, কুৰ্ম অৱতাৰ, বৰাহ অৱতাৰ আদি শব্দাৱলীৰ পৰিবৰ্তে ইয়াত শ্ৰীমৎস্য অৱতাৰ, শ্ৰীবৰাহ অৱতাৰ বুলিহে লিখা আছে। কেৱল মনেৰেই নহয়, ব্যৱহাৰিক বাস্তৱতো আমাৰ সেৱাৰ মনোভাৱ আৰু ভক্তিৰ প্ৰকাশ বাঞ্ছনীয় এয়া হয়তো তাৰেই বিনয়ী উপদেশ।



মণিকূট গৃহৰ বেৰত মহিষমৰ্দিনী দুৰ্গা ঃ সাংস্কৃতিক সমন্বয়ৰ স্বাক্ষৰ

ঈশ্বৰ শ্ৰীশ্ৰী হাটী সত্ৰৰ দৌল মন্দিৰটোৰ গাত শ্ৰীভগৱানৰ মূৰ্ত্তি খোদিত

হৈছে। সাধাৰণতে অসমৰ দৌল দেৱালয়ৰ ওপৰ অংশ (ক্ৰমাৎ জোঙা হৈ যি ওপৰলৈ যায়) নিমজ হৈ থাকে। ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰৰ দৌলটি এই ক্ষেত্ৰত সামান্য ব্যতিক্ৰম। অৱশ্যে দক্ষিণৰ প্ৰায়ভাগ মন্দিৰতে কি বিষ্ণুমন্দিৰ কি শিৱমন্দিৰ, বেৰবিলাক পুৰাণ ভাগৱতৰ লীলামালা প্ৰকাশক মূৰ্ত্তিৰে সমৃদ্ধ। গুৱাহাটীত অৱস্থিত বালাজী মন্দিৰত তাৰ আৰ্হি দেখিবলৈ পোৱা যায়। ফাগুন, চ'ত মহীয়া দৌল পূৰ্ণিমাত ঈশ্বৰ শ্ৰীশ্ৰী হাটী সত্ৰৰ দৌল মন্দিৰে উছৱৰ পোছাক পিন্ধে।


অনন্ত শয়নত ভগৱান শ্ৰীবিষ্ণু

ঈশ্বৰ শ্ৰীশ্ৰী হাটী সত্ৰৰ মণিকূট গৃহৰ উত্তৰ দিশত সত্ৰাধিকাৰ দুয়োগৰাকীৰ বাসগৃহৰ অৱস্থান। দুয়োগৰাকী সত্ৰাধিকাৰ প্ৰভু বুঢ়া সত্ৰাধিকাৰ আৰু প্ৰভু ডেকা সত্ৰাধিকাৰ ইয়াত বাস কৰে। ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰৰ নাটঘৰ আৰু অতিথিশালা নিৰ্ম্মিয়মান অৱস্থাত আছে। আইসকলৰ ভঁৰালঘৰ হিচাপে পানী তোলা কুঁৱাৰ কাষতে দক্ষিণ দিশত আন এটা ঘৰো আছে। সত্ৰীয়া স্থাপত্য তথা ভাস্কৰ্য্যৰ সৌন্দৰ্য্যৰ লেখ বিচাৰিলে মূল প্ৰবেশদ্বাৰ বা বাটচ'ৰাৰ ব্যাখ্যা প্ৰয়োজনীয়। ঈশ্বৰ শ্ৰীশ্ৰী হাটী সত্ৰৰ মূল প্ৰবেশদ্বাৰত প্ৰথমেই চকুত পৰে জয়-বিজয় যুগলৰ অনিন্দসুন্দৰ মূৰ্ত্তি। দুয়ো হাতীৰ ওপৰত দণ্ডায়মান। দুয়ো আকৰ্ষণীয় আ-অলংকাৰ আৰু বস্ত্ৰ পৰিধান কৰিছে। প্ৰজ্বলিত প্ৰদীপৰ সন্মুখত পবিত্ৰ ভাগৱত স্থাপনে বাটচ'ৰাক এক অনন্যসুন্দৰ আৰু সমাহিত ৰূপ প্ৰদান কৰিছে। প্ৰবেশদ্বাৰৰ ভিতৰ অংশৰ স্তম্ভ দুটাৰ ওপৰত থিয় হৈ আছে দুই অমৰ প্ৰহৰী। মহাবীৰ হনুমান আৰু মানুহৰূপৰ জটায়ু পক্ষী। হনুমানে আত্মবক্ষ বিদাৰি দেখুৱাইছে য'ত ৰাম নাম লিখা আছে।

সত্ৰৰ পশ্চিম দিশৰ মুখ্যদ্বাৰৰ দৈৰ্ঘ পাঁচ ফুট আঠ ইঞ্চি আৰু প্ৰস্থ চাৰি ফুট। মুখ্যদ্বাৰত শ্ৰীবিষ্ণুৰ দশ অৱতাৰ শিল্পৰূপে খোদিত হৈছে। চাৰিওফালে পত্ৰ পুষ্পেৰে লতা কটা। পিতলৰ পাতৰ ওপৰত পিতলৰেই গজাল মাৰি এই মূৰ্ত্তিসমূহ সংলগ্ন কৰি ৰখা হৈছে।

মুখ্যদ্বাৰৰ ওপৰৰ এটা কাঠত বৈকুণ্ঠৰ চিত্ৰ অংকন কৰা হৈছে। চতুৰ্ভূজ বিষ্ণুৱে পৰিয়াল সমন্বিতে মধ্যমণি হৈ অৱস্থান কৰিছে।



মণিকূট গৃহৰ উত্তৰ পশ্চিম আৰু দক্ষিণ দিশৰ বেৰ অসংখ্য দেৱ-দেৱীৰ মূৰ্ত্তি, বিভিন্ন কাহিনীৰ শিল্পৰূপেৰে শ্ৰীমণ্ডিত। ৰামায়নৰ ঘটনাৱলী, কীৰ্ত্তনৰ প্ৰহ্লাদ আখ্যান আদিৰ মনোৰম ৰূপ ইয়াত ৰূপায়িত হৈছে। যমৰজা, বলি, জনক, নৰসিংহ, কাৰ্ত্তিক, ব্ৰহ্মা, মনু, কপিল আদি অসংখ্য মূৰ্ত্তি আৰু ঘটনাৱলীয়ে ইয়াত প্ৰাণ পাই উঠিছে। উত্তৰৰ গৌণদ্বাৰৰ বেৰৰ ওপৰত কটা প্ৰহ্লাদক শাস্তি দিয়া দৃশ্যসমূহৰ আবেগিক ৰূপ মনোমুগ্ধকৰ। দক্ষিণ দিশৰ দেৱালৰ ওপৰ অংশত যম ৰজাই পাপী মানুহক শাস্তি দিয়াৰ দৃশ্য অংকিত হৈছে। অন্য অসংখ্য মূৰ্ত্তিৰ মাজত এখনি দশভূজা দুৰ্গাৰ মূৰ্ত্তিয়েও স্থান পাইছে। সিংহ বাহিনীয়ে পদতলত অসুৰ নিধন কৰা ৰূপ ইয়াত ৰূপায়িত হৈছে।

সত্ৰ সংস্কৃতিৰ স্থাপত্যৰ সৈতে ভাস্কৰ্য্যৰ সমন্বয় এৰাব নোৱাৰা কথা। প্ৰতি সত্ৰৰ মূল কীৰ্ত্তনঘৰত বেৰসমূহ অনুপম ভাস্কৰ্য্যৰে সমৃদ্ধ হৈ থাকে। পাপী-তাপী মানুহক, সংসাৰ চক্ৰত মায়াত বন্দী মানুহক সঠিক দিশ দেখুৱাই দিয়াতো এই চিত্ৰ ভাস্কৰ্য্যসমূহৰ মুখ্য উদ্দেশ্য বুলি ক'ব পাৰি। ঈশ্বৰ শ্ৰীশ্ৰী হাটী সত্ৰৰ স্থাপত্য আৰু ভাস্কৰ্য্য অসমৰ অমৰ সত্ৰ সংস্কৃতিৰ অন্যতম বাহক আৰু ধাৰক। ইয়াক সংৰক্ষণ কৰা, আদৰ কৰা আমাৰ জাতীয় দায়িত্ব।

(বিশেষ টোকা ঃ আন্তৰিক আগ্ৰহ আৰু জনাৰ কৌতূহলেই এই লেখাৰ মূল উৎস। পাঠকক জনাব পৰাকৈ আমাৰ কোনো নতুন উদ্ভাৱন নাই। ব্যাখ্যা আৰু বৰ্ণনাত যদি কিবা ত্ৰুটি ধৰা পৰে সেয়া লেখকৰ অনিচ্ছাকৃত আৰু অজ্ঞতাৰ কাৰণে হোৱা। তাৰ বাবে ক্ষমা কৰে যেন।)

-ooo-

*সহায়ক গ্ৰন্থ ঃ*

গঞাস্মৃতি ঃ সৰু খেল গঞা ৰাইজ গয়ৰহ, শুৱালকুছি

সাধু বুদৰাম মহন্ত ঃ হৰমোহন দাস

পুৰণি অসমৰ সাহিত্য আৰু সংস্কৃতি ঃ ড° মহেশ্বৰ নেওগ

*আমাৰ কৃতজ্ঞতা ঃ*

শ্ৰীযুত ৰাজীৱ লোচন সন্ত

চিত্ৰকৰ আৰু ভাস্কৰ মাধৱ বৈশ্য

## লেখক পৰিচিতি ঃ

| | | | |
|---|---|---|---|
| ১। | শ্ৰীৰাজীৱ লোচন সন্ত | ঃ | ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰ আৰু শঙ্কৰী সংস্কৃতিৰ সাধক। শ্ৰীযুত সন্তই আধ্যাত্মিক আৰু ধৰ্ম সম্পৰ্কীয় ভালেমান তত্ত্বগধুৰ প্ৰবন্ধ ৰচনা কৰিছে। |
| ২। | শ্ৰীযুতা দিপালী কলিতা | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা। শ্ৰীমতী কলিতা এসময়ৰ এই মহাবিদ্যালয়ৰ মেধাবী ছাত্ৰী। সম্প্ৰতি প্ৰবন্ধ লেখাত হাত দিছে। |
| ৩। | ড° পৰশমণি দাস | ঃ | গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দাসদেৱে ভালেকেইখন গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰিছে। তেওঁৰ দ্বাৰা ৰচিত এখন উল্লেখযোগ্য গ্ৰন্থ হ'ল 'বিশ্বদৰবাৰত শ্ৰীমন্ত শংকৰদেৱ ঃ ড° উইলিয়াম এল. স্মিথ আৰু প্ৰভাত চি. দাস'। |
| ৪। | শ্ৰীযুত হেমচন্দ্ৰ ভৰালী | ঃ | সত্ৰীয়া সংস্কৃতিৰ সাধক আৰু প্ৰচাৰক, বিভিন্ন অনুষ্ঠানৰ স'তে জড়িত। এগৰাকী সু-বক্তা আৰু সৰবৰহী ব্যক্তি। |
| ৫। | শ্ৰীযুত কুঞ্জমোহন ডেকা | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। শ্ৰীযুত ডেকা ভাৰতীয় ডাক বিভাগৰ কৰ্মচাৰী। এগৰাকী বিশিষ্ট প্ৰবন্ধকাৰ। ভালে কেইখন আলোচনীৰ সম্পাদনাৰ সৈতেও জড়িত। |
| ৬। | শ্ৰীযুতা কনকলতা দাস | ঃ | বৰগীতৰ প্ৰাক্তন অনাতাঁৰ শিল্পী শ্ৰীযুতা দাস কবি আৰু গীতিকাৰ। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী শ্ৰীযুতা দাসে বিগত ৩১ বছৰ ধৰি মণ্টেছৰী শিশু শিক্ষা পদ্ধতিৰ এখনি বিদ্যালয়ৰ সঞ্চালিকা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। |
| ৭। | শ্ৰীযুত উমেশ চন্দ্ৰ দাস | ঃ | শ্ৰীযুত দাসদেৱ অৱসৰপ্ৰাপ্ত অধ্যাপক আৰু অসম বিধান সভাৰ প্ৰাক্তন সদস্য। লেখক হিচাপেও তেওঁৰ আছে সুকীয়া পৰিচয়। বৰ্তমান শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি। |
| ৮। | শ্ৰীযুত দেবীৰাম দাস | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীযুত দাসদেৱ এগৰাকী লেখক, সমাজ সচেতন সৰবৰহী ব্যক্তি। |
| ৯। | শ্ৰীযুত হৰেকৃষ্ণ শৰ্মা | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, প্ৰবন্ধ লেখক আৰু কবি। |
| ১০। | ড° মনালিছা বৰা | ঃ | ভাষা বিষয়ত ডক্টৰেট আৰু বৰ্তমান শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা। ভালেমান প্ৰবন্ধ লিখিছে। |
| ১১। | তুৰা কটকী | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক, উপাধ্যক্ষ, ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্য নিৰ্বাহ কৰা কটকীদেৱ সত্ৰীয়া সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। ভালেমান প্ৰবন্ধও ৰচনা কৰিছে। |
| ১২। | শ্ৰীযুত কুলধৰ চৌধুৰী | ঃ | গণেশ দাস হাইস্কুল, শুৱালকুছিৰ প্ৰাক্তন প্ৰধান শিক্ষক চৌধুৰীদেৱ সমাজ সচেতন ব্যক্তি। বিভিন্ন অনুষ্ঠানৰ স'তে জড়িত। লেখা-মেলাত হাত আছে। |
| ১৩। | শ্ৰীযুতা মাহিন্দ্ৰী দাস | ঃ | শ্ৰীযুতা দাস স্বেচ্ছাসেৱী অনুষ্ঠান 'কবিকৃষ্ণ'ৰ আহ্বায়ক। এখেত বিশিষ্ট চিকিৎসক ডাঃ বিকুল দাসৰ মাতৃ। |
| ১৪। | ডাঃ বিকুল দাস | ঃ | কেলিফৰ্ণিয়াৰ ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ত চিকিৎসা বিজ্ঞানী হিচাপে কৰ্মৰত। ডাঃ দাসে Stemcell-অৰ ওপৰত গৱেষণা কৰি বিশেষ খ্যাতি লাভ কৰিছে। আমেৰিকাত 'কেলিফৰ্ণিয়া শঙ্কৰদেৱ সমাজ' প্ৰতিষ্ঠাৰে সত্ৰীয়া সংস্কৃতিৰ সাধনা আৰু প্ৰচাৰত ব্ৰতী হৈ আছে। এখেত অসমৰ 'কবিকৃষ্ণ' নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ সঞ্চালক। |
| ১৫। | শ্ৰীযুত মলিন কলিতা | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। সমাজ সচেতন ব্যক্তি শ্ৰীযুত কলিতা সাহিত্য-সংস্কৃতিৰ চৰ্চাত ব্ৰতী হৈ আছে। |
| ১৬। | শ্ৰীযুত বাসুদেৱ ভৰালী | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীযুত ভৰালীদেৱ এগৰাকী বিশিষ্ট লেখক আৰু সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰক। |
| ১৭। | শ্ৰীযুত দিলীপ কুমাৰ শৰ্মা | ঃ | বিশিষ্ট প্ৰবন্ধকাৰ আৰু সংবাদ পত্ৰৰ সচেতন পত্ৰ-লেখক শ্ৰীশৰ্মাদেৱ শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক। |
| ১৮। | ড° চিত্তৰঞ্জন দাস | ঃ | শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক। বিশিষ্ট কবি। |

## 'সন্ত যশামৃত'ৰ সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | ড° দীপেশ চন্দ্ৰ ভাগৱতী |
| | | শ্ৰীযুত ৰাজীৱ লোচন সন্ত |
| | | প্ৰয়াত তুৰা কটকী |
| | | *(২০১৩ চনৰ জুন মাহত প্ৰয়াত)* |
| সভাপতি | ঃ | ড° চিত্তৰঞ্জন দাস |
| সম্পাদক | ঃ | ড° দীপুল কুমাৰ দাস |
| সদস্য/সদস্যা | ঃ | শ্ৰীডিম্বেশ্বৰ শইকীয়া |
| | | শ্ৰীমামণি দেৱী |
| | | ড° যোগেশ ডেকা |
| | | শ্ৰীদিপালী কলিতা |
| | | শ্ৰীদিলীপ কুমাৰ শৰ্মা |
| | | শ্ৰীঅতুল চন্দ্ৰ দাস |
| | | শ্ৰীঋতুপৰ্ণ দাস |

